*অধ্যক্ষ মহোদয়,*

১। এই মহামান্য সদনত মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন অসম চৰকাৰৰ বিত্ত মন্ত্ৰী হিচাপে থিয় হৈ আজি মই মোৰ পঞ্চম তথা অন্তিমখন বাজেট উত্থাপন কৰিবলৈ ওলাইছোঁ। অসমৰ ৰাইজৰ মৰম আৰু আশীৰ্বাদত এই বাজেট উত্থাপনৰ যোগেদি মই ধাৰাবাহিকভাৱে পাঁচখন বাজেট দাখিল কৰা অসমৰ বিত্তমন্ত্ৰীসকলৰ তালিকাত ঠাই পালো। ১৯৫২-৫৩ বিত্তীয় বৰ্ষৰ পৰা ১৯৫৬-৫৭ বিত্তীয় বৰ্ষলৈ শ্ৰী মতিৰাম বৰাদেৱে, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি শ্ৰী ফকৰুদ্দিন আলী আহমেদদেৱে বিত্তমন্ত্ৰীৰূপে ১৯৫৯-৬০ বিত্তীয় বৰ্ষৰ পৰা ১৯৬৫-৬৬ বিত্তীয় বৰ্ষলৈ আৰু শ্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীদেৱে ১৯৬৭-৬৮ বিত্তীয় বৰ্ষৰ পৰা ১৯৭১-৭২ বিত্তীয় বৰ্ষলৈ ধাৰাবাহিকভাৱে পাঁচখন বা ততোধিক বাজেট এইখন সদনতে উত্থাপন কৰিছিল। যেতিয়া মুখ্যমন্ত্ৰীগৰাকীয়ে বিত্ত বিভাগৰ অতিৰিক্ত দায়িত্ব বহন কৰি বাজেট দাখিল কৰে, তেতিয়া নিশ্চয় পাঁচ বা ততোধিক কাৰ্যকালৰ বাবে বাজেট দাখিল কৰিব লগীয়া হয়। এই বিৰল আৰু অনন্য সন্মান মোৰ ক্ষেত্ৰত সম্ভৱ হ'ল মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসমৰ ৰাইজে মোৰ ওপৰত পোষণ কৰা আস্থাৰ বাবেহে। এই ক্ষেত্ৰত সৰ্বশক্তিমান ঈশ্বৰে মোৰ প্ৰতি কৰা আশীৰ্বাদ বৰ্ষণৰ বাবে মই পৰম ধন্য হ'লোঁ আৰু সেই ঈশ্বৰৰ প্ৰতি মোৰ প্ৰণিপাত নিবেদন কৰিলোঁ। ১৯৩৭ চনৰ ৩ আগষ্টত মৌলবী চৈয়দ ছাৰ মহম্মদ ছাদুল্লা ডাঙৰীয়াই এই সদনত দাখিল কৰা প্ৰথমখন বাজেটৰ বাজেট বক্তৃতাৰ পৰা আৰম্ভ কৰি সকলোবোৰ বাজেট বক্তৃতা ডিজিটেল ৰূপত সংৰক্ষণ কৰাৰ এক সুবৰ্ণ সুযোগ আমি লাভ কৰিছোঁ।

২। *সন্মানীয় অধ্যক্ষ মহোদয়,* ২০১৬ চনৰ ২৪ মে' তাৰিখে আশা, আকাংক্ষা, বিকাশ আৰু সৰ্বজনৰ অন্তৰ্ভুক্তিৰে এক সম্ভাৱনাময় ভৱিষ্যতৰ প্ৰতিশ্ৰুতি লৈ অসমত এক নৱ প্ৰভাতৰ সূচনা হৈছিল। আজি আপোনাসৱৰ সন্মুখত বিনম্ৰতাপূৰ্বক গৌৰৱেৰে ঘোষণা কৰিব খোজোঁ যে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ ক্ষেত্ৰত আমি সৰ্বান্তঃকৰণেৰে চেষ্টা কৰিছিলোঁ। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াই আমাক **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস**ৰ মন্ত্ৰ দিছিল। আমাৰ চৰকাৰৰ বিকাশ যাত্ৰাৰ মৰ্মমূলত এই মন্ত্ৰ নিহিত হৈ আছিল আৰু মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা **বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, সন্ত্ৰাসবাদমুক্ত তথা প্ৰদূষণমুক্ত** ধ্বনিয়ে আমাৰ প্ৰশাসন ব্যৱস্থাটোক অহৰহ পৰিচালিত কৰি আহিছিল।

৩। মোৰ ২০১৯-২০ বৰ্ষৰ বাজেট ভাষণত মই এই সদনক স্মৰণ কৰাইছিলোঁ যে আমি এক গুৰুত্বপূৰ্ণ যাত্ৰাৰ সন্ধিক্ষণত উপনীত হৈছোঁ আৰু সেই অৱস্থাৰ পৰা উভতি চোৱাৰ কোনো অৱকাশ নাই। একেটা কথাকেই দোহাৰি মই নতুনকৈ এই কথা যোগ দিব বিচাৰিছোঁ যে পিছলৈ উভতি নোচোৱাকৈ আমাৰ পূৰ্বৰ সেই স্থিতিত আমি এতিয়াও অধিক প্ৰত্যয়েৰে অটল হৈ আছোঁ। আমাৰ নিয়তিক নিজৰ কৰ্মৰে অধিক মঙ্গলময় ৰূপত গঢ়ি তোলাৰ যি সুৱৰ্ণ সুযোগ পাইছোঁ তাক আমি হেৰুৱাব নোখোজোঁ আৰু তাকে কৰি আমি এখন সমৃদ্ধিশালী অসম গঢ়ি তুলিব খোজোঁ, যিখন অসম হ'ব প্ৰগতিশীল তথা বিকশিত আৰু য'ত প্ৰতিগৰাকী নাগৰিক সুস্বাস্থ্য, সমৃদ্ধি আৰু সুখৰ সৰ্বোচ্চ শিখৰত অৱতীৰ্ণ হ'ব পাৰিব।

৪। মহোদয়, বিকাশ নামৰ পৰিঘটনাটো নিশাটোৰ ভিতৰতে নঘটে। ই হৈছে এক শক্তিশালী ভেটিৰ ওপৰত এচটা এচটাকৈ ইটা গাঁথি নিৰ্মাণ কৰা এটা ঘৰৰ দৰে। সেইবাবে বিকাশ সুনিশ্চিত কৰিবৰ বাবে আমাক প্ৰথমতেই এক সবল অৰ্থনীতিৰ প্ৰয়োজন। এইখিনিতে মই এই সদনৰ ক্ষন্তেক সময় বিচাৰিছোঁ যাতে যোৱা চাৰিটা বছৰৰ অৰ্থনৈতিক যাত্ৰাৰ এক অৱলোকন আগ বঢ়াব পাৰোঁ আৰু আমাৰ স্বপ্নৰ ভৱিষ্যৎ অসমখনৰ এক ৰূপৰেখা দাঙি ধৰিব পাৰোঁ।

৫। ২০১৬ চনৰ মোৰ প্ৰথমখন বাজেটত আমাৰ চৰকাৰৰ প্ৰশাসনৰ মূল দৰ্শনৰ জুমুঠিটো- অৰ্থাৎ নীতি আৰু ৰূপৰেখাসমূহ তৈয়াৰ কৰা হৈছিল। আমাৰ সুশাসনৰ মডেলটোৰ চাৰিটা স্তম্ভ আমি চিনাক্ত কৰিছিলোঁ—

(ক) ব্যক্তি জীৱনৰ সততা

(খ) ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ

(গ) প্ৰশাসনিক ন্যায্যতা আৰু

(ঘ) জন অংশীদাৰিত্ব

এই মডেলটোৰ বাবে অনুপ্ৰেৰণা আহৰণ কৰা হৈছিল পণ্ডিত দীনদয়াল উপাধ্যায়ৰ একাত্ম মানৱতাবাদৰ আদৰ্শৰ পৰা আৰু স্বামী বিবেকানন্দই আগ বঢ়োৱা মানৱ সম্পদ সৃষ্টি আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ তুৰ্যনিনাদৰ পৰা। আমি স্বামী বিবেকানন্দই আগ বঢ়োৱা সেই বাণীক সাৰোগত কৰিছিলোঁ য'ত তেওঁ কৈছিল—

*এটা মাত্ৰ অমূৰ্ত কল্পনা হাতত লোৱা। সেই এটা মাত্ৰ স্বপ্নক তোমাৰ জীৱনত পৰিণত কৰা- তাৰ বিষয়ে ভাবা, চিন্তা কৰা আৰু সেই কল্পনাত নিৰ্বাহ কৰা। তোমাৰ মগজু, পেশী, স্নায়ু, দেহৰ প্ৰতিটো অঙ্গ সেই স্বপ্নৰে ভৰাই পেলোৱা আৰু বাকী সকলো চিন্তা পৰিত্যাগ কৰা। এয়াই হৈছে সাফল্যৰ মূল মন্ত্ৰ।*

৬। এই সদনৰ প্ৰতিগৰাকী সদস্যকে মই অৱগত কৰিব খোজোঁ যে ধনঞ্জয় অৰ্জুনৰ লক্ষ্য কেৱল চৰাইটোৰ চকুত স্থিৰ হৈ থকাৰ দৰে, আমাৰো লক্ষ্য নিহিত হৈ আছে অসমৰ প্ৰতিগৰাকী নাগৰিকৰ জীৱনৰ মান উন্নীতকৰণত আৰু এই কথা নিশ্চিত কৰাত যাতে তেওঁলোকৰ বৃহত্তৰ ক্ষেত্ৰখনত এখন চৰকাৰৰ উপস্থিতি আৰু তাৰ মঙ্গলময় প্ৰভাৱ নিৰন্তৰ অনুভৱ কৰি থাকিব পাৰে।

৭। মহোদয়, ভৱিষ্যতৰ এখন সমৃদ্ধ অসমৰ আধাৰশিলা নিৰ্মাণৰ বাবে নিম্ন উল্লিখিত বুনিয়াদী ব্যৱস্থাসমূহৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু সেইসমূহেই হৈছে আমাৰ যাত্ৰাৰ প্ৰধান পাথেয়।

- জবাবদিহি বিত্তীয় ব্যৱস্থাপনা;
- ৰাজহুৱা আন্তঃগাঁথনি নিৰ্মাণত গুৰুত্ব;
- মহিলা, কৃষক, যুৱক আৰু বিশেষভাৱে সক্ষম লোকৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি বিকাশৰ উত্তৰণমুখী যাত্ৰাত সকলো নাগৰিকৰ অন্তৰ্ভুক্তিকৰণ;
- স্বাস্থ্যসেৱাৰ গুৰুত্বপূৰ্ণ সূচকসমূহৰ উন্নয়নৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা;
- নগৰীয়া আৰু গ্ৰাম্য উন্নয়নৰ বাবে সংহত প্ৰচেষ্টা;
- আমাৰ জনগোষ্ঠীসমূহৰ সামাজিক আৰু সাংস্কৃতিক পুনৰুত্থানৰ বাবে প্ৰচেষ্টা;
- বহনক্ষম উন্নয়ন লক্ষ্যৰ ৰূপৰেখাৰ মাজত ওপৰৰ ব্যৱস্থাসমূহ সমাহিতকৰণ।

৮। আমি যেতিয়া এই ৰাজ্যৰ প্ৰশাসন ব্যৱস্থা লাভ কৰিছিলোঁ, সেই অৱস্থাত ৰাজ্যখনৰ বিত্তীয় ব্যৱস্থাটো চৰকাৰী নীতিৰ অচলাৱস্থা (Policy paralysis) আৰু অগ্ৰাধিকাৰ নিৰ্বাচনৰ ব্যৰ্থতাই চানি ধৰিছিল। এই সদনৰ পৱিত্ৰ মজিয়াত মই সেই অৱস্থাৰ প্ৰতিফলন ঘটাই এখন শ্বেতপত্ৰ উত্থাপন কৰিছিলোঁ।

৯। একোখন ৰাজ্যৰ বিত্তীয় স্বাস্থ্যৰ প্ৰতিফলন ঘটাব পৰা এক সূচক হৈছে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP)। সামগ্ৰিকভাৱে বিশ্ব আৰু ৰাষ্ট্ৰীয় অৰ্থনীতিৰ মন্দাৱস্থাৰ মাজতো অসমৰ বিত্তীয় ব্যৱস্থাই কিদৰে এক সুস্থিৰ বিকাশ বৰ্তাই ৰাখিছে তাক বুজাবলৈ মই মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ তথ্য উল্লেখ কৰিব বিচাৰিছোঁ—

| ক্ৰমিক নং | বৰ্ষ | মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন | |
|---|---|---|---|
| | | বৰ্তমানৰ মূল্যত | বাৰ্ষিক বৃদ্ধি |
| ১ | ২০১৬-১৭ | ২৫৪৪৭৮.২৫ | ১১.৬৩% |
| ২ | ২০১৭-১৮ | ২৮৮৪৯৩.৫৭ | ১৩.৩৭% |
| ৩ | ২০১৮-১৯ (মহা গাণনিকৰ দ্বাৰা নিৰূপিত) | ৩২৩৫৫৫.৩৮ | ১২.১৫% |
| ৪ | ২০১৯-২০ (বাজেট প্ৰাক্কলন) | ৩৬৩৬১১.৫৪ | ১২.৩৮% |

১০। ওপৰৰ তালিকাখনৰ পৰা দেখা যায় মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ দৃষ্টিভঙ্গীৰে বৰ্তমানৰ মূল্যত ২০১৬-১৭ বৰ্ষৰ পৰা ২০১৯-২০ বৰ্ষলৈ বাৰ্ষিক গড় উন্নয়নৰ হাৰ ১২.৩৮%। ধ্ৰুৱক মূল্যৰ দৃষ্টিভঙ্গীৰেও আমাৰ ৰাজ্যিক বিকাশৰ হাৰ ৰাষ্ট্ৰীয় গড় মানতকৈ অধিক আৰু এয়া হৈছে এক উল্লেখনীয় প্ৰাপ্তি।

১১। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধিৰ আঁৰত কোনবোৰ কাৰকে ক্ৰিয়া কৰিছে সেই দিশটোৰ ওপৰত ক্ষন্তেক আলোকপাত কৰি মই ক'ব খোজোঁ যে আমাৰ ৰাজ্যখনৰ অৰ্থনীতি বহু পৰিমাণে চৰকাৰী কাৰ্যসূচী, আঁচনি আৰু চৰকাৰী ব্যয়ৰ ওপৰত নিৰ্ভৰশীল।

১২। মহোদয়, এতিয়া মই বাজেটৰ আকাৰ আৰু পুঁজি ব্যৱহাৰৰ আৰ্হি বা নমুনাৰ ওপৰত আলোকপাত কৰিব খুজিছোঁ। ২০১৬ বৰ্ষৰ পূৰ্বে বাজেট প্ৰস্তুত হোৱা নাছিল বা ৰাজহুৱা ব্যয় কৰা হোৱা নাছিল তেনে এটা ধাৰণা মই দিবলৈ নিবিচাৰোঁ। কিন্তু বিগত চাৰি বছৰত দেখা গৈছে কিদৰে সুচিন্তিতভাৱে বাজেট প্ৰস্তুত কৰা হৈছে, সম্পদ কিদৰে বিচক্ষণতাৰে আৱন্টন কৰা হৈছে আৰু ৰাজহুৱা ব্যয়ৰ উদাহৰণসমূহে কিদৰে একোটা সাফল্যৰ গাঁথা আমাৰ মাজলৈ লৈ আহিছে। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধিৰ যি উৰ্দ্ধমুখী ধাৰাৰ কথা মই উল্লেখ কৰিলোঁ, সেই ধাৰাই দেখুৱাইছে কিদৰে চৰকাৰৰ বাজেট ব্যৱস্থাপনাই এক যোগাত্মক ফল দিবলৈ আৰম্ভ কৰিছে।

| Year | Budget (In Crore) | Expenditure (In Crore) | Percentage (%) |
|---|---|---|---|
| 2015-2016 | 74903 | 41931 | 56 |
| 2016-2017 | 83017 | 57407 | 69 |
| 2017-2018 | 99453 | 65436 | 66 |
| 2018-2019** | 108490 | 73119 | 67 |

** Provisional Figures

১৩। অধ্যক্ষ মহোদয়, ওপৰত দেখুওৱা তালিকাৰ পৰা এই কথা প্ৰতীয়মান যে প্ৰতিবছৰে আমাৰ চৰকাৰে ব্যয়ৰ ক্ষেত্ৰত নতুন নতুন কীৰ্তিস্তম্ভ স্থাপন কৰিছে। ২০১৬-১৭ বৰ্ষত ব্যয়ৰ সীমা ৫০ হাজাৰ কোটি টকা অতিক্ৰম, ২০১৭-১৮ বৰ্ষত ব্যয়ৰ সীমা ৬০ হাজাৰ কোটি টকা অতিক্ৰম আৰু ২০১৮-১৯ বৰ্ষত ব্যয়ৰ সীমাই ৭০ হাজাৰ কোটি টকা অতিক্ৰম কৰে (প্ৰাৰম্ভিক হিচাপ অনুসৰি)। ২০১৫-১৬ বৰ্ষৰ ব্যয়ৰ হাৰৰ তুলনাত যোৱা তিনি বছৰত আমাৰ চৰকাৰৰ ৰাজহুৱা ব্যয় ৭০% শতাংশ বৃদ্ধি পাইছে। তদুপৰি আমাৰ চৰকাৰৰ দিনত ব্যয়ৰ বাৰ্ষিক বৃদ্ধিৰ হাৰো দ্ৰুততাৰে বৃদ্ধি পাইছে আৰু ২০১৫-১৬ বৰ্ষৰ তুলনাত (সম আধাৰত) ২০১৬-১৭ বৰ্ষত ব্যয় বৃদ্ধিৰ হাৰ ৩৬.৯% ৰো অধিক হৈছে। ২০১৭-১৮ বৰ্ষৰ বৃহৎ আধাৰৰ তুলনাতো ২০১৮-১৯ বৰ্ষৰ ব্যয় বৃদ্ধি আমাৰ বাবে অতি উৎসাহজনক পৰিঘটনা।

১৪। এই সদনৰ বহু সদস্যই যে বাজেটৰ পুঁজি ব্যৱহাৰৰ মাপৰ বিষয়ে জানিবলৈ উৎসুক, সেই বিষয়ে মোৰ কোনো সন্দেহ নাই। মুঠ বাজেটক ২০১৫-১৬ বৰ্ষৰ বাজেটৰ স্তৰলৈ নমাই ৰূপায়ণৰ মাপ বৰ্ধিত ৰূপত দাঙি ধৰিব মই পাৰিলোহেঁতেন। ৰাজ্যৰ বিত্ত মন্ত্ৰী হিচাপে এই কাম কৰা সহজ হ'লেও তেনে এক অগ্ৰহণীয় পন্থা মই অৱলম্বন কৰিব নোখোজোঁ। তেনে এক পন্থাৰে বাজেট ৰূপায়ণৰ মাপ প্ৰায় ৯৫ শতাংশ বুলি দেখুৱাব পৰা গ'লহেঁতেন। কিন্তু সেয়া জানো চৰকাৰৰ কৰ্তব্য? তেনে কৰিলে জানো আমাৰ উন্নয়নশীল অৰ্থনীতিয়ে বিকাশ লাভ কৰিব?

১৫। মহোদয়, মোৰ সৈতে নিশ্চয় সকলোৱে একমত হ'ব যে বাজেট ৰূপায়ণ এনে এক বিষয় যাক আমি সকলোৱে চকু দিয়া উচিত। বাজেট ৰূপায়ণ এনে এক কছৰৎ যাৰ শেষ ফল একোটা গাণিতিক সংখ্যা। এক তেজস্বী উদ্যমৰ দ্বাৰা আমি ৰাজ্যিক অৰ্থনীতিৰ ক্ষেত্ৰখন বিকশাই তুলিবলৈ সক্ষম হৈছোঁ। সদনৰ সদস্যসকলে নিশ্চয় লক্ষ্য কৰিছে যে বিগত তিনি বছৰত আমাৰ মুঠ ব্যয় বৃদ্ধিৰ পৰিমাণ প্ৰায় ৩০,০০০ কোটি টকা হৈছেগৈ।

১৬। ২০১৬-১৭ বৰ্ষত আমি যেতিয়া ক্ষমতালৈ আহিছিলোঁ, এইখন সদনত ২০১৬ চনৰ ৩ জুন তাৰিখে ৰাজ্যৰ বিত্তীয় পৰিস্থিতি সম্পৰ্কে এক শ্বেতপত্ৰ দাখিল কৰা হৈছিল। সদস্যসকলৰ নিশ্চয় মনত আছে যে সেই সময়ত ৰাজ্যিক কৰ্মচাৰীক দৰমহা দিবৰ বাবেও ৰাজ্য চৰকাৰে কেন্দ্ৰীয় অনুদানৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছিল। বিগত চাৰি বছৰত ৰাজ্যৰ অৰ্থনীতিক পুনৰুজ্জীৱিত কৰিবলৈ আমি কেতবোৰ বৃহৎ পদক্ষেপ হাতত লৈছিলোঁ। যি স্থলত ২০১৫-১৬ বৰ্ষত ৰাজ্য চৰকাৰে নিজৰ কৰ্মচাৰীক কেৱল ৬ মাহ ১০ দিনৰহে দৰমহা দিবলৈ সমৰ্থ হৈছিল, তেনে স্থলত আজি আমি ৰাজ্যক কৰ্মচাৰীক ৭ মাহ ৯ দিনৰ দৰমহা আদায় দিব পৰা অৱস্থালৈ আহিলোঁ। সদনক জনাই থওঁ যে বৰ্দ্ধিত কৰ্মচাৰীৰ সংখ্যা, বৰ্দ্ধিত পেঞ্চনভোগী আৰু সপ্তম দৰমহা আয়োগৰ পৰামৰ্শাৱলী কাৰ্যকৰীকৰণৰ পিছতো ১৫% হাৰৰ এই বৃদ্ধি এক লেখত ল'বলগীয়া ঘটনা। অধ্যক্ষ মহোদয়, বিকাশৰ এই হাৰ বৰ্তি থাকিলে অনতিপলমে আমি কৰ্মচাৰীসকলক সম্পূৰ্ণ বছৰটোৰ দৰমহা কেন্দ্ৰীয় পুঁজিৰ ওপৰত নিৰ্ভৰ নকৰাকৈ ৰাজ্যিক ৰাজহৰ পৰাই আদায় দিব পাৰিম।

১৭। ৰাজহুৱা বিত্তায়ন (Public Finance)ৰ সংস্কাৰ আৰু ৰূপায়ণ এক দীৰ্ঘম্যাদী প্ৰক্ৰিয়া। কোৱা হয় যে দেশ এখনৰ এশ বছৰীয়া ইতিহাস এখন কিতাপৰ এটা অধ্যায় মাত্ৰ। কিন্তু যেতিয়া দেখা যায় যে মাত্ৰ চাৰি বছৰীয়া কাৰ্যকালত আমাৰ অৰ্থনীতিয়ে সন্তোষজনক অগ্ৰগতি লাভ কৰিছে তেতিয়া মনত আনন্দৰ সঞ্চাৰ হয়। মই নিশ্চিত যে সদনৰ বহু সদস্যই সফলতাৰ ৰহস্যনো কি তাক জানিবলৈ উৎসুক হ'ব।

১৮। মহোদয়, বৃহৎ প্ৰকল্প ৰূপায়ণৰ স্বপ্ন দেখাৰ আৰু কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যৰ সক্ষমতা আমি জগাই তুলিছোঁ। এই কথা প্ৰতিফলিত হৈছে ৰাজ্যখনৰ ক্ৰমবৰ্ধমান কৰ্মশক্তিত। বিত্তীয় ব্যৱস্থা সংস্কাৰৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ আমি সিদ্ধান্ত লৈছিলোঁ আৰু ইয়াৰ ফলত অসম চৰকাৰৰ কাম-কাজবোৰ সুচল হৈ পৰিছিল। চৰকাৰী বিভাগ, ব্যৱসায়ী আৰু কৰ্মচাৰী আটায়ে চৰকাৰৰ প্ৰতিশ্ৰুতিত আশ্বস্ত হৈছিল আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত এক আশাবাদৰ সৃষ্টি হৈছিল। মহোদয়, এইবোৰ জানো সুশাসনৰ প্ৰকৃত উপকৰণ নহয়?

১৯। মহোদয়, মই নিশ্চিত যে এই সদনত উপস্থিত আমি সকলোৱে সু-শাসনৰ এই নীৰৱ বিপ্লৱত অংশীদাৰ হোৱাৰ গৌৰৱেৰে গৌৰৱান্বিত। অহা সময়ছোৱাত আমি এই জয়যাত্ৰা অক্ষুণ্ণ ৰাখিম আৰু সাফল্যৰ নতুন শিখৰত আৰোহণ কৰিম।

২০। মহোদয়, তিনিচুকীয়া অথবা ডিমা হাচাও জিলাৰ গাঁৱৰ এজন সাধাৰণ গঞাই বাজেটৰ এই পৰিসংখ্যাবোৰৰ পৰা হয়তো বিশেষ কোনো কথা হৃদয়ঙ্গম কৰিব নোৱাৰিব। চৰকাৰী প্ৰচেষ্টাৰে নিৰ্মাণ কৰি উলিওৱা বাস্তৱ হিতসমূহৰ সৈতেহে সাধাৰণ এজন লোক অধিক পৰিচিত। তৃণমূল পৰ্যায়ত বিকাশৰ এখন ছবিয়ে বৰ্ধিত ৰাজহুৱা ব্যয় আৰু বিচক্ষণ বিত্তীয় ব্যৱহাৰৰ সৈতে সম্পদৰ সঠিক ব্যৱহাৰৰ কথাকেই প্ৰতিফলিত কৰে।

২১। ৰাজ্যখনৰ আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰখনত যি এক ৰূপান্তৰ ঘটিছে তাক প্ৰকাশ কৰিবলৈ এতিয়া মই এক চমু খণ্ডচিত্ৰ প্ৰকাশ কৰিবলৈ ওলাইছোঁ। অধ্যক্ষ মহোদয়, এইবাৰৰ বাজেটত ই-বাজেট ব্যৱস্থাৰ পৰা এঢাপ ওপৰলৈ গৈ QR কোড প্ৰৱৰ্তন কৰাৰ ব্যৱস্থা কৰা হৈছে যাতে ইচ্ছুক সদস্যসকল আৰু যিকোনো নাগৰিকে চৰকাৰৰ কীৰ্তিসমূহ নিজ চকুৰে প্ৰত্যক্ষ কৰিব পাৰে। তাৰ বাবে তেওঁলোকে বাজেট বক্তৃতাৰ পুস্তিকাত সংলগ্ন কৰি দিয়া QR কোডকেইটা নিজৰ স্মাৰ্টফোনেৰে স্কেন কৰিলেই নিৰ্দিষ্ট ৱেব পোৰ্টেলৰ কেতবোৰ ভিডিঅ' ক্লিপ দেখিবলৈ পাব। যিসমূহ সাফল্যৰ কাহিনীৰ বিষয়ে মই উল্লেখ কৰিব খোজোঁ, ইচ্ছুক লোকে সেইসমূহ প্ৰত্যক্ষ কৰিব পাৰিব।

২২। যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত অসম সদায়েই এক অসুবিধাৰ সন্মুখীন হৈ আহিছে। ৰাজ্যখনৰ ভূ-গাঁথনিক বৈশিষ্ট্যই যোগাযোগ ব্যৱস্থাক জটিল কৰি তুলিছে। মাননীয় সদস্যসকলে জানি সুখী হ'ব ২০১৬-১৭ বৰ্ষ আৰু ২০২০ চনৰ জানুৱাৰীৰ মাজৰ সময়ছোৱাত পকী পথ নিৰ্মাণ কৰা হৈছে ১৪,০০৬ কিলোমিটাৰ। উক্ত সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে নিৰ্মাণ কৰা পথৰ অতিৰিক্তকৈ এই পথসমূহ নিৰ্মাণ কৰা হৈছে।

২৩। বাকী থকা কাঠৰ দলংসমূহক আমি পকী দলঙলৈ পৰিৱৰ্তিত কৰাৰ প্ৰতিশ্ৰুতি দিছিলোঁ আৰু আজি পৰ্যন্ত ৩৩৫ খন তেনে কাঠৰ দলং পকী দলঙলৈ ৰূপান্তৰ কৰা হৈছে আৰু বিগত চাৰি বছৰত ২২০ খন নতুন দলং নিৰ্মাণ কৰা হৈছে। আজি বহু মাতৃয়ে তেওঁলোকৰ কন্যাসন্তানসমূহক দূৰণিবটীয়া কলেজলৈ পঠিয়াবলৈ সক্ষম হৈছে, কাৰণ ৰাস্তা নিৰ্মাণ হৈছে। এজন পুত্ৰই নিজৰ পিতৃৰ জৰুৰীকালীন চিকিৎসা দিয়াবলৈ সক্ষম হৈছে, তেওঁৰ গাঁওখনক ওচৰৰ চিকিৎসালয়খনৰ সৈতে এখন দলঙে সংযোগ কৰিছে। এইবোৰেই হৈছে আশা আৰু বিকাশৰ কেতবোৰ গাঁথা যিবোৰে আমাৰ কামৰ সাফল্য নিৰূপণ কৰিছে।

২৪। পথ যোগাযোগৰ সমানে সমানে অসমত মোবাইল নেটৱৰ্কৰো পৰিৱৰ্তন ঘটিছে। মহোদয়, ২০১৫ চনৰ ১.৭ কোটি গ্ৰাহকৰ বিপৰীতে ২০১৯ চনত সেই সংখ্যাই ২.৩ কোটি চুইছে। এই পৰিঘটনাই অসমত ফোন ঘনত্ব ২০১৫ চনৰ ৫৩.৯৫%ৰ পৰা ২০১৯ চনত ৬৮.৮১%লৈ বৃদ্ধি কৰিছে। ইন্টাৰনেট যোগাযোগৰ সাফল্যৰ কাহিনীৰ বিষয়ে আমি সকলোৱে অৱগত। ২০১৫ চনত অসমত ইন্টাৰনেট গ্ৰাহকৰ সংখ্যা আছিল ৫৪ লাখ আৰু আজি অসমত সেই গ্ৰাহকৰ সংখ্যা হৈছেগৈ ১.১৫ কোটি।

২৫। সাৰ্বজনীন গৃহ নিৰ্মাণৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। ২০১৫-১৬ বৰ্ষত দৈনিক ১৯৬ টা গৃহ নিৰ্মাণ কৰাৰ বিপৰীতে ২০১৮-১৯ বৰ্ষত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ (গ্ৰাম্য) অধীনত দৈনিক গড়ে ৩৯৭ টাকৈ গৃহ নিৰ্মাণ হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰাম্য)ৰ অধীনত চাৰি বছৰত প্ৰায় ৫.১৯ লাখ গৃহ নিৰ্মাণ কৰা হৈছে, য'ত ২০১৮-১৯ বিত্তীয় বৰ্ষত ১.৪৪ লাখ গৃহনিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে। এই পৰিসংখ্যা ২০১৫-১৬ বৰ্ষৰ প্ৰায় দুগুণ। এয়া সম্ভৱ হৈছে হিতাধিৰাকীসকলৰ আগ্ৰহৰ বাবে। আমাৰ চৰকাৰে এই প্ৰক্ৰিয়াত জড়িত হৈ থকা মধ্যভোগীসকলক আঁতৰাই হিতাধিকাৰীসকলক উৎসাহিত কৰিছে।

২৬। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত এক নজিৰবিহীন উন্নয়ন যজ্ঞ চলি থকাৰ এই সময়ছোৱাত বিদ্যুৎ শক্তিৰ অহৰহ যোগান এক অত্যাৱশ্যকীয় চৰ্ত। বিদ্যুৎ শক্তি এতিয়া আৰু বিলাসদ্ৰব্য হৈ থকা নাই, বৰং ই হৈ পৰিছে প্ৰতিগৰাকী নাগৰিকৰ অত্যাৱশ্যকীয় চাহিদা। বিজুলী বাতি আৰু বিজুলী পাংখা গ্ৰাম্য জীৱন শৈলীৰো অপৰিহাৰ্য অংগত পৰিণত হৈছে। আজি মাননীয়

প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ সপোন বাস্তৱায়িত কৰি ৬৯.৬৬ লাখ ঘৰ অৰ্থাৎ শতকৰা এশভাগ ঘৰ-গৃহস্থী বিদ্যুৎ যোগানেৰে পৰিপূৰ্ণ কৰা হৈছে। ৰাজ্যৰ ২৫,০০০ অৰ্থাৎ শতকৰা ১০০ খন গাঁও বিদ্যুৎ যোগান গ্ৰীডৰ অধীনলৈ আহি পৰিছে। আমাৰ আটাইৰে বাবে এয়া হৈছে এক চমকপ্ৰদ অগ্ৰগতি।

২৭। অধ্যক্ষ মহোদয়, যেতিয়া কোৱা হয় যে ৰাজ্যৰ ১০০ শতাংশ ঘৰ-গৃহস্থী আৰু ১০০ শতাংশ গাঁৱলৈ বিদ্যুৎ যোগান সম্পূৰ্ণ কৰা হৈছে, তেতিয়া বুজিব লাগিব যে আন্তঃগাঁথনিৰ নামত বৃহৎ বিনিয়োগ নোহোৱাকৈ এয়া কেতিয়াও সম্ভৱ হোৱা নাই। সকলো গ্ৰাহকলৈ সম্পূৰ্ণ নিৰ্ভৰযোগ্য বিদ্যুৎ যোগান নিশ্চিত কৰিবলৈ যোৱা চাৰি বছৰত বিদ্যুৎ যোগান বিভাগত ১৭,০৩৩ চাৰ্কিট কিলোমিটাৰ ১১ কে ভি লাইন আৰু ৩৯,৬২৯ চাৰ্কিট কিলোমিটাৰ এলটি লাইন যোগ দিয়া হৈছে। একেদৰে ২৮,৪৩৭ টা নতুন বিতৰণ ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে। তদুপৰি ৮০ টাত কৈয়ো অধিক নতুন ছাবষ্টেচন স্থাপন কৰা হৈছে আৰু ২০১৬-১৭ চনৰ পৰা ১৮ হাজাৰ স্মাৰ্ট মিটাৰ স্থাপন কৰা হৈছে।

২৮। অধ্যক্ষ মহোদয়, মাননীয় প্ৰধানমন্ত্ৰীয়ে আমাক স্বচ্ছ ভাৰত নামৰ এক মহৎ স্বপ্নৰ কথা কৈছিল, যি স্বপ্নত ৰচিত হৈছিল এনে এখন প্ৰত্যাশী ৰাষ্ট্ৰ য'ত প্ৰতিজন নাগৰিকে নিজৰ সামাজিক আৰু অৰ্থনৈতিক স্থিতিৰ ব্যতিৰেকে এক সন্মানপূৰ্বক জীৱন যাপন কৰিব পৰিব। সেই স্বপ্নৰ পম খেদি পূৰ্বৰ ৫৩,৫১০ ঘৰৰ বিপৰীতে আজি তাৰ তিনিগুণ ঘৰলৈ আমি খোৱাপানী যোগান ধৰিব পাৰিছোঁ। আজি ১.৪১ লাখ ঘৰক খোৱাপানী যোগানৰ নলীৰে সংযোগ সাধন কৰা হৈছে। পূৰ্বৰ ৬.০৯ লাখ ঘৰৰ বিপৰীতে আজি আমি ৩২.৬৬ লাখ ঘৰত শৌচাগাৰ স্থাপন কৰিবলৈ সক্ষম হৈছোঁ। অৰ্থাৎ আমাৰ নাগৰিকসকলক মৰ্যাদা সহকাৰে জীয়াই থকাৰ অধিকাৰ দিয়াৰ উপৰি আমি এনে এক সামাজিক বাতাবৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছোঁ যাতে, নানাবিধ ৰোগ প্ৰতিৰোধ কৰি এখন সুস্থ সমাজ আমি গঢ়ি তুলিব পাৰোঁ আৰু তাৰ চিকিৎসা-ব্যয় লাঘৱ কৰিব পাৰোঁ।

২৯। অধ্যক্ষ মহোদয়, ২০১৬ বৰ্ষত আমি যেতিয়া কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ, তেতিয়াৰ ৰাজ্যৰ স্বাস্থ্য বিভাগে এক পয়ালগা অৱস্থাৰ আশু নিৰাময়ৰ বাবে অপেক্ষা কৰি আছিল। অতি কম দিনৰ ভিতৰতে বিভাগটোৰ কাম আমি হাতত লৈছিলোঁ।

৩০। সমস্যাবোৰৰ জটিলতাৰ মুখামুখি হৈ যোৱা চাৰিটা বছৰত আমি কেইবাটাও পদক্ষেপ মিছনৰ আৰ্হিত আৰু অভিনৱ কৰ্মপন্থাৰে সম্পন্ন কৰিবলগীয়া হৈছিল যাতে চলিত আঁচনি আৰু সা-সুবিধা সমূহক পুনৰুজ্জীৱিত কৰি নতুন নতুন সা-সুবিধাৰ সৃষ্টি কৰিব পৰা যায়। এটা পদক্ষেপ আছিল প্ৰাথমিক আৰু দ্বিতীয় পৰ্যায়ভুক্ত চিকিৎসকসকলৰ অৱসৰৰ বয়স বৃদ্ধি কৰা। এই ব্যৱস্থাই এক ক্ষয়ংকৰী অৱস্থাৰ পৰা চৰকাৰক মুক্তি দিলে আৰু আমি কিছু চিকিৎসকক ধৰি ৰাখিলোঁ। নিযুক্তিৰ ক্ষেত্ৰত আহি পৰা বিলম্ব ৰোধ কৰিবলৈ আমি চিকিৎসা আৰু স্বাস্থ্য নিয়োজন বোৰ্ড গঠন কৰিলোঁ। এই ব্যৱস্থাই চিকিৎসক আৰু অন্যান্য ৰাজপত্ৰিত বিষয়াৰ দ্ৰুত নিয়োজন সম্ভৱ কৰি তুলিলে। অন্য এক মৌলিক পদক্ষেপ আছিল ঔষধৰ সংখ্যা (৩৮১ বিধৰ পৰা ৮৪৮ বিধলৈ) বঢ়োৱা, য'ত আছিল অতি বিশিষ্ট ঔষধো। অস্ত্ৰোপচাৰৰ উপকৰণ (১২৮ বিধৰ পৰা ২২০ বিধলৈ) বৃদ্ধি কৰা হৈছিল, ৰাসায়নিক সামগ্ৰী (১৪ বিধৰ পৰা ২৫ বিধলৈ) বৃদ্ধি কৰাৰ উপৰি বিভিন্ন পণ্যদ্ৰব্য (৪৫ বিধৰ পৰা ৭৭ বিধলৈ) বৃদ্ধি কৰা হৈছিল। চিকিৎসানুষ্ঠানসমূহত এইবোৰ বিনামূলীয়াকৈ বিতৰণ কৰা হয়।

৩১। ঔষধৰ ব্যাপক লভ্যতা নিশ্চিত কৰা বিপৰীতে প্ৰাথমিক পৰ্যায়ৰ স্বাস্থ্য কেন্দ্ৰ পৰ্যন্ত গুণগত ৰোগ নিৰ্ণয় ব্যৱস্থা একোটা মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনিৰ যোগেদি সংযোজিত কৰা হয়। চি টি স্কেন (৩,৮৭,৯৬১ টা), এক্স-ৰে (১১,৩২,৩৬৩ টা) আৰু পৰীক্ষাগাৰ (২৭,৮৮,৯২৭ টা) সেৱা বিনামূলীয়াকৈ সকলোৰে বাবে উপলব্ধ কৰোৱা হৈছে। জনাবলৈ পাই সুখী হৈছোঁ যে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় ডায়েলাইছিছ কাৰ্যসূচীৰ অধীনত যোৱা বছৰৰ পৰা অতি বিশিষ্ট ডায়েলাইছিছ সেৱাও বিভিন্ন জিলাৰ ১৭ টা স্বাস্থ্য কেন্দ্ৰত স্থাপন কৰা হৈছে। অনতিপলমে অন্য চাৰিটা কেন্দ্ৰতো সেই সুবিধা উপলব্ধ কৰা হ'ব। এতিয়ালৈকে সৰ্বমুঠ ১৫২০৮ টা বিনামূলীয়া জীৱন দায়িনী ডায়েলাইছিছ সম্পন্ন কৰা হৈছে।

৩২। সদনৰ সন্মানীয় সদস্যসকলে জানি সুখী হ'ব যে চাংসাৰিত প্ৰতিষ্ঠা হৈ থকা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ গৃহ নিৰ্মাণ কাৰ্য পূৰ্ণ গতিত চলি আছে আৰু ২০২০-২১ চনৰ পৰা ভাৰত চৰকাৰে ইয়াত চিকিৎসা পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে।

৩৩। চিকিৎসা সেৱাৰ ক্ষেত্ৰ অদ্যপি উপেক্ষিত হৈ থকা বহুকেইটা খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উদাহৰণ স্বৰূপে ভ্ৰাম্যমাণ চিকিৎসা-গোটৰ সংখ্যা ৫০ ৰ পৰা ১৩০ লৈ বৃদ্ধি কৰা হৈছে। ভ্ৰাম্যমান চিকিৎসা-গোটৰ দ্বাৰা ৪৪৫ খন বাগিচা সামৰি লোৱা হৈছে, ৮১, ৩১২ টা শিবিৰ অনুষ্ঠিত কৰা হৈছে আৰু ৩৮,৯৪,৮১৮ গৰাকী ৰোগীৰ সেৱা কৰা হৈছে। চাহ বাগিচা

অঞ্চলত প্ৰসূতি চিকিৎসাৰ ক্ষেত্ৰখনত দেখা পোৱা দুৰ্দশাজনিত অৱস্থাৰ প্ৰতিৰোধ কৰিবলৈ চাহ বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলাৰ ক্ষতিপূৰণ আঁচনিৰ ৰূপায়ণত গুৰুত্ব দিয়া হৈছে। ২০১৮ চনৰ অক্টোবৰ মাহৰ পৰা এই আঁচনিয়ে ২২,১৯৯ গৰাকী গৰ্ভৱতী মহিলালৈ বেংক একাউণ্টৰ জৰিয়তে ১৬৬০.৪৯ লাখ টকা আগবঢ়াইছে। এই ধন গৰ্ভৱতী মাতৃসকলৰ পৰিপুষ্টিজনিত প্ৰয়োজন পূৰণৰ বাবে আৰু প্ৰসৱপূৰ্বক তথা প্ৰসৱোত্তৰ কালৰ স্বাস্থ্য সেৱা নিশ্চিত কৰাৰ বাবে প্ৰদান কৰা হৈছে।

৩৪। সমূহ বিকাশমূলক কাৰ্যাৱলীৰ ভিতৰত আটাইতকৈ সন্তুষ্টিদায়ক প্ৰাপ্তি আছিল অটল অমৃত অভিযান (AAA) আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ (PMJAY) সফল ৰূপায়ণ। মহোদয়, সদনৰ সন্মানীয় সদস্যসকল বাৰুকৈ অবগত যে এই দুয়োখন আঁচনিৰ যোগেদি সমাজৰ অৰ্থনৈতিকভাৱে দুৰ্বল অংশটোৰ লোকসকলৰ বাবে ব্যয়বহুল চিকিৎসা ব্যৱস্থাও সহজসাধ্য কৰি তোলা হৈছে। ইতিমধ্যে AAA আৰু PMJAYৰ অধীনত যথাক্ৰমে ৮১,৩৭০ গৰাকী আৰু ১,০৩,১৮৪ গৰাকী ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

৩৫। ৰাজ্যৰ স্বাস্থ্য খণ্ডটোৰ ব্যাপক পৰিৱৰ্তনৰ স্বৰূপ প্ৰকাশিত হৈছে প্ৰাতিষ্ঠানিক প্ৰসৱৰ সংখ্যা বৃদ্ধিত। ২০১৫-১৬ বৰ্ষৰ ৭০.৬ শতাংশৰ পৰা ২০১৯-২০ বৰ্ষৰ ৯১ শতাংশলৈ এই বৃদ্ধি দেখা গৈছে আৰু যাৰ ফলত প্ৰসূতি-মৃত্যুৰ হাৰ (২৩.৬৭ শতাংশ) আৰু শিশুৰ মৃত্যুৰ হাৰ (৬.৩৮ শতাংশ) দ্ৰুতভাৱে নিম্নগামী হৈছে।

৩৬। এতিয়া সদনৰ সন্মানীয় সদস্যসকলৰ সন্মুখত বিগত চাৰি বছৰত আমাৰ চৰকাৰে শিক্ষাখণ্ডত লাভ কৰা সাফল্যৰ বিষয়ে আলোকপাত কৰিবলৈ বিচাৰিছোঁ। প্ৰথমতে, সকলোৰে বাবে শিক্ষা অধিক সহজলভ্য আৰু সুলভ কৰি তোলাৰ বাবে আমি বহু পদক্ষেপ হাতত লৈছোঁ। এই দিশত নৱম মানৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত ১৩ লাখ ছাত্ৰ-ছাত্ৰীৰ মাজত আমি ১.৩৪ কোটি খন বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰিছো। দ্বিতীয়তে, অৰ্থনৈতিকভাৱে পিছপৰা সমাজৰ ১,১৬,১৯১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি আৰু শিক্ষাদান মাচুল ৰেহাই দিয়া হৈছে।

৩৭। বিনামূলীয়া বাইচাইকেল লাভ কৰা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ ছাত্ৰীৰ সংখ্যাৰো আমি দহগুণ বৃদ্ধি কৰি ২০১৫-১৬ বৰ্ষৰ ১৬,৯৭৭ গৰাকী পৰা ২০১৯-২০ বৰ্ষৰ ২,১৭,০১৭ গৰাকীকৈ বৃদ্ধি কৰিছোঁ। মহোদয়, এই কথা অৱগত কৰি মই সন্তুষ্টি লাভ কৰিছোঁ যে এনে ধৰণৰ আন্তৰিক প্ৰচেষ্টাৰে আমি নৱম মানতে বিদ্যালয় ত্যাগ কৰা বিদ্যাৰ্থীৰ সংখ্যা ২০১৫-১৬ বৰ্ষৰ ১৩.৬ শতাংশৰ পৰা কমাই ২০১৯-২০ বৰ্ষত কেৱল ১.৩ শতাংশত সীমিত ৰাখিবলৈ সক্ষম হৈছে।

৩৮। অধ্যক্ষ মহোদয়, অসমৰ সমাজখন প্ৰধানতঃ গ্ৰাম্য সমাজ। বৃহত্তৰ অসমখন হৈছে গ্ৰাম্য অসম। আমাৰ ৰাজ্যৰ উৎপাদনৰ এক বৃহৎ অংশত কৃষকসকলৰ অৱদান আছে। কৃষিখণ্ডত ৰাজ্যৰ এক বৃহৎসংখ্যক লোক নিয়োজিত হৈ আছে। কৃষক কল্যাণৰ বাবে আঁচনিৰ হাতত লৈ কৃষি বিভাগে শূন্যৰ পৰা আৰম্ভ কৰি আজি যিমান সংখ্যক আঁচনিৰ মাজত উপনীত হৈছে, সেয়া অভূতপূৰ্ব। অধ্যক্ষ মহোদয়, এইখিনিতে বিভাগটোৰ কেইটামান অৱদানৰ বিষয়ে মই উল্লেখ কৰিব খোজো। প্ৰথমতে, ২০১৮ চনৰ অসম কৃষক ঋণ ৰাজ সাহায্য আঁচনিৰ অধীনত কৃষি ঋণৰ তৎকালীন পৰিশোধৰ বাবে আমি ২৫ শতাংশ ৰাজসাহায্যৰ ব্যৱস্থা কৰিছোঁ। এই ক্ষেত্ৰত ৰাজসাহায্যৰ সৰ্বোচ্চ সীমা ২৫ হাজাৰ টকাত নিৰ্ধাৰণ কৰা হৈছে আৰু ২০১৯ চনৰ ডিচেম্বৰ পৰ্যন্ত ১,১৫,৩০২ গৰাকী হিতাধিকাৰী ইয়াৰ দ্বাৰা উপকৃত হৈছে।

৩৯। শস্য ঋণৰ ক্ষেত্ৰতো ৩ শতাংশ সুদ ৰেহাই আঁচনিত হিতাধিকাৰী সংখ্যা প্ৰায় তিনিগুণ বৃদ্ধি কৰা হৈছে। ২০১৬-১৭ বৰ্ষৰ ১,০১,৬৩৪ গৰাকী হিতাধিকাৰীৰ বিপৰীতে ২০১৭-১৮ বৰ্ষত এই সংখ্যা বৃদ্ধি পাইছে ২,৯৭,৫৮৭ গৰাকীলৈ।

৪০। কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনত যাতে আমাৰ কৃষকসকলে ঋণৰ সুবিধা গ্ৰহণ কৰি থাকিব পাৰে তাৰ বাবে এই কাৰ্ডৰ নৱীকৰণৰ বাবে প্ৰতিগৰাকী কাৰ্ড ধাৰকৰ বিপৰীতে আমি ১০ হাজাৰ টকাকৈ আগবঢ়াই ৬৭,৪৫২ গৰাকী কৃষকক আমি কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনলৈ ওভটাই আনিছো।

৪১। এই প্ৰচেষ্টাই ধানৰ উৎপাদনতো অৰিহণা যোগাইছে। উদাহৰণ স্বৰূপে ২০১৫-১৬ বৰ্ষৰ ৮০.০২ লাখ মেট্ৰিক টন ধানৰ উৎপাদনৰ বিপৰীতে ২০১৮-১৯ বৰ্ষত এই উৎপাদন হয়গৈ ৮৯.২৯ লাখ মেট্ৰিক টন। অধ্যক্ষ মহোদয়, চলিত বিত্তীয় বৰ্ষত যে এই উৎপাদনে ৯০ লাখ মেট্ৰিক টনৰ সীমা স্পৰ্শ কৰিব, সেই বিষয়ে মোৰ কোনো সন্দেহ নাই।

৪২। প্ৰধানমন্ত্ৰীৰ কৃষক সন্মান নিধিৰ অধীনত ২৭ লাখ কৃষকে তিনিটাকৈ খেপত ভাৰত চৰকাৰৰ অনুদান লাভ কৰিছে। এনেদৰে লাভ কৰা মুঠ অনুদানৰ পৰিমাণ হৈছে ১৬০৯ কোটি টকা। আমিও আমাৰ বিনম্ৰ প্ৰয়াসেৰে ৫ লাখ কৃষকৰ প্ৰত্যেকলৈ ৫ হাজাৰ টকাকৈ হস্তান্তৰ কৰি

মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনাৰ অধীনত প্ৰায় ২৫০ কোটি টকা মোকলাই দিছোঁ। ২০২০ চনৰ ৩১ মাৰ্চৰ ভিতৰত অন্য এটা খেপত অতিৰিক্ত ৬ লাখ কৃষকলৈ ৩০০ কোটি টকা মোকলাই দিয়া হ'ব। এনে বৃহৎ ধনৰাশিৰ হস্তান্তৰে আমাৰ কৃষকসকলৰ উৎসাহ অভুতপূৰ্বভাৱে বৃদ্ধি কৰিছে।

৪৩। অধ্যক্ষ মহোদয়, মোৰ প্ৰথমখন বাজেট দাখিলৰ পৰাই মই ৰাজ্যৰ যুৱ শক্তিটোৰ সুপ্তশক্তি জাগৰিত কৰাত অগ্ৰাধিকাৰ দি আহিছোঁ। এই পৱিত্ৰ সদনক অৱগত কৰিবলৈ পাই আনন্দিত হৈছো যে বিগত চাৰি বছৰত আমাৰ চৰকাৰে সমগ্ৰ ৰাজ্যৰ ১,৮৮,৫৫৮ গৰাকী যুৱক-যুৱতীলৈ প্ৰশিক্ষণ আগবঢ়াইছে আৰু তাৰ মাজৰে ৮২,৬০৮ গৰাকী যুৱক-যুৱতীয়ে বিভিন্ন ধৰণে নিযুক্তি লাভ কৰিছে। তদুপৰি বিভিন্ন খণ্ড যেনে — নিৰ্মাণ, চাহ খেতি, হস্ততাঁত আৰু বস্ত্ৰ উৎপাদন, কৃষি আৰু সহযোগী খণ্ডসমূহত জড়িত ২ লাখ যুৱক-যুৱতীক উন্নত প্ৰশিক্ষণ আৰু আগতীয়া শিকনৰ স্বীকৃতি দিয়া হৈছে।

৪৪। চৰকাৰী খণ্ডতো বিগত চাৰি বছৰত আমাৰ যুৱক-যুৱতীসকলৰ ববে এক বৃহৎ সংখ্যক নিয়োগৰ সুবিধাৰ সৃষ্টি কৰা হৈছে। ২০১৬-১৭ বৰ্ষৰ পৰা আমি ৩৮,০০০ গৰাকী যুৱক-যুৱতীলৈ আমি স্থায়ী চৰকাৰী নিযুক্তি আগবঢ়াইছোঁ। ২০২০-২১ বিত্তীয় বৰ্ষত অতিৰিক্ত ৫৫,০০০ যুৱক-যুৱতীক চৰকাৰী নিযুক্তি দিয়া হ'ব। ওপৰঞ্চিভাৱে বিভিন্ন চৰকাৰী সংস্থাত ৩৫,০০০ যুৱক-যুৱতীলৈ ঠিকাভিত্তিক নিযুক্তি আগবঢ়োৱা হৈছে।

৪৫। এই সময়ছোৱাত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া তথা বৃহৎ উদ্যোগত মুঠ ২,৩৪,৯৩২ গৰাকী যুৱক-যুৱতীয়ে প্ৰত্যক্ষ নিযুক্তি লাভ কৰিছে। ২০১৬ ৰ পৰা ২০১৯ ৰ কালছোৱাত ৰাজ্যত বিত্তীয় সংস্থাসমূহৰ সহযোগত ১২.৭৬ লাখ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গঢ়ি উঠিছে। সকলোবোৰ সামৰি আমাৰ অৰ্থনীতিত প্ৰায় ১৬ লাখ প্ৰত্যক্ষ অথবা পৰোক্ষ নিয়োজনৰ সুযোগ সৃষ্টি হৈছে।

৪৬। অধ্যক্ষ মহোদয়, মই সদায় কৈ আহিছো যে আমাৰ সম্পদৰ ওপৰত প্ৰথম অধিকাৰ আছে দিব্যাংগসকলৰ। সেইবাবে এক মৌলিক পদক্ষেপ হাতত লৈ **দীনদয়াল দিব্যাংগ সাহায্য আঁচনি**ৰ জৰিয়তে আমি ১.৫৬ লাখ দিব্যাংগ ভাতৃ-ভগ্নীক সামৰি লোৱা হৈছে। ২০২০-২১ বিত্তীয় বৰ্ষত এই আঁচনিত আমি ১০% অধিক দিব্যাংগ লোকক সামৰি ল'ম। তাৰ বাবে বাজেটত ১৬৫ কোটি টকা ধাৰ্য কৰা হৈছে।

৪৭। অধ্যক্ষ মহোদয়, এশিঙীয়া গঁড় অসমৰ গৌৰৱ। অতীতত এই অসম-গৌৰৱৰ হত্যাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এশিঙীয়া গঁড়ৰ চোৰাং চিকাৰ ৰোধ কৰিবলৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আমাৰ চৰকাৰে এক বিস্ময়কৰ কীৰ্তি স্থাপন কৰে। ২০১৫-১৬ বৰ্ষৰ ২১ টা গঁড় নিধনৰ বিপৰীতে ২০১৯ বৰ্ষত এই সংখ্যা তিনিটালৈ হ্ৰাস পায়। এই বিপদৰ

পৰা অতি সোনকালে নিস্তাৰ পাম বুলি মই দৃঢ় বিশ্বাসী। এনে এক কীৰ্তিমান স্থাপন কৰাৰ বাবে মই আৰক্ষী বাহিনী আৰু বন বিভাগৰ কৰ্তব্য পৰায়ণ বিষয়া-কৰ্মচাৰীসকলৰ শলাগ লৈছোঁ।

৪৮। সু-শাসন আৰু ৰাজ্যৰ ক্ৰমবৰ্দ্ধমান বিত্তীয় ক্ষেত্ৰখনৰ প্ৰমাণ হিচাপে এয়া মাত্ৰ কেইটামান উদাহৰণহে। এই সু-শাসন আৰু টনকীয়াল বিত্তীয় অৱস্থাই ৰাজ্যৰ তিনি কোটি বাসিন্দাৰ বাবে বহনক্ষম আৰু দীৰ্ঘ ম্যাদী উন্নয়ন সাধন কৰাৰ পথ প্ৰশস্ত কৰিব।

## অষ্টাদশ মুকুতাৰ উন্নয়নী মালা

৪৯। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডীয়ে কৈছে “মোৰ চৰকাৰ সাধাৰণ জনতাৰ বাবে কৰ্মৰত। আমি সৰ্বাধিক গুৰুত্ব দিছোঁ দেশৰ দৰিদ্ৰ জনতাক। এখন প্ৰগতিশীল তথা ত্ৰুটিমুক্ত চৰকাৰৰ জৰিয়তে আমি সু প্ৰশাসন প্ৰদান কৰিবলৈ বিচাৰোঁ।”

৫০। এই প্ৰতিশ্ৰুতিক বাস্তৱ ৰূপ দিবৰ বাবে চাৰি বছৰ পূৰ্বে আমি আমাৰ যাত্ৰা আৰম্ভ কৰিছিলোঁ। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত এই চৰকাৰখনৰ মূল বৈশিষ্ট্য হ’ল ৰাইজৰ প্ৰতি আমাৰ সেৱা আগ বঢ়োৱা। এই উদ্দেশ্য আগত ৰাখি প্ৰতি বছৰৰ দৰে এইবাৰো মই এই পবিত্ৰ সদনত আমাৰ চৰকাৰৰ ১৮খন ধ্বজাবাহী আঁচনি উত্থাপন কৰিবলৈ বিচাৰিছোঁ। বিগত বৰ্ষসমূহত এই আঁচনিকেইখনৰ ৰূপায়ণ আছিল আমাৰ চৰকাৰৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ বিষয়। সদনৰ মন্মানীয় সদস্যসকলক মই অৱগত কৰাবলৈ বিচাৰিছোঁ যে পূৰ্বৰ বাজেটত ঘোষণা কৰা কিছুসংখ্যক আঁচনিৰ পৰিৱৰ্তনশীল মূল্য আৰু অবিৰত প্ৰাসংগিকতাৰ পৰিপ্ৰেক্ষিতত সেইসমূহ আঁচনি পুনৰ অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে ইয়াৰে কিছু সংখ্যক আঁচনিৰ স্থানত ৰাজ্যৰ সাধাৰণ জনতাৰ জীৱনত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পৰা কেতবোৰ নতুন আঁচনি এইবাৰ মই এই শাখাত অন্তৰ্ভুক্ত কৰিছোঁ।

৫১। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই পবিত্ৰ সদনক এই ১৮খন ধ্বজাবাহী আঁচনিৰ বিষয়ে জনাবলৈ বিচাৰিছোঁ। এই আঁচনিসমূহক আমি নাম দিছোঁ- “**অষ্টাদশ মুকুতাৰ উন্নয়নী মালা**”। ২০১৬ বৰ্ষৰ পৰাই এই আঁচনিসমূহে বিকাশ আৰু উন্নয়নৰ ভেটি সুদৃঢ় কৰি তোলাৰ লগতে অসমৰ ৰাইজৰ বাবে সমতা আৰু ন্যায় সুনিশ্চিত কৰি আহিছে।

## I. নুমলীগড় ৰিফাইনেৰী লিমিটেডত অসম চৰকাৰৰ অংশ বৃদ্ধি

৫২। মাননীয় অধ্যক্ষ মহোদয়, সাম্প্ৰতিক সময়ত নুমলীগড় ৰিফাইনেৰী লিমিটেড (এন আৰ এল) হ'ল দেশৰ ৰাজহুৱা খণ্ডৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানসমূহৰ ভিতৰত অন্যতম। এই প্ৰতিষ্ঠানটোৰ সৈতে আছে অসমৰ এক আবেগিক সম্পৰ্ক, কিয়নো ইয়াৰ জন্ম হৈছিল ঐতিহাসিক অসম চুক্তিৰ আধাৰত।

৫৩। সম্প্ৰতি এন আৰ এলত অসম চৰকাৰৰ অংশ হ'ল ১২.৩৫ শতাংশ। অলপতে ভাৰত চৰকাৰে এন আৰ এলত থকা ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেশ্বন লিমিটেডৰ (বি পি চি এল) ৬১.৬৫ শতাংশ অংশৰ নিৰ্বিনিয়োজনৰ সিদ্ধান্ত লৈছে। চৰকাৰে এইবুলিও সিদ্ধান্ত গ্ৰহণ কৰিছে যে এতিয়া এন আৰ এল অধিগ্ৰহণ কৰিব তেল আৰু গেছ খণ্ডত কৰ্মৰত আন এক ৰাজহুৱা খণ্ডৰ কোম্পানীয়ে। আমাৰ বাবে এয়া হ'ল এন আৰ এলত আমাৰ অংশ বৰ্তমানৰ ১২.৩৫ শতাংশৰ পৰা ২৬ শতাংশ পৰ্যন্ত বৃদ্ধি কৰাৰ এক সুবৰ্ণ সুযোগ। মই এই ঘোষণা কৰিবলৈ পাই আনন্দিত যে ইতিমধ্যে ভাৰত চৰকাৰে আমাৰ এই প্ৰস্তাৱৰ প্ৰতি নীতিগত সমৰ্থন আগ বঢ়াইছে। আমাৰ অংশ বৃদ্ধি কৰাৰ মূল উদ্দেশ্য হ'ল দীৰ্ঘম্যাদী কালত এন আৰ এল যাতে এক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান হৈ থাকে আৰু যাতে ৰাজ্যৰ বিকাশৰ এক প্ৰধান চালিকাশক্তি হৈ উঠে, সেয়া নিশ্চিত কৰা। এই প্ৰতিষ্ঠানটোৰ সাম্প্ৰতিক উৎপাদন ক্ষমতা হ'ল বছৰি ৩ নিযুত মেট্ৰিকটন (এম এম টি পি এ) আৰু অচিৰেই এই ক্ষমতা বৃদ্ধি হ'ব ৯ এম এম টি পি এলৈ।

৫৪। মহোদয়, এয়া সত্য যে অসম চৰকাৰৰ ৰাজহ অৰ্জনৰ উৎস বৰ বিশাল নহয়। তথাপি ৰাজ্যৰ ঔদ্যোগিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ স্বাৰ্থত আৰু লগতে এন আৰ এলৰ সৈতে জড়িত আৱেগিক সংযোগজনিত কাৰণত আমি এই অতিৰিক্ত ১৩.৬৫ শতাংশ অংশ অধিগ্ৰহণৰ সিদ্ধান্ত লৈছোঁ। অধ্যক্ষ মহোদয়, সম্ভৱতঃ কোনো বিত্ত মন্ত্ৰীয়ে এতিয়ালৈ আত্মবিশ্বাসৰ ভিত্তিত এনে এক বৃহৎ পদক্ষেপ লোৱা নাই। কিন্তু মই ভাবোঁ যে উত্তৰ পুৰুষৰ প্ৰতি এয়া আমাৰ দায়বদ্ধতা তথা পালনীয় কৰ্তব্য। সেয়ে এই অতিৰিক্ত ১৩.৬৫ শতাংশ অংশ অধিগ্ৰহণৰ উদ্দেশ্যে মই এই বাজেটত ১৫০০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগ বঢ়াইছোঁ।

## II. অন্ন যোজনা

৫৫। মাননীয় অধ্যক্ষ মহোদয়, ২০১৯-২০ বৰ্ষৰ বাজেটত চাহ শ্ৰমিকসকললৈ বিনামূলীয়াকৈ চাউল যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল। সুলভ পুষ্টি আৰু খাদ্য প্ৰাপ্তি যোজনা (ANNA)ৰ অধীনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল আৰু ইয়াৰ জৰিয়তে এতিয়ালৈ ৬.৪৬৪ লাখ চাহ-শ্ৰমিক তথা আদিবাসী পৰিয়াল উপকৃত হৈছে।

৫৬। আমাৰ এই প্ৰাপ্তি সুদৃঢ়কৰণৰ লগতে আমি ভাবোঁ যে আমাৰ ৰাইজক পৰিপুষ্টিৰ নিশ্চয়তা প্ৰদান কৰা এই গুৰুত্বপূৰ্ণ আঁচনিখনত এক সমতা প্ৰদানৰ সময় উপস্থিত হৈছেহি। সেয়ে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ সকলো হিতাধিকাৰীলৈ বিনামূলীয়া চাউল যোগান ধৰিবলৈ মই প্ৰস্তাৱ আগ বঢ়াইছোঁ। চৰকাৰৰ এই পদক্ষেপে অতিৰিক্ত ৫১.৩৯ লাখ পৰিয়ালক তাৎক্ষণিতভাৱে উপকৃত কৰিব।

৫৭। যোৱা বছৰ আমি এইবুলি প্ৰতিশ্ৰুতি দিছিলোঁ যে প্ৰতিটো চাহ শ্ৰমিক পৰিয়াললৈ ৪ কেজিকৈ বিনামূলীয়া চেনি যোগান ধৰা হ'ব। ইতিমধ্যে এই সন্দৰ্ভত সংগ্ৰহকৰণ আৰু নিবিদা গ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। অন্ন যোজনাৰ এই উপাদান ৰূপায়ণৰ বাবে আমি ইতিমধ্যে সাজু হৈছোঁ।

৫৮। মই জানো যে আমাৰ ৰাজকোষৰ ওপৰত এয়া হ'ব এক অতিৰিক্ত বোজা; কিন্তু আমাৰ ৰাজ্যৰ নাগৰিকৰ ন্যূনতম পৰিপুষ্টি নিৰাপত্তা নিশ্চিত কৰিবৰ বাবে আমি আমাৰ কৰণীয় একো বাকী নাৰাখোঁ। মই যেতিয়া সদনত মোৰ আন ঘোষণাসমূহ কৰিম, তেতিয়া আমাৰ ৰাজ্যৰ নাগৰিকসকলৰ পৰিপুষ্টি নিৰাপত্তা নিশ্চিত কৰিবৰ বাবে আমি কিদৰে এক সামাজিক নিৰাপত্তা আচ্ছাদন গঢ়ি তোলাৰ প্ৰয়াস কৰিছোঁ, সেই বিষয়ে সদনৰ সন্মানীয় সদস্যসকল অৱগত হ'ব আৰু নিশ্চয় আমাৰ এই পদক্ষেপৰ শলাগ ল'ব।

৫৯। ২০২০-২১ বৰ্ষত এই পদক্ষেপৰ বাবে মুঠ ৪৭২ কোটি টকা আবণ্টন কৰিবলৈ মই প্ৰস্তাৱ আগ বঢ়াইছোঁ।

## III. জ্যোতিষ্মান অসম

৬০। মাননীয় অধ্যক্ষ মহোদয়, সমাজৰ ভিন্ন শ্ৰেণীৰ লোকৰ মাজত বিদ্যুতৰ ব্যৱহাৰৰ বৃহৎ পাৰ্থক্য আছে। সমাজৰ বিত্তশালী শ্ৰেণীটোৱে বিলাসিতা, স্বাচ্ছন্দ্য আৰু বিনোদনৰ বাবে বিদ্যুতৰ ব্যয় বহন কৰিবলৈ সক্ষম। কিন্তু একে সময়তে আমাৰ সমাজৰ অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলে আনকি লাইট আৰু ফেনৰ দৰে বুনিয়াদী উপকৰণসমূহ ব্যৱহাৰ কৰাৰ বাবদ দিবলগীয়া বিজুলী মাচুল পৰিশোধ কৰোঁতেও যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়।

৬১। গতিকে, মাহিলী ৩০ ইউনিটত পৰ্যন্ত বিজুলী শক্তি ব্যৱহাৰ কৰা সকলো পৰিয়াললৈ বিনামূলীয়াকৈ বিজুলী যোগান ধৰিবলৈ মই প্ৰস্তাৱ আগ বঢ়াইছোঁ।

৬২। মাননীয় অধ্যক্ষ মহোদয়, লাইট বাল্ব, চিলিং ফেন আৰু ঘৰুৱা বৈদ্যুতিক আহিলাসমূহৰ দৰে বুনিয়াদী উপকৰণসমূহ একোটা পৰিয়ালে ব্যৱহাৰ কৰিবৰ বাবে ৩০ ইউনিট বিজুলী হ'ব পৰ্যাপ্ত। সম্প্ৰতি ৰাজ্যৰ ১৪ লাখ পৰিয়ালে মাহে ৩০ ইউনিটত পৰ্যন্ত বিজুলী ব্যৱহাৰ কৰে। এই পৰিয়ালসমূহ হ'ল সমাজৰ নিম্নবিত্ত শ্ৰেণীটোৰ অন্তৰ্ভুক্ত। বিনামূলীয়া বিজুলী

যোগানৰ বাবে লোৱা এই পদক্ষেপে তেওঁলোকক তাৎক্ষণিকভাৱে উপকৃত কৰিব। এই পৰিয়ালসমূহৰ ভিতৰত আছে চাহ শ্ৰমিকসকল, দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালসমূহ তথা অনুসূচীত জাতি-জনজাতিৰ লোকসকল। এই ৰাজ সাহায্য আগ বঢ়োৱাৰ বাবে ৰাজ্য চৰকাৰৰ বছৰি ব্যয় হ'ব ২৫০ কোটি টকা। কিন্তু একে সময়তে ইয়াৰ জৰিয়তে প্ৰতিটো পৰিয়ালে এক বুজন পৰিমাণৰ ধন ৰাহি কৰিব পাৰিব। এই ৰাহি হোৱা ধনৰাশি তেওঁলোকে সন্তানৰ শিক্ষাৰ বাবে ব্যয় কৰিব পাৰিব। এই আঁচনিখন ৩০ ইউনিটত সীমাবদ্ধ ৰখাৰ জৰিয়তে একে সময়তে দুটা উদ্দেশ্য সাধন কৰিব পৰা যাব। প্ৰথমতে, ইয়াৰ জৰিয়তে আমি অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়ালসমূহৰ বিজুলী বুনিয়াদী চাহিদা পূৰ কৰিব পাৰিম। দ্বিতীয়তে বিজুলীৰ অপচয় ৰোধ কৰি শক্তিৰ বহনক্ষম ব্যৱহাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰতো আমি এই পৰিয়ালসমূহক উদগনি যোগাবলৈ সক্ষম হ'ম।

৬৩। অধ্যক্ষ মহোদয়, ৰাজ্যৰ সাধাৰণ জনতাৰ বাবে বিজুলী মাচুল যাতে ব্যয়সাধ্য হৈ থাকে, সেয়াও আমাৰ চৰকাৰে ইয়াৰ কাৰ্যকালত নিশ্চিত কৰিছে। আনহাতে, বজাৰৰ শক্তিসমূহৰ প্ৰভাৱ বিজুলী উৎপাদন আৰু বিতৰণৰ ব্যয় দিনক দিনে ঊৰ্ধ্বগামী হ'বলৈ ধৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আমাৰ ৰাজ্যৰ বিদ্যুৎ উৎপাদন আৰু বিতৰণ কোম্পানীসমূহৰ ওপৰত বিত্তীয় চাপ যথেষ্ট বৃদ্ধি হৈছে।

৬৪। অসম বিদ্যুৎ নিয়ামক আয়োগে (এ ই আৰ চি) বিজুলী মাচুল বৃদ্ধিৰ প্ৰস্তাৱ আগ বঢ়াবলৈ সাজু হৈছে। এই মাচুল বৃদ্ধিয়ে উপভোক্তাসকলৰ বোজা ভালেখিনি বঢ়াই তুলিব। গতিকে বিজুলী মাচুল বৃদ্ধিৰ প্ৰভাৱ প্ৰশমনৰ উদ্দেশ্যে আমাৰ চৰকাৰে এ পি ডি চি এললৈ ৩০০ কোটি টকা আগ বঢ়াব যাতে সাধাৰণ জনতাক বিজুলী মাচুলৰ ক্ষেত্ৰত সকাহ দিব পৰা যায়। ৰাজ্য চৰকাৰে ঘৰুৱা বিদ্যুৎ সংযোগৰ 'ক' শাখাৰ ৩৮ লাখ গ্ৰাহকলৈ বৰ্তমানৰ ৰাজসাহায্য অব্যাহত ৰাখিব। অৰ্থাৎ মাহিলী ১২০ ইউনিটলৈ প্ৰতি ইউনিটত ১.০১ টকা হাৰত এই ৰাজসাহায্য দিয়া হ'ব।

৬৫। সকলো অংশীদাৰৰ স্বাৰ্থ অক্ষুণ্ণ ৰাখি তেওঁলোকৰ উদ্বেগসমূহ উচিতভাৱে আৰু ন্যায়সংগত ধৰণে নিৰসণ হোৱাটো নিশ্চিত কৰিবৰ বাবে আমি এই ব্যৱস্থাৱলী গ্ৰহণৰ প্ৰস্তাৱ আগ বঢ়াইছোঁ। জ্যোতিষ্মান অসম আঁচনিৰ উপযোগিতাসমূহ কেৱল দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকলৰ মাজতে সীমাবদ্ধ নাথাকি অসমৰ সমগ্ৰ জনতাৰ বাবে বিজুলী মাচুল যুক্তিসংগত কৰি ৰখাত সহায়ক হ'ব। পবিত্ৰ সদনো এই কথাত একমত হ'ব বুলি মই নিশ্চিত।

৬৬। শক্তি বিভাগৰ বাবে বাজেটত আগ বঢ়োৱা আবণ্টনৰ উপৰি এই আঁচনিখনৰ বাবে ২০২০-২১ বৰ্ষত অতিৰিক্তভাৱে ৯৩৫ কোটি টকা আবণ্টন কৰিবলৈ মই প্ৰস্তাৱ আগ বঢ়াইছোঁ।

## IV. **নৱকল্পিতা "স্বামী বিবেকানন্দ যুৱ সবলীকৰণ যোজনা" (স্বয়ম)**

৬৭। মাননীয় অধ্যক্ষ মহোদয়, আত্মসহায়ক গোটৰ (SHG) ধাৰণাই আমাৰ ৰাজ্যৰ মহিলাসকলৰ সবলীকৰণ আৰু বন্ধনমুক্তিৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ অৱদান আগ বঢ়াইছে। যিহেতু অসম হ'ল সীমিত সম্পদশালী ৰাজ্য, সেয়ে আমাৰ বাবে সৰ্বাধিক উপযোগী হ'ল আৱৰ্তিত পুঁজিভিত্তিক আৰ্হিৰ উন্নয়ন। আত্মসহায়ক গোটৰ ধাৰণাই মহিলাসকলক অৰ্থাভাৱগ্ৰস্ততাৰ পৰা আত্মনিৰ্ভৰশীলতালৈ উত্তৰণত সহায় কৰিছে। ই পৰিয়ালসমূহৰ আয় বৃদ্ধি তথা জীৱন যাপনৰ মান উন্নীতকৰণতো সহায়ক হৈছে। মই যেতিয়া বিস্তাৰিত কনকলতা মহিলা সবলীকৰণ যোজনাৰ বিষয়ে আলোচনা কৰিম, তেতিয়া মহিলা আত্মসহায়ক গোটসমূহৰ সাফল্যৰ কিছু উদাহৰণ দাঙি ধৰিম।

৬৮। মহোদয়, দাৰিদ্ৰ্যৰ বিৰুদ্ধে যুঁজ দিয়াটো পৰিয়ালৰ কেৱল মহিলাসকলৰেই দায়িত্ব নহয়। এই যুঁজত পৰিয়ালৰ প্ৰতিজন সদস্যই আৰু ঘাইকৈ যুৱক-যুৱতীসকলে সহায় আগ বঢ়াবই লাগিব। গতিকে চিৰন্তন নিৰ্ভৰযোগ্য মহিলা আত্মসহায়ক গোটসমূহৰ আৰ্হিত যুৱক-যুৱতীসকলকো উদ্যমী গোট গঠন কৰিবলৈ আমি উদগনি যোগাম। এই আঁচনিৰ জৰিয়তে আমি ৰাজ্যৰ ২,০০,০০০ যুৱক-যুৱতীক সামৰি ল'ম আৰু তেওঁলোকৰ প্ৰতিজন সদস্যৰ বিপৰীতে ৫০,০০০ টকাকৈ মূলধন আগ বঢ়াম যাতে তেওঁলোকে উদ্যমিতামূলক কাম-কাজ আৰম্ভ কৰিব পাৰে।

৬৯। পবিত্ৰ সদনৰ সন্মানীয় সদস্যসকলৰ নিশ্চয় মনত আছে যে ২০১৮-১৯ বৰ্ষৰ বাজেটত আমি **স্বয়ম** (SVYEM) আঁচনিৰ বিষয়ে ঘোষণা কৰিছিলোঁ। দুৰ্ভাগ্যজনকভাৱে এই আঁচনিখনৰ প্ৰসাৰ সীমাবদ্ধ হৈ থাকিল আৰু আমি ইয়াৰ লক্ষ্যসমূহত উপনীত হ'ব নোৱাৰিলোঁ। গতিকে এই আঁচনিখনৰ ত্ৰুটীসমূহ জনাৰ পিছত এতিয়া আমি **স্বয়ম** (SVYEM) আঁচনিখন আঁতৰাই তাৰ ঠাইত নতুন আঁচনিখন প্ৰৱৰ্তন কৰিব খুজিছোঁ। আমি আশা কৰোঁ যে এই আঁচনিৰ অধীনত গঠন হ'বলগীয়া যুৱ গোটসমূহে মেকানিক শ্বপ, ম'বাইল ৰিচাৰ্জ আৰু ইলেকট্ৰনিক্‌চ ষ্টোৰ, টেণ্ট হাউচ আদিৰ দৰে ক্ষুদ্ৰ ব্যৱসায়সমূহ আৰম্ভ কৰিবলৈ সক্ষম হ'ব। ইয়াৰ উপৰি এই গোটসমূহে গাঁও অঞ্চলত সৰুসুৰা ঠিকা-ঠুকলিৰ কামো কৰিব পাৰিব। ইয়াৰ জৰিয়তে গ্ৰামীণ এলেকাসমূহত অৰ্থনৈতিক ক্ৰিয়াকলাপে এক নতুন মাত্ৰা পাব।

৭০। যিহেতু মই পূৰ্বে ঘোষণা কৰা **স্বয়ম** (SVYEM) আঁচনিখনৰ পৰিৱৰ্তে নতুন আঁচনিখন গ্ৰহণ কৰা হ'ব, সেয়ে এই আঁচনিখনৰো একেটা নামেই ৰাখিবলৈ মই সিদ্ধান্ত গ্ৰহণ কৰিলোঁ। এয়া হ'ল স্বামী বিবেকানন্দ যুৱ সবলীকৰণ যোজনা।

৭১। এই আঁচনিখনৰ বাবে মই ১,০০০ কোটি টকাৰ পুঁজি ধাৰ্য কৰাৰ প্ৰস্তাৱ আগ বঢ়াইছোঁ। এই আঁচনিয়ে আমাৰ যুৱ শ্ৰেণীক তেওঁলোকৰ নিজ ঠাইতে থাকি বিভিন্ন অৰ্থনৈতিক কাৰ্য কলাপত সক্ৰিয়ভাৱে জড়িত হ'বলৈ সক্ষম কৰি তুলিব।

## V. চাহ বাগিচাৰ ধন পুৰস্কাৰ মেলা

৭২। অধ্যক্ষ মহোদয়, এইবাৰ মই মোৰ আন্তৰিক আগ্ৰহৰ এটা বিষয় উল্লেখ কৰিব বিচাৰিছোঁ। ২০১৮-১৯ বৰ্ষতে অসমৰ চাহ জনগোষ্ঠীয় সম্প্ৰদায়ৰ সামগ্ৰিক বিকাশ সুনিশ্চিত কৰিবলৈ **'চাহ বাগিচা ধন পুৰস্কাৰ মেলা'** আঁচনিৰ শুভাৰম্ভ কৰা হৈছিল। পৱিত্ৰ সদনত এই কথা প্ৰকাশ কৰিবলৈ পাই সুখী অনুভৱ কৰিছোঁ যে চাহ জনগোষ্ঠীয় সম্প্ৰদায়ৰ অৰ্থনৈতিক সবলীকৰণত এই আঁচনিয়ে ফলপ্ৰসূভাৱে উদগনি যোগাবলৈ সক্ষম হৈছে। এই উদগনিমূলক আঁচনিয়ে চাহ জনগোষ্ঠীয় সম্প্ৰদায়ৰ সহজ-সৰল লোকক 'সাপ্তাহিক নগদ ধন প্ৰদানৰ বৃত্ত'টোৰ পৰা ৰক্ষা কৰাৰ লগতে তেওঁলোকৰ দীৰ্ঘদিনীয়া আৰ্থিক অনিশ্চয়তাক দূৰ কৰি সামগ্ৰিকভাৱে বিত্তীয় অৱস্থাটোৰ সবলীকৰণৰ শুভাৰম্ভ কৰিছিল।

৭৩। মহোদয়, ২০১৮-১৯ বিত্তীয় বৰ্ষতে আমাৰ চৰকাৰে ৰাজ্যখনৰ ২৬খন জিলাৰ ৭৫২খন চাহ বাগিছাৰ ৭ লাখ ২১ হাজাৰ ৪৮৫জন শ্ৰমিকৰ বেংক একাউণ্টলৈ গাইপতি ৫,০০০ টকাকৈ ধনৰ আবণ্টন সম্পূৰ্ণ কৰিছে। পোনপটীয়াকৈ প্ৰতিটো বেংক একাউণ্টলৈ ২,৫০০ টকাকৈ দুটা কিস্তিত মুঠ ৫,০০০ টকা জমা কৰা হৈছিল। মোৰ বিশ্বাস— এই যুগান্তকাৰী আঁচনিয়ে চাহ শ্ৰমিকসকলক পুৰণিকলীয়া আৰ্থিক অনগ্ৰসৰতাৰ পৰা মুক্তি দিয়াৰ লগতে তেওঁলোকক আধুনিক আৰু অতীব প্ৰয়োজনীয় বেংক ব্যৱস্থাৰ সৈতে জড়িত কৰাত সফল হৈছে। বেংকত আৰ্থিক সঞ্চয় ব্যৱস্থাৰ জৰিয়তে সুফল লাভতো চাহ শ্ৰমিকসকলক নতুন দিগন্তৰ বাট দেখুৱাইছে।

৭৪। অৱশ্যে, **'চাহ বাগিচা ধন পুৰস্কাৰ মেলা'** আঁচনিৰ সম্পূৰ্ণ সুফল লাভ কৰাত বেংক একাউণ্টৰ সৈতে KYCৰ বিধি সংযুক্তকৰণ এক হেঙাৰস্বৰূপে দেখা দিছিল। কিন্তু কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীযুতা নিৰ্মলা সীথাৰমণ ডাঙৰীয়ানীয়ে সাম্প্ৰতিক অসম ভ্ৰমণৰ সময়ত এই সমস্যাৰ তৎকালে সমাধানৰ পথ প্ৰশস্ত কৰি আমাক উপকৃত কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীলৈ এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। সমাজৰ বঞ্চিত এই বৃহৎ অংশটোক আধুনিক বেংক ব্যৱস্থালৈ আদৰি অনাৰ বাবে বেংকৰ বিষয়া-কৰ্মচাৰীসকলকো মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ। পবিত্ৰ সদনত জনাবলৈ পাই মই আনন্দিত যে সমস্যাৰ আশু সমাধান সম্ভৱ হোৱাৰ বাবে তৃতীয় কিস্তিত চাহ শ্ৰমিকসকলৰ ৭ লাখ ২১ হাজাৰ ৪৮৫টা বেংক একাউণ্টত ৰাজ্য চৰকাৰে গাইপতি ৩,০০০কৈ টকা জমা কৰাৰ সিদ্ধান্ত লৈছোঁ। মোৰ দৃঢ় বিশ্বাস যে এই উদ্ভাৱনীমূলক আঁচনিয়ে চাহ বাগিচা অঞ্চলৰ সামগ্ৰিক

অৰ্থনৈতিক সবলীকৰণক অধিক অগ্ৰগামী কৰি তুলিব আৰু চাহ শ্ৰমিকসকলক ঋণৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিব।

৭৫। সেইমৰ্মে চাহ বাগিচা ধন পুৰস্কাৰ আঁচনিৰ বাবে ২০২০-২১ বৰ্ষৰ বাজেটত ২২০ কোটি টকাৰ আৱণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

৭৬। অধ্যক্ষ মহোদয়, চাহ জনগোষ্ঠীৰ কল্যাণৰ বাবে মই আন কেইখনমান আঁচনি উল্লেখ কৰিব বিচাৰিছোঁ।

## VI. চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ কল্যাণ আঁচনি

৭৭। অধ্যক্ষ মহোদয়, মোৰ প্ৰথমখন বাজেটৰ পৰাই ধাৰাবাহিকভাৱে চাহ জনগোষ্ঠীসকলৰ উপৰি আদিবাসী সম্প্ৰদায়ৰ অৰ্থনৈতিক সবলীকৰণৰ বাবে প্ৰতিবছৰে কল্যাণমুখী আঁচনিৰ সংখ্যা বৃদ্ধি কৰি আহিছোঁ। আঁচনিৰ সংখ্যাৰ লগতে আঁচনিসমূহৰ সুবিধাও প্ৰতিবছৰে সম্প্ৰসাৰিত কৰা হৈছে। আজি মই নিশ্চিতভাৱে ক'ব খোজোঁ যে এই আঁচনিসমূহে চাহ জনগোষ্ঠী আৰু আদিবাসীসকলৰ মাজত আত্ম-বিশ্বাস প্ৰৱল কৰাৰ লগতে ন-ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাত উৎসাহ যোগাইছে। এই পবিত্ৰ ক্ষণত চাহ জনগোষ্ঠী আৰু আদিবাসী ভাতৃ-ভগ্নীসকলৰ ন্যায্য আশা-আকাংক্ষাক পৰিপূৰ্ণ কৰি উন্নত জীৱনৰ দিশে আগ বাঢ়ি যাবলৈ সহায়ক হোৱাকৈ কেইবাখনো নতুন আঁচনিৰ প্ৰস্তাৱ কৰিব বিচাৰিছোঁ।

৭৮। মোৰ ভাষণৰ আৰম্ভণিতে উল্লেখ কৰিছিলোঁ যে কিদৰে চাহ বাগিচাত কৰ্মৰত নিয়মীয়া আৰু অস্থায়ী মহিলা শ্ৰমিকসকলে গৰ্ভধাৰণ আৰু প্ৰসৱকালীন সময়ত সন্মুখীন হোৱা মজুৰিৰ ক্ষতিপুৰণ হিচাপে আমাৰ চৰকাৰে ১২,০০০ টকাকৈ আগবঢ়াই আহিছে। আমাৰ চৰকাৰৰ এই আঁচনিয়ে নিশ্চিতকৈ প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাত সহায় কৰিছে। কেৱল ইমানেই নহয়, এই আঁচনিয়ে গৰ্ভৱতী মহিলা আৰু নৱজাতক উভয়ৰে পুষ্টি সাধন সুনিশ্চিত কৰাত বহুল বৰঙণি যোগাইছে।

৭৯। সন্তান জন্মৰ পৰা ৬ মাহলৈ মাতৃসকল এই আঁচনিৰ জৰিয়তে উপকৃত হৈ আহিছে। আগন্তুক বৰ্ষত এই মজুৰি ক্ষতিপূৰণৰ ৰাশি বৰ্তমানৰ ৬ মাহৰ পৰা ৯ মাহলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ জৰিয়তে নৱজাতকৰ পৰ্যাপ্ত পুষ্টি সাধন সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে। কেৱল ইমানেই নহয়, নৱজাতকৰ লগতে গৰ্ভধাৰণৰ সময়ছোৱাত মাতৃগৰাকীলৈ মজুৰি ক্ষতিপূৰণৰ ৰাশি ১৮,০০০ টকালৈ বৃদ্ধি কৰিবলৈ মই সিদ্ধান্ত লৈছোঁ। এই ধনৰাশি ৬টা কিস্তিত গৰ্ভৱতী মহিলালৈ আগ বঢ়োৱা হ'ব।

৮০। অধ্যক্ষ মহোদয়, চাহ জনগোষ্ঠী আৰু আদিবাসী শিক্ষাৰ্থীৰ উচ্চ শিক্ষা সুনিশ্চিত কৰিবলৈ আমাৰ চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ২০২০-২১ বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু

উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ চাহ জনগোষ্ঠী আৰু আদিবাসী শিক্ষাৰ্থীৰ শিক্ষা ব্যয়ৰ বাবে আমাৰ চৰকাৰে ১০,০০০ টকাৰ এককালীন সাহায্যৰাশি ধাৰ্য কৰিছে। ২০১৯-২০ বিত্তীয় বৰ্ষত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীও এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব। অৱশ্যে তাৰ বাবে এইসকল শিক্ষাৰ্থীয়ে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ অধীনত থাকিব লাগিব। আঁচনিখনত নিশ্চিতকৈ নতুন হিতাধিকাৰীৰ নামো অন্তৰ্ভুক্ত কৰা হ'ব।

৮১। ২০১৯-২০ বিত্তীয় বৰ্ষত চাহ জনগোষ্ঠী আৰু আদিবাসী যুৱ প্ৰজন্মৰ মাজত উদ্যমিতা শক্তি বৃদ্ধি কৰিবলৈ ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে আমি ২৫,০০০ টকাৰ এককালীন সাহায্য আঁচনিৰ ঘোষণা কৰিছিলোঁ। সদনক জনাবলৈ পাই সুখী হৈছোঁ যে চলিত বিত্তীয় বৰ্ষত এই আঁচনিত ১৪,০০০ উদ্যোগী যুৱকক এই আঁচনিৰ ধন চলিত বৰ্ষৰ ৩১ মাৰ্চৰ পূৰ্বেই প্ৰদান কৰা হ'ব। এই উদগনিৰ ধাৰা অব্যাহত থাকিব। আগন্তুক বিত্তীয় বৰ্ষত ২০,০০০ চাহ জনগোষ্ঠী আৰু আদিবাসী উদ্যমী যুৱকলৈ এই আঁচনিত গাইপতি ২৫,০০০ টকা আগ বঢ়োৱা হ'ব। কেৱল সিমানেই নহয়, পূৰ্বে এই আঁচনিৰ ধন লাভ কৰা হিতাধিকাৰীয়ে সফলতাৰে উদ্যোগ সচল কৰি ৰাখিলে পুনৰ উদ্যোগ সম্প্ৰসাৰণৰ অৰ্থে ২৫,০০০ টকা আগ বঢ়োৱা হ'ব।

৮২। ২০১৮-১৯ বিত্তীয় বৰ্ষত চাহ বাগানৰ লাইনৰ চৰ্দাৰসকলৰ যোগাযোগৰ সুবিধাৰ বাবে ১১,০০০ স্মাৰ্টফোন বিতৰণ কৰা হৈছিল। অৱশ্যে বিগত বৰ্ষত ৪০০০ লাইন চৰ্দাৰ এই আঁচনিৰ পৰা বাদ পৰি গৈছিল। আগন্তুক বিত্তীয় বৰ্ষত এই চৰ্দাৰসকলকো স্মাৰ্টফোন যোগান ধৰা হ'ব।

৮৩। অধ্যক্ষ মহোদয়, অৱসৰৰ পিছত ৰাজ্যখনৰ চাহ শ্ৰমিকসকলক বাগানৰ মালিকে ভাট্টা পৰিশোধ কৰিব লাগে। কিন্তু উদ্বেগেৰে এই কথা লক্ষ্য কৰা যায় যে বহু অৱসৰপ্ৰাপ্ত শ্ৰমিকক নিয়োগকাৰীয়ে এই ভাট্টাৰ ধনৰাশি সম্পূৰ্ণকৈ পৰিশোধ নকৰে। ইয়াৰ ফলত ইতিপূৰ্বে বঞ্চিত এই দৰিদ্ৰ নিশকতীয়া চাহ শ্ৰমিকৰ অৱস্থা অধিক শোচনীয় হৈ পৰা দেখা যায়। ভাট্টাৰ ধন যাতে শ্ৰমিকে অৱসৰ লাভ কৰাৰ লগে লগে লাভ কৰিব পাৰে তাৰ বাবে আমি অসম চাহ শ্ৰমিক ভৱিষ্য নিধি গঠন কৰি অসম ভাট্টা আঁচনি ফলপ্ৰসূভাৱে প্ৰৱৰ্তন কৰাত জোৰ দিছোঁ। এই আঁচনিৰ অধীনত মই ১০ কোটি টকাৰ প্ৰাৰম্ভিক আৱন্টন ঘোষণা কৰিলোঁ। ইয়াৰ জৰিয়তে প্ৰতিজন চাহ শ্ৰমিকে গড়ে ৫০,০০০ টকা অৱসৰ ভাট্টা হিচাপে অৰ্জন কৰিব। অৱশ্যে চাকৰিৰ ম্যাদ আৰু দৰমহাৰ নিৰিখত এই সংখ্যা ব্যক্তিভেদে তাৰতম্য হ'ব পাৰে।

৮৪। বহু চাহ বাগিছা ৰাজ্যখনৰ অত্যন্ত অনগ্ৰসৰ অঞ্চলত অৱস্থিত আৰু এই বাগিচাসমূহৰ পথ যোগাযোগ ব্যৱস্থা এতিয়াও তেনেই দুৰ্বল। বাগিছাৰ লেবাৰ লাইন অঞ্চলত ৰাজ্যৰ গড়কাপ্তানি বিভাগে এই পৰ্যন্ত ৩৮৫ কিলোমিটাৰ পকী ব্লকেৰে নিৰ্মিত পথৰ কাম সম্পূৰ্ণ কৰিছে। পথ সম্প্ৰসাৰণৰ এই আঁচনিক চাহ শ্ৰমিক আৰু চাহ জনগোষ্ঠীয় লোকসকলে ব্যাপকভাৱে আদৰণি জনাইছে। চাহ বাগানৰ লেবাৰ লাইনৰ পৰা ডিভিজনৰ লেবাৰ লাইনলৈ এই আঁচনিৰ অধীনত পথ নিৰ্মাণ কৰিবলৈও তেওঁলোকে ব্যাপক অনুৰোধ জনাইছে। তেওঁলোকৰ অনুৰোধৰ প্ৰতি সন্মান জনাই মই ঘোষণা কৰিছোঁ যে আগন্তুক বিত্তীয় বৰ্ষত গড়কাপ্তানি বিভাগে ৰাজ্যৰ বিভিন্ন চাহ বাগিছাত ৩০০টা খণ্ডত ৩০০ কিলোমিটাৰ পকী ব্লকৰ পথ নিৰ্মাণৰ কাম হাতত ল'ব।

৮৫। অধ্যক্ষ মহোদয়, বিগত বৰ্ষৰ বাজেট ভাষণত চাহ বাগিছা অঞ্চলৰ শৈক্ষিক বিকাশৰ ধাৰা শক্তিশালী কৰিবলৈ ১০২খন নতুন হাইস্কুল স্থাপনৰ কথা মই ঘোষণা কৰিছিলোঁ। সদনৰ সদস্যসমূহৰ বিশ্বাস আৰু সহযোগিতাৰ ফলত প্ৰস্তাৱিত এই ১০২খন বিদ্যালয়ৰ স্থান নিৰূপণ ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। গড়কাপ্তানি বিভাগে প্ৰতিখন বিদ্যালয়ৰ নিৰ্মাণৰ বাবে ৩.০১ কোটি টকা ব্যয় সাপেক্ষে আঁচনিৰ প্ৰকল্প ব্যয় নিৰ্দ্ধাৰণ কৰিছে। সেইমৰ্মে প্ৰাৰম্ভিক ধনৰাশি হিচাপে মই ১৫০ কোটি টকাৰ আৱন্টন ঘোষণা কৰিলোঁ। ২০২১ চনৰ ৩১ মাৰ্চৰ পূৰ্বে এই আঁচনিৰ কাম সম্পূৰ্ণ কৰা হ'ব। অধ্যক্ষ মহোদয়, ১০২খন বিদ্যালয়ৰ স্থানৰ তালিকা মোৰ বাজেট ভাষণৰ পৰিশিষ্ট-১ত সংযোজন কৰা হৈছে।

৮৬। চাহ বাগিচা অঞ্চলৰ যুৱ প্ৰজন্মৰ মাজত অন্যতম এক জনপ্ৰিয় খেল হ'ল ফুটবল। প্ৰতিখন চাহ বাগিচাতে এখন ফুটবল খেলপথাৰ দেখিবলৈ পোৱা যায়। য'ত বছৰৰ প্ৰায় সকলো সময়তে ফুটবলৰ অনুশীলন দেখিবলৈ পোৱা যায়। ৰাজ্যখনৰ এই সদা-সপ্ৰতিভ যুৱ প্ৰজন্মৰ মাজত যাতে খেলৰ প্ৰতি ধাউতি অটুট থাকে আৰু প্ৰিয় খেলক জীৱিকা বা কেৰিয়াৰ হিচাপে গঢ় দিব পাৰে, তাৰ বাবে ৰাজ্যখনৰ বিভিন্ন স্থানত থকা ১০০খন খেল পথাৰৰ প্ৰতিখনৰ পুনৰ নিৰ্মাণৰ বাবে গাইপতি ৫ লাখ টকাকৈ ধাৰ্য্য কৰা হৈছে।

৮৭। অধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছোঁ যে ন ন কল্যাণমূলক আঁচনিয়ে সঞ্চালকালয় কাৰ্যালয়ত কামৰ হেঁচা বৃদ্ধি কৰিছে, সেই অনুপাতে কিন্তু কাৰ্যালয়ৰ কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি কৰিব পৰা

হোৱা নাই। ইয়াৰ ফলত আঁচনিসমূহৰ কাম সময় সাপেক্ষে সম্পূৰ্ণ কৰাটো কঠিন হৈ পৰে। সেয়েহে আমি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ আৰ্হিত জিলা প্ৰকল্প পৰিচালনা গোট আৰু ব্লক প্ৰকল্প পৰিচালনা গোট স্থাপন কৰাৰ সিদ্ধান্ত লৈছোঁ। এই প্ৰকল্প গোটসমূহ চাহ জনগোষ্ঠীৰ কল্যাণ সঞ্চালকালয় কাৰ্যালয়ৰ লগত সংলগ্ন হৈ থাকিব। ইয়াৰ ফলত আঁচনিসমূহৰ ৰূপায়ণ সময় সাপেক্ষ হ'ব।

## VII. অৰুন্ধতী

৮৮। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সম্ভৱতঃ কন্যাদানেই হৈছে বৈবাহিক ৰীতি-নীতিৰ সবাতোকৈ আৱেগিক আৰু হৃদয় বিগলিত মুহূৰ্ত। য'ত পিতৃ-মাতৃয়ে নিজৰ জীৱনৰ সবাতোকৈ মৰমৰ দুহিতাগৰাকীক বিবাহৰ আশীৰ্বাদ প্ৰদান কৰিব লগা হয়। প্ৰতিজন পিতৃ-মাতৃৰ এই আন্তৰিক আৱেগক উপলব্ধি কৰি আমাৰ চৰকাৰে বিগত বছৰত অৰুন্ধতী আঁচনিৰ শুভাৰম্ভ কৰিছিল। আঁচনিখনে পিতৃ-মাতৃৰ আপোন ঘৰখন এৰি নতুন জীৱনৰ নতুন ঘৰ সাজিবলৈ আগ বঢ়া  কন্যা সন্তানৰ বহু পিতৃ-মাতৃক যথেষ্ট সকাহ দিছে।

৮৯। **'অৰুন্ধতী স্বৰ্ণ আঁচনি'**ৰ জৰিয়তে নতুন জীৱনৰ আৰম্ভণিতে প্ৰতিগৰাকী নৱ বিবাহিতা কন্যা সন্তানলৈ সোণ ক্ৰয়ৰ বাবে ৩০,০০০ টকাৰ বিত্তীয় সাহায্য আগ বঢ়োৱা হয়। এই আঁচনিৰ সুফল এতিয়া বছৰি ৫ লাখ টকালৈকে উপাৰ্জন কৰা প্ৰতিটো পৰিয়ালৰ প্ৰতিগৰাকী কইনালৈ সম্প্ৰসাৰিত কৰা হৈছে। বিশেষ বিবাহ আইন, ১৯৫৪ৰ অধীনত বিবাহ পঞ্জীয়ন কৰিলেই এই আঁচনিৰ সুফল উপলব্ধ হ'ব।

৯০। অনলাইনৰ এক নিৰ্দিষ্ট ৱেবপেজত এদিনৰ ভিতৰত নৱবিবাহিতা কইনাই এই **'অৰুন্ধতী স্বৰ্ণ আঁচনি'**ত নাম পঞ্জীয়ন কৰিব পাৰে। এই অনলাইন ব্যৱস্থা ইতিমধ্যে আৰম্ভ হৈছে আৰু আৰম্ভ হৈছে আৰু চলি আছে।

৯১। অৱশ্যে **'অৰুন্ধতী স্বৰ্ণ আঁচনি'** ঘোষণাৰ দিনৰ পৰা আজিলৈ সোণৰ দাম ঊৰ্দ্ধগামী হৈছে। আমাৰ চৰকাৰ এই দিশৰ প্ৰতিও সজাগ। আমাৰ প্ৰতিশ্ৰুতি অনুসৰি প্ৰতিগৰাকী কইনালৈ সেয়েহে ১ তোলা সোণৰ বাবে পূৰ্বৰ ৩০,০০০ টকাৰ পৰা বৃদ্ধি কৰি এই বছৰ ৪০,০০০ টকালৈ বিত্তীয় সাহায্য দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ২০২০ চনৰ ১ জানুৱাৰীত এই আঁচনিখনৰ শুভাৰম্ভ কৰা হয়। আগন্তুক বিত্তীয় বৰ্ষত এই কল্যাণমুখী আঁচনিখনক অধিক জনপ্ৰিয় কৰিবলৈ আঁচনিখনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

৯২। ২০২০-২১ বৰ্ষৰ বাজেটত এই আঁচনিৰ বাবে মই ১৫০ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিলোঁ।

## VIII. সংহত সামাজিক সুৰক্ষা আঁচনি

৯৩। অধ্যক্ষ মহোদয়, বৈধব্যক আঁকোৱালি ল'ব লগীয়া হোৱা মহিলাসকলৰ বাবে আমাৰ চৰকাৰে ২০১৯-২০ বৰ্ষৰ বাজেটত দুখনকৈ আঁচনি ক্ৰমে **'বিধৱা মহিলালৈ তৎকালীন পৰিয়াল সাহায্য আঁচনি'** আৰু **'ইন্দিৰা মিৰি সামাজিক বিধৱা পেঞ্চন আঁচনি'**ৰ শুভাৰম্ভ কৰিছিলোঁ। বিধৱা মহিলালৈ পৰিয়াল সাহায্য আঁচনিৰ অধীনত ২৫,০০০ টকাৰ এককালীন সাহায্য আৰু বিধৱা পেঞ্চন আঁচনিৰ অধীনত বৈধব্যক আঁকোৱালি ল'বলগীয়া হোৱা মহিলালৈ মাহিলী ২৫০ টকাকৈ পেঞ্চন আগবঢ়োৱা হয়। **'ইন্দিৰা মিৰি বিধৱা পেঞ্চন'** আঁচনিত আমি প্ৰায় ১ লাখ আবেদন লাভ কৰিছোঁ। ২০২০ চনৰ ৩১ মাৰ্চৰ পূৰ্বেই এই আবেদনকাৰী মহিলালৈ এই পেঞ্চনৰ ধন প্ৰদান কৰা হ'ব। ২০২০-২১ বিত্তীয় বৰ্ষতো এই আঁচনি অধিক পৰিবৰ্দ্ধিত ৰূপত জনতাৰ মাজলৈ লৈ যোৱা হ'ব। আমাৰ লক্ষ্য হ'ল অকাল বৈধব্যৰ কবলত পৰা কোনো দুৰ্ভগীয়া মহিলা যাতে আঁচনিৰ পৰা বঞ্চিত হৈ থাকিব লগা নহয়। এই দুয়োখন আঁচনিৰ ৰূপায়ণৰ বাবে আমি ৯১ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

৯৪। একেদৰে ২০১৭-১৮ বৰ্ষত ৰাজ্যখনৰ সকলো বৃদ্ধ লোকক সামৰি **'শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি'**ৰ ঘোষণা কৰা হৈছিল। পৱিত্ৰ সদনত জনাবলৈ পাই নথৈ আনন্দিত হৈছোঁ যে জীৱনৰ বিয়লি বেলা সাহস আৰু সাহায্যৰ প্ৰতীক এই **'শ্বহীদ কুশল কোঁৱৰ আঁচনি'**ত ১৩ লাখ জ্যেষ্ঠ নাগৰিকে নাম পঞ্জীয়ন কৰিছে। আগন্তুক বিত্তীয় বৰ্ষত এই পেঞ্চন আঁচনিত হিতাধিকাৰীৰ সংখ্যা ১০ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

৯৫। অধ্যক্ষ মহোদয়, ওপৰত উল্লেখিত এই অন্যতম সামাজিক সুৰক্ষা আঁচনিসমূহ ৰূপায়ণৰ একক গৌৰৱ আৰু সন্তুষ্টিৰ অংশীদাৰ হৈ এইবাৰ মই আমাৰ সমাজৰ অন্য এক অৱহেলিত আৰু দুৰ্বল শ্ৰেণীৰ সুৰক্ষাৰ প্ৰসংগত আলোকপাত কৰিবলৈ অগ্ৰসৰ হৈছোঁ। আমাৰ ৰাজ্যখনৰ ৪০ ঊৰ্দ্ধৰ বহু অবিবাহিত মহিলাৰ জীৱন সংগ্ৰামৰ দিশত সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱা বছৰ চৰকাৰী কৰ্মচাৰীৰ **অবিবাহিত** কন্যাৰ বাবে আমাৰ চৰকাৰে পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰিছিল। এই আঁচনিকে সম্প্ৰসাৰণ কৰি চলিত বছৰৰ পৰা ৰাজ্যখনৰ ৪০ ঊৰ্দ্ধৰ সকলো অবিবাহিত। **বিবাহ বিচ্ছেদিত** পৰিয়াল অথবা **বৈবাহিক সম্বন্ধৰ পৰা বিচ্ছিন্ন অকলশৰীয়া** সকলো মহিলাকে মাহিলী ২৫০ টকা পেঞ্চন প্ৰদান কৰাৰ সিদ্ধান্ত

গ্ৰহণ কৰা হৈছে। অসমীয়া ছবিজগতৰ প্ৰথমগৰাকী অভিনেত্ৰী, আমাৰ সকলোৰে চিৰনমস্য আইদেউ সন্দিকৈৰ স্মৃতিত এই আঁচনিখন উচৰ্গা কৰা হ'ল। সেইমৰ্মে এই আঁচনিখনক **'আইদেউ সন্দিকৈ মহিলা সন্মান আঁচনি'** বুলি জনা যাব।

৯৬। এই সকলো সামাজিক সুৰক্ষা আঁচনিৰ সুচাৰু ৰূপায়ণৰ বাবে চলিত বাজেটত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৫০৫ কোটি টকাৰ আবণ্টন ঘোষণা কৰিলোঁ।

## IX. বিস্তাৰিত কনকলতা মহিলা সবলীকৰণ আঁচনি

৯৭। অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ মহিলা আত্মসহায়ক গোটসমূহৰ সবলীকৰণৰ উদ্দেশ্যে ২০১৮ চনৰ ১ এপ্ৰিলত ২৫০ কোটি টকাৰ প্ৰাৰম্ভিক বাজেট ব্যয়েৰে **'কনকলতা মহিলা সবলীকৰণ আঁচনি'**খনৰ শুভাৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত পৰিবৃদ্ধিশীল খণ্ডৰ আত্মসহায়ক গোটৰ প্ৰত্যেকে ২৫,০০০ টকাকৈ আৰু অপৰিবৃদ্ধিশীল খণ্ডৰ প্ৰতিটো আত্মসহায়ক গোটে ১০,০০০ টকাকৈ পুঁজি লাভ কৰে। ২০১৯-২০ বৰ্ষত ৬৩,০০০খন নতুন আত্মসহায়ক গোটক আঁচনিখনে সামৰি লয়।

৯৮। **'কনকলতা মহিলা সবলীকৰণ আঁচনি'**ৰ দ্বাৰা ২৫,০০০ টকা আৰু ১০,০০০ টকাকৈ আৰ্থিক অনুমোদন লাভ কৰি পাম আৰু অনাপাম খণ্ডত মহিলাসকলৰ দ্বাৰা পৰিচালিত গ্ৰাম্য আত্মসহায়ক গোটসমূহে সন্মানসহকাৰে জীৱন নিৰ্বাহৰ পথ লাভ কৰিছে।

৯৯। মহোদয়, আঁচনিখনে মহিলাসকলক সবল কৰি তোলাৰ আৰু ইয়াৰ দ্বাৰা হিতাধিকাৰীসকলৰ জীৱন আলোকিত হৈ উঠাৰ কিছু হৃদয়স্পৰ্শী কাহিনী মই এই পবিত্ৰ সদনৰ সন্মানীয় সদস্যসকলৰ সন্মুখত ব্যক্ত কৰিব বিচাৰিছোঁ।

১০০। গোলাঘাট জিলাৰ **পদ্মিনী** আত্মসহায়ক গোটটো দুগ্ধ উৎপাদনত নিয়োজিত আৰু এই গোটে গাখীৰ আৰু দুগ্ধজাত সামগ্ৰীৰ বিক্ৰীৰ দ্বাৰা প্ৰতিমাহে ১.১৫ লাখ টকা উপাৰ্জন কৰে। বঙাইগাঁও জিলাৰ **উন্নতি** আত্মসহায়ক গোটৰ জাবেদা খাটুনে কনকলতা মহিলা সবলীকৰণ আঁচনিৰ অধীনত এটা ঋণ লৈ ই-ৰিক্সা ক্ৰয় কৰিছিল। তেওঁ বৰ্তমান প্ৰত্যেক মাহতে ১৫,০০০ টকা উপাৰ্জন কৰি আছে। যোৰহাট জিলাৰ **তৰা** আত্মসহায়ক গোটে আঁচনিখনৰ দ্বাৰা আৰ্থিক সাহায্য লাভ কৰি টেইলৰিং গোট স্থাপন কৰিছিল। গোটটোৱে বৰ্তমান বছৰেকত ২.৫ লাখ টকা উপাৰ্জন কৰে। লক্ষীমপুৰ জিলাৰ **আইদেউ জনকল্যাণ**

আত্মসহায়ক গোটৰ ৰুমী গোঁহায়ে আঁচনিখনৰ সাহায্য লাভ কৰি মুগা উৎপাদন আৰু বয়নত জড়িত হৈ পৰে আৰু বৰ্তমান তেওঁ বছৰেকত ২ লাখকৈ টকা উপাৰ্জন কৰে।

১০১। গ্ৰাম্য মহিলাসকলৰ এই উৎসাহ-উদ্দীপনা আৰু সফলতাৰ ধাৰা অটুট ৰাখিবলৈ মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে বেংকৰ ঋণ লাভ কৰা বা লাভ কৰিবলৈ যোগ্যতা থকা আত্ম-সহায়ক গোটসমূহৰ প্ৰত্যেকলৈ ৫০,০০০ টকাৰ আৰ্থিক অনুদান আগ বঢ়োৱা হ'ব। এই আঁচনিৰ অধীনত আত্ম-সহায়ক গোটৰ প্ৰায় ১,০৪,৫০৪গৰাকী মহিলা উপকৃত হ'ব বুলি আশা কৰা হৈছে।

১০২। ইয়াৰ উপৰি, আমি পৰিবৃদ্ধিশীল খণ্ডৰ প্ৰতিখন আত্মসহায়ক গোটলৈ ২৫,০০০ টকাৰ আৰু অপৰিবৃদ্ধিশীল খণ্ডৰ প্ৰত্যেক আত্ম-সহায়ক গোটলৈ ১০,০০০ টকাৰ আৰ্থিক অনুদান অব্যাহত ৰাখিম। ২০২০-২১ বিত্তীয় বৰ্ষত ৫৬,৮০০টা নতুন আত্মসহায়ক গোট আঁচনিখনৰ দ্বাৰা উপকৃত হ'ব।

১০৩। সেইবাবে, এই অতিশয় সফল আঁচনিখনৰ বাবে সৰ্বমুঠ ৬৫০ কোটি টকাৰ ক্ৰমবৰ্দ্ধমান ব্যয় নিৰ্দ্ধাৰণ কৰা হৈছে।

১০৪। মহোদয়, আমি এটা কথা উল্লেখ কৰিব লাগিব যে 'জীৱিকা সখী' নামেৰে পৰিচিত সাধাৰণ সমল ব্যক্তিসকলৰ ওপৰতে আঁচনিখনৰ সফলতা নিৰ্ভৰশীল। দৰাচলতে তেওঁলোক হ'ল আত্ম-সহায়ক বিপ্লৱৰ পথ নিৰ্দেশক। তেওঁলোকে ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ, এখন আত্ম-সহায়ক গোটৰ সভাৰ পৰা আন এখনলৈ সততে অহা-যোৱা কৰি আত্ম-সহায়ক গোটৰ মহিলাসকলক দশসূত্ৰৰ নীতিৰে সামৰি তেওঁলোকক সবল আৰু অনুপ্ৰাণিত কৰে। অসমৰ জীৱিকা সখীসকলৰ অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁলোকৰ প্ৰত্যেককে আমি একোখনকৈ স্কুটি প্ৰদান কৰিম আৰু তেওঁলোকৰ মাহেকীয়া বেতনৰ ওপৰঞ্চিভাৱে ৫০০ টকাকৈ ভ্ৰমণ বানচ আগ বঢ়োৱা হ'ব। এই উদ্দেশ্যে মই আঁচনিখনৰ বাবে ৩৬ কোটি টকাৰ আবণ্টন দিছোঁ।

## X. অসম মালা

১০৫। অধ্যক্ষ মহোদয়, ২০১৮-১৯ বৰ্ষৰ বাজেটৰ ঘোষণা অনুসৰি **'অসম মালা'** আঁচনিৰে ৰাজ্যিক ঘাইপথ আৰু জিলাৰ প্ৰধান পথসমূহৰ সংযোগ আৰু সম্প্ৰসাৰণৰ কাৰ্যব্যৱস্থা ৰূপায়িত হৈ আছে। মই আপোনাক জনাবলৈ পাই সুখী হৈছোঁ যে এই প্ৰকল্পই বহুমুখী বেংকসমূহৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। লগতে এছিয়ান ডেভেলপমেণ্ট বেংকৰ ৫,০০০ কোটি টকাৰ অৰ্থসাহায্যৰ অধীনত আমি ARNP আৰু ASRIP শীৰ্ষক দুটা বাহ্যিক সাহায্যযুক্ত

প্ৰকল্প মঞ্জুৰ কৰাবলৈ সক্ষম হৈছোঁ। বিগত বাজেটত **'অসম মালা'** আঁচনিৰ বাবে নিৰ্বাচিত পথসমূহৰ তালিকা সন্নিবিষ্ট কৰা নাছিলোঁ; কাৰণ সেই সময়ত আঁচনিখন প্ৰাৰম্ভিক পৰ্যায়তে আছিল। এয়া যিয়েই নহওক, সন্মানীয় সদস্যসকল আৰু আন শ্ৰোতা-দৰ্শকৰ জ্ঞাতাৰ্থে **'অসম মালা'**ৰ অধীনস্থ প্ৰকল্পসমূহৰ এখন তালিকা আগ বঢ়ালোঁ।

১০৬। মই অত্যন্ত সুখ অনুভৱ কৰিছোঁ যে নিম্নোক্ত প্ৰকল্প চাৰিটাৰ কাম ইতিমধ্যে চলি আছে আৰু ভাৰসাম্যযুক্ত কাৰ্যৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) যুগুত কৰি থকা হৈছে। প্ৰকল্প চাৰিটা হ'ল—

(ক) শিঙীমাৰি-শুৱালকুছি পথ ৰাজগড়লৈ উন্নীতকৰণ আৰু চাৰি লেনযুক্ত কৰি বহলীকৰণ।

(খ) নলবাৰীত ঘগ্ৰাপাৰ দামোদৰ ধাম-বিজুলীঘাট পথৰ উন্নীতকৰণ আৰু বহলীকৰণ।

(গ) মাজুলীৰ গড়মূৰ-জেংৰাইৰ পথটো দুই লেনযুক্ত পথলৈ উন্নীতকৰণ।

(ঘ) গোভালিৰ পৰা ভকতগাঁৱলৈ পথছোৱা (SH-3)ৰ উন্নীতকৰণ।

১০৭। আমি দুটাকৈ বাহ্যিক সাহায্যযুক্ত প্ৰকল্পৰ বাবে ৫,০০০ কোটি টকাৰ প্ৰতিশ্ৰুতি লাভ কৰিছোঁ। বৰ্তমানে আমাৰ বাবে সৰ্বাধিক গুৰুত্বপূৰ্ণ কাৰ্য হ'ল প্ৰকল্পসমূহৰ বাবে ভূমি অধিগ্ৰহণ, উপযোগিতা হস্তান্তৰকৰণ আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদন চূড়ান্তকৰণ। ইয়াৰ বাবে আমি ২০২০-২১ বৰ্ষৰ বাজেটৰ পৰা ২৮৫ কোটি টকাৰ আবন্টন দিছোঁ।

১০৮। মহোদয়, এই বিস্তৃত পথ যোগাযোগৰ মাষ্টাৰ প্লেনে ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক পথ, জিলাৰ মুখ্য পথ, গ্ৰাম্য আৰু চহৰীয়া পথকে ধৰি সৰ্বমুঠ প্ৰায় ৫৭,৬১৭ কিলোমিটাৰ দৈৰ্ঘ্য সামৰি ল'ব। ২০২০-২১ বিত্তীয় বৰ্ষত ৰাজ্যিক অগ্ৰাধিকাৰ ভিত্তিক উন্নয়ন (SOPD) প্ৰকল্প আৰু প্ৰধানমন্ত্ৰীৰ গ্ৰাম ছড়ক যোজনা (PMGSY)ৰ অধীনত নিৰ্মাণৰত ২৫০০ কিলোমিটাৰ পথৰ উপৰি 'অসম মালা' আঁচনিৰ অধীনত নতুনকৈ সৰ্বমুঠ ১২৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হ'ব। প্ৰধানমন্ত্ৰী গ্ৰাম ছড়ক যোজনাৰ অধীনত ২১৩০ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ কৰা হ'ব। তাৰ বাবে বাজেটত পৰ্যাপ্ত পৰিমাণৰ আবণ্টনৰ প্ৰস্তাৱ কৰা হৈছে।

১০৯। মহোদয়, মই ঔদ্যোগিক কেন্দ্ৰ, ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰক সংযোজিত কৰা ওপৰঞ্চি আঠটা পথৰ উন্নীতকৰণ আৰু বহলীকৰণৰ বাবে প্ৰস্তাৱ আগ বঢ়াইছোঁ। কামৰূপ (গ্ৰাম্য), ওদালগুৰি, শোণিতপুৰ, উত্তৰ কাছাৰ পাৰ্বত্য জিলা, তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰ-এই সাতখন জিলাৰ সৰ্বমুঠ এনে ১২২ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু বহলীকৰণৰ বাবে মই বাজেটত ২৫০ কোটি টকা আছুতীয়াকৈ ধাৰ্য কৰিছোঁ। এনে পথৰ তালিকা পৰিশিষ্ট-৩ ত সংযোজিত কৰা হৈছে।

১১০। ৰাজ্যিক গড়কাপ্তানি বিভাগে চিকিৎসালয় আৰু শিক্ষানুষ্ঠানসমূহক সংযোগ কৰা পথ নিৰ্মাণৰ দায়িত্ব ল'ব।

১১১। মহোদয়, আমি সকলোৰে জানো যে দলংসমূহে আমাৰ অৰ্থনৈতিক প্ৰমূল্য আৰু জনজীৱনত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰে। মই ২০১৭-১৮ বৰ্ষৰ বাজেটত **'লাচিত আৰু চিলাৰায় সেঁতু নিৰ্মাণ অভিযান'**ৰ অধীনত ১,০০০খন কাঠৰ দলং পকী দলঙলৈ পৰ্যৱসিত কৰাৰ কথা ঘোষণা কৰিছিলোঁ। গড়কাপ্তানি বিভাগে বিভিন্ন উৎসৰ সহায়ত ৭৫৭খন কাঠৰ দলং কংক্ৰীট দলঙলৈ পৰ্যৱসিত কৰিবলৈ ধন মঞ্জুৰ কৰিছে ; ইয়াৰে ৬৯ খনৰ কাম সম্পূৰ্ণ হৈছে আৰু ৫৪২ খন দলঙৰ সম্পূৰ্তিৰ কাম বিভিন্ন পৰ্যায়ত আছে।

## XI. প্ৰজ্ঞান ভাৰতী

১১২। সন্মানীয় মহোদয়, প্ৰয়াত ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ কথাৰে ক'বলৈ হ'লে - "শিক্ষা গ্ৰহণ উদ্দেশ্যপূৰ্ণ হ'লে সৃষ্টিশীলতা প্ৰস্ফুটিত হয়। সৃষ্টিশীলতা ফুলি উঠিলে ভাবৰ বিকাশ ঘটে। ভাব বিকশিত হ'লে জ্ঞান সম্পূৰ্ণৰূপে আলোকিত হয়। জ্ঞান আলোকিত হ'লে অৰ্থনীতি সমৃদ্ধ হৈ উঠে।"

১১৩। আমাৰ চৰকাৰে অতি গুৰুত্ব সহকাৰে অসমৰ মাধ্যমিক আৰু উচ্চ শিক্ষাক বিশ্বজনীন ৰূপ দিয়াৰ প্ৰয়াস অব্যাহত ৰাখিছে যাতে আমাৰ লক্ষ লক্ষ শিশুৰ ভৱিষ্যৎ সমৃদ্ধিশালী হৈ উঠে আৰু তেওঁলোক আমাৰ সমাজ আৰু অৰ্থনীতিৰ উৎপাদনক্ষম সভ্য হৈ পৰে। এই উদ্দেশ্য সাৰোগত কৰি আমি ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন আঁচনিৰে সামৰি লৈ ভিন ভিন আঁচনি ঘোষণা আৰু ৰূপায়ণ কৰিছিলোঁ। যেনে — বছৰি দুই লাখ টকাতকৈ কম উপাৰ্জন কৰা লোকৰ সন্তানক ডিগ্ৰী পৰ্যায়লৈ বিনামূলীয়াকৈ নামভৰ্তি কৰা, দ্বাদশ শ্ৰেণীলৈ চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থীক বিনামূলীয়া পাঠ্যপুথি আৰু বিনামূলীয়া সমবেশ (Uniform)ৰ যোগান ধৰা। আমি ২০২০-২১ বিত্তীয় বৰ্ষতো এই আঁচনি অব্যাহত ৰাখিম আৰু ইয়াৰ বাবে যথেষ্ট ধন আছুতীয়াকৈ ৰখা হৈছে।

১১৪। দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ্থীসকলক বিনামূলীয়া পাঠ্যপুথি যোগানৰ আঁচনি সফলভাৱে ৰূপায়িত হোৱাৰ পাছত আঁচনিখন স্নাতক পৰ্যায়লৈ অধ্যয়নৰত শিক্ষাৰ্থীলৈ সম্প্ৰসাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰায় ১ লাখ শিক্ষাৰ্থীৰ প্ৰত্যেককে ২০২০ চনৰ ৩১ মাৰ্চৰ ভিতৰত প্ৰত্যক্ষ বেংক হস্তান্তৰণ (DBT) পদ্ধতিত ১০০০ কৈ টকা দিয়া হ'ব। ২০২০-২১ বিত্তীয় বৰ্ষত আঁচনিখনেৰে স্নাতকোত্তৰ পৰ্যায়ত অধ্যয়নৰত শিক্ষাৰ্থীকো সামৰি লোৱা হ'ব। এতিয়া পাঠ্যপুথি ক্ৰয়ৰ বাবে শিক্ষাৰ্থীয়ে ১৫০০ টকাকৈ আৰু স্নাতকোত্তৰ মহলাৰ শিক্ষাৰ্থীয়ে প্ৰত্যক্ষ বেংক হস্তান্তৰণ পদ্ধতিৰে ২০০০ কৈ টকা লাভ

কৰিব। মই এই ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ মুৰব্বীসকলৰ পৰা সম্পূৰ্ণ সহযোগিতা বিচাৰিছোঁ যাতে আঁচনিখন সফলতাৰে ৰূপায়ণ কৰাটো সম্ভৱপৰ হৈ উঠে।

১১৫। মহোদয়, চলিত বিত্তীয় বৰ্ষত শিক্ষাৰ্থীৰ আৰ্থিক অৱস্থাৰ ভিত্তিত তেওঁলোকলৈ মাহেকত ৭০০ টকাৰ হিচাপত বছৰি ১০ মাহৰ আবাসিক মাচুল আগবঢ়োৱাৰ কথা ঘোষণা কৰা হৈছিল। মই সুখী যে প্ৰায় ১১,০০০ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ এই ধন নিৰৱচ্ছিন্নভাৱে যোগান ধৰি ২০২০-২১ বিত্তীয় বৰ্ষত এই ৰাজসাহায্যৰ পৰিমাণ মাহেকত ১০০০ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰাবাস-ছাত্ৰীনিবাসত থকা শিক্ষাৰ্থীৰ প্ৰত্যেককে ১০,০০০ টকাৰ এককালীন অৰ্থ-সাহায্য আগবঢ়োৱা হ'ব। ইয়াৰ বাবে যথেষ্ট পৰিমাণৰ ধন বাজেটত ৰখা হৈছে।

১১৬। আমাৰ ৰাজ্যৰ বহুতো অভিভাৱকে তেওঁলোকৰ সন্তানৰ সপোন পূৰণ কৰিবলৈ, তেওঁলোকক উচ্চ শিক্ষাৰে শিক্ষিত কৰিবলৈ শিক্ষা-ঋণ গ্ৰহণ কৰে। আমাৰ চৰকাৰে 'অভিনন্দন শিক্ষা ঋণ অৰ্থ-সাহায্য আঁচনি' (AELS) এই বৰ্ষতে গ্ৰহণ কৰিছে। ইয়াৰ উদ্দেশ্য হ'ল উচ্চ শিক্ষাৰ বাবে ঋণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক ৫০,০০০ টকাৰ এককালীন অৰ্থ-সাহায্য প্ৰদান কৰা। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে প্ৰায় ২,৭০০ ছাত্ৰ-ছাত্ৰীলৈ এনে অৰ্থ-সাহায্যৰ লাভ আগবঢ়োৱা হৈছে। নগাঁও আৰু কাছাৰ কাগজ কলৰ কৰ্মচাৰীৰ সন্তানেও এই সুবিধাকণ লাভ কৰিছে। ২০২০ চনৰ মাৰ্চ মাহৰ ভিতৰত পুনৰ ৩০০০ ছাত্ৰ-ছাত্ৰী এই আঁচনিৰ দ্বাৰা উপকৃত হ'ব।

১১৭। মহোদয়, নাৰীক দাসত্ব বন্ধনৰ পৰা মুক্ত কৰা আৰু নাৰীশিক্ষাৰ পূৰ্ণ প্ৰসাৰ ঘটোৱাটো আমাৰ হৃদয়ৰ আহ্বান। আমি তেওঁলোকক তেওঁলোকৰ শিক্ষানুষ্ঠানত নিৰাপদে উপস্থিত কৰোৱাৰ উদ্দেশ্যে দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত মেধাৰ ভিত্তিত প্ৰথম ২০,০০০ গৰাকী ছাত্ৰীক ২০২০-২১ বিত্তীয় বৰ্ষত একোখনকৈ স্কুটী আগবঢ়াব।

## XII. কৰ্কট ৰোগ নিৰাময় বুনিয়াদ

১১৮। অসমত কৰ্কট ৰোগীৰ হাৰ ভাৰতৰ ভিতৰতে সৰ্বাধিক। এই ৰোগ কেৱল বছৰে বছৰে অজস্ৰ লোকৰ মৃত্যুৰ কাৰণেই নহয়, ই ৰোগী আৰু তেওঁৰ পৰিয়াললৈ দুৰ্ঘোৰ আৰ্থিক অমানিশা নমাই আনে। বহু সমত কৰ্কটৰোগী আৰু তেওঁৰ পৰিয়ালে চিকিৎসাজনিত

কাৰণত দূৰ-দূৰণিৰ বহিঃৰাজ্যলৈ গমন কৰিবলৈ বাধ্য হয়। ই ৰোগী আৰু তেওঁৰ পৰিয়ালৰ মূৰত আৰ্থিক বোজা জাপি দিয়ে। আমি নিশ্চয়কৈ বুজি পাওঁ যে ৰাজ্যখনৰ ভিতৰত কৰ্কট ৰোগ নিৰাময়ৰ সুবিস্তৃত আৰু সবল চিকিৎসা ব্যৱস্থাই ৰোগীসকলক অযথা খৰচান্ত হোৱাৰ পৰা ৰক্ষা কৰিব।

১১৯। এই কথাৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি স্বাস্থ্য বিভাগে অসম কৰ্কট ৰোগ নিৰাময় বুনিয়াদ (Assam Cancer Care Foundation : ACCF) ৰ অধীনত কৰ্কট ৰোগ নিৰাময় আঁচনি ৰূপায়িত কৰাৰ ক্ষেত্ৰত ত্বৰান্বিত অগ্ৰগতি লাভ কৰিছে। ৰাজ্যখনত কৰ্কট ৰোগৰ নিৰাময়ৰ বাবে গ্ৰহণ কৰা এয়াই প্ৰথম তিনি তৰপীয়া কাৰ্যাৱলী হিচাপে পৰিগণিত হ'ব। অগ্ৰগণ্য নিৰাময় কেন্দ্ৰসমূহ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ কৰ্কট নিৰাময় কেন্দ্ৰৰ লগত সংযোজিত হ'ব। ইয়াৰ দ্বাৰা ৰোগীয়ে ঘৰতে থাকি সমীপস্থ কেন্দ্ৰৰ সহায়ত ৰোগৰ লক্ষণ নিৰূপণ আৰু চিকিৎসা সেৱা অব্যাহত ৰূপত লাভ কৰাৰ সুবিধা পাব। ইয়াৰ দ্বাৰা ৰোগীৰ যাতায়াতৰ শ্ৰম আৰু ব্যয়ৰ বোজা হ্ৰাস পাব।

১২০। চৰকাৰে এই অভিলাষী আঁচনিখনৰ বাবে এতিয়ালৈকে ৫৫০ কোটি টকা আগ বঢ়াইছে আৰু টাটা নিধিয়ে ২৫০ কোটি টকাৰ আৰ্থিক অংশীদাৰিত্ব আগ বঢ়াইছে। আমি এই ক্ষেত্ৰত ২০২০-২১ বিত্তীয় বৰ্ষৰ বাবে ৫০০ কোটি টকাৰ বাজেট নিৰ্ধাৰণ কৰিছোঁ আৰু টাটা নিধিয়ে নিৰ্ধাৰিত অনুপাতত তেওঁলোকৰ অংশীদাৰিত্ব আগবঢ়াব।

১২১। এই কেন্দ্ৰসমূহৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে ডিব্ৰুগড়, গুৱাহাটী, বৰপেটা, তেজপুৰ, লক্ষীমপুৰ, যোৰহাট, ডিফু আৰু কোকৰাঝাৰত আৰম্ভ হৈছে আৰু দৰং আৰু শিলচৰত অচিৰেই আৰম্ভ হ'ব। আশা কৰা গৈছে যে ২০২০-২১ বৰ্ষৰ ভিতৰতে এই হাস্পতালসমূহৰ প্ৰথম পৰ্যায়বোৰ কাৰ্যক্ষম হৈ উঠিব।

১২২। আনহাতে, বিস্তৃত সজাগতামূলক কাৰ্যাৱলী আৰু প্ৰতিৰোধ ব্যৱস্থাৰ লগতে উচ্চ-স্তৰীয় ৰোগ নিৰাময়ৰ ব্যৱস্থা কৰিবলৈ সংহত প্ৰযুক্তি মঞ্চ গঢ়ি উঠিছে। আমি মাত্ৰ তিনি বছৰতকৈও কম সময়ৰ ভিতৰতে ৩৪,৫৪৪ গৰাকী ৰোগীৰ কৰ্কট চিনাক্ত কৰিবলৈ সমৰ্থ হৈছোঁ।

১২৩। মই ২০২০-২১ বৰ্ষৰ বাজেটত এই আঁচনিৰ বাবে ৪৭৫ কোটি টকাৰ আৱণ্টন দিছোঁ আৰু মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে এই সুবিশাল আঁচনিখনে পৰৱৰ্তী বিত্তীয় বৰ্ষ শেষ হোৱাৰ আগতেই ৰাইজৰ কাষ চাপিবলৈ সক্ষম হ'ব।

## XIII. ভ্ৰমণ সাৰথি

*য়ত্ৰ বীতভয়াঃ নাৰ্য়ঃ য়ত্ৰ বৃদ্ধাঃ প্ৰপূজিতাঃ*

*উপাস্তে তত্ৰ শান্তিশ্চ শ্ৰিয়াস্তত্ৰ প্ৰবৰ্ধতে !*

**য'ত নাৰীসকলে নিৰাপত্তা পায় আৰু বয়সিয়াল লোকসকলে পায় সন্মান, তাতেই বাস কৰে শান্তি, অঙ্কুৰিত হয় উন্নতি**

১২৪। মাননীয় অধ্যক্ষ মহোদয়, অসম হ'ল দেৱী মা কামাখ্যাৰ বসতিস্থল। অসমৰ লোকসকল নাৰী জাতিৰ প্ৰতি সদা শ্ৰদ্ধাশীল। আহোম সাম্ৰাজ্যৰ মূলা গাভৰুৰ দেশৰ নাৰীসকল পুৰুষতকৈ কোনো গুণে পিছপৰা নহয়। আনকি এই স্বাধীনতা সংগ্ৰামী খামি-ডাঠ কনকলতা বৰুৱাৰ দৰেই নাৰীসকলে এখন সবল অসম গঢ়াত এক অগ্ৰণী ভূমিকা পালন কৰি আহিছে।

১২৫। আনহাতে, ভাৰতীয় সংস্কৃতিত বয়সিয়াল লোকসকলক সন্মান প্ৰদৰ্শন কৰি আমি আশীৰ্বাদ গ্ৰহণ কৰোঁ। আমাৰ চৰকাৰে বয়সিয়াল লোকসকলক চোৱাচিতা কৰাৰ উদ্দেশ্যে **'প্ৰণাম'**ৰ লেখীয়া বিভিন্ন উদ্যোগ গ্ৰহণ কৰাক আমি আমাৰ নৈতিক দায়িত্ব বুলি অনুভৱ কৰোঁ।

১২৬। পিছে ৰাজহুৱা সুবিধাসমূহ বিশেষকৈ ৰাজহুৱা পৰিবহণৰ ক্ষেত্ৰত নাৰী আৰু বয়সিয়াল লোকসকলে সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। বাছত বহু সময়ত থিয় হৈ যোৱা অথবা শ্বেয়াৰ টেম্পোত যথেষ্ট আহুকালৰ সন্মুখীন হৈ বহি যোৱা কথাটো তেওঁলোকৰ বাবে সঁচাকৈয়ে এক তিক্ত অভিজ্ঞতা। যদিও অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনত চলিত বাছসমূহৰ কিছু সংখ্যক আসন নাৰী আৰু বয়সিয়াল লোকসকলৰ বাবে সংৰক্ষণ কৰা হৈছে, এই আসনসমূহ আন লোকে অধিকাৰ কৰা দেখা যায়। একেদৰে এই আসনসমূহ নাৰী আৰু বয়সিয়ালসকলৰ বাবে পৰ্যাপ্তও নহয়।

১২৭। এই বিষয়টো সমাধানৰ উদ্দেশ্যে মই **'ভ্ৰমণ সাৰথি'** নামৰ এক আঁচনিৰ প্ৰস্তাৱ দাঙি ধৰিছোঁ। এই আঁচনিৰ জৰিয়তে নাৰী আৰু বয়সিয়াল লোকসকলৰ বাবে গুৱাহাটী মহানগৰৰ ভিতৰত আমি এক বিনামূলীয়া আৰু উৎসৰ্গীকৃত বাছ সেৱাৰ ব্যৱস্থা আৰম্ভ কৰিম। এই আঁচনিয়ে নিৰাপদ আৰু আৰামদায়ক যাত্ৰাৰ সূচনা কৰাৰ উপৰি তেওঁলোকক ব্যক্তিগত বাহন ব্যৱহাৰৰ পৰিৱৰ্তে ৰাজহুৱা পৰিবহণ ব্যৱস্থা ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত উৎসাহ যোগাব। গোলাপী ৰঙৰ এই বাছসমূহ মহানগৰৰ ব্যস্ত ৰাজপথসমূহত দিনটো চলাচল কৰি থাকিব আৰু এই বাছসমূহে দেশখনৰ নাৰী আৰু বয়সিয়াল লোকসকলৰ বাবে ক্ষিপ্ৰ, নিৰাপদ আৰু সহজ গতিশীলতা সুনিশ্চিত কৰিব।

১২৮। নাৰী আৰু বয়সিয়াল লোকসকলৰ লগতে মই আমাৰ নিবনুৱা যুৱকসকলৰ বাবে এক সৰু ঘোষণা কৰিবলৈ ওলাইছোঁ। বিভিন্ন পৰীক্ষা/সাক্ষাৎকাৰত অৱতীৰ্ণ হ'বলৈ ওলোৱা নিবনুৱা যুৱকসকলৰ বাবে অসম ৰাজ্যিক পৰিবহণ নিগমে বিনামূলীয়া যাত্ৰাৰ ব্যৱস্থা কৰিব। সাক্ষাৎকাৰৰ বাবে পঠিওৱা কল লেটাৰখনক এই ক্ষেত্ৰত টিকট হিচাপে গণ্য কৰা হ'ব আৰু নিবনুৱা যুৱক-যুৱতীসকলে বাছ কণ্ডাক্টৰজনক এই পত্ৰৰ ফটোকপি হস্তান্তৰ কৰিলেই তেওঁৰ এই বিনামূলীয়া যাত্ৰা নিশ্চিত হ'ব। এনে ধৰণৰ বিনামূলীয়া যাত্ৰাৰ বাবে হোৱা ব্যয় পৰিবহণ নিগমক পৰিশোধ কৰা হ'ব যাতে নিগমৰ বিত্তীয় হানি নহয়।

১২৯। অধ্যক্ষ মহোদয়, ২০২০-২১ বিত্তীয় বৰ্ষত ওপৰোক্ত আৰু অন্যান্য আঁচনি প্ৰৱৰ্তনৰ বাবে মই মুঠ ১৪৮ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## XIV. অসম দৰ্শন

১৩০। অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন অঞ্চলৰ পৰ্যটন ক্ষেত্ৰ আৰু ধৰ্মীয় স্থলসমূহৰ উন্নয়নৰ বাবে আমি বাজেট ২০১৯-২০ ত 'অসম দৰ্শন' নামৰ এক আঁচনিৰ ঘোষণা কৰিছিলোঁ। কামৰূপ- কামাখ্যা, ব্ৰহ্মপুত্ৰ আৰু মাজুলী আৰু পবিত্ৰ স্থান যেনে- বৰাক উপত্যকাৰ ভূৱন তীৰ্থ আদি দৰ্শন কৰা বিষয়ে এই আঁচনিত উল্লেখ আছে। অসমৰ আধ্যাত্মিক পৰম্পৰা উদ্‌যাপনৰ দ্বাৰা সাংস্কৃতিক আৰু ধৰ্মীয় / আধ্যাত্মিক পৰ্যটনৰ উৎকৰ্ষ সাধন হয় বুলি আমি বিশ্বাস কৰোঁ।

১৩১। এয়া মোৰ সৌভাগ্য যে যোৱা ২৪ ফেব্ৰুৱাৰী, ২০২০ তাৰিখে ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ যেনে- মাজুলীৰ পৰা মধুপুৰলৈ, ধুবুৰীৰ পৰা শদিয়ালৈ, কামৰূপৰ পৰা কাছাৰলৈ আৰু কৰিমগঞ্জলৈ, ডিমা হাচাও অঞ্চলৰ পৰা বড়ো অধ্যুষিত অঞ্চললৈ বিভিন্ন স্থানৰ ৯১৫ গৰাকী আধ্যাত্মিক মূৰব্বীৰ উপস্থিতিত এই অভিলাষী আঁচনিখন প্ৰৱৰ্তন কৰিবলৈ সক্ষম হৈছোঁ।

১৩২। ২০১৯-২০ বৰ্ষত ঘোষণা কৰাৰ দৰে ২০২০-২১ বিত্তীয় বৰ্ষত আমি ধৰ্মানুষ্ঠানসমূহলৈ অতিৰিক্ত ২ লাখ টকাৰ বাৰ্ষিক অনুদান আগবঢ়াম।

১৩৩। আমি ৯১৫খন অনুষ্ঠানক প্ৰথম কিস্তি হিচাপে ১০ লাখ টকা হস্তান্তৰ কৰিছোঁ। তীৰ্থযাত্ৰীসকলৰ বাবে এই অনুষ্ঠানসমূহৰ আন্তঃগাথনি উন্নত আৰু উপভোগ্য কৰি তুলিবলৈ মন্দিৰ, সত্ৰ, নামঘৰ, মছজিদ, গীৰ্জা আৰু গুৰুদ্বাৰসমূহক এই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে। ২০২০-২১ বিত্তীয় বৰ্ষত এই ধৰ্মীয় অনুষ্ঠানসমূহক দ্বিতীয় পৰ্যায়ত আমি ১০ লাখকৈ অনুদান আগবঢ়াম। ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাজেটত দিয়া প্ৰতিশ্ৰুতি

অনুসৰি ৯১৫ খন ধৰ্মীয় অনুষ্ঠানৰ পৰা বাদ যোৱা আন ৩৭৭ খন শতবৰ্ষ গৰকা ধৰ্মীয় অনুষ্ঠান আমি সামৰি লম। তীৰ্থযাত্ৰীৰে ঠাহ খাই থকা এই অনুষ্ঠানসমূহক ১০ লাখ টকাৰ আন্তঃগাঁথনিক অনুদান আগবঢ়োৱা হ'ব। এই অনুষ্ঠানসমূহৰ তালিকা পৰিশিষ্ট-৪ত সংলগ্ন কৰা হ'ল।

১৩৪। মাননীয় অধ্যক্ষ মহোদয়, 'অসম দৰ্শন'ৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এই স্থানসমূহলৈ পথ যোগাযোগ ব্যৱস্থাৰ উন্নীতকৰণ। সম্প্ৰতি নিৰ্মাণৰত পথসমূহৰ বাবে আমি ৬১৪ কোটি টকা অনুমোদন জনাইছোঁ। নতুনকৈ চিনাক্ত কৰা ধৰ্মীয় অনুষ্ঠানসমূহৰ প্ৰৱেশ পথ নিৰ্মাণ কৰিবলৈ গড়কাপ্তানি বিভাগ (গ্ৰাম্য)ৰ বাজেটত পৰ্যাপ্ত ধন আৱন্টন দিয়া হৈছে।

১৩৫। নামঘৰসমূহক ধৰ্মানুষ্ঠানৰ ধাৰণাৰ ঊৰ্দ্ধত এক সামাজিক অনুষ্ঠান হিচাপে গণ্য কৰি আন এক গুৰুত্বপূৰ্ণ বিষয় মই প্ৰস্তাৱ কৰিবলৈ ওলাইছোঁ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আমাৰ সাংস্কৃতিক সত্তা উদ্‌যাপনৰ অৰ্থে নামঘৰসমূহ গঢ় দিছিল। শেহতীয়াকৈ অসম চৰকাৰে সামাজিক জীৱন উন্নীতকৰণ আৰু সংস্কৃতিৰ উদ্‌যাপনৰ বাবে নামঘৰসমূহক সামূহিক কেন্দ্ৰ হিচাপে চিহ্নিত কৰি এক অধিসূচনা জাৰি কৰিছে। এই বিত্তীয় বৰ্ষত মই ৰাজ্যখনৰ প্ৰায় ৫০ বছৰীয়া পুৰণি প্ৰায় ৮০০০ নামঘৰলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২.৫ লাখ টকা আবন্টনৰ প্ৰস্তাৱ দিছোঁ।

১৩৬। মই ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত অসম দৰ্শন আঁচনিৰ দ্বিতীয় পৰ্যায়ত ২৮৫ কোটি টকাৰ আবণ্টন দিছোঁ।

## XV. যুৱ আৰোহণ ঃ

১৩৭। মাননীয় অধ্যক্ষ মহোদয়, বাজেট ভাষণৰ আৰম্ভণিতে মই যুৱক-যুৱতীসকলৰ উদ্যমী সক্ষমতা বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছোঁ। এই ক্ষেত্ৰত আমাৰ চৰকাৰে লোৱা বিভিন্ন আঁচনিসমূহৰ বিষয়েও মই ব্যাখ্যা কৰিছোঁ। আমি অনুভৱ কৰোঁ যে ডেকা, প্ৰাপ্তবয়স্ক লোকসকলক আমি পাৰদৰ্শী কৰি তুলিব লাগিব, যাৰ দ্বাৰা তেওঁলোক উদ্যোগী হিচাপে ঠন ধৰি উঠি চাকৰি বিচৰাতকৈ চাকৰি দিয়া ব্যক্তি হিচাপেহে পৰিগণিত হ'ব।

১৩৮। এই আধুনিক অনুভৱক সাৰোগত কৰি আমি একাদশ শ্ৰেণীৰ পৰা তিনি বছৰীয়া ডিগ্ৰী ক'ৰ্চলৈ, লগতে আই টি আই আৰু পলিটেকনিক পাঠ্যক্ৰমতো 'উদ্যমিতা' বিষয়টো সন্নিবিষ্ট কৰিবলৈ প্ৰয়াস কৰিছোঁ। ৰাজ্যখনৰ যুৱক-যুৱতীসকলে এই উদ্যমিতা শক্তি

আহৰণ কৰি তেওঁলোকৰ ভৱিষ্যত সুদৃঢ় কৰিবলৈ সক্ষম হ'ব। কৰ্মই দেশৰ যুৱক-যুৱতীসকলক উদ্যমিতা শক্তি আৰু আৱশ্যকীয় দক্ষতা প্ৰদান কৰিব। কোৱা হয় যে এজন আচল উদ্যমীয়ে এজন সফল কৰ্মী তেওঁ স্বপ্নদ্ৰষ্টা নহয়। সেয়েহে ব্যৱহাৰিক আৰু ধাৰণাকৃত শিক্ষাৰ এক সমন্বয় আমি এই পাঠ্যক্ৰত সন্নিবিষ্ট কৰিম। এইবাবে আমি তেওঁলোকক ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠান গঢ়ি তুলিবলৈ মূলধন হিচাপে অনুদান আগবঢ়াম। ইয়াৰ দ্বাৰা তেওঁলোক ভৱিষ্যত জীৱনত এজন প্ৰকৃত উদ্যমী হৈ পৰিব।

১৩৯। মাননীয় অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে চৰকাৰে লোৱা এনে আঁচনিৰ দ্বাৰা এওঁলোকৰ সপোনবোৰ নিশ্চয়েই ফলৱতী হ'ব। মতামতৰ ওপৰত নিৰ্ভৰ কৰি আমি আগত বছৰত আনুগতিকভাৱে বৃদ্ধি কৰিব পাৰিম।

১৪০। পবিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক মই আনন্দৰে জনাওঁ যে আমি ইতিমধ্যে এই আঁচনি প্ৰয়োগ কৰাৰ বাবে কাৰ্যাৱলী আৰম্ভ কৰিছোঁ। এই আঁচনিৰে দেশৰ ডেকা শক্তিক আত্মবিশ্বাসী আৰু অৰ্থনৈতিকভাৱে সবল কৰি তুলিব বুলি মই বিশ্বাস কৰোঁ। এই আঁচনিৰ সফলতাৰ ওপৰত দৃষ্টি ৰাখি ভৱিষ্যতলৈ আমি এই প্ৰচেষ্টাক অধিক সম্প্ৰসাৰণ কৰিম।

১৪১। ২০২০-২১ বিত্তীয় বৰ্ষত মই এই আঁচনি প্ৰয়োগৰ বাবে ১৪০ কোটি টকা ধাৰ্য কৰিছোঁ।

## XVI. সোণালী শৈশৱ- ৰূপালী পাঠশালা ঃ

১৪২। মাননীয় অধ্যক্ষ মহোদয়, বাজেট ২০১৮-১৯ ত মই এই পৱিত্ৰ সদনক অৱগত কৰিছোঁ যে তিনি পৰ্যায়ত অনুষ্ঠিত গুণোৎসৱে বিদ্যালয়সমূহৰ আন্তঃগাঁথনিক দিশৰ এক কৰুণ ছবি দাঙি ধৰিছে আৰু আমি জানিব পাৰিছোঁ যে ৰাজ্যখনৰ বহু বিদ্যালয়ত ন্যূনতম সুবিধাসমূহ যেনে পৃথক শ্ৰেণীকোঠা, বিদ্যুতৰ ব্যৱস্থা আদি উপলব্ধ নহয়।

১৪৩। মাননীয় অধ্যক্ষ মহোদয়, বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ দিশৰ উন্নীতকৰণৰ বাবে মই ইতিমধ্যে এখন ছবি দাঙি ধৰিছিলোঁ আৰু সেয়া মই পৱিত্ৰ সদনৰ সদস্যসকলৰ আগত পুনৰবাৰ দাঙি ধৰিছোঁ।

| কাৰ্যক্ৰম | গোটৰ সংখ্যা | প্ৰস্তাৱিত গোট ব্যয় | ধনৰাশি (লাখত) |
|---|---|---|---|
| অতিৰিক্ত শ্ৰেণীকোঠা | ১৩৫৬৪ | ৫.৪ | ২৬১০ |
| ভাগ কৰা দেৱাল | ১০৪৭২ | ০.৪ | ৩৯১৭ |
| টয়লেট | ১৩৭৯ | ১.৯ | ২৬১০ |
| বৈদ্যুতিকৰণ | ৩৭৫৬০ | ০.৫ | ১৭৭৫৯ |
| মুঠ | | | ৯৮০২৭ |

১৪৪। মাননীয় অধ্যক্ষ মহোদয়, যুদ্ধকালীন ক্ষিপ্রতাৰে এই আঁচনি ৰূপায়ণ কৰিবলৈ আমি চেষ্টাৰ ত্ৰুতি কৰা নাছিলোঁ যদিও বিভিন্ন কাৰণত এই আঁচনি ৰূপায়ণ কৰাত বিলম্ব হৈছে। মই এই পৱিত্ৰ সদনক এই আঁচনিৰ ক্ষিপ্ৰ ৰূপায়ণৰ পুনৰ আশ্বাস দিব বিচাৰিছোঁ। বিদ্যালয় পৰিচালনা উন্নয়ন সমিতিলৈ খৰতকীয়াকৈ পুঁজি হস্তান্তৰ কৰি ২০২০ চনৰ অক্টোবৰ মাহৰ আগেয়ে বিদ্যালয়গৃহৰ নিৰ্মাণ প্ৰক্ৰিয়া সমাপনৰ সম্পূৰ্ণ চেষ্টা কৰিম।

১৪৫। মাননীয় অধ্যক্ষ মহোদয়, গুণোৎসৱৰ আন এক স্তৰ চলিত বছৰত আমি অনুষ্ঠিত কৰিম। উক্ত গুণোৎসৱৰ সময়ত আমি উন্নত শিক্ষণ স্তৰৰ উপৰি বিদ্যালয়সমূহত জাকত জিলিকা শ্ৰেণীকোঠা, উপযুক্ত আৰু পৰিচ্ছন্ন টয়লেট আৰু বৈদ্যুতিকৰণ প্ৰত্যক্ষ কৰিম বুলি মই নিশ্চিত।

১৪৬। মাননীয় অধ্যক্ষ মহোদয়, ২০১৮-১৯ বিত্তীয় বৰ্ষত মই **'প্ৰত্যাহ্বান'** নামৰ এক আঁচনি সম্পৰ্কে উল্লেখ কৰিছিলোঁ। এই আঁচনিৰ দ্বাৰা চৰকাৰী বিদ্যালয়সমূহৰ উন্নয়ন সাধন কৰি উক্ত বিদ্যালয়সমূহক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ় দি সেই অঞ্চলত থকা উৎকৃষ্ট বে-চৰকাৰী বিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পৰাকৈ সাজু কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। বুনিয়াদী বিদ্যালয়সমূহ চিহ্নিত কৰি প্ৰতিখন বিদ্যালয়ক ২৫ লাখ টকাৰ অনুদান আগবঢ়োৱা হ'ব। প্ৰথমতে এই অনুদান আগবঢ়াবলৈ২০০ খন বুনিয়াদী বিদ্যালয় নিৰ্বাচন কৰিম। ৰাজ্যখনৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনিক উন্নয়নত এই পদক্ষেপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

১৪৭। চলিত বাজেটত মই শিতানত ৩১৫ কোটি টকা আৱণ্টন কৰিছোঁ। আঁচনিৰ ফলপ্ৰসূতাৰ ওপৰত চকু ৰাখি ধনৰাশিৰ পৰিমাণ বৃদ্ধি কৰিব পৰা যাব।

## XVII. শিক্ষক প্ৰাদেশীকৰণৰ অগ্ৰগমণ ঃ

১৪৮। অধ্যক্ষ মহোদয়, ২০১৮ চনলৈ সংশোধিত হোৱা 'শিক্ষকৰ সেৱাৰ অসম শিক্ষা প্ৰাদেশীকৰণ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ পুনৰ গঠন আইন, ২০১৭' অনুসৰি মই এই পবিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছোঁ যে অসম চৰকাৰে সকলো শিক্ষকৰ সেৱা প্ৰাদেশীকৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

১৪৯। শিক্ষানুষ্ঠান আৰু শিক্ষকৰ প্ৰাদেশীকৰণৰ বাবে বিত্ত বিভাগে শিক্ষা বিভাগৰ পৰা ৫,৬৫১ খন শিক্ষানুষ্ঠান আৰু ২০,২৮৮ জন শিক্ষকৰ প্ৰস্তাৱ লাভ কৰিছে। উক্ত প্ৰাদেশীকৰণৰ বাবে ৩৭২ কোটি টকা ব্যয় নিৰ্দ্ধাৰণ কৰা হৈছে।

১৫০। এই বিষয়ে সম্পূৰ্ণ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল ঃ

Rs. in Lakh

| Sl. No. | Department | Number of Institutions | Number of Teachers/Tutors | Annual Financial Implication (in Rs.) | Total Implication Annual (in Rs.) |
|---|---|---|---|---|---|
| 1 | **Higher Education** | | | | |
| | New Colleges | 32 | 750 | 4788.0 | |
| | No of additional teachers in existing colleges (Earlier Drop out) | - | 768 | 3959.0 | |
| | TOTAL | 32 | 1518 | 8747.0 | 8747.0 |
| 2 | **Secondary Education** | | | | |
| | New High School | 358 | 2538 | 4102.0 | |
| | New Senior Secondary Schools (Junior College) | 154 | 1588 | 3904.0 | |
| | New Higher Secondary Schools | 114 | 768 | 1759.0 | |
| | No of additional teachers in existing colleges (Earlier Drop out) | | 414 | 638.25 | |
| | Total | 626 | 5308 | 10404.64 | 10404.64 |
| 3 | **Elementary Education** | | | | |
| | New Upper Primary School | 2298 | 7806 | 7523.28 | |
| | New Lower Primary Schools | 2695 | 5556 | 10535.19 | |
| | Total | 4993 | 13462 | 18058.47 | 18058.47 |
| | **TOTAL of 1+2+3** | **5651** | **20288** | | **37210.11** |

১৫১। অসম চৰকাৰে শিক্ষাৰ অধিকাৰ আইনৰ অন্তৰ্গত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সকলো বিধি ইতিমধ্যে গ্ৰহণ কৰিছে। সেয়েহে অধিকাংশ শিক্ষানুষ্ঠানৰে সাম্প্ৰতিক সময়ত প্ৰাসঙ্গিকতা লোপ পাইছে। সেয়েহে আমি প্ৰাদেশিকৰণ প্ৰক্ৰিয়াৰে প্ৰতিজনৰে আৰ্থিক দুৰ্ভোগ দূৰ কৰাৰ উপায় উদ্ভাৱন কৰিছোঁ। অৱশ্যে জনসেৱাত জড়িত হৈ একাংশৰ ব্যক্তিগত আৰ্থিক দুৰ্ভোগ দূৰ কৰিবলৈ এনে সিদ্ধান্ত ল'বলগীয়া হোৱাটো সদায় এক নৈতিক সংকতৰ প্ৰশ্ন হৈ দেখা দিয়ে। কিন্তু যদিও এই শিক্ষানুষ্ঠানসমূহৰ প্ৰাদেশিকৰণৰ প্ৰক্ৰিয়াটো শেষ অৱলম্বনহে, সেয়েহে আমি অনুভৱ কৰোঁ যে এই প্ৰক্ৰিয়াৰ এক চূড়ান্ত

ৰূপ আমি চিহ্নিত কৰা উচিত। আগন্তুক কেইমাহমানৰ ভিতৰতে শিক্ষা খণ্ডত অধিক সংস্কাৰ আনিবলৈ আমি এই প্ৰক্ৰিয়াও সম্পূৰ্ণ কৰিম।

XVIII. **অৰুণোদয়**

১৫২। মাননীয় অধ্যক্ষ মহোদয়, অষ্টাদশী মুকুতাৰ মালাৰ অন্তিম আঁচনি **'অৰুণোদয়'** মই পবিত্ৰ সদনত উত্থাপন কৰিবলৈ ওলাইছোঁ। অষ্টাদশী মুকুতাৰ মালাৰ সবাতোকৈ অভিলাষী আঁচনি **'অৰুণোদয়'** মোৰ হিচাপত বিধানসভাত এতিয়ালৈকে ঘোষণা কৰা সকলোবোৰ আঁচনিৰ ভিতৰত বলিষ্ঠ আঁচনি আৰু সেয়েহে এই আঁচনিৰ অন্তৰালত থকা উদ্দেশ্যসমূহ পবিত্ৰ সদনক অৱগত কৰিবলৈ মই অলপ বেছি সময় ল'ব লাগিব।

১৫৩। মাননীয় অধ্যক্ষ মহোদয়, মই বিধানসভাৰ সদস্য হিচাপে প্ৰথমতে কাৰ্যনিৰ্বাহ কৰিছিলোঁ আৰু ২০০১ চনত সদনত যোগদান কৰিছিলোঁ। যোৱা দুটা দশকত বিভিন্ন চৰকাৰে 'দৰিদ্ৰতা নিৰ্মূলকৰণ'ৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি মই প্ৰত্যক্ষ কৰিছোঁ। এই সকলোবোৰ আঁচনিৰ সপোন নিহিত হৈ আছিল এক আদৰ্শত— দুখীয়াসকলে সিদ্ধান্ত ল'ব নোৱাৰে আৰু তেওঁলোকে সিদ্ধান্ত নিৰূপন কৰিবলৈ চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। এই সকলোবোৰ আঁচনিয়েই, হয় গাইগুটীয়া কল্যাণকৰ আঁচনি (Individual Beneficiary Scheme) হিচাপে প্ৰয়োগ কৰা হৈছে অথবা কোনো উপকৰণ ক্ৰয়ৰ বাবে ব্যৱহাৰ কৰা হৈছে। প্ৰায় ক্ষেত্ৰতে আঁচনিবোৰ মাত্ৰ আংশিকভাৱেহে সফল হৈছে।

১৫৪। মাননীয় অধ্যক্ষ মহোদয়, বয়সে অভিজ্ঞতা আৰু জ্ঞান বঢ়ায় বুলি গুণীজনে কয়। ভাল অৰ্থ বহন কৰা আঁচনিসমূহ প্ৰত্যক্ষ কৰি, এই আঁচনিসমূহৰ ভুল প্ৰয়োগ প্ৰত্যক্ষ কৰি মই এই সিদ্ধান্তত উপনীত হৈছোঁ যে আমি দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে ভুল পথত চালিত হৈ আছোঁ। মই অনুভৱ কৰোঁ যে একেবাৰতেই আয় হস্তান্তৰ কৰি আমি আমাৰ দেশৰ লক্ষাধিক লোকক দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিব পাৰোঁ। ক্ষুধা আৰু দৰিদ্ৰতা নিবাৰণৰ বাবে শতাধিক ক্ষুদ্ৰ আঁচনি হাতত লোৱা কাম আন্ধাৰত শৰ মৰাৰ লেখীয়া কাম। বেছিভাগেই এই লক্ষ্যৰ পৰা বঞ্চিত হ'ব আৰু পৰিয়ালসমূহ দৰিদ্ৰতাৰ জালৰ পৰা মুক্তি পাবলৈ সক্ষম নহ'ব।

১৫৫। এক নিস্ফল আঁচনি, লেহেমীয়া আমোলাতন্ত্ৰ, হিতাধিকাৰী নিৰ্বাচনত থকা সুৰুঙা আদিয়ে আঁচনিসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সৃষ্টি কৰে অন্তৰায় আৰু প্ৰতিবন্ধকতা।

১৫৬। মাননীয় অধ্যক্ষ মহোদয়, দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰা মুক্তি পাবলৈ এগৰাকী দুখুনী আইতাই আঁচনিৰ সফল ৰূপায়ণৰ বাবে কেতিয়ালৈ অপেক্ষা কৰিব? পুষ্টিহীনতাত ভোগা শিশুটিৰ আশু আৰোগ্য কামনা কৰি মাতৃয়ে কেতিয়ালৈ চিন্তাক্লিষ্ট হৈ ৰ'ব? প্ৰতিটো পৰিয়ালৰ চিকিৎসাৰ খৰচ সুনিশ্চিত কৰা আমাৰ দায়িত্ব নহয়নে?

১৫৭। দৰিদ্ৰতা নিৰ্মূলকৰণ কাৰ্যক্ৰমণিকাত সু-শাসনক ফলপ্ৰসূ কৰোৱাৰ আৰু সুবিধাসমূহ প্ৰদানৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তনৰ এয়া উপযুক্ত সময়। যেতিয়া চৰকাৰে সমাজৰ দৰিদ্ৰতম পৰিয়ালক স্বাস্থ্য আৰু পৰিপুষ্টিৰ প্ৰয়োজনৰ নিশ্চয়তা প্ৰদান কৰিব পাৰে, তেতিয়াহে হিতাধিকাৰীসকলক লক্ষ্য কৰি প্ৰস্তুত কৰা আঁচনিসমূহৰ পুনৰগঠন সম্ভৱ হ'ব। ইয়াৰ দ্বাৰা লাভান্বিত হ'ব দুখীয়া লোকসকল। ম'বাইল ফোনৰ সৰ্বব্যাপী ব্যৱহাৰ আৰু সুচল বেংক ব্যৱস্থাই আমাৰ চৰকাৰী কাৰ্যব্যৱস্থাৰ আমূল পৰিৱৰ্তন অনাত সুবিধা কৰি দিছে।

১৫৮। যেতিয়া নগদ ধন হস্তান্তৰ প্ৰক্ৰিয়াটো খৰচী হয় তেতিয়া তাক দীঘলীয়া সময়ৰ বাবে চলাই থকাটো অসুবিধাজনক। এয়া সদায়েই এক প্ৰত্যাহ্বানৰ বিষয়। পবিত্ৰ সদনৰ সন্মানীয় সদস্যসকল নিশ্চয় জ্ঞাত যে যোৱা চাৰিটা বছৰত আমি বহু প্ৰত্যাহ্বান গ্ৰহণ কৰিছোঁ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদত আমি সগৌৰৱে এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ সমৰ্থ হৈছোঁ। এই সকলো বিষয়ৰ ওপৰত ভিত্তি কৰি মই **'অৰুণোদয়'** আঁচনি ঘোষণা কৰিছোঁ। এই আঁচনিৰ উক্ত নামটো জানি বুজিয়েই দিয়া হৈছে। আত্ম-নিৰ্ভৰশীলতা, আত্মবিশ্বাস আৰু সুদৃঢ় লক্ষ্যৰে অসমক পুনৰুত্থানৰ পথেৰে আগবঢ়াই নিয়াৰ কথা সাৰোগত কৰিয়েই আঁচনিখনৰ নামকৰণ কৰা হৈছে **'অৰুণোদয়'**।

১৫৯। প্ৰথম প্ৰত্যক্ষ নগদ ধন হস্তান্তৰ আঁচনিৰ আৰম্ভণি কৰিবলৈ প্ৰত্যেকটো পৰিয়ালক মই মাহে ৪০০ টকাকৈ দিয়াৰ কথা ঘোষণা কৰিবলৈ বিচাৰিছোঁ। এই ধন ঔষধৰ বাবে ব্যয় কৰি পৰিয়ালসমূহে চিকিৎসাৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিব। দুখীয়া লোকসকলৰ বাবে আমি ইতিমধ্যে বিনামূলীয়া চাউল বিতৰণৰ ব্যৱস্থা কৰিছোঁ। মই প্ৰতিটো পৰিয়ালক প্ৰতিমাহে মাহ জাতীয় শষ্য ক্ৰয় কৰাৰ বাবে ২০০ টকাকৈ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। এই ধনৰাশিৰে এটা পৰিয়ালে এমাহত ক্ৰয় কৰা ৪ কেজি মাহজাতীয় শস্যৰ ৫০ শতাংশ ৰাজসাহায্য লাভ কৰিব। পৰিয়ালসমূহে মাহিলী খৰচ কৰা ৪ কেজি চেনিৰ বাবে প্ৰতিটো পৰিয়ালক ৮০ টকাকৈ দিবলৈ প্ৰস্তাৱ কৰিছোঁ। এই ধনৰাশিয়ে চেনিৰ বাবে খৰচ হোৱা ব্যয়ৰ ৫০ শতাংশ ৰাজ সাহায্য পৰিয়ালসমূহৰ বাবে প্ৰদান কৰিব। অত্যাৱশ্যকীয় ফল-মূল আৰু পাঁচলি ক্ৰয় কৰাৰ ক্ষেত্ৰত পৰিয়ালসমূহক সকাহ দিবলৈ মই মাহে ১৫০ টকা দিয়াৰ প্ৰস্তাৱ কৰিছোঁ। ঘৰত উৎপাদিত হোৱা ফল-মূল বা শাক-পাচলিৰ ওপৰঞ্চি তেওঁলোকে ক্ৰয় কৰা ফল-মূল বা শাক-পাঁচলিৰ ক্ষেত্ৰত এই ব্যৱস্থা প্ৰযোজ্য হ'ব।

১৬০। চিকিৎসা আৰু পুষ্টি সাহায্যৰ বাবে পৰিয়ালসমূহক মাহিলী ৮৩০ টকাকৈ দিয়া হ'ব। অৰ্থাৎ দুখীয়া পৰিয়ালৰ অতিৰিক্ত আয় হ'ব বাৰ্ষিক ১০,০০০ টকা।

১৬১। আমি দুখীয়া আৰু অৰ্থনৈতিকভাৱে পিছপৰা পৰিয়ালৰ প্ৰায় ২৭ লাখ পৰিয়ালক সামৰি ল'বলৈ প্ৰয়াস কৰিছোঁ। হিতাধিকাৰী পৰিয়ালসমূহক বাছনি কৰে গ্ৰাম সভাই। যিহেতু

২০১১ৰ আৰ্থ-সামাজিক বৰ্ণ জৰীপ তথ্য ব্যাৱহাৰিকভাৱে আওপুৰণি হৈ পৰিছে, সেয়েহে হিতাধিকাৰীসকলক গ্ৰাম সভাই নিৰ্বাচন কৰিব। ব্লক আৰু জিলা পৰ্যায়ত সঠিক হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু হিতাধিকাৰীসকলকৰ বিষয়ে পুনৰ পৰীক্ষা কৰা হ'ব।

১৬২। হিতাধিকাৰীসকলক নিৰ্বাচন কৰাৰ পিছত আমি এই বিত্তীয় বৰ্ষৰ শেষৰ ফালে তেওঁলোকৰ বেংক একাউন্টত একে থুপে ১০,০০০ টকা জমা দিম।

১৬৩। যেতিয়াই প্ৰত্যক্ষ লাভ হস্তান্তৰ (Direct benefit transfer) সম্পূৰ্ণৰূপে কাৰ্যক্ষম হ'ব, নগদ ধন হস্তান্তৰ মাহিলী হিচাপত কৰা হ'ব। পৰিয়ালসমূহে মাহিলী হিচাপত প্ৰতি মাহত এই ধনৰাশি পালে নিশ্চয়কৈ উপকৃত হ'ব। অহা বছৰবোৰত আমি সম্ভৱতঃ সকলো সামাজিক নিৰাপত্তাজনিত আঁচনিক নগদ হস্তান্তৰৰ এখন আঁচনিলৈ ৰূপান্তৰ কৰিবলৈ সক্ষম হ'ম। আহি থকা বছৰসমূহত এই সুবিধাসমূহ আধাৰ কাৰ্ডৰ স'তে সংযুক্ত কৰি আঁচনিৰ স্বচ্ছতা নিৰূপণ কৰিব পাৰিম।

১৬৪। শিশু আৰু বয়সিয়াল লোকসকলৰ চোৱাচিতা কৰাৰ প্ৰাথমিক দায়িত্ব ন্যস্ত থাকে মহিলাসকৰ ওপৰত। সেয়েহে DBT ৰ যোগেৰে মই এই ধন নাৰীসকলৰ নামত পৰিয়ালসমূহলৈ পঠিওৱাৰ প্ৰস্তাৱ কৰোঁ। মই ভাবোঁ যে এই প্ৰক্ৰিয়াৰ দ্বাৰা নাৰীসকলে খাদ্য আৰু পুষ্টিজনিত সুৰক্ষাৰ নিশ্চিতি লাভ কৰিব আৰু পৰিয়ালৰ শিক্ষা আৰু স্বাস্থ্যৰ ওপৰত তেওঁলোকে মনোনিৱেশ কৰিব।

১৬৫। মোৰ দুই দশকৰ অভিজ্ঞতাৰ পৰা মই অনুভৱ কৰিছোঁ যে পদ্ধতিগত আসোঁৱাহ যেনে-ৰঙা ফিটাৰ মেৰপেচ আদিয়ে উন্নয়নত বাধাৰ সৃষ্টি কৰিছে। সেয়েহে দায়িত্ববোধ আৰু আশাব্যঞ্জক অনুভৱক সাৰোগত কৰি মই এই বৃহৎ পদক্ষেপ হাতত হৈছোঁ। **'অৰুণোদয়'**ৰ সফলতা উৎসৰ্গা কৰা হৈছে ইয়াৰ স'তে জড়িত সকলো হিতাধিকাৰীৰ উদ্দেশ্যে। যদিহে এই আঁচনিয়ে সফলতাৰ মুখ নেদেখে, মই তাৰ সম্পূৰ্ণ দায়িত্ব ল'ম।

১৬৬। এয়া হৈছে অসমৰ ইতিহাসত সৰ্ববৃহৎ প্ৰত্যক্ষ লাভ হস্তান্তৰ (DBT) ব্যৱস্থা আৰু এই আঁচনিৰ বাবে মই ২,৮০০ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিলোঁ।

১৬৭। এক নতুন প্ৰভাতক স্বাগতম জনাই চলিত বিত্তীয় বছৰত অষ্টাদশ মুকুতাৰ উন্নয়নী মালাৰ মই ইমানতেই সামৰণি মাৰিলোঁ আৰু বিশেষ ঘোষণা কিছুমান আলোকপাত কৰিবলৈ আগবাঢ়িলোঁ।

**I. বড়ো চুক্তি আৰু বড়োসকলৰ বাবে ব্যৱস্থা ঃ**

১৬৮। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জ্ঞাত যে বড়ো অধ্যুষিত অঞ্চলত স্থায়ী শান্তি সুনিশ্চিত কৰিবলৈ এন ডি এফ বি (NDFB), আবছু (ABSU), ইউবিপিঅ' (UBPO), অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ সকলো পক্ষৰ মাজত ২৭ জানুৱাৰী, ২০২০ তাৰিখে এক ঐতিহাসিক ভূমি বন্দৱস্তি চুক্তি স্বাক্ষৰ কৰিছে। প্ৰথমবাৰৰ বাবে NDFB আৰু ABSUৰ সকলো পক্ষই এই চুক্তিত স্বাক্ষৰ কৰা এয়া এক ঐতিহাসিক ঘটনা। এই চুক্তিয়ে এই অঞ্চললৈ স্থায়ী শান্তি কঢ়িয়াই আনি সন্ত্ৰাসবাদৰ অৱসান ঘটাব বুলি আশা কৰা হৈছে। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু মাননীয় গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহে উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি আৰু উন্নতি কঢ়িয়াই আনিবলৈ যি প্ৰচেষ্টা অব্যাহত ৰাখিছে তাৰ বাবে মই দুয়োজনালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

১৬৯। এই চুক্তিৰ সত্তাক সাৱোগত কৰি মই নিম্নোক্ত প্ৰস্তাৱসমূহ অতি শীঘ্ৰে কাৰ্যকৰী কৰাৰ প্ৰস্তাৱ কৰিলোঁ ঃ

(ক) কোকৰাঝাৰ সংগীত আৰু চাৰুকলা মহাবিদ্যালয়ক এখন চৰকাৰী মহাবিদ্যালয়লৈ ৰূপান্তৰকৰণ। বড়ো যুৱক-যুৱতীৰ কলাসুলভ প্ৰয়াসক উৎসাহ যোগাবলৈ এই মহাবিদ্যালয়ৰ উন্নীতকৰণ কৰা হ'ব।

(খ) ভৈয়ামৰ জনগোষ্ঠীসকলৰ বাবে প্ৰতিষ্ঠা কৰা পৰিষদৰ দৰে BTAD অঞ্চলৰ বাহিৰত থকা বড়ো গাঁওসমূহৰ উন্নতি সাধনৰ অৰ্থে বড়ো কছাৰী কল্যাণ পৰিষদ গঠন কৰা। বৰ্তমানৰ বাজেট অধিৱেশনত এই ক্ষেত্ৰত এখন বিধেয়ক পৱিত্ৰ সদনত উত্থাপন কৰা হ'ব।

(গ) ভাৰত চৰকাৰে অহা তিনি বছৰৰ বাবে ২৫০ কোটি টকা এই ক্ষেত্ৰত ধাৰ্য কৰিছে। অসম চৰকাৰেও কেন্দ্ৰীয় চৰকাৰৰ দৰে তিনি বছৰৰ বাবে সম পৰিমাণৰ ধনৰাশি প্ৰদান কৰিব বুলি ঘোষণা কৰিব।

(ঘ) বড়ো আৰু অন্যান্য জনজাতীয় ভাষাসমূহৰ চহকী সাংস্কৃতিক ভাষিক ঐতিহ্য ৰক্ষা আৰু উৎসাহ যোগাবলৈ আমি এক জনজাতীয় বড়ো ভাষা সঞ্চালকালয় প্ৰতিষ্ঠা কৰিবলৈ প্ৰস্তাৱ জনাওঁ।

(ঙ) প্ৰাক্তন বড়ো উগ্ৰপন্থীসকলৰ বিস্তৃত পুনৰ সংস্থাপন আৰু ভৰণ-পোষণৰ দায়িত্ব লোৱা হ'ব।

(চ) বড়ো চুক্তিয়ে বিভিন্ন আৰ্থ-সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক কেন্দ্ৰ সুনিশ্চিত কৰিছে। এই চুক্তিত অসম চৰকাৰেও বিশেষ প্ৰতিশ্ৰুতি পালন কৰিছে। ভাৰত চৰকাৰৰ লগত আলোচনা কৰি অসম চৰকাৰে এখন সম্পূৰ্ণ আঁচনি প্ৰস্তুত কৰি বড়ো চুক্তিৰ বিভিন্ন দিশ ৰূপায়িত কৰিব। বড়োলেণ্ড প্ৰাদেশিক অঞ্চলৰ পৰা ৰাজহ গাঁওসমূহ অন্তৰ্ভুক্তিকৰণ বা বাদ দিবলৈ এক আয়োগ প্ৰতিষ্ঠা কৰা বিষয়টোও এই আঁচনিত সন্নিৱিষ্ট হৈ থাকিব।

## II. জনজাতীয় সম্প্ৰদায়লৈ স্বীকৃতি আৰু অনুদান প্ৰদান ঃ

১৭০। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে 'সবকা সাথ সবকা বিকাশ'ৰ মন্ত্ৰক সাৰোগত কৰি অন্তৰ্বিষ্ঠ উন্নতিৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈ অহৰ্নিশে কাম কৰি আহিছে। আমি বিশ্বাস কৰোঁ যে অসমৰ প্ৰকৃত শক্তি লুকাই আছে এই ৰাজ্যত বাস কৰা বৰ্ণিল লোকসকল আৰু তেওঁলোকৰ চহকী সংস্কৃতিৰ মাজত। আমি এই বৈচিত্ৰ্য লালন-পালন কৰিবই লাগিব।

১৭১। এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰাৰ উদ্দেশ্যে বিত্তীয় বৰ্ষ ২০২০-২১ত আমি কোচ ৰাজবংশী সম্প্ৰদায়ৰ বাবে এক স্বায়ত্তশাসিত পৰিষদ গঠন কৰাৰ পোষকতা কৰিছোঁ। BTAD আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্ভুক্ত অঞ্চলসমূহক বাদ দি অবিভক্ত গোৱালপাৰা জিলাত বাস কৰা কোচ ৰাজবংশী সম্প্ৰদায়ৰ বাবে 'কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ' গঠন কৰিবলৈ আমি মানস কৰিছোঁ। একেদৰে মৰাণ আৰু মটক সম্প্ৰদায়ৰ লোকসকলৰ বাবেও দুখন স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হ'ব।

১৭২। মৰাণ, মটক, চুতীয়া আৰু আহোম সম্প্ৰদায়ৰ লোকসকলৰ বাবে ৫০০ কোটি টকাৰ এক বিশেষ পেকেজ দিবলৈ আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। সম্প্ৰদায় সমূহৰ প্ৰাচীন ঐতিহাসিক কীৰ্তিস্তম্ভ, থলুৱা সংস্কৃতিৰ উত্তৰণ আৰু সংৰক্ষণ আৰু আন্তঃগাঁথনি উন্নয়নৰ উদ্দেশ্যে এই বিশেষ পেকেজ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে এই বিশেষ পেকেজৰ অধীনত প্ৰত্যেকটো সম্প্ৰদায়ৰ প্ৰত্যেকে ১২৫ কোটি টকাকৈ লাভ কৰিব। WPT আৰু BC বিভাগৰ অধীনত এই ক্ষেত্ৰৰ বাবে আৰশ্যকীয় বাজেট প্ৰস্তুত কৰা হৈছে।

## III. অসম ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ(ASCRDA)ৰ পৰা ৰাভা হাছং (RHAC) স্বায়ত্তশাসিত পৰিষদৰ অপসাৰণ ঃ

১৭৩। মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰৰ বাজেটত ঘোষণা কৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলক সামৰি এক ৰাজ্যিক ৰাজধানী অঞ্চল স্থাপন কৰা হৈছে। এই ক্ষেত্ৰত অসম ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ স্থাপন কৰি গুৱাহাটীক এখন জীৱন্ত মহানগৰ হিচাপে গঢ় দিয়াৰ প্ৰয়াস কৰা হৈছে।

১৭৪। থলুৱা লোকসকলৰ অধিকাৰক সন্মান জনাই মই ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদক ASCRDA বিধি, ২০১৭ ৰ পৰা অপসাৰণ কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

১৭৫। গুৱাহাটী উন্নয়ন বিভাগ (GDD) য়ে এই ক্ষেত্ৰত বিধানসভাত আৰশ্যকীয় সংশোধনী দাঙি ধৰিব।

## IV. অসমীয়া ভাষাৰ উত্তৰণ ঃ

১৭৬। পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক জনাবলৈ পাই মই সুখী হৈছোঁ যে ইংৰাজী আৰু অন্যান্য মাধ্যমত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দশম শ্ৰেণী পৰ্যন্ত অসমীয়া ভাষা শিকাটো বাধ্যতামূলক কৰা হৈছে। এই ক্ষেত্ৰত এই বাজেট অধিৱেশনত শিক্ষা বিভাগে সদনত

আৱশ্যকীয় বিধেয়ক উত্থাপন কৰিব। অৱশ্যে এই আইন বৰাক উপত্যকা, বড়ো অধ্যুষিত অঞ্চল আৰু ষষ্ঠ অনুসূচী পৰিষদৰ অন্তৰ্গত পাৰ্বত্য জিলাত প্ৰযোজ্য নহ'ব।

১৭৭। ইয়াৰ উপৰি চৰকাৰী চাকৰি পাবলৈ বিদ্যালয়ত অসমীয়া বা আন আঞ্চলিক ভাষা অধ্যয়ন কৰাটো বাধ্যতামূলক বুলি ঘোষণা কৰি এখন আইন প্ৰণয়ন কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

### V. বাৰ্ষিক ভূমি পট্টাৰ হস্তান্তৰকৰণ সম্বন্ধে ঘোষণা ঃ

১৭৮। অধ্যক্ষ মহোদয়, চৰকাৰে এই কথা লক্ষ্য কৰিছে যে যুগ যুগ ধৰি ৰাজ্যখনৰ বুজন সংখ্যক খিলঞ্জীয়া জনসাধাৰণে প্ৰজন্মৰ পিছত প্ৰজন্ম ভূমিৰ বাৰ্ষিক পট্টা লাভ কৰি আহিছে। ২০১৯ বৰ্ষৰ নতুন ভূমি নীতি অনুসৰি ৰাজ্যখনত নতুনকৈ ভূমিৰ বাৰ্ষিক পট্টা প্ৰদান বন্ধ কৰা হৈছে।

১৭৯। অৱশ্যে, আমি বাৰ্ষিক ভূমিপট্টা হস্তান্তৰক্ষম কৰিম যাৰ দ্বাৰা আমাৰ থলুৱা সম্প্ৰদায়সমূহ বাৰুকৈয়ে উপকৃত হ'ব আৰু তেওঁলোকৰ আৰ্থিক কাৰ্যকলাপ সক্ৰিয় হৈ উঠিব।

১৮০। ৰাজহ আৰু দুৰ্যোগ প্ৰশমণ বিভাগে ভূমিৰ বাৰ্ষিক পট্টা হস্তান্তৰণৰ অনুমতিৰ বাবে আইনী সংশোধনৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

### VI. খিলঞ্জীয়া মুছলিম উন্নয়ন পৰিষদ ঃ

১৮১। মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰৰ বাজেটত মই থলুৱা মুছলিম উন্নয়ন পৰিষদ গঠন কৰা সম্পৰ্কে আলোচনা কৰিছিলোঁ। এই পৰিষদ গঠন কৰাৰ বাবে ইতিমধ্যে কাৰ্যপ্ৰণালী আৰম্ভ কৰা হৈছে। প্ৰতিশ্ৰুতি অনুসৰি এই পৰিষদ সৃষ্টি হোৱাৰ পিছতেই আমি পৰ্যায়ক্ৰমে ১০০ কোটি টকাৰ যোগান ধৰিম।

১৮২। ইয়াৰ উপৰি আমাৰ চৰকাৰে যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰি ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন সাধন কৰাৰ উদ্দেশ্যেৰে সামাজিক-অৰ্থনৈতিক জৰীপৰ কাম আৰম্ভ কৰিছে। মুছলমানসকলে সন্মুখীন হোৱা দীৰ্ঘদিনীয়া সংকটৰ সমস্যাও ইয়াৰ দ্বাৰা সমাধান হ'ব।

### VII. ১,০০০ গৰাকীকৈ কৃতী ক্ৰীড়াবিদ, শিল্পী আৰু ভ্ৰাম্যমান থিয়েটাৰৰ ব্যক্তিলৈ এককালীন বিত্তীয় সাহায্য ঃ

১৮৩। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ ভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক লৈ আমি সদায়েই গৌৰৱ কৰি আহিছোঁ। এওঁলোকৰ ভিতৰত আছে শ্ৰীমতী হিমা দাস, শ্ৰীমতী ৰীমা দাস, শ্ৰীমতী ইন্দিৰা পি পি বৰা আদি। এওঁলোকৰ প্ৰত্যেকেই নিজ নিজ ক্ষেত্ৰসমূহ ক্ৰমে ক্ৰীড়া, কলা আৰু সত্ৰীয়া নৃত্যত বিশেষ কৃতিত্ব অৰ্জন কৰিছে। এই ব্যক্তিসকলৰ সাফল্যই বিশ্বজুৰি অসম আৰু অসমীয়া সংস্কৃতিৰ এক নৱ উত্থানৰ প্ৰতিফলন ঘটাইছে।

১৮৪। এই পুৰোধা ব্যক্তিসকললৈ আমাৰ শলাগৰ চিন স্বৰূপে আমি তেওঁলোকলৈ এককালীন নগদ বিত্তীয় উদগনিমূলক ধনৰাশি আগ বঢ়োৱাৰ সিদ্ধান্ত লৈছোঁ। সেই অনুসৰি ৰাজ্যৰ ১০০০ গৰাকী ক্ৰীড়াবিদ, ১০০০ গৰাকী শিল্পী আৰু ১০০০ গৰাকী ভ্ৰাম্যমান থিয়েটাৰৰ ব্যক্তিলৈ ৫০,০০০

টকাকৈ এককালীন উদগনিমূলক ধনৰাশি আগ বঢ়োৱা হ'ব। মই নিশ্চিত যে এই পুৰোধা ব্যক্তিসকলে তেওঁলোকৰ কৃতিত্বৰ জৰিয়তে আমাক আগলৈকো গৌৰৱান্বিত কৰাৰ লগতে আনসকলকো অনুপ্ৰাণিত কৰিব।

**VIII. পঞ্জীভুক্ত যুৱ সংঘৰ বাবে অনুদান ঃ**

১৮৫। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ যুৱ চামক সঞ্চালন, অনুপ্ৰাণিত, সংগঠিত তথা সবলীকৰণ কৰাৰ উদ্দেশ্যে যুৱ সংঘসমূহ আৰম্ভ কৰা হৈছিল। যুৱ প্ৰজন্মই যাতে দেশৰ দায়িত্বশীল নাগৰিক হৈ উঠে, সামূহিক উন্নয়ন প্ৰক্ৰিয়াত সক্ৰিয় অংশীদাৰ হিচাপে তেওঁলোকে যাতে স্থানীয় নেতৃত্ব বহন কৰিব পাৰে আৰু সাম্য, ধৰ্মনিৰপেক্ষতা তথা স্বেচ্ছাসেৱাৰ মনোভাৱেৰে উদ্বুদ্ধ হৈ যাতে ৰাষ্ট্ৰ নিৰ্মাণৰ কাম-কাজত ভাগ ল'ব পাৰে, তাৰ বাবে যুৱ সংঘসমূহে ভূমিকা পালন কৰি আহিছে।

১৮৬। অধ্যক্ষ মহোদয়, ৰাজ্যৰ যুৱ শ্ৰেণী আৰু এনে যুৱ সংঘসমূহৰ গুৰুত্ব তথা সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ চৰকাৰে এই সংঘসমূহলৈ অনুদান আগ বঢ়োৱাৰ প্ৰস্তাৱ লৈছে। সেই অনুসৰি ৰাজ্যৰ এনে ২৫০০ টা সংঘৰ প্ৰতিটোলৈ ৭৫,০০০ টকাকৈ অনুদান ধাৰ্য কৰা হৈছে।

**IX. বটদ্ৰৱা থানৰ বাবে পদক্ষেপ ঃ**

১৮৭। মাননীয় অধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনত মই দাখিল কৰিবলৈ সুযোগ পোৱা আটাইকেইখন বাজেটত আমাৰ পৰম আৰাধ্য গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন অনুনাদিত হৈছে।

১৮৮। গুৰুদেৱ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহত্বৰ প্ৰতি আমি শ্ৰদ্ধাপূৰ্বক মূৰ দোৱাইছোঁ। এইখিনিতে মই বিনম্ৰতাৰে উনুকিয়াব খুজিছোঁ যে আমাৰ চৰকাৰে নগাঁও জিলাস্থিত বটদ্ৰৱা থানক কলা, সংস্কৃতি, গৱেষণা আৰু আধ্যাত্মিকতাৰ এক কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ প্ৰস্তাৱ আগ বঢ়াইছে। বটদ্ৰৱা থান চৌহদ আৰু ইয়াৰ আশে-পাশে থকা এলেকাসমূহক এক অদ্বিতীয় সাংস্কৃতিক, ধৰ্মীয় তথা পৰ্যটকৰ আকৰ্ষণ-স্থলী হিচাপে গঢ়ি তুলিবৰ বাবে গড়কাপ্তানি বিভাগে এখন বিস্তৃত প্ৰকল্প প্ৰতিবেদন যুগুতাই উলিয়াইছে। এই প্ৰকল্পৰ মুঠ আনুমানিক ব্যয় হ'ব ১৮৮ কোটি টকা। এই প্ৰকল্পৰ বাবে মই প্ৰথম পৰ্যায়ত ৫০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

**X. ভাষা গৌৰৱ আঁচনি ঃ**

১৮৯। অধ্যক্ষ মহোদয়, অসমৰ কৃষ্টি-সংস্কৃতি চিৰ-চহকী। বৰ্ণাঢ্য জাতি-জনজাতি আৰু বৰ্ণিল ভাষিক বৈশিষ্ট্যৰে আমাৰ ৰাজ্যখনৰ সমাজ ব্যৱস্থা চিৰ-প্ৰৱাহমান।

১৯০। অসমৰ বৰ্ণাঢ্য জনগোষ্ঠীয় ভাষা আৰু সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আমাৰ চৰকাৰ বদ্ধ পৰিকৰ। ভাষা গৌৰৱ আঁচনিৰ অধীনত ৰাজ্যখনৰ বিভিন্ন ভাষিক পৰিচয়ৰ লেখকক তেওঁলোকৰ সৃষ্টিৰাজিৰ বাবে এককালীন ৫০,০০০ কৈ টকা প্ৰদান কৰাৰ সিদ্ধান্তৰ কথা আমাৰ চৰকাৰে ঘোষণা কৰিছিল। ৰাজ্যখনৰ ১০০০ এনে বিভিন্ন ভাষাৰ সাহিত্যিকক এই

ধনৰাশি ২০১৯-২০ বিত্তীয় বৰ্ষত প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। স্বনামধন্য এই লেখক-সাহিত্যিকসকলে নিজ নিজ জনজাতীয় ভাষাৰ ব্যাকৰণ, অভিধান, বিশ্বকোষ আদি বিভিন্ন মূল্যবান গ্ৰন্থ প্ৰকাশেৰে ৰাজ্যখনৰ বৰ্ণাঢ্য পৰিচয়ক সঠিক দিশত গৰিমামণ্ডিত কৰিছে। এই উদগনিমূলক আঁচনিক অধিক গতিশীল কৰিবলৈ ২০২০-২১ বৰ্ষৰ বাজেটত ভাষা গৌৰৱ আঁচনিত মই ৫০ কোটি টকাৰ প্ৰস্তাৱ কৰিলোঁ।

## XI. অসামৰিক সেৱাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ প্ৰতিযোগীৰ স্থান ঃ

১৯১। অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱালে ৰাজ্যখনত এক ক্ৰীড়া সংস্কৃতি গঢ়ি তুলিবলৈ সকলোকে উৎসাহ যোগাই আহিছে। গুৱাহাটী ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তোলাত তেওঁ এক অগ্ৰণী ভূমিকা পালন কৰি আহিছে।

১৯২। আমাৰ চৰকাৰে অধিক লোকক ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰি তুলিবলৈ তথা ক্ৰীড়াত অধিক সময় অতিবাহিত কৰিবলৈ উৎসাহ প্ৰদান কৰি আহিছে। ইয়াৰ দ্বাৰা অকল তেওঁলোকৰেই নহয়, বৰং দেশখনেও খ্যাতি লাভ কৰিব। অধিক লোকে ক্ৰীড়াক জীৱিকা হিচাপে গ্ৰহণ কৰিব বুলি আমি আশাবাদী।

১৯৩। সেয়েহে, ক্ৰীড়াৰ প্ৰতি লোকসকলক অধিক আকৰ্ষিত কৰি তুলিবলৈ যিসকল খেলুৱৈয়ে অলিম্পিক, এছিয়ান গেমছ আৰু কমনৱেলথ গেমছত সোণৰ পদক অৰ্জন কৰিছে, তেওঁলোকক ৰাজ্য চৰকাৰৰ প্ৰথম শ্ৰেণীৰ বিষয়া হিচাপে নিযুক্তি দিয়াৰ প্ৰস্তাৱ কৰিলোঁ।

১৯৪। আমাৰ চৰকাৰে আনন্দেৰে ঘোষণা কৰে যে আমাৰ 'ধিং এক্সপ্ৰেছ' মিছ হিমা দাসক এই নীতিৰ প্ৰথমজন হিতাধিকাৰী হিচাপে চিহ্নিত কৰিছে। তেওঁক উপ-আৰক্ষী অধীক্ষকৰ পদ আগবঢ়োৱা হ'ব।

## XII. প্ৰসিদ্ধ স্থান শিৱসাগৰৰ বাবে বিশেষ অনুদান ঃ

১৯৫। এই পৱিত্ৰ সদনৰ সন্মানীয় সতীৰ্থসকল নিশ্চয় জ্ঞাত যে ভাৰত চৰকাৰৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়াই সৌ সিদিনা ভাৰতৰ পাঁচখন প্ৰত্নতাত্ত্বিক স্থানক আদৰ্শ স্থান হিচাপে উন্নীত কৰাৰ কথা ঘোষণা কৰিছে। কেন্দ্ৰীয় চৰকাৰে এই স্থানসমূহত সংগ্ৰহালয় স্থাপন কৰাৰ কথাও ঘোষণা কৰিছে।

১৯৬। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ চহকী আহোম ইতিহাসৰ উৎস-স্থান শিৱসাগৰক কেন্দ্ৰীয় চৰকাৰে স্বীকৃতি দিছে। এয়া আমাৰ বাবে নিশ্চয়কৈ এক গৌৰৱৰ বিষয়। আমাৰ চৰকাৰেও এই বিষয়ত এক ভূমিকা পালন কৰি শিৱসাগৰক বিশ্বজোৰা পৰ্যটন মানচিত্ৰত অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়াস কৰিছে। আমাৰ চৰকাৰে ভাৰত চৰকাৰৰ সৈতে সহযোগিতা কৰাৰ উদ্দেশ্যে নিৰ্দিষ্ট নীতি-নিয়ম এক নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্দ্ধাৰণ কৰিব। এই ক্ষেত্ৰত মই প্ৰয়োজনীয় ধনৰ আৱণ্টন ব্যৱস্থা বাজেট ২০২০-২১ ত অন্তৰ্ভুক্ত কৰিছোঁ।

## XIII. সকলোৰে বাবে বুনিয়াদী অলিম্পিক ঃ

১৯৭। মাননীয় অধ্যক্ষ মহোদয়, এক স্বাস্থ্যবান তথা সুখী নাগৰিক সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত ক্ৰীড়াৰ ভূমিকা আমাৰ চৰকাৰে সম্পূৰ্ণৰূপে অনুধাৱন কৰিছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াইও সময়ে সময়ে এই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি আহিছে। সেয়ে এই ক্ষেত্ৰত গ্ৰহণ কৰা আন পদক্ষেপসমূহৰ অতিৰিক্তভাৱে আমি ক্ৰীড়া খণ্ডৰ সৰ্বাত্মক বিকাশ সাধনৰ প্ৰস্তাৱ লৈছোঁ। ইয়াৰ লগতে ক্ৰীড়াক আমাৰ ৰাজ্যৰ জনতাৰ জীৱন শৈলীৰ অন্তৰ্ভুক্ত কৰিবৰ বাবেও আমি লক্ষ্য নিৰ্দ্ধাৰণ কৰিছোঁ। এই উদ্দেশ্যে 'সকলো বয়সৰ লোকৰ বাবে বুনিয়াদী অলিম্পিক' শীৰ্ষক এখন আঁচনিৰ প্ৰস্তাৱ কৰা হৈছে। এই অভিনৱ আঁচনিখনৰ অধীনত ১০ ৰ পৰা ৬০বছৰ পৰ্যন্ত সকলো বয়সৰ লোকৰ বাবে পঞ্চায়ত, খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্যায়ত অলিম্পিকৰ অন্তৰ্গত খেলসমূহ অন্তৰ্ভুক্ত কৰা হ'ব। মহোদয়, আমি দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে সকলো প্ৰশাসনিক স্তৰতে এনে ক্ৰীড়া প্ৰতিযোগিতাসমূহৰ আয়োজনে ঘাইকৈ দুটা উদ্দেশ্য সাধন কৰিব। প্ৰথমতে, ৰাজ্যৰ প্ৰতিটো চুকে-কোণে লুকাই থকা প্ৰতিভাসম্পন্ন খেলুৱৈসকলক চিনাক্ত কৰি তেওঁলোকক উদগণি যোগোৱাত ই সহায় কৰিব। দ্বিতীয়তে, এই আঁচনিৰ জৰিয়তে অসমৰ সকলো বয়সৰ নাগৰিকক শাৰীৰিক তথা মানসিকভাৱে সুস্থ-সবল কৰি তুলিব পৰা যাব।

## XIV. অসমীয়া ভাষাক ডিজিটেল সক্ষমতা প্ৰদানৰ বাবে উৎকৰ্ষ কেন্দ্ৰ ঃ

১৯৯। মহোদয়, 'অসমীয়া ভাষাক ডিজিটেল সক্ষমতা প্ৰদান'ৰ সপোনক বাস্তৱ ৰূপ দিবৰ বাবে আমাৰ চৰকাৰ দায়বদ্ধ। এই কাৰ্যসূচীত হ্ৰস্ব আৰু দীৰ্ঘম্যাদী উভয় ধৰণৰ লক্ষ্য অন্তৰ্ভুক্ত হৈছে। এইসমূহৰ ভিতৰত আছে একোখন ৱেবপেজৰ বিষয়বস্তু অসমীয়া ভাষাত উপলব্ধ কৰাবৰ বাবে প্ৰয়োজনীয় আহিলাৰ বিকাশ সাধন, অসমীয়া ভাষাত বিশ্বমানৰ এক অ'পেন ছ'ৰ্চ অপাৰেটিং ছিষ্টেম সৃষ্টি আদি। ডিজিটেল জগতত ভইচ টেকন'লজীৰ উত্থানৰ পৰিপ্ৰেক্ষিতত আগশাৰীৰ ছাৰ্চ ইঞ্জিন আৰু ভইচ এছিষ্টেন্টসমূহে যাতে অসমীয়া ভইচ ডেটা সুচলভাৱে চিনাক্ত কৰিব পাৰে, তাৰ বাবে ইয়াক এক নিৰ্দিষ্ট মানসম্পন্ন কৰি তোলাটো আৱশ্যকীয়। অসমীয়া ভাষাক প্ৰ'গ্ৰামিং লেংগুৱেজসমূহ আৰু ডেটাবেছসমূহত খাপ খোৱা কৰি তুলিবলৈও এই আঁচনিত লক্ষ্য নিৰ্ধাৰণ কৰি লোৱা হৈছে।

২০০। এই কাৰ্যসূচী ৰূপায়ণৰ বাবে তথা আৱশ্যকীয় গৱেষণা আৰু উন্নয়ন সাধনৰ বাবে আমি বাজেটত আৱশ্যকীয় ধনৰাশি ধাৰ্য কৰিছোঁ।

## XV. জনজাতীয় সম্প্ৰদায়সমূহৰ বিভিন্ন পৰম্পৰাগত /সাংস্কৃতিক উৎসৱ ঃ

২০১। অসম হ'ল ভিন্ন পৰম্পৰা আৰু ধৰ্মীয় বিশ্বাস অনুসৰণকাৰী ভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল। এই ভিন ভিন পৰম্পৰাৰ বৈচিত্ৰ্যৰ মাজত একতাৰ বান্ধোন মজবুত কৰি ৰাখিছে বিভিন্ন পাৰম্পৰিক উৎসৱ-পাৰ্বনে। অসমীয়া সংস্কৃতিত এই উৎসৱসমূহে সদায়েই মুখ্য ভূমিকা লৈ আহিছে। অসমকে নিজৰ ঘৰ বুলি সাৱটি লোৱা ভিন ভিন জনজাতিসমূহৰ বিভিন্ন উৎসৱসমূহে তেওঁলোকৰ স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যকে প্ৰতিফলন কৰে। যিদৰে বড়োসকলে বাথৌ পূজা উদযাপন কৰে, সেই একেদৰে মিচিংসকলে উদযাপন কৰে দঞিং-পল' য়েলাম। কাৰ্বিসকলৰ হেম্‌ফু মুক্লাং উৎসৱ

আৰু ডিমাছাসকলৰ দাইথ’-দাইয়া উৎসৱো একে উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। চাহ জনগোষ্ঠীয় লোকসকলে পৰম্পৰাগত উলহ-মালহেৰে তেওঁলোকৰ পৱিত্ৰ টুছু আৰু কৰম পূজা উদযাপন কৰে। সেইদৰে তিৱাসকলে মিন্দাই ফুজিৰা উৎসৱত দেশৰ-দহৰ কল্যাণৰ হকে প্ৰাৰ্থনা কৰে। বাইথ’ উৎসৱ হ’ল সোণোৱালসকলৰ অতি প্ৰিয় উৎসৱ। একেদৰে বাইখ’ উৎসৱ হ’ল ৰাভাসকলৰ প্ৰাণৰ প্ৰিয়। একেধৰণৰ আনন্দ-উলাহেৰে টাই আহোমসকলে উদযাপন কৰে ফুৰালুং উৎসৱ।

২০২। মাননীয় অধ্যক্ষ মহোদয়, বৈচিত্ৰ্যৰ মাজৰ এই ঐক্যক লৈ আমি গৌৰৱান্বিত। এই জনজাতীয় সংস্কৃতিসমূহৰ প্ৰতি শ্ৰদ্ধাৰ চিনস্বৰূপে আমি ৫০ কোটি টকাৰ পুঁজি আৱণ্টন কৰিবলৈ বিচাৰিছোঁ। এই পুঁজিৰ উদ্দেশ্য হ’ব এক প্ৰতিষ্ঠানিক সংৰচনা গঠনৰ জৰিয়তে এনে সাংস্কৃতিক পৰম্পৰা আৰু বিশ্বাসসমূহক শক্তিশালী কৰি তোলা। মই নিশ্চিত যে আমাৰ ৰাজ্যৰ ভিন্ন জনগোষ্ঠীসমূহৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ সাংস্কৃতিক ঐতিহ্যমূলক উৎসৱসমূহ উদযাপনৰ বাবে গ্ৰহণ কৰা এই পদক্ষেপে আমাৰ সকলোৰে মাজত ইতিবাচক শক্তিৰ ঢল প্ৰৱাহিত কৰিব।

## XVI. ড্ৰাগ্‌ছ আগ্ৰাসনৰ বিৰুদ্ধে যুঁজ ঃ

২০৩। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই অসমৰ যুৱচামৰ মাজত ড্ৰাগছ আৰু আন নিচাজাতীয় সামগ্ৰীৰ সেৱন আৰু আসক্তিৰ ফলত সৃষ্টি হোৱা বৰ্ধিত সমস্যাৰ বাবে গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে। আসক্ত যুৱছামক ড্ৰাগ্‌ছৰ কবলৰ পৰা মুক্ত কৰিবলৈ ভাৰত চৰকাৰে আৰম্ভ কৰা ড্ৰাগ্‌ছ বিৰোধী অভিযানৰ আৰ্হিত আমিও কাৰ্যপন্থা হাতত ল’ম।

২০৪। এই কাৰ্যব্যৱস্থাই তিনিটা উপাদানৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিব ঃ বলবৎ, আসক্তিমুক্তি আৰু প্ৰতিৰোধ। আমি ৰাজ্যত ড্ৰাগছ ব্যৱসায়ী আৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ সুনিশ্চিত কৰিম। লগতে ৰাজ্যৰ মাজেৰে ড্ৰাগছ সৰবৰাহ প্ৰতিৰোধ কৰিম। ইয়াৰ উপৰি নিচামুক্তৰ লগত জড়িত আত্মসহায়ক গোটসমূহৰ সহযোগত আমি ৰাজ্যখনৰ নিৰ্বাচিত স্থানত পাঁচটা নিচাসক্তি মুক্তি কেন্দ্ৰ স্থাপন কৰিম। লগতে আমি বিদ্যালয়, মহাবিদ্যালয়, যুৱ সংঘ আৰু পথৰ শিশুসকলৰ মাজত সজাগতা অভিযান আৰম্ভ কৰিম। এই অভিযানৰ সতে বিস্তৃত প্ৰচাৰ অভিযানো সংযেজিত হ’ব।

২০৫। মহোদয়, মই ৰাজ্যৰ গৃহ আৰু ৰাজনীতি বিভাগৰ দ্বাৰা বলবৎ হ’ব লগা এই অতীব প্ৰয়োজনীয় কাৰ্যব্যৱস্থাৰ বাবে ২০২০-২১ বৰ্ষৰ বাজেটত ১০ কোটি টকা আছুতীয়াকৈ ৰাখিছোঁ।

## XVII. সামাজিক কু-সংস্কাৰৰ বিৰুদ্ধে ব্যাপক সজাগতা অভিযান ঃ

২০৬। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন বৈচিত্ৰ্যপূৰ্ণ জাতি-জনগোষ্ঠীৰ আবাসভূমি য’ত অগণন সামাজিক-সাংস্কৃতিক আচাৰ-ৰীতি পালন কৰা হয়। এনে আচাৰ-ৰীতিৰ ভিতৰত আধুনিক তথা বিজ্ঞানভিত্তিক সমাজ জীৱনৰ লগত খাপ নোখোৱা বাল্য-বিবাহ, যৌতুক প্ৰথা, ডাইনী হত্যাৰ দৰে কু-সংস্কাৰ কেতবোৰো সোমাই আছে। একেদৰে সাম্প্ৰতিক সময়ৰ

কেতবোৰ অসামাজিক কাৰ্য যেনে ভুৱা বাতৰি আৰু উৰা বাতৰি প্ৰচাৰ আদিয়েও সামাজিক অস্থিৰতাৰ সৃষ্টি কৰি আহিছে। এইবোৰ কাৰ্যৰ বিৰুদ্ধেও ব্যৱস্থা লোৱাটো প্ৰয়োজনীয় হৈ পৰিছে।

২০৭। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল মহোদয়ে দৃঢ়ভাৱে বিশ্বাস কৰে যে কেৱল উন্নয়নমূলক আঁচনিৰ শুভাৰম্ভৰ দ্বাৰা সমাজৰ গুণগত পৰিৱৰ্তন সম্ভৱ নহয়। ইয়াৰ লগতে সামাজিক কু-সংস্কাৰ আৰু অন্ধবিশ্বাসবোৰ দূৰ কৰিব লাগিব। সেইবাবে, অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ, চমুকৈ ASTEC-এ বৈজ্ঞানিক মানসিকতাৰ সুদৃঢ়কৰণৰ যোগেদি সামাজিক কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে ব্যাপক সজাগতা অভিযান আৰম্ভ কৰিছে। ASTEC-এ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সামাজিক কু-সংস্কাৰৰ বিৰুদ্ধে কৰ্মৰত আত্মসহায়ক গোটৰ সহযোগিতাত ৰাজ্যিক পৰ্যায়ত অংশগ্ৰহণ কৰিব আৰু এই ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ আত্মসহায়ক গোট, সামাজিক সংগঠন আদিকো এনে সংস্কাৰমূলক কামত জড়িত কৰিব।

২০৮। মই এই নৱতম কাৰ্য ব্যৱস্থাৰ বাবে ১০ কোটি টকা আছুতীয়াকৈ ৰাখিছোঁ।

## XVIII. শিক্ষানুষ্ঠান স্থাপন ঃ

২০৯। অধ্যক্ষ মহোদয়, বিগত ৪ বছৰত শৈক্ষিক আন্তঃগাঁথনিৰ উন্নয়ন আৰু ৰাজ্যখনৰ উদীয়মান প্ৰজন্মৰ বাবে সুযোগ সৃষ্টিৰ প্ৰয়াসেৰে আমাৰ চৰকাৰে বিভিন্ন শিক্ষানুষ্ঠান স্থাপন কৰিছে।

২১০। পবিত্ৰ সদনক এই কথা জনাবলৈ পাই মই অত্যন্ত সুখী যে ২০২০-২১ বিত্তীয় বৰ্ষত ডিফু আৰু উত্তৰ লক্ষীমপুৰত দুখনকৈ চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম হৈ উঠিব। ধেমাজিত এখন অভিযান্ত্ৰিক মহাবিদ্যালয় কাৰ্যক্ষম হৈ উঠিব। সিমানেই নহয়, ২০২০-২১ বিত্তীয় বৰ্ষত ৭ খনকৈ নতুন চৰকাৰী মহাবিদ্যালয়ো কাৰ্যক্ষম হৈ উঠিব। সেইকেইখন মহাবিদ্যালয় হ'ল ক্ৰমে কাছাৰৰ বৰখলা, কাৰ্বি আংলঙৰ দেইথৰ, তিনিচুকীয়াৰ কাকপথাৰ, হাইলাকান্দিৰ কাটলিচেৰা, মৰিগাঁৱৰ লাহৰিঘাট, নগাঁৱৰ চামগুৰি আৰু দক্ষিণ শালমাৰাৰ মাঝেৰ আলগা চৰকাৰী মহাবিদ্যালয়। এই মহাবিদ্যালয়কেইখনৰ প্ৰয়োজনীয় পদসমূহ ইতিমধ্যে সৃষ্টি কৰা হৈছে। ৰাজ্যখনৰ বিভিন্ন ঠাইত আমাৰ চৰকাৰে ৫ খনকৈ নতুন পলিটেকনিক প্ৰতিষ্ঠা কৰি অন্য এক যুগান্তকাৰী কীৰ্তি স্থাপন কৰিবলৈ সক্ষম হৈছে। মৰিগাঁও, ওডালগুৰি, তিনিচুকীয়া, হাইলাকান্দি আৰু চিৰাং জিলাত এই পলিটেকনিক প্ৰতিষ্ঠানকেইখনৰ নিৰ্মাণ কাৰ্য ২০২০-২১ বিত্তীয় বৰ্ষতে আৰম্ভ কৰা হ'ব।

২১১। বিগত ৭০ বছৰৰ তুলনাত ৰাজ্যখনৰ শৈক্ষিক ক্ষেত্ৰত এই সাফল্য নিশ্চয়কৈ এক চমকপ্ৰদ কীৰ্তিমান বুলিয়েই ক'ব লাগিব। স্বাধীনোত্তৰ অসমত মাত্ৰ কেইখনমানহে উচ্চ শিক্ষানুষ্ঠান স্থাপন কৰা হৈছিল। আমি এই প্ৰগতিৰ গতি মন্থৰ হ'বলৈ দিব নোৱাৰোঁ। মই সদনত নিম্ন উল্লিখিত নতুন শিক্ষা প্ৰতিষ্ঠানসমূহৰ উল্লেখেৰে অতি শীঘ্ৰে নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ আশ্বাস দিব খুজিছোঁ।

(ক) গোলাঘাটত নতুনকৈ সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা।

(খ) সোণাৰী, বিশ্বনাথ চাৰিআলি আৰু গোৱালপাৰাৰ জিলা চিকিৎসালয় চৌহদত তিনিখনকৈ নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন।

(গ) গোৱালপাৰাৰ দুধনৈত এখন নতুন আয়ুৰ্বেদিক মহাবিদ্যালয় স্থাপন।

(ঘ) কলিয়াবৰত এখন নতুন আইন মহাবিদ্যালয় প্ৰতিষ্ঠা।

(ঙ) মঙলদৈত এখন নতুন আভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন।

(চ) গুৱাহাটী বিশ্ববিদ্যালয়ত বিদেশী ভাষা প্ৰশিক্ষণ প্ৰতিষ্ঠান।

(ছ) গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় সুৰক্ষা, শান্তি আৰু সংঘাত প্ৰশমন আসন প্ৰতিষ্ঠা।

২১২। বিগত বৰ্ষৰ বাজেটত এই প্ৰতিষ্ঠানসমূহৰ ঘোষণা কৰা হৈছিল। নিৰ্মাণৰ কাম ইতিমধ্যেই আৰম্ভ কৰা হৈছে।

২১৩। মাননীয় অধ্যক্ষ মহোদয়, ২০১৬-১৭ বৰ্ষৰ বাজেটত আমি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়লৈ ১০ কোটি টকাৰ আন্তঃগাঁথনিমূলক অনুদান ঘোষণা কৰিছিলোঁ।

২১৪। মই অহা তিনি বছৰৰ ভিতৰত বিশ্ববিদ্যালয়খনিলৈ ওপৰঞ্চি ১০ কোটি টকাৰ কৰপাছ অনুদান ঘোষণা কৰিছোঁ। এই বছৰ মই ইয়ালৈ ৩ কোটি টকাৰ অনুদান দিছোঁ।

২১৫। মহোদয়, বাণীকান্ত কাকতি অসমৰ অন্যতম পুৰোধা ভাষা গৱেষক আৰু ভাষাবিদ পণ্ডিত। তেখেতে চহকী অসমীয়া ভাষাৰ স্বকীয় পৰিচয় বিশ্বৰ সন্মুখত দাঙি ধৰি মাতৃভাষা অসমীয়াৰ সন্মান বৃদ্ধি কৰিছিল।

২১৬। এই বিৰল ব্যক্তিত্বৰ অধিকাৰী ভাষা গৱেষকগৰাকীৰ প্ৰতি আমাৰ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ চিন স্বৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ত বাণী কান্ত কাকতি আসন স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ।

## XIX. চেনিটেৰী নেপকিন আঁচনি ঃ

২১৭। মাননীয় অধ্যক্ষ মহোদয়, ২০১৮-১৯ বাজেটত মই ১২ ৰ পৰা ২০ বছৰীয়া ছোৱালীসকললৈ চেনিটেৰী নেপকিন ক্ৰয় কৰাৰ বাবে এক মাহিলী ভাট্টা ঘোষণা কৰিছিলোঁ। পিছে বিভিন্ন কাৰণত সেই ব্যৱস্থা আৰম্ভ কৰা নহ'ল।

২১৮। গতিকে আমি পুনৰবাৰ এই আঁচনি আৰম্ভ কৰিবলৈ প্ৰয়াস কৰিছোঁ। আমাৰ চৰকাৰে এই আঁচনিৰ অধীনত চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়ত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়ন কৰি থকা ছাত্ৰীসকলক বিনামূলীয়াকৈ চেনিটেৰী নেপকিন প্ৰদান কৰিব। প্ৰতি মাহত ছোৱালীসকলক ১৮ টা বেল্টবিহীন চেনিটেৰী নেপকিন প্ৰদান কৰা হ'ব।

২১৯। বয়ঃসন্ধিৰ কালছোৱাত অৱতীৰ্ণ হোৱা ছোৱালীসকলৰ ঋতুকালীন পৰিচ্ছন্নতা এই আঁচনিয়ে নিশ্চিত কৰিব আৰু ইয়েই নাৰীসকলক সবলীকৰণ কৰি তুলিব।

২২০। এই আঁচনিলৈ মই ২৫ কোটি টকা আৱণ্টন দিছোঁ।

## XX. ক্ষুদ্ৰ ঋণদান অনুষ্ঠানসমূহৰ সমস্যাৰ সমাধান ঃ

২২১। অধ্যক্ষ মহোদয়, বিগত কিছু বছৰ ধৰি অসমৰ ক্ষুদ্ৰ ঋণদান অনুষ্ঠানসমূহে অসমৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশেষকৈ, বেংক আৰু আন বিত্তীয় সেৱাৰ সুবিধা নথকা দূৰণিবটীয়া অঞ্চলসমূহত ঋণ প্ৰদান, ঋণ গ্ৰহণ (জমা) আৰু বীমাৰ ক্ষেত্ৰত এই ক্ষুদ্ৰ ঋণদান অনুষ্ঠানসমূহৰ উপযোগিতা আৰু কাৰ্যাৱলী সঁচাকৈয়ে প্ৰশংসনীয়। কিন্তু, তৃণমূল পৰ্যায়ত এনে অনুষ্ঠানৰ গঠন আৰু সক্ৰিয়তাৰ ক্ষেত্ৰত অনেক অনাকাংক্ষিত সমস্যাৰ উদ্ভৱ হোৱা দেখা গৈছে।

২২২। এই ক্ষেত্ৰত আমাৰ চৰকাৰে সৰ্বসাধাৰণৰ আৰ্থিক নিৰাপত্তাৰ স্বাৰ্থত চলিত বাজেট অধিৱেশন সমাপ্ত হোৱাৰ ঠিক পিছতে ৰাজ্যখনৰ ক্ষুদ্ৰ ঋণদান অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ বাবে বিস্তৃত নিৰ্দেশাৱলী প্ৰণয়নৰ কাম হাতত লৈছে। লগতে আমি ক্ষুদ্ৰ ঋণদান অনুষ্ঠানসমূহে সন্মুখীন হৈ অহা সমস্যাবোৰৰ লগত মোকাবিলা কৰিবলৈ গ্ৰহণ কৰিবলগীয়া কাৰ্য ব্যৱস্থাৰ বাবে ৫০০ কোটি টকাৰ প্ৰস্তাৱ দিছোঁ।

## XXI. এন আই চি ইউ আৰু পি আই চি ইউ সংযোজিত কৰিবলৈ খ্যাতনামা হাস্পতালৰ সৈতে অংশীদাৰিত্ব ঃ

২২৩। অধ্যক্ষ মহোদয়, মোৰ বিভিন্ন বাজেট ভাষণত প্ৰতিফলিত হৈছে যে ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে নৱজাতক আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাই আহিছে। আমি এই ক্ষেত্ৰত ইতিমধ্যে নানা পদক্ষেপ হাতত লৈছো আৰু এতিয়াও আমাৰ বহুতো কৰণীয় কাম আছে।

২২৪। আমাৰ এনে এক গুৰুত্বপূৰ্ণ কাম হ'ল — নৱজাতকৰ অবিৰত শুশ্ৰূষা গোট (Neonatal Intensive Care Units) আৰু কেঁচুৱাৰ অবিৰত শুশ্ৰূষা গোট (Paediatric Intensive Care Units)ৰ পৰ্যাপ্ত কক্ষ আৰু বিচনা স্থাপন কৰি কণমানিহঁতলৈ কক্ষ আৰু বিচনা স্থাপন কৰি কণমানিহঁতলৈ আধুনিক চিকিৎসা সেৱা প্ৰদান কৰা। বৰ্তমানে ৰাজ্য চৰকাৰে ২৮ খন বিশিষ্ট নৱজাতক শুশ্ৰূষা গোট (Speciality Newborn Care Units :SNCU) চলাই আছে আৰু এই গোটে প্ৰতি বছৰে ৫০,০০০ তকৈ অধিক ৰোগীৰ প্ৰতি সেৱা আগবঢ়াই আহিছে। এয়া যিয়েই নহওক প্ৰত্যেকটো অসুস্থ নৱজাতক আৰু কেঁচুৱাৰ উন্নত আধুনিক চিকিৎসা সুনিশ্চিত কৰিবলৈ অধিক চিকিৎসা অনুষ্ঠানৰ প্ৰয়োজন আছে।

২২৫। কেন্দ্ৰ চৰকাৰ আৰু ৰাজ্য চৰকাৰ উভয়ে স্বাস্থ্যানুষ্ঠানসমূহৰ লগতে সংশ্লিষ্ট মানৱ সম্পদৰ ক্ষমতা বৃদ্ধি কৰাৰ উদ্দেশ্যে স্বাস্থ্যখণ্ডত ৰাজহুৱা-ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্ব প্ৰতিষ্ঠা কৰিবলৈ বিভিন্ন কাৰ্যপন্থা হাতত লৈছে। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি আমি শিশু আৰু নৱজাতকৰ অহৰহ শুশ্ৰূষাৰ প্ৰয়োজনীয় সা-সুবিধা থকা ৰাজ্যৰ সকলো ব্যক্তিগত খণ্ডৰ হাস্পতালক সংযোজিত কৰাৰ কথা ভাবিছোঁ যাতে দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ আৰু নিম্নবিত্ত পৰিয়ালসমূহে গুণমানবিশিষ্ট চিকিৎসা সেৱা লাভ কৰিব পাৰে। এই ক্ষেত্ৰত পূৰ্ব নিৰ্ধাৰিত নিৰ্দেশাৱলী অনুসৰি চিকিৎসা ব্যয় নিৰ্দ্ধাৰিত হ'ব।

## XXII. উত্তৰণ ঃ

২২৬। মাননীয় অধ্যক্ষ মহোদয়, অসমত গণতান্ত্রিক ভাৱধাৰাক উদ্দীপ্ত কৰি তুলিবৰ অৰ্থে ২০১৮-১৯ বৰ্ষত আমি **উত্তৰণ ঃ বিধানসভা সমষ্টিসমূহৰ বাবে ৰাজ্য চৰকাৰৰ বৈশিষ্ট্যপূৰ্ণ প্ৰকল্প** আৰম্ভ কৰিছিলোঁ। এই প্ৰকল্পৰ বাবে ৫০০ কোটি টকা আবণ্টন কৰা হৈছিল। বিগত বৰ্ষত এই প্ৰকল্পলৈ ১৫০ কোটি টকাৰ অতিৰিক্ত আবণ্টন আগবঢ়োৱা হয়।

২২৭। মহোদয়, উত্তৰণ আঁচনি হ'ল আমাৰ চৰকাৰৰ গণতান্ত্রিক সক্ৰিয়তাৰ এক স্পষ্ট প্ৰতিফলক। এই আঁচনিয়ে ৰাজ্যজুৰি সন্মানীয় বিধায়কসকলক তেওঁলোকৰ নিজ নিজ সমষ্টিত ১০ কোটি টকা পৰ্যন্ত ব্যয় সাপেক্ষ 'বৈশিষ্ট্যপূৰ্ণ আঁচনি'ৰ পৰামৰ্শ আগ বঢ়োৱাত অনুপ্ৰাণিত কৰিছে।

২২৮। মাননীয় অধ্যক্ষ মহোদয়, আটাইকেইটা প্ৰস্তাৱিত প্ৰকল্পলৈ পুঁজি আবণ্টন কৰা হ'ব বুলি বিগত বৰ্ষত আমি প্ৰতিশ্ৰুতি দিছিলোঁ। মই আপোনাক জনাবলৈ পাই অত্যন্ত আনন্দিত যে ১১৮ টা প্ৰকল্পলৈ প্ৰশাসনিক অনুমোদন জনোৱা হৈছে। ইয়াৰে ৫২ টা প্ৰকল্প গড়কাপ্তানি (পথ) বিভাগে ৰূপায়ণ কৰি আছে। একেদৰে গড়কাপ্তানি (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগে ৬০ টা, পৰ্যটন বিভাগে দুটা তথা জলসম্পদ বিভাগে ৪ টা প্ৰকল্প ৰূপায়ণৰ কাম আগ বঢ়াই নিছে। ২০২০-২১ বিত্তীয় বৰ্ষৰ ভিতৰত এই ১১৮ টা প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিবলৈ আৰু বাকী থকা ৮ টা প্ৰকল্পৰ অনুমোদন আৰু কাম সম্পন্ন কৰাৰ বাবে আমি দায়বদ্ধ। অৱশ্যে পাৰিপাৰ্শ্বিক, ভূমি ব্যৱহাৰ আৰু আন কেতবোৰ সমস্যা জড়িত হৈ থকা প্ৰকল্পসমূহৰ ক্ষেত্ৰত এই সময়সীমা প্ৰযোজ্য কৰাটো সম্ভৱ নহ'ব।

২২৯। উত্তৰণ আঁচনি হ'ল বিধানসভা সমষ্টিসমূহত এক অত্যন্ত জনপ্ৰিয় আঁচনি। এই আঁচনিয়ে সন্মানীয় বিধায়কসকলক তেওঁলোকে সেৱা কৰিবলৈ সুযোগ পোৱা সমষ্টিসমূহৰ আৰু এইসমূহত বাস কৰা লোকসকলৰ উন্নয়ন আৰু বিকাশৰ নেতৃত্ব বহনকাৰী হিচাপে সবল কৰি তুলিছে।

২৩০। অধ্যক্ষ মহোদয়, এই বৈশিষ্ট্যপূৰ্ণ আঁচনিসমূহ ৰূপায়ণৰ বাবে ২০২০-২১ বৰ্ষৰ বাজেটত অতিৰিক্তভাৱে ৩০০ কোটি টকা ধাৰ্য কৰিলৈ মই প্ৰস্তাৱ আগ বঢ়াইছো।

## XXIII. নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি ঃ

২৩১। অধ্যক্ষ মহোদয়, আমাৰ নগৰ অঞ্চলৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ৰাজ্যজুৰি নগৰ আন্তঃগাঠনি উন্নয়ন পুঁজি ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰা হৈছে। ২০১৭-১৮ বিত্তীয় বৰ্ষত ৬খনকৈ নগৰত আৰম্ভ কৰা এই পুঁজি আঁচনি বৰ্তমান ১৮ খন নগৰলৈ সম্প্ৰসাৰণ কৰা হৈছে। ষষ্ঠ অনুসূচী অঞ্চলৰো ৩খন নগৰক এই পুঁজি আঁচনিৰ অন্তৰ্ভুক্ত কৰি ৰাজ্যখনৰ সৰ্বাঙ্গীণ উন্নয়ন সুনিশ্চিত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। এতিয়াও ৬৫০ কোটি টকাৰ ব্যয় সাপেক্ষে সৰ্বমুঠ ১৩০ টা প্ৰস্তাৱক বিবেচনাধীন পৰ্যায়ত ৰখা হৈছে। ইয়াৰে ৮৩ টা প্ৰকল্প প্ৰায় ৩৩০কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন পৰ্যায়ত বলবৎ হৈ আছে।

২৩২। ২০২০-২১ বিত্তীয় বৰ্ষত নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ২,৩০০ কোটি টকাৰ ব্যয় সাপেক্ষে ৰাজ্যখনৰ ১৮খন চহৰত ব্যাপক আন্তঃগাঁথনিৰ উন্নয়ন সাধন হ'ব। ইয়াৰ জৰিয়তে এই চহৰ কেইখন ৰাজ্যখনৰ শ্ৰীবৃদ্ধিৰ মূল চালিকা কেন্দ্ৰত পৰিণত হ'ব।

## XXIV. অসম আদৰ্শ গ্ৰাম যোজনা ঃ

২৩৩। অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ সৰ্বাঙ্গীণ উন্নয়ন সুনিশ্চিত কৰিবলৈ অসম আদৰ্শ গ্ৰাম যোজনা আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনি মৰ্মে ১২৬ টা সমষ্টিৰ প্ৰতিটো সমষ্টিৰ পৰা গাঁও নিৰ্বাচন কৰা হৈছে। অসম আদৰ্শ গ্ৰাম যোজনাৰ অধীনত নিৰ্বাচিত গাঁওসমূহে যাতে ঘোষিত আঁচনিসমূহৰ সঠিক ৰূপায়ণৰ দ্বাৰা আঁচনিৰ সুফল অৰ্জন কৰিব পাৰে তাৰ বাবে আন্তঃগাঁথনিৰ উন্নয়ন সুনিশ্চিত কৰি গাঁওবাসীৰ জীৱন ধাৰণৰ মান উন্নত হোৱাত নিস্পলক দৃষ্টি ৰাখে।

২৩৪। আঁচনিখনৰ নিৰ্দেশনাসমূহ ইতিমধ্যে চূড়ান্ত কৰা হৈছে। আঁচনিখনৰ প্ৰথম পৰ্যায়ত সামাজিকভাৱে গাঁও আৰু ব্যক্তিৰ আৰ্থ-সামাজিক অৱস্থাৰ জৰীপ, প্ৰতিখন গাঁৱৰ প্ৰয়োজনীয়তা, পাৰদৰ্শিতা আৰু অন্যান্য সাহায্যমূলক কাৰ্যাৱলীৰ পৰীক্ষা চলি আছে। অতি শীঘ্ৰে আঁচনিখনৰ ব্যাৱহাৰিক প্ৰয়োগৰ কামো আৰম্ভ কৰা হ'ব।

## XXV. চুবুৰী পকী পথ আঁচনি ঃ

২৩৫। অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাই ঢুকি নোপোৱা বহুতো গ্ৰাম্য পথৰ উন্নয়নৰ বাবে অদ্যাপি কোনো আঁচনি লোৱা হোৱা নাই। এই কেঁচা গ্ৰাম্য পথসমূহেৰে বহু লোকে দৈনিক যাতায়াত কৰে আৰু বাৰিষাকালত এই পথবোৰ বোকাৰ ফান্দলৈ ৰূপান্তৰিত হৈ যাতায়াতৰ বাবে সম্পূৰ্ণ অনুপযোগী হৈ পৰে। এই পথসমূহ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ। কিন্তু NREGS ৰ কঠোৰ নিৰ্দেশাৱলীৰ বাবে বিভাগীয় সম্পদৰ সীমাবদ্ধতাৰ ফলত এনে গ্ৰাম্য পথৰ উন্নয়ন সম্ভৱপৰ নহয়গৈ।

২৩৬। সেয়েহে মই এই পথসমূহ কংক্ৰিট পেভাৰ ব্লকযুক্ত কৰিবলৈ প্ৰস্তাৱ আগ বঢ়াইছোঁ। ব্লকযুক্ত পথবোৰ আলকতৰাৰে নিৰ্মিত পথতকৈ অধিক দীৰ্ঘস্থায়ী আৰু ই ১০-১৫ বছৰলৈকে অক্ষত অৱস্থাত থাকে। তদুপৰি সংশ্লিষ্ট সমাজৰ লোকে নিচেই অতি কম খৰচতে দুই-চাৰিটা ব্লক সলনি কৰি মেৰামতি কৰিব পাৰে।

২৩৭। আমাৰ চৰকাৰে সকলো বতৰৰ বাবে অনুকূল পথ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ব্যৱধান পুঁজিৰ প্ৰস্তাৱ আগ বঢ়াইছে। এই কাৰ্যাৱলী NREGS ৰ লগত সহযোগিতাৰে ৬০ : ৪০ অনুপাতত শ্ৰমিক আৰু সামগ্ৰী ব্যয় বহন কৰা হ'ব। ৰাজ্যিক বাজেটৰ পৰা আগ বঢ়োৱা ব্যৱধান পুঁজি কংক্ৰিট ব্লক আৰু অন্যান্য সামগ্ৰীৰ ক্ৰয়ত ব্যৱহৃত হ'ব। আমি ২০২০-২১ বৰ্ষৰ বাজেটত প্ৰতি কিলোমিটাৰত ২০ লাখ টকাৰ ব্যৱধান ব্যয়ৰ প্ৰস্তাৱ আগ বঢ়ালোঁ।

২৩৮। মই অগ্ৰাধিকাৰ ভিত্তিত ২০০ কিলোমিটাৰ পথ নিৰ্মাণৰ প্ৰস্তাৱ কৰিলোঁ আৰু ইয়াৰ বাবে ৪০ কোটি টকাৰ আৱণ্টন দিছোঁ।

## XXVI. শিলচৰত স্বাস্থ্য সেৱাৰ বাবে ৰাজহুৱা-ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্ব ঃ

২৩৯। অধ্যক্ষ মহোদয়, বৰাক উপত্যকাত শিলচৰ চিকিৎসা মহাবিদ্যালয়কে ধৰি চৰকাৰী খণ্ডৰ চিকিৎসানুষ্ঠানত বিশিষ্ট চিকিৎসা সেৱাৰ সুবিধা আৰু প্ৰয়োজনীয় বিচনা সেৱাৰ সুবিধা তেনেই সীমিত। বৰাক উপত্যকাৰ তিনিখন জিলা কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ জনসাধাৰণৰ চিকিৎসা সেৱাৰ প্ৰতি লক্ষ্য ৰাখি ব্যক্তিগত খণ্ডৰ মানবিশিষ্ট চিকিৎসানুষ্ঠানক ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্বৰে এই আঁচনিৰ অন্তৰ্ভুক্ত কৰিবলৈ পৰিকল্পনা কৰা হৈছে। হৃদৰোগ, স্নায়ুৰোগ আদি শাখা সন্নিৱিষ্ট ব্যক্তিগত চিকিৎসালয়সমূহক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব।

২৪০। ২০২০-২১ বৰ্ষৰ বাজেটত মই তাৰ বাবে ১০ কোটি টকাৰ আৱন্টনৰ ঘোষণা কৰিছোঁ।

## XXVII. শ্ৰম গৌৰৱ আঁচনি ঃ

২৪১। মাননীয় অধ্যক্ষ মহোদয়, শ্ৰমিকসকলে কামসমূহ সময়মতে সম্পাদন কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কিন্তু তেওঁলোকে 'অসম গৃহ আৰু নিৰ্মাণ শ্ৰমিক কল্যাণ ব'ৰ্ড'ৰ অধীনত কোনো বিশেষ সা-সুবিধা নাপায়।

২৪২। আজিৰ তাৰিখত মাথোঁ ২.৫ লাখ শ্ৰমিকহে উক্ত ব'ৰ্ডৰ অধীনত পঞ্জীভুক্ত। গতিকে কায়িক শ্ৰমিকসকলৰ স্বাস্থ্য তথা জীৱনৰ মান উন্নয়নৰ বাবে আমি এখন নতুন আঁচনি আৰম্ভ কৰিবলৈ বিচাৰিছোঁ। 'শ্ৰম গৌৰৱ আঁচনি' নামৰ এই নতুন আঁচনিখনৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল এনেধৰণৰ —

(ক) শ্ৰমিকসকলৰ পঞ্জীয়নৰ বাবে তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ আৰু গণ পঞ্জীয়ন অভিযান।

(খ) শ্ৰমিকসকলৰ বাবে পঞ্জীয়ন মাচুল বিলোপ।

(গ) প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত বীমা আচ্ছাদন।

(ঘ) বাৰ্ষিক স্বাস্থ্য পৰীক্ষাৰ বাবে DBT Mode ৰ অধীনত ৪০ বছৰতকৈ কম বয়সৰ প্ৰতিজন পঞ্জীভুক্ত শ্ৰমিকলৈ ৩০০০ টকাকৈ আৰু ৪০ বছৰতকৈ অধিক বয়সৰ প্ৰতিজন শ্ৰমিকলৈ ৫০০০ টকাকৈ ধনৰাশি প্ৰদানৰ ব্যৱস্থা।

(ঙ) আহিলাপাতি ক্ৰয়ৰ বাবে DBT Modeৰ অধীনত প্ৰতিজন পঞ্জীয়নভুক্ত শ্ৰমিকলৈ ৫০০০ টকাকৈ এককালীন অনুদান প্ৰদানৰ ব্যৱস্থা।

## XXVIII. গ্ৰাম্য বেংকৰ বাবে উদগনি ঃ

২৪৩। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা বিষয়টো হ'ল বিত্তীয় অন্তৰ্ভুক্তি। য'ত আমা চৰকাৰে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আহিছে। বিত্তীয় অন্তৰ্ভুক্তিয়ে কঢ়িয়াই আনে স্বচ্ছ অৰ্থনীতি, সৃষ্টি কৰে আত্মবিশ্বাসী আৰু সুৰক্ষিত নাগৰিক আৰু নিশ্চিত কৰে ন্যায়সঙ্গত বৃদ্ধি।

২৪৪। জনসাধাৰণৰ ঘৰে ঘৰে বেংক সেৱাৰ উপলব্ধতা নিশ্চিত কৰিবলৈ আমি দায়বদ্ধ। এই লক্ষ্যক সাৱোগত কৰি বেংকসমূহে প্ৰত্যন্ত অঞ্চল সামৰি লোৱাৰ বাবে আমি আৰম্ভ কৰিছো এক বিশেষ আঁচনি। গ্ৰাম্য ‘বেংক সেৱালৈ উদগনিমূলক পদক্ষেপ’, নামৰ এই আঁচনিখনৰ জৰিয়তে বেংকসমূহলৈ অনুদান আগবঢ়োৱা হ’ব। বেংকৰ শাখাসমূহে যাতে বেংক ব্যৱস্থা নথকা অঞ্চলত বেংকৰ শাখা আৰু এ টি এম খুলিব পাৰে তাকেই এই আঁচনিত লক্ষ্য কৰি লোৱা হ’ব।

২৪৫। এই উদগনিৰ বাবে মই ২০২০-২১ বাজেটত ৫০ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## XXIX. চাহ মিছন ঃ

২৪৬। অধ্যক্ষ মহোদয়, চাহে অসমক বিশ্বৰ দৰবাৰত এক স্বকীয় আসন প্ৰদান কৰি আহিছে। চাহ উদ্যোগৰ ক্ষেত্ৰত অসম ৰাজ্যই অকলে ভাৰতবৰ্ষৰ মুঠ চাহ উৎপাদনৰ ৫১ শতাংশ আৰু বিশ্বৰ মুঠ চাহ উৎপাদনৰ ১১.৭ শতাংশ উৎপাদন কৰে। লগতে সংগঠিত ক্ষেত্ৰত ই দেশখনৰ ভিতৰতে সৰ্বাধিক পৰিমাণৰ মহিলা নিয়োগকাৰী সংস্থা স্বৰূপে পৰিগণিত হৈছে।

২৪৭। বিগত কিছু দশক ধৰি অসমৰ চাহ উদ্যোগে নানান সমস্যাৰ মুখামুখী হ’বলগীয়া হৈ আহিছে। বেতন বৃদ্ধি, সংশ্লিষ্ট সামগ্ৰীৰ মূল্যবৃদ্ধি আদিৰ বাবে চাহৰ উৎপাদন ব্যয় যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। আনহাতে, প্ৰয়োজনাধিক উৎপাদন, চাহিদা আৰু যোগানৰ মাজৰ ভাৰসাম্যহীনতা আদিৰ ফলত চাহৰ দাম সুস্থিৰ পৰ্যায়তে আছে। ইয়াৰ ফলত বহুতো চাহ বাগিচা আৰু চাহ প্ৰস্তুত গোট দুৰ্বল হৈ পৰিছে আৰু চাহ উদ্যোগৰ কাণ্ডাৰীসকলে চাহ শ্ৰমিক আৰু কৰ্মচাৰীৰ লগতে বিত্তীয় প্ৰতিষ্ঠানবোৰক দেনা পৰিশোধ কৰাৰ ক্ষেত্ৰত কঠিন সমস্যাৰ সন্মুখীন হৈছে।

২৪৮। আমাৰ চৰকাৰে চাহ উদ্যোগৰ প্ৰতিনিধিসকলৰ লগত সততে যোগাযোগ অব্যাহত ৰাখিছে যাতে এই সমস্যাসমূহৰ সমাধানৰ পথ বিচাৰি উলিয়াব পৰা যায়। ইয়াৰ দ্বাৰা আমাৰ বোধগম্য হৈছে যে চিটিচিৰ বাবে ৯০:১০ অনুপাতত চাহ মিশ্ৰণেই দীৰ্ঘম্যাদী সমাধানৰ পথ। অৰ্থডক্স চাহৰ অধিক উৎপাদনৰ ফলত চিটিচিৰ প্ৰয়োজনাধিক যোগান হ্ৰাস পাব আৰু ফলত ইয়াৰ মূল্য বৃদ্ধি পাব। লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰত অধিক চাহিদাযুক্ত অৰ্থ’ডক্স চাহৰ উৎপাদন আৰু ৰপ্তানি বৃদ্ধি পাব।

২৪৯। এই উদ্দেশ্যে আমি প্ৰতি কেজি অৰ্থ’ডক্স চাহ উৎপাদনৰ বিপৰীতে সাত টকাকৈ ৰাজ সাহায্য দিয়াৰ পোষকতা কৰিছোঁ। ই আন্তঃৰাষ্ট্ৰীয় বজাৰৰ লগত থকা মূল্য ব্যৱধানৰ ৫০ শতাংশ হ্ৰাস কৰিব। তদুপৰি, অৰ্থ’ডক্স চাহ উৎপাদনৰ বাবে আৱশ্যকীয় যন্ত্ৰ-পাতি ক্ৰয়ৰ ক্ষেত্ৰতো ৰাজ সাহায্য প্ৰদান কৰিম আৰু এয়া ২০২০ বৰ্ষৰ এপ্ৰিলৰ পৰা আৰম্ভ কৰা হ’ব। ইয়াৰ দ্বাৰা চি টি চি চাহ উৎপাদনৰ ক্ষেত্ৰত ভাৰসাম্যৰ সৃষ্টি হ’ব আৰু অৰ্থ’ডক্স চাহৰ উৎপাদন কাৰ্যই অনুপ্ৰেৰণা লাভ কৰিব। অতিৰিক্তভাৱে সকলো প্ৰকাৰৰ স্থায়ী মূলধনী আৰু কাৰ্যকৰী মূলধনী ঋণৰ ক্ষেত্ৰত আমাৰ চৰকাৰে ৩ শতাংশ ৰেহাই উপলব্ধ কৰায়। এই ক্ষেত্ৰত অতি শীঘ্ৰে কাৰ্য প্ৰণালী নিৰূপণ কৰা হ’ব।

২৫০। লগতে গোলকীয় চাহ উদ্যোগত অসমৰ প্ৰাধান্য বৰ্তাই ৰাখিবলৈ আৰু অসমৰ চাহ উদ্যোগত দীৰ্ঘম্যাদী সমৰ্থন মূল্য সুনিশ্চিত কৰিবলৈ আমি 'চাহ মিছন' নামেৰে এক অভিযানমূলক কাৰ্য ব্যৱস্থা হাতত লম। এই মিছনে অৰ্থ'ডক্স চাহ উৎপাদনত অনুপ্ৰেৰণা যোগাব আৰু সমগ্ৰ চাহ উদ্যোগটোক সকাহ দিব।

## XXX. সকলো বিভাগৰ সকলো অনুমোদিত পদ সক্ৰিয়তাৰে পূৰণ ঃ

২৫১। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ যুৱ প্ৰজন্মৰ উন্নয়নৰ বাবে আমাৰ চৰকাৰ দায়বদ্ধ। দেশৰ পাঁচখন শীৰ্ষস্থানীয় ৰাজ্যৰ ভিতৰত অসমক এখন হিচাপে উন্নীত কৰোৱাৰ ক্ষেত্ৰত চৰকাৰৰ সৈতে সহযোগিতা কৰিবলৈ যুৱ শ্ৰেণীক মই আহ্বান জনাইছোঁ।

২৫২। এই দৰ্শনৰ পৰিপ্ৰেক্ষিতত সন্মানীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱালে ঘোষণা কৰিছে যে আমাৰ চৰকাৰে ৰাজ্যৰ বিভিন্ন বিভাগত খালী হৈ থকা সকলো পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব।

২৫৩। আজি মই অসমৰ যুৱ প্ৰজন্মক জনাবলৈ বিচাৰিছোঁ যে বিত্ত বিভাগে এই লক্ষ্যত উপনীত হ'বৰ বাবে আগ বাঢ়ি আহিছে। যিকোনো বিভাগৰ পৰা অহা খালী পদ পূৰণৰ সকলো প্ৰস্তাৱলৈ বিত্ত বিভাগে তাৎক্ষণিকভাৱে অনুমোদন জনাব। প্ৰস্তাৱ লাভৰ ৭ কৰ্ম দিনৰ ভিতৰত ইয়াক অনুমোদন জনোৱা হ'ব।

২৫৪। মই নিশ্চিত যে ৰাজ্যৰ বিভাগসমূহে অনুমোদিত খালী পদসমূহ পূৰণৰ বাবে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব।

## XXXI. কৰ্মচাৰীৰ কল্যাণমূলক কাৰ্যাৱলী ঃ

২৫৫। অধ্যক্ষ মহোদয়, মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে কৰ্মচাৰীসকল আমাৰ প্ৰকৃত সম্পদ আৰু তেখেতসকলে আমাৰ দৃষ্টি আৰু সপোন পূৰ কৰাত এক মুখ্য ভূমিকা পালন কৰে। তেখেতসকলৰ প্ৰতি আগবঢ়োৱা প্ৰতিশ্ৰুতিকল্পে বিগত চাৰিটা বছৰত আমি কৰ্মচাৰীৰ কল্যাণৰ হকে ভালেমান কাৰ্যাৱলী সম্পন্ন কৰিছোঁ। তাৰ এক চমু আলোচনা আগ বঢ়ালোঁ।

(ক) ৰাজ্যৰ ৰাজকোষৰ ওপৰত পৰা বিত্তীয় বোজাৰ প্ৰতি পিঠি দি ৰাখি চৰকাৰী কৰ্মচাৰীসকলক সপ্তম দৰমহা আয়োগৰ সুবিধাসমূহ প্ৰদান কৰিছোঁ।

(খ) ২০১৬-১৭ বৰ্ষৰ বাজেটত শুভাৰম্ভ কৰা মাত্ৰ ৩.৫ শতাংশ সুদৰ আপোন ঘৰ আঁচনিৰ দ্বাৰা প্ৰায় ২৫,৯৮৬ গৰাকী কৰ্মচাৰীক গৃহঋণ প্ৰদান কৰা হৈছে।

(গ) কৰ্মচাৰীসকলে তেওঁলোকৰ সন্তানৰ সপোন পূৰণ কৰিবলৈ চৰকাৰে আৰম্ভ কৰা **বিদ্যালক্ষ্মী আঁচনি**ৰ দ্বাৰা বৰ্তমানলৈ ৫৪৩ গৰাকী কৰ্মচাৰীক তেওঁলোকৰ সন্তানৰ ভৱিষ্যৎ সুন্দৰ কৰিবলৈ শিক্ষাঋণ প্ৰদান কৰা হৈছে।

(ঘ) মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছোঁ যে ২০১৭-১৮ বৰ্ষৰ বাজেটত কৰা অনুকম্পামূলক পাৰিবাৰিক পেঞ্চন আঁচনিৰ ঘোষণা অনুসৰি আমি বৰ্তমানলৈ ১০০০ গৰাকীতকৈয়ো অধিক পৰলোকগত কৰ্মচাৰীৰ পৰিয়াললৈ পেঞ্চন আগ বঢ়াইছোঁ।

(ঙ) মহোদয়, ২০১৮-১৯ বৰ্ষৰ বাজেটত মই ঘোষণা কৰিছিলোঁ যে বিভিন্ন সংস্থান, নিধি আদিত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ অকাল মৃত্যুত তেখেতসকলৰ পৰিয়াললৈ পাঁচ লাখ (৫ লাখ) টকাৰ বীমা ধন আগ বঢ়োৱা হ'ব। এই আঁচনিৰ দ্বাৰা শ শ দুৰ্ভগীয়া পৰিয়ালে কিছু সকাহ লাভ কৰিছে।

২৫৬। অধ্যক্ষ মহোদয়, আমাৰ প্ৰশাসন ব্যৱস্থাৰ অপৰিহাৰ্য অংগ কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে আমি এই চলিত বজেটত কিছু নতুন আঁচনি ঘোষণা কৰিবলৈ বিচাৰিছোঁ।

(ক) গৃহৰক্ষী বাহিনী হৈছে আইন-শৃংখলা ৰক্ষা, নিৰ্বাচন আৰু সভা-সমিতিৰ শৃংখলা ৰক্ষাৰ বাবে জৰুৰী এটা স্থানীয় গৃহ-ব্যৱস্থাৰ স্বেচ্ছাসেৱী সংগঠন যিয়ে আৰক্ষী বিভাগৰ সহায়ক সংস্থা হিচাপে কাম কৰি আহিছে। গৃহৰক্ষী জোৱানসকলে ৰাজ্যৰ শান্তি-শৃংখলা অটুট ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁলোক ৰাজ্য চৰকাৰৰ ধন্যবাদৰ পাত্ৰ। বৰ্তমানে হোম গাৰ্ডৰ সেৱাত থকা কালত অনাকাংক্ষিত মৃত্যু হ'লে ৫০,০০০ টকাৰ এক্স-গ্ৰেচিয়া দিয়া হয়। মহোদয়, মই সেৱাত থকা সময়ত কোনো হোমগাৰ্ডৰ মৃত্যু হ'লে প্ৰদান কৰা এক্স-গেচিয়াত পুনৰ ২ লাখকৈ টকা সংযোজিত কৰিবলৈ বিচাৰিছোঁ যাতে তেওঁৰ দুৰ্ভগীয়া পৰিয়ালটোৱে আৰ্থিক সকাহ লাভ কৰে।

(খ) আমাৰ চৰকাৰখন মাষ্টাৰৰোলত কৰ্মৰত লোকসকলৰ বিষয়ে সদা সচেতন আৰু তেওঁলোকক ন্যূনতম দৰমহা গাঁথনিৰে সামৰি লোৱা হৈছে। লগতে তেওঁলোকৰ প্ৰতি **অটল অমৃত অভিযান**ৰ দৰে চৰকাৰৰ নিয়মিত কৰ্মচাৰীয়ে লাভ কৰা আঁচনিসমূহৰো সা-সুবিধা আগ বঢ়োৱা হৈছে। মাষ্টাৰ ৰোল কৰ্মীৰ কোনো নিকটতম আত্মীয়লৈ ২.৫ লাখ টকাৰ অনুকম্পামূলক অৰ্থ সাহায্য প্ৰদান কৰিবলৈ মই প্ৰস্তাৱ আগ বঢ়ালোঁ। এই ২.৫ লাখ টকাৰ অৰ্থ সাহায্য স্থিৰ বেতনভোগী কৰ্মচাৰীৰ লগতে আশা, অংগনৱাড়ী আৰু মধ্যাহ্ন ভোজন কৰ্মচাৰীৰ নিকটাত্মীয়ো লাভ কৰিব।

(গ) 'আপোন ঘৰ' হ'ল চৰকাৰী কৰ্মচাৰীসকলৰ গৃহঋণৰ সুদৰ হাৰৰ এটা অংশ চৰকাৰে পৰিশোধ কৰাৰ এক উদ্ভাৱনীমূলক আঁচনি। এই ক্ষেত্ৰত লক্ষ্য কৰা হৈছে যে ভূমিৰ ঊৰ্ধ্বমুখী দামৰ বাবে বহু কৰ্মচাৰীৰ ঘৰ সজাৰ সপোন আধৰুৱা হৈ ৰয়। আপেক্ষিকভাৱে এই দাম গুৱাহাটীত ২৫ শতাংশ অধিক। চৰকাৰে প্ৰতিযোগিতামূলক নিবিদাৰে ডেভল'পাৰসকলক চৰকাৰী মাটিত কৰ্মচাৰীৰ বাবে বহনক্ষম মূল্যযুক্ত এপাৰ্টমেণ্ট নিৰ্মাণৰ বাবে আহ্বান জনাইছে। চৰকাৰে নিৰ্মাণ কাৰ্যৰ পৰ্যবেক্ষণ কৰিব যাতে এপাৰ্টমেণ্টৰ গুণমান সুনিশ্চিত হয়।

(ঘ) আমি সচিবালয় প্ৰশিক্ষণ বিদ্যালয়ক দেশৰ ভিতৰত শ্ৰেষ্ঠ ৰূপ প্ৰদান কৰিবলৈ ইয়াৰ পুনৰ্গঠন কৰিবলৈ আগ্ৰহী। লগতে সকলো বৰ্গৰ কাৰ্যালয় সহায়ক পদৰ পদোন্নতিৰ বাবে হোৱা পৰীক্ষা অনলাইন পদ্ধতিত সম্পাদিত হ'ব।

(ঙ) বজালী মহকুমাক অচিৰেই সম্পূৰ্ণ প্ৰশাসনীয় জিলালৈ উন্নীত কৰা হ'ব।

## XXXII. মধ্যাহ্ন ভোজন কৰ্মীসকললৈ অতিৰিক্ত পাৰিশ্ৰমিক ঃ

২৫৭। মাননীয় অধ্যক্ষ মহোদয়, মধ্যাহ্ন ভোজন কৰ্মীসকলৰ প্ৰয়াস তথা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আমাৰ চৰকাৰ অৱগত। এই কৰ্মীসকলে তেওঁলোকৰ অবিৰত সেৱাৰ জৰিয়তে বুনিয়াদী শিক্ষা ব্যৱস্থাত অসমৰ শিশুহঁতৰ ১০০ শতাংশ অংশগ্ৰহণ সুনিশ্চিত কৰাত এক গুৰুত্বপূৰ্ণ অনুঘটক হিচাপে কাম কৰি আহিছে। তেওঁলোকৰ এই ভূমিকা নিশ্চয়েই শলাগিবলগীয়া।

২৫৮। মহোদয়, আমাৰ শিশুসকলেই হ'ল আমাৰ ভৱিষ্যৎ। সেয়ে ৰাজ্যত মধ্যাহ্ন ভোজন সেৱা সৰ্বোৎকৃষ্ট হোৱাটো নিশ্চিত কৰিবলৈ চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে। ইয়াৰ বাবে আমাৰ ৰাজ্যৰ কঠোৰ পৰিশ্ৰমী মধ্যাহ্ন ভোজন কৰ্মীসকলৰ ফলপ্ৰসূ সেৱা অব্যাহত ৰখাৰ লগতে তেওঁলোকক এই সেৱা আগ বঢ়াই যোৱাত অনুপ্ৰাণিত কৰিবলৈ আমি ব্যৱস্থা ল'ব খুজিছোঁ। এই উদ্দেশ্যে ২০২০-২১ বিত্তীয় বৰ্ষৰ ৰাজ্যিক বাজেটত প্ৰতিজন মধ্যাহ্ন ভোজন কৰ্মীলৈ মাহে ৫০০ টকাকৈ অতিৰিক্ত পাৰিশ্ৰমিক ধাৰ্য কৰিবলৈ মই প্ৰস্তাৱ আগ বঢ়াইছোঁ। এই ব্যৱস্থাৰ ফলত ৰাজ্যিক ৰাজকোষৰ ব্যয় হ'ব ৩৬ কোটি টকা। এইখিনিতে উল্লেখযোগ্য যে অংগনৱাড়ী আৰু আশাকৰ্মীসকললৈ আমি ইতিমধ্যে এনে সহযোগ আগ বঢ়াইছোঁ।

## XXXIII. আৰক্ষী বাহিনীৰ জোৱানলৈ ৰেচনৰ পৰিমাণ বৃদ্ধি ঃ

২৫৯। অধ্যক্ষ মহোদয়, দেশ গঠনত আৰক্ষী বাহিনীৰ বৰঙণি সদা প্ৰশংসনীয় আৰু অনস্বীকাৰ্য। সমস্যা সমাধানত আৰু কৰ্তব্য পালনত আৰক্ষীৰ কৰ্তব্যনিষ্ঠা আৰু পাৰদৰ্শিতাত আমাৰ চৰকাৰৰ অত্যন্ত গৌৰৱান্বিত। সম্প্ৰতি আৰক্ষীৰ পৰিদৰ্শকৰ অধঃস্তন পৰ্যায়ৰ আৰক্ষী বিষয়া কৰ্মচাৰীৰ মাহিলী ৰেচনৰ বাবদ ১,২০০ টকাৰ বানচ দিয়া হয়। এই ৰাশি এতিয়াৰে পৰা ২,০০০ টকালৈ বৃদ্ধি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। ইয়াৰ ফলত ৰাজ্যখনৰ ৫০ হাজাৰ আৰক্ষী বিষয়া-কৰ্মচাৰী তৎকালে উপকৃত হ'ব।

## XXXIV. কাজিৰঙা, মানস আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানত কৰ্মৰত আগশাৰীৰ কৰ্মচাৰীলৈ উদ্‌গনিমূলক আঁচনি ঃ

২৬০। অধ্যক্ষ মহোদয়, সাম্প্ৰতিক সময়ছোৱাত কাজিৰঙা, মানস আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানত কৰ্মৰত আগশাৰীৰ বনকৰ্মীৰ দক্ষতাৰ বাবে চোৰাং চিকাৰীৰ কুটাঘাত চমকপ্ৰদভাবে হ্ৰাস পাইছে। বিশ্বৰ পৰ্যটন মানচিত্ৰত অসম পুনৰ উজলি উঠিছে। ৰাজ্যখনত বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰি বিশেষকৈ কাজিৰঙাত চমকপ্ৰদ সুৰক্ষা ব্যৱস্থাৰে বনৰক্ষীসকলে দৃঢ়তা আৰু পাৰদৰ্শিতা প্ৰমাণ কৰিছে। গুৰুতৰভাৱে আঘাটপ্ৰাপ্ত হৈ আনকি নিজৰ জীৱন দান দিও সংৰক্ষিত অঞ্চলত কৰ্তব্যৰত বনৰক্ষীয়ে অসমৰ বনজ সম্পদ আৰু বন্যপ্ৰাণীৰ জীৱন ৰক্ষা কৰি আহিছে। এনে সংকটপূৰ্ণ পৰিস্থিতিত কৰ্তব্য পালন কৰা অৱস্থাত বিগত পাঁচ বছৰত ২৫ জন বনৰক্ষীৰ মৃত্যু হৈছে, ৬৫ জন গুৰুতৰভাৱে আঘাটপ্ৰাপ্ত হৈছে।

২৬১। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই বন বিভাগৰ এই অগ্ৰিম শাৰীত থাকি কৰ্তব্য সম্পাদন কৰা বনৰক্ষী, বন বিষয়া, নাৱৰীয়া, চালক আৰু সংৰক্ষিত অঞ্চলত কৰ্তব্যৰত

বনকৰ্মীক প্ৰোৎসাহন ৰাখিলে উৎসাহিত কৰিবলৈ সদা-আগ্ৰহী। সংৰক্ষিত অঞ্চলত কৰ্তব্যৰত এই বনৰক্ষীসকলৰ সংকট বহুমাত্ৰিক। ২৪ ঘণ্টাই কৰ্তব্যৰত হৈ থকা এই বনৰক্ষীসকলে পদব্ৰজে ঘূৰি ফুৰে। বন্য জীৱ-জন্তুৰ আক্ৰমণৰ সন্মুখীন হয়। চোৰাং চিকাৰী আৰু কূটাঘাতকাৰীৰ আক্ৰমণৰ লক্ষ্য হয়।

২৬২। অধ্যক্ষ মহোদয়, অগ্ৰণী এই বনকৰ্মীৰ উদ্যম, সাহস, কষ্ট আৰু ত্যাগক প্ৰশংসা আৰু উৎসাহ যোগাবলৈ ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধীকৰণৰ সমহাৰত বানচ প্ৰদান কৰিবলৈ আমি সিদ্ধান্ত লৈছো।

## XXXV. শিক্ষকৰ বদলি সম্পৰ্কীয় ঘোষণা ঃ

২৬৩। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষকসকলক সৌহাৰ্দ্যপূৰ্ণভাৱে বদলি তথা নিযুক্ত কৰাটো এক বৃহৎ প্ৰত্যাহ্বান। সেয়ে প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহত শিক্ষকৰ আৱশ্যকীয়তাৰ ভিত্তিত নিযুক্তি ব্যৱস্থাপনা আৰু শিক্ষকৰ বদলি নিশ্চিত কৰিবৰ বাবে আমাৰ চৰকাৰে এটা নীতি নিৰ্ধাৰণ কৰিব। এই নীতি ৰূপায়ণৰ উদ্দেশ্য হ'ল বিদ্যালয়সমূহত ছাত্ৰ-শিক্ষকৰ অনুপাত উন্নত কৰি ইয়াক বৰ্তাই ৰখা তথা ৰাজ্যত শিক্ষাৰ মান উন্নত কৰি তোলা। তদুপৰি ছাত্ৰ-ছাত্ৰীয়ে যাতে ফলপ্ৰসূ শৈক্ষিক পৃষ্ঠপোষকতা লাভ কৰিব পাৰে, তাৰ বাবে উপলব্ধ জনবলৰ সৰ্বাধিক ব্যৱহাৰ নিশ্চিত কৰাটোও এই নীতিৰ এটা প্ৰধান উদ্দেশ্য।

২৬৪। শিক্ষকৰ বদলিৰ ফলত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক পৃষ্ঠপোষণত ক্ষতিকৰ প্ৰভাৱ পৰে। এনে অৱস্থাই শিক্ষাৰ অধিকাৰ আইন, ২০০৯ আৰু আন প্ৰাসংগিক বিধিৰ দ্বাৰা নিৰ্ধাৰিত PTR ৰীতি উলংঘা কৰে। উক্ত নীতিয়ে এনে ক্ষতিকৰ প্ৰভাৱৰ কুফল প্ৰশমনৰ বাবে ৰাজ্য চৰকাৰক দায়িত্ব অৰ্পণ কৰিব।

২৬৫। শিক্ষকসকলৰ বদলিকৰণ প্ৰক্ৰিয়া যুক্তিসংগত কৰি তোলাৰ উদ্দেশ্যে বিধানসভাত এখন বিধেয়ক উত্থাপন কৰা হ'ব।

## XXXVI. গাঁওবুঢ়াসকলৰ বাবে প্ৰতিষ্ঠান অনুদান ঃ

২৬৬। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যজুৰি গাঁওবুঢ়াসকলৰ সংখ্যা ৫,০০০ তকৈ অধিক। এই গাঁওবুঢ়াসকল হ'ল প্ৰশাসনৰ এক অপৰিহাৰ্য অংগ আৰু তেওঁলোকে অসমৰ গ্ৰামীণ এলেকাসমূহত শান্তি তথা ভাতৃত্ববোধ বৰ্তাই ৰখাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই প্ৰবীণ ব্যক্তিসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ স্বীকৃতি স্বৰূপে আৰু তেওঁলোকক সক্ষম কৰি তোলাৰ উদ্দেশ্যে আমাৰ চৰকাৰে বিগত বৰ্ষৰ বাজেটত ৪ কোটি টকা আবণ্টনেৰে সকলো গাঁওবুঢ়ালৈ স্মাৰ্টফোন যোগানৰ ব্যৱস্থা কৰিছিল।

২৬৭। মহোদয়, বহুকাল পুৰণি এই গাঁওবুঢ়া ব্যৱস্থাটোক আধুনিক যুগৰ সৈতে খাপ খুৱাই চলিব পৰাকৈ ইয়াক পুনৰ সঞ্জীৱিত কৰি তুলিবলৈ আমি প্ৰচেষ্টা চলাই আহিছোঁ। আমাৰ এই প্ৰচেষ্টা অব্যাহত ৰখাৰ উদ্দেশ্যে আমি প্ৰতিজন গাঁওবুঢ়ালৈ ১০,০০০ টকাকৈ এককালীন প্ৰাতিষ্ঠানিক অনুদান প্ৰদান কৰিবলৈ প্ৰস্তাৱ লৈছোঁ। এই অনুদানে গাঁওবুঢ়াসকলক তেওঁলোকৰ কাৰ্যালয় গৃহ উন্নীতকৰণ তথা আধুনিকীকৰণত সহায় কৰিব। ইয়াৰ উপৰি এই ধনৰাশিয়ে তেওঁলোকৰ সম্ভাৱনীয়তা আৰু সক্ষমতাৰ পূৰ্ণ সদ্ব্যৱহাৰৰ জৰিয়তে তেওঁলোকক কৰ্তব্য সম্পাদনৰ বাবে সক্ষম কৰি তুলিব।

*মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ২০২০-২১ বিত্তীয় বৰ্ষত বিভিন্ন বিভাগে ৰূপায়ণ কৰিবলগীয়া আঁচনি আৰু কাৰ্যসূচীসমূহৰ বিষয়ে আলোকপাত কৰিবলৈ আগবাঢ়িছোঁ। অৱশ্যে এই আঁচনিসমূহ হ'ব মই ইতিমধ্যে ঘোষণা কৰা আঁচনিসমূহৰ উপৰি গ্ৰহণ কৰা অতিৰিক্ত আঁচনিৰ আভাস।*

## I. গৃহ আৰু ৰাজনৈতিক বিভাগ

২৬৮. ৰাজ্যখনত আইন-শৃংখলা অটুট ৰখাৰ ক্ষেত্ৰত গৃহ আৰু ৰাজনৈতিক বিভাগে সদায়েই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

২৬৯. নাগৰিকত্ব (সংশোধনী) আইন বিৰোধী আন্দোলনৰ গইনা লৈ কিছুমান নিৰ্দিষ্ট সমাজবিৰোধীয়ে সৃষ্টি কৰা হিংসা আৰু সম্পত্তি ধ্বংসৰ ঘটনাৱলী নিয়ন্ত্ৰণ কৰাত আমাৰ আৰক্ষী বাহিনীয়ে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকা আমি প্ৰত্যক্ষ কৰিছো। আমাৰ ৰাজ্যখনলৈ তাৎক্ষণিকভাৱে ঘূৰি অহা আইন-শৃংখলাই সমগ্ৰ দেশৰে প্ৰশংসা আদায় কৰিছিল। শান্তি আৰু সমৃদ্ধিৰ বাবে থকা অসমৰ জনসাধাৰণৰ দায়বদ্ধতায়ো স্বাভাৱিক অৱস্থা ঘূৰাই অনাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ইয়াৰ বাবে মই অসমৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে আমাৰ আৰক্ষী আৰু অৰ্দ্ধ-সামৰিক বাহিনীৰ শলাগ লৈছোঁ।

২৭০. ৰাজ্যখনত অপৰাধ প্ৰতিৰোধ আৰু আইন-শৃংখলা অটুট ৰখাৰ ক্ষেত্ৰত আমাৰ সাহসী আৰক্ষীৰ লোকসকলে বিশেষ সেৱা আগবঢ়াই আহিছে। তেওঁলোকে নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা দি অহাৰ লগতে সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগিতাৰে অপৰাধ চিনাক্তকৰণত উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। চলিত বৰ্ষত অসম আৰক্ষীয়ে দক্ষতাৰে আৰু মানৱীয়তাৰে আন্দোলন নিয়ন্ত্ৰণ কৰি সমগ্ৰ দেশৰে প্ৰশংসা বুটলিবলৈ সক্ষম হোৱাৰ লগতে খেলো ইণ্ডিয়া, ফিল্মফেয়াৰ এৱাৰ্ডচ, কোকৰাঝাৰত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ ঐতিহাসিক সমাবেশৰ লেখীয়া বৃহৎ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান আয়োজন কৰাৰ ক্ষেত্ৰটো যথেষ্ট পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। অসম আৰক্ষীক ৰাইজৰ প্ৰতি সেৱা প্ৰদানত গুৰুত্ব প্ৰদানেৰে প্ৰকৃততে এটা দক্ষ আৰু পাৰদৰ্শী বাহিনী হিচাপে গঢ়ি তুলিবলৈ অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

২৭১. মোৰ প্ৰথম বাজেটত মৈত্ৰী কাৰ্যসূচীৰ ঘোষণা কৰা হৈছিল আৰু মই ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছোঁ যে, এতিয়ালৈকে ৰাজ্যৰ বিত্ত বিভাগে মৈত্ৰী অভিযানৰ বিপৰীতে ২৪৫ কোটি টকা মুকলি কৰি দিছে। প্ৰথম পৰ্যায়ত ৭৩ খন আৰক্ষী চকীৰ ভিতৰত ৩২

খন আৰক্ষী চকীৰ কাম আমি সম্পূৰ্ণ কৰিছো। ২০২০ বৰ্ষৰ মাৰ্চৰ ভিতৰত আন ১০ খন আৰক্ষী চকীৰ কাম সম্পূৰ্ণ কৰা হ'ব। আমি এই কাৰ্যসূচীৰ অধীনত সহায় আগবঢ়াই থাকিম আৰু এতিয়াৰ পৰা আৰক্ষী ছাউনী (বেৰেক) নিৰ্মাণ আৰু আৰক্ষীৰ লোকসকলৰ সম্পৰ্কিত যোগাযোগ-যাতায়াতকে ধৰি অন্যান্য আন্তঃগাঁথনি আদিৰ নিৰ্মাণো এই কাৰ্যসূচীয়ে সামৰি ল'ব। পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাবে মৈত্ৰীৰ বাবে আবণ্টনৰ পৰিমাণ হ'ব ১৯৬.৬৯ কোটি টকা।

২৭২. দেৰগাঁৱত থকা অসম আৰক্ষী প্ৰশিক্ষণ একাডেমীখনক বিশ্বমানৰ আৰক্ষী একাডেমীৰূপে উন্নীত কৰিবলৈ অগ্ৰাধিকাৰ ভিত্তিক কাম হাতত লোৱা হ'ব। গাঁওৰক্ষী বাহিনীৰ সদস্যসকললৈ চাইকেল যোগানৰ আঁচনিখনৰ কামো আমি অব্যাহত ৰাখিম। এই সদনৰ সদস্যসকলৰ জ্ঞাতাৰ্থে মই আনন্দৰে জনাওঁ যে বিদেশী ন্যায়াধীকৰণ (Foreigners Tribunal)সমূহৰ স্বয়ংক্ৰিয়কৰণ (Automation) এই বিভাগৰ অন্যতম এটা মূল প্ৰয়াস। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত ই হৈ পৰিব এটা অনলাইন আৰু ৰিয়েল টাইম ছীষ্টেম, য'ত বিদেশী নাগৰিকৰ গ্ৰেপ্তাৰৰ পৰা বিতাড়নলৈকে সকলো তথ্য-পাতি মজুত থাকিব আৰু বিভিন্ন বিভাগ তথা অংশীদাৰীৰ মাজত এই তথ্যৰ আদান-প্ৰদান আৰু কাৰ্যকৰণ সহজ হৈ পৰিব।

২৭৩. তদুপৰি, গৃহ মন্ত্ৰালয়ৰ অভিলাষী আপাতকালীন সঁহাৰি সমৰ্থন পদ্ধতি (ERSS) প্ৰকল্পৰ অংশ হিচাপে "ডায়েল 112" নামৰ এক ৰাজ্যিক আপাতকালীন সঁহাৰি কেন্দ্ৰ গুৱাহাটীত ২০২০ৰ মাৰ্চৰ ভিতৰত কাৰ্যক্ষম হৈ উঠিব।

২৭৪. মই এই বিভাগৰ বাবে ২০২০-২১ বৰ্ষৰ বাবে ৫২৩৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## II. এক্ট ইষ্ট প'লিচী পৰিক্ৰমা (এ ই পি এ) বিভাগ

২৭৫. মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শ্ৰদ্ধাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত হাতত লোৱা এক্ট ইষ্ট প'লিচীৰ সপোন বাস্তৱায়িত কৰিবলৈ দক্ষিণ-পূব এছিয়াৰ আমাৰ চুবুৰীয়া দেশসমূহৰ সৈতে থকা আন্তঃৰাষ্ট্ৰীয় সীমান্ত তথা সেইসমূহৰ সৈতে থকা আমাৰ ঐতিহাসিক, সাংস্কৃতিক সম্পৰ্কৰ সুবিধা গ্ৰহণ কৰিবলৈ আমাৰ চৰকাৰে ২০১৭ চনত এক্ট ইষ্ট প'লিচী পৰিক্ৰমা বিভাগ গঠন কৰিছিল।

২৭৬. তেতিয়াৰে পৰা এই এক্ট ইষ্ট প'লিচী পৰিক্ৰমা বিভাগে বৈপ্লৱিক উড়ান (UDAN) (আন্তঃৰাষ্ট্ৰীয়) আঁচনিকে ধৰি বিভিন্ন পদক্ষেপ হাতত লৈছে, যিয়ে বিমান সংযোগ ব্যৱস্থাটো ব্যয়সাধ্য কৰি তুলিছে। গুৱাহাটীত দ্বিতীয় আছিয়ান-ভাৰত যুৱ শীৰ্ষ সন্মিলনো (2nd ASEAN India Youth Summit) অনুষ্ঠিত কৰা হৈছিল। ভৱিষ্যতে বিভাগটোৱে বহুতো সৌহাৰ্দ্যপূৰ্ণ কাৰ্যসূচী হাতত ল'ব আৰু ২০২০-২১ বিত্তীয় বৰ্ষত ভূটান আৰু ম্যানমাৰৰ সংশ্লিষ্ট পক্ষসমূহৰ সৈতে অংশীদাৰী বৈঠক অনুষ্ঠিত কৰিব।

## III. প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগ

২৭৭. ৰাজ্যখনৰ অসামৰিক সেৱাৰ বিষয়াসকলৰ বাবে এখন বিশ্বমানৰ প্ৰশিক্ষণ একাডেমী প্ৰতিষ্ঠা কৰিবলৈ থকা আমাৰ প্ৰতিশ্ৰুতি বাস্তৱায়িত কৰি মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত ডিমা হাছাও জিলাৰ উমৰাংচুত আনন্দৰাম বৰুৱা প্ৰশাসনীয় একাডেমীৰ আধাৰশিলা স্থাপন কৰে আৰু গড়কাপ্টানী বিভাগে ইতিমধ্যে এই একাডেমীৰ নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইতিমধ্যে এই বিভাগে ২০১৯ বৰ্ষৰ পৰা ২০২৩ বৰ্ষলৈ ৫ বছৰৰ বাবে অসম অসামৰিক সেৱাৰ বিষয়াসকললৈ প্ৰশিক্ষণ প্ৰদানৰ অৰ্থে ছিংগাপুৰৰ লী কুৱান ইউ স্কুল অৱ পাব্লিক প'লিচী (Lee Kuan Yew School of Public Policy) ৰ সৈতে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে আৰু মোৰ বিশ্বাস যে এই অংশীদাৰিত্বৰ জৰিয়তে ২১ শতিকাৰ বিশ্বই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰাৰ ক্ষেত্ৰত আমাৰ অসামৰিক সেৱাৰ বিষয়াসকলক সুদক্ষ কৰি তুলিবলৈ আমি সমৰ্থ হ'ম।

২৭৮. শেহতীয়াভাৱে অসম জনসেৱাৰ অধিকাৰ আইন, ২০১২ক সংশোধন কৰি অসম জনসেৱা (সংশোধন) আইন, ২০১৯ গৃহীত কৰা হৈছে আৰু অধিসূচিত সেৱাসমূহৰ ৰাজহুৱা সেৱা প্ৰদান ব্যৱস্থাটো অধিক শক্তিশালী কৰি তুলিবলৈ অসম তথ্য আয়োগৰ আৰ্হিত এখন ৰাজ্যিক জনসেৱা আয়োগ গঠন কৰাৰ ব্যৱস্থা কৰা হৈছে।

২৭৯. এই বিভাগৰ বাবে মই ২০২০-২১ বৰ্ষৰ বাজেটত ৭৩ কোটি টকা ধাৰ্য কৰিছো।

## IV. কৃষি বিভাগ

২৮০. মহোদয়, কৃষি কাৰ্যত বৈজ্ঞানিক পদ্ধতিৰ সফল ব্যৱহাৰৰ দ্বাৰা অসম চৰকাৰে ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰয়াস চলাইছে। এইক্ষেত্ৰত নতুনত্বৰ সঞ্চাৰ কৰিবলৈ 'ভূমি স্বাস্থ্য পৰ্ণিকা'(Soil Health Card)ৰ প্ৰৱৰ্তন কৰা হৈছে। ২০১৯-

২০ বিত্তীয় বৰ্ষত সৰ্বমুঠ ২৫,২৭,৮৩০ খন এনে পৰ্ণিকা কৃষকৰ মাজত বিতৰণ কৰা হৈছে আৰু আন ৩.৫ লাখখন পৰ্ণিকা ২০২০-২১ বৰ্ষত প্ৰদানৰ দিহা কৰা হৈছে।

২৮১. তদুপৰি, ২০১৯ চনৰ খাৰিফ বতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (PMFBY)ৰ অধীনত ১,৯০,৯০৫ গৰাকী কৃষক আৰু ১,১৮,৫৩৬.৮ হেক্টৰ ভূমি সামৰি লোৱা হৈছে। আনহাতে ২০১৯-২০ৰ ৰবি বতৰত ১১,৪৫০ গৰাকী কৃষক আৰু ৯,৪৫১.৮৪ হেক্টৰ ভূমি এই যোজনাত সামৰি লোৱা হৈছে। পৰৱৰ্তী বিত্তীয় বৰ্ষত অতিৰিক্ত ৫লাখগৰাকী কৃষকক আঁচনিখনেৰে সামৰি লোৱাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

২৮২. মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (CMSGUY)ৰ অধীনত এতিয়ালৈকে ৭০১ কোটি টকা মূলধনী ৰাজসাহায্যসহ ১১,৪৬২ খন ট্ৰেক্টৰ বিতৰণ কৰা হৈছে আৰু ইয়াৰ জৰিয়তে ২,২৪,৪৭০ গৰাকী কৃষক উপকৃত হৈছে। অহা বিত্তীয় বৰ্ষত ৮৫৫০ খন অতিৰিক্ত ট্ৰেক্টৰ এই আঁচনিৰ অধীনত সমগ্ৰ ৰাজ্যখনৰ ২৩,০০০ খন ৰাজহ গাঁও সামৰি বিতৰণ কৰা হ'ব।

২৮৩. কৃষিৰ যান্ত্ৰিকীকৰণৰ উপৰি এই বিভাগে সৌৰশক্তি আৰু ডিজেল উভয়ৰে দ্বাৰা চালিত মুঠ ৬৯,৪৫০ টা অগভীৰ নলীনাদ বিতৰণ কৰিব, যাতে আমাৰ কৃষকে পথাৰত গোটেই বছৰ জুৰি জলসিঞ্চনৰ সুবিধা লাভ কৰিব পাৰে।

২৮৪. কৃষকসকলক উপকৃত কৰাৰ উদ্দেশ্যে বিশ্ববেংকৰ পুঁজিৰে পৰিচালিত 'অসম কৃষি-ব্যৱসায় আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প' (APART)ৰ অধীনত আলু ৰোপণ আৰু আলু চপোৱা যন্ত্ৰ ব্যৱহাৰ কৰি 'নচহোৱা মাটিত আলু খেতি' (Zero Tillage Potato Farming)ৰ নমুনা প্ৰদৰ্শন কৰা হ'ব।

২৮৫. মই ২০২০-২১ বৰ্ষৰ বাবে বিভাগটোলৈ মুঠ ১৫১ কোটি টকা বাজেট আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## V. পশুপালন আৰু পশু চিকিৎসা বিভাগ

২৮৬. পশুপালন আৰু পশু চিকিৎসা বিভাগে পশুধনৰ উৎপাদন, সংৰক্ষণ, ৰোগৰ পৰা সুৰক্ষা প্ৰদান আৰু মজুত তথা পশুধনৰ উন্নয়ন আৰু দুগ্ধ উন্নয়নকে ধৰি ইয়াৰ লগত জড়িত সকলোধৰণৰ বিষয় তত্ত্বাৱধান কৰে।

২৮৭. ২০২০ চনৰ এপ্ৰিল মাহৰ ভিতৰত খানাপাৰাস্থিত 'নগৰ গাখীৰ যোগান আঁচনি' কাৰ্যক্ষম কৰি তোলা হ'ব আৰু পৰৱৰ্তী পৰ্যায়ত তেজপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু শিলচৰত নগৰ গাখীৰ যোগান আঁচনিকেইখন চলিত বিত্তীয় বৰ্ষৰ ভিতৰত কাৰ্যক্ষম কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

২৮৮. এই বিভাগে প্ৰদৰ্শনমূলক কামৰ বাবে অতি গুৰুত্বপূৰ্ণ বিভাগীয় ফাৰ্মসমূহক প্ৰাতিষ্ঠানিক ৰূপ দিছে। তদুপৰি আমাৰ ৰাজ্যখনত পশুধন খণ্ডত বিনিয়োগক উৎসাহিত কৰিবলৈ বিভাগে 'প্ৰগতিশীল ব্যক্তিগত খণ্ডৰ বিনিয়োগ উত্তৰণ নীতি' (Progressive Private Sector Investment Promotion Policy) আৰম্ভ কৰিছে। এই নীতি ৰূপায়ণ কৰিবলৈ মই বাজেটত পৰ্যাপ্ত পুঁজি আবণ্টন দিছো। পশুপালন আৰু পশু চিকিৎসা খণ্ডত সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যৱহাৰ সন্নিৱিষ্ট কৰাৰ উদ্দেশ্যে বিভাগে কাৰ্যব্যৱস্থা আৰু নিৰীক্ষণৰ সমগ্ৰ প্ৰক্ৰিয়াটো 'অসম ধেনু' আঁচনিৰ জৰিয়তে সম্পন্ন কৰিবলৈ এক সম্পূৰ্ণ কম্পিউটাৰাইজ্‌দ বহুমুখী এপ্লিকেশ্যন সাজু কৰিছে।

২৮৯. মই এই বিভাগৰ বাবে ২০২০-২১ বৰ্ষৰ বাজেটত ৪০৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## VI. সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ

২৯০. আমাৰ সীমান্ত অঞ্চলত বসবাস কৰা লোকসকল যাতে উন্নয়নৰ সুফলৰ পৰা বঞ্চিত হ'ব লগা নহয়, সেইটো সুনিশ্চিত কৰাৰ বাবে সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগে গুৰুত্ব প্ৰদান কৰি আহিছে। তদুপৰি, আমাৰ প্ৰতিৱেশীসকলৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক সুনিশ্চিত কৰিবলৈ বিভাগে সম্পন্ন কৰা কাৰ্যসমূহো উলাই কৰিব নোৱাৰি।

২৯১. এই লক্ষ্য ফলপ্ৰসূ কৰিবলৈ বিভাগটোৱে ২০২০-২১ বিত্তীয় বৰ্ষত গুৱাহাটী, তেজপুৰ, যোৰহাট, হাইলাকান্দি আৰু ধুবুৰীত 'সীমান্ত উৎসৱ' (Border Festivals)ৰ আয়োজন কৰিব।

২৯২. মই ২০২০-২১ বৰ্ষৰ বাজেটত এই বিভাগটোৰ বাবে ৭১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## VII. সমবায় বিভাগ

২৯৩. এই পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক মই জনাবলৈ পাই সুখী হৈছোঁ যে বিভিন্ন বহুমুখী মহিলা সমবায় সমিতি, আত্ম-সহায়ক গোট আৰু মহিলাৰ আৰ্থ-সামাজিক সবলীকৰণত সহায় কৰি অহা স্বেচ্ছাসেৱী সংস্থালৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ অৰ্থে আমি 'সমন্বিত মহিলা সবলীকৰণ যোজনা' নামৰ এখন আঁচনি ৰূপায়ণ কৰি আছোঁ।

২৯৪. গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ অৰ্থে আৰু মজুতকৰণৰ পৰ্যাপ্ত সামৰ্থ্য সৃষ্টি কৰিবলৈ নাবাৰ্ডৰ পৃষ্ঠপোষকতাত ৰূপায়িত RIDF আঁচনিৰ অধীনত গ্ৰাম্য ভঁড়াল নিৰ্মাণ কৰি থকা হৈছে।

২৯৫. শিলঘাট মৰাপাট কলৰ অধীনত এটা পৃথক মৰাপাট কলৰ গোটত মঞ্জুৰি দিয়া হৈছে আৰু বিলডুবিত এই নতুন গোটটো অহা বিত্তীয় বৰ্ষত স্থাপন কৰা হ'ব।

২৯৬. সেই অনুসৰি, ২০২০-২১ বৰ্ষৰ বাজেটত সমবায় বিভাগৰ বাবে ১৩০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## VIII. সাংস্কৃতিক পৰিক্ৰমা বিভাগ

২৯৭. মই মোৰ ভাষণৰ পাতনিতে কলা, প্ৰত্নতত্ত্ব আৰু সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে এই বিভাগে লোৱা কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপৰ কথা উল্লেখ কৰিছোঁ।

২৯৮. ইয়াৰ উপৰি আমাৰ চৰকাৰে শিলচৰ, পথৰুঘাট আৰু মাজুলীৰ দক্ষিণপাট সত্ৰত নতুন সংগ্ৰহালয় নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন দিছে। যোৰহাট, তেজপুৰ, মঙলদৈ আৰু ধুবুৰীৰ গৌৰীপুৰত থকা জিলা সংগ্ৰহালয়সমূহৰ উন্নীতকৰণৰ কামো হাতত লোৱা হৈছে।

২৯৯. ২০১৯-২০ বৰ্ষৰ বাজেটত আমি ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰৰ ১,০০০গৰাকী আদৰ্শ ব্যক্তিলৈ ৫০,০০০ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰিছিলোঁ। একেদৰে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰত ৫ বছৰ বা ততোধিক সময়ৰ বাবে কৰ্মৰত শিল্পী আৰু কাৰিকৰী কৰ্মীসকলকো ৫০,০০০ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰা হৈছিল। এই দুয়োটা কাৰ্যসূচীৰ বাবে আৱেদন প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে আৰু যথোচিত পৰীক্ষণৰ অন্তত বিভাগে তালিকাভুক্ত শিল্পীসকলৰ মাজত অনুদান বিতৰণ কৰিব।

৩০০. অন্যান্য নিয়মিত আঁচনিসমূহ ৰূপায়ণ কৰি থকাৰ লগতে সাংস্কৃতিক পৰিক্ৰমা বিভাগে প্ৰথিতযশা 'ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়' (NSD)ৰ আৰ্হিত এখন 'ৰাজ্যিক নাট্য বিদ্যালয়' স্থাপন আৰু সম্বলপুৰত থকা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ বাসভৱনৰ উন্নয়নৰ কাম আৰম্ভ কৰিব।

৩০১. চৰাইদেউ মৈদাম প্ৰাংগণক বিশ্ব ঐতিহ্যৰ স্থান হিচাপে স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে আমাৰ প্ৰচেষ্টা অব্যাহত আছে আৰু ইয়াৰ প্ৰাৰম্ভিক কাম-কাজৰ বাবে ২৮ কোটি টকাৰ মঞ্জুৰি দিয়া হৈছে।

৩০২. ইয়াকে ধৰি ২০২০-২১ বিত্তীয় বৰ্ষত সাংস্কৃতিক বিভাগৰ বাবে বাজেটত মুঠ ১৫৭ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

## IX. প্ৰাথমিক শিক্ষা বিভাগ

৩০৩. মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে ২০২০-২১ বৰ্ষত আমাৰ চৰকাৰে লোৱা ধ্বজাবাহী আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰিছোঁ। সেই আঁচনিসমূহ হ'ল— নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত অতিৰিক্ত শ্ৰেণীকোঠা, শৌচাগাৰ নিৰ্মাণ, গুণোৎসৱ, প্ৰত্যাহ্বান আৰু শিক্ষকসকলৰ প্ৰাদেশিকীকৰণ আদি।

৩০৪. মই জনাবলৈ পাই সুখী হৈছোঁ যে প্ৰাথমিক শিক্ষা বিভাগে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ বাবে দীক্ষা (DIKSHA) নামৰ এটা প'ৰ্টেল সৃষ্টি কৰিছে। বিভাগে এই প'ৰ্টেলটোত ই-কন্‌টেণ্ট আৰু ডিজিটেল কন্‌টেণ্ট আপলোড কৰিছে। ইয়াক পাঠ্যপুথিত উল্লেখ থকা QR কোডৰ সৈতে সংযুক্ত কৰা হৈছে। ৰাষ্ট্ৰজোৰা এই প্ৰয়াসে শিক্ষণৰ গণতান্ত্ৰিকীকৰণ কৰিছে আৰু প্ৰতিটো শিশুকে সমান সুযোগ-সুবিধাৰে সু-শিক্ষা লাভৰ সুযোগ দিছে।

৩০৫. মহোদয়, ৪ খন নতুন ডায়েট (Diet)ৰ বাবে ১৯২ টা পদ (ৰাজপত্ৰিত আৰু অ-ৰাজপত্ৰিত পদ) সৃষ্টিৰ লগতে মাজুলীৰ CTEৰ বাবে পদ সৃষ্টি কৰিবলৈ লোৱা হৈছে। ইয়াৰ উপৰি ডায়েট নথকা জিলাসমূহ যেনে— হোজাই, শোণিতপুৰ, শিৱসাগৰ, পশ্চিম কাৰ্বি আংলং, দক্ষিণ শালমাৰা আৰু মানকাচৰতো ২০২০-২১ চনতেই নতুন ডায়েট স্থাপনৰ কাম আৰম্ভ কৰা হ'ব।

৩০৬. মহোদয়, ২০১৭-১৮ বৰ্ষৰ বাজেটত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ২০খন বি-এড মহাবিদ্যালয়ৰ ভিতৰত ১০খনৰ নিৰ্মাণৰ কাম কাৰ্বি আংলং, বঙাইগাঁও, বাক্সা, নলবাৰী, কামৰূপ (গ্ৰাম্য), মৰিগাঁও, ডিমা হাছাও, শিৱসাগৰ, বিশ্বনাথ আৰু লখিমপুৰ জিলাত চলি আছে। ২০২০-২১ বৰ্ষত আমি এই ১০খন বি-এড মহাবিদ্যালয়ৰ বাবে ৩৯০টা পদ পূৰণ কৰাৰ লগতে এই মহাবিদ্যালয়কেইখন কাৰ্যক্ষম কৰি তোলা হ'ব।

৩০৭. ২০২০-২১ বৰ্ষত এই বিভাগৰ বাবে মই মুঠ ৮৭৯৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## X. মীন বিভাগ

৩০৮. মহোদয়, গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF)ৰ অধীনত ১০০ কোটি টকা বিত্তীয় আবণ্টনেৰে 'মৎস্য জাগৰণ ঃ ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ' হৈছে মীন বিভাগৰ এখন বৃহৎ উন্নয়নমূলক আঁচনি আৰু এই আঁচনিখন ২০২০-২১ বৰ্ষত সম্পূৰ্ণ হৈ উঠিব। এই আঁচনিখন সম্পূৰ্ণ হৈ উঠিলে ইয়াৰ জৰিয়তে ৫৪০০ মেট্ৰিক টনলৈকে অতিৰিক্ত মাছ উৎপাদন সম্ভৱ হৈ উঠিব বুলি আশা কৰা হৈছে।

৩০৯. বিভাগে অসমৰ থলুৱা মাছসমূহৰ প্ৰজাতিৰ সবিশেষ সন্নিৱিষ্ট এখন পুস্তিকা প্ৰস্তুত কৰি তুলিছে আৰু ইয়াক ২০২০-২১ বিত্তীয় বৰ্ষত প্ৰকাশ কৰা হ'ব। 'Assam Agribussiness and Rural Transformation Project' (APART) ৰ অধীনত মীন বিভাগে মালয়েছিয়াৰ World Fish Centre (WFC)ৰ সৈতে এক আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ অংশীদাৰ হৈছে। এই সহযোগিতাৰ পৰিসৰে Polyculture, Paddy-Cum-Pisciculture আৰু Beel Fisheries Developmentৰ কাৰ্য-প্ৰদৰ্শনক সামৰি লৈছে।

৩১০. এই বিভাগৰ আঁচনিসমূহ ৰূপায়ণৰ বাবে ২০২০-২১ বৰ্ষৰ বাজেটত মই ৯৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## XI. খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

৩১১. মাননীয় অধ্যক্ষ মহোদয়, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগটোৱে মূল্যস্তৰৰ সামগ্ৰিক সুস্থিৰতা বজাই ৰখাৰ আৰু জনসাধাৰণলৈ যোগান ধৰা সামগ্ৰীসমূহৰ পৰ্যাপ্ততা আৰু গুণগত মান নিশ্চিত কৰাৰ দায়িত্ব পালন কৰে।

৩১২. ধ্বজাবাহী আঁচনিসমূহৰ অংশ হিচাপে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA)ৰ হিতাধিকাৰীসকলক বিনামূলীয়া চাউল যোগান ধৰাৰ নতুন ব্যৱস্থাৱলীৰ লগতে এই বিভাগৰ অধীনত ৰূপায়িত হৈ থকা 'অন্ন' (ANNA) যোজনাখনৰ বিষয়ে মই মোৰ ভাষণত ইতিমধ্যে উল্লেখ কৰিছোঁ।

৩১৩. অধ্যক্ষ মহোদয়, স্বাধীন অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অসম চৰকাৰে ন্যূনতম সমৰ্থিত মূল্য (Minimum Support Price) কাৰ্যসূচীৰ অধীনত ধান ক্ৰয় কৰা আৰম্ভ কৰিছে। এতিয়ালৈকে বিভাগে ২ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰিছে। অহা বিত্তীয় বৰ্ষত বিভাগে ৩ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰিব। এই ক্ৰয় প্ৰক্ৰিয়াত সহায় কৰাৰ বাবে বিত্ত বিভাগে অসম খাদ্য আৰু অসামৰিক যোগান নিগমক ৫০ কোটি টকা স্থায়ী নিশ্চিতি (standing guarantee) হিচাপে প্ৰদান কৰিছে। তদুপৰি, 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' (CMSGUY)ৰ অধীনত ধান বানিবৰ বাবে কুইণ্টলে প্ৰতি ২৫ টকাকৈ (উখুৱা চাউলৰ ক্ষেত্ৰত প্ৰতি কুইণ্টলত ১৫ টকাকৈ) ব'নাচ হিচাপে আগবঢ়োৱা হৈছে যাতে ক্ৰয় কৰিবলগীয়া চাউলৰ গুণগত মান সুনিশ্চিত হয়।

৩১৪. ২০১৭-১৮ বৰ্ষৰ বাজেটত ঘোষণা কৰা অনুসৰি মূল্য সুস্থিৰকৰণ পুঁজি (Price Stabilization Fund)ৰ কাম-কাজ ইতিমধ্যে আৰম্ভ হৈছে আৰু ই ৰাজ্যখনত অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্যস্তৰৰ সুস্থিৰতা বজাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

৩১৫. ২০২০-২১ বৰ্ষৰ বাবে এই বিভাগটোলৈ ১২২৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ মই আগবঢ়ালোঁ।

## XII. সাধাৰণ প্ৰশাসন বিভাগ

৩১৬. মহোদয়, সাধাৰণ প্ৰশাসন বিভাগে আমাৰ বিভিন্ন সংমণ্ডল, জিলা আৰু মহকুমা পৰ্যায়ৰ কাৰ্যালয়সমূহ সুচাৰুৰূপে পৰিচালনাৰ বাবে সাংগঠনিক পুনৰ্গঠন আৰু মানৱ সম্পদ পৰিকল্পনাৰ কাঠামো নিৰ্মাণৰ লগতে এই ব্যৱস্থাৰ উন্নয়নৰ হকে নিৰলসভাৱে কাম কৰি আহিছে।

৩১৭. মই এই পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছোঁ যে আমাৰ চৰকাৰে বৰাক উপত্যকাৰ বাবে শিলচৰত 'ক্ষুদ্ৰ সচিবালয়' স্থাপনৰ কাম-কাজ আৰম্ভ কৰিছে।

৩১৮. মহোদয়, এইখিনিতে মই উনুকিয়াব বিচাৰোঁ যে ভাৰতবৰ্ষৰ টায়াৰ-১ শ্ৰেণীৰ যিসমূহ মহানগৰত অসমীয়া লোকৰ সংখ্যা অধিক, সেই মহানগৰসমূহত তথ্য আৰু সহায়তা কেন্দ্ৰ স্থাপন কৰিবলৈ আমাৰ চৰকাৰে হাতত লোৱা 'Aami Asomiya Initiative' নামৰ আঁচনিখন ৰূপায়ণৰ প্ৰথম পৰ্যায়ত আছে আৰু ইয়াক অচিৰেই কাৰ্যকৰী কৰা হ'ব।

৩১৯. সাধাৰণ প্ৰশাসন বিভাগে গড়কাপ্তানি বিভাগৰ সক্ৰিয় সহযোগিতাত চেন্নাই আৰু কলকাতাত দুটা নতুন 'অসম ভৱন' নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছে আৰু এই ভৱন দুটা বৰ্তমান মুকলি কৰিব পৰা হৈছে। অহা তিনি মাহৰ ভিতৰত ভেলোৰত নিৰ্মাণৰত 'অসম ভৱন'ৰ কাম সম্পূৰ্ণ হ'ব। নতুন দিল্লীত তৃতীয়টো 'অসম ভৱন' নিৰ্মাণৰ বাবেও বিভাগৰ পৰা অনুমোদন দিয়া হৈছে। একেদৰে আগন্তুক বিত্তীয় বৰ্ষত নতুন দিল্লীৰ চৰ্দাৰ পেটেল মাৰ্গ আৰু কলকাতাৰ ৰাছেল ষ্ট্ৰীটত থকা পুৰণি 'অসম ভৱন' দুটা ভাঙি নতুনকৈ নিৰ্মাণ কৰা হ'ব। এই দুটা অত্যাধুনিক 'অসম ভৱন'ৰ লগতে সাধাৰণ প্ৰশাসন বিভাগে বাংগালুৰুতো এটা 'অসম ভৱন' নিৰ্মাণ কৰিব।

৩২০. বৰ্তমান আমিনগাঁৱত নিৰ্মাণ কৰি থকা ৰাজ্যখনৰ প্ৰথমটো 'সংহত উপায়ুক্ত কাৰ্যালয় প্ৰকল্প'ৰ কাম ২০২০-২১ বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হ'ব। জিলাসমূহ ভ্ৰমণ কৰা বিশিষ্ট ব্যক্তিসকললৈ থকা-মেলাৰ উন্নত সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে বিভাগে ৰাজ্যখনৰ আৱৰ্ত ভৱনসমূহৰ সংস্কাৰ আৰু উন্নয়ন সাধনৰ বাবেও এখন অভিলাষী আঁচনি গ্ৰহণ কৰিব।

৩২১. এই বিভাগৰ পদক্ষেপসমূহক আগুৱাই নিবৰ বাবে মই ২০২০-২১ বৰ্ষৰ বাজেটত ৭১৯ কোটি টকা আবণ্টন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## XIII. গুৱাহাটী উন্নয়ন বিভাগ

৩২২. মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ আৰু গুৱাহাটী উন্নয়ন বিভাগে নাগৰিকসকলৰ বাবে প্ৰাথমিক সা-সুবিধাৰ উন্নীতকৰণ আৰু আন্তঃগাঁথনিৰ বিকাশৰ জৰিয়তে মহানগৰীখনৰ শ্ৰীবৃদ্ধিৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। এইক্ষেত্ৰত লাভ কৰা কেতবোৰ গুৰুত্বপূৰ্ণ সফলতা তলত উল্লেখ কৰা হ'ল—

(ক) ৫৬ কোটি টকা ব্যয়সাপেক্ষে দক্ষিণ আৰু উত্তৰ গুৱাহাটী সংযোগী ৰজ্জুপথ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈছে আৰু এই ৰজ্জুপথ ব্যৱহাৰৰ বাবে সাজু হৈ উঠিছে।

(খ) অলপতে বামুণীমৈদামত নুনমাটি পাম্প হাউছৰ কাম সম্পূৰ্ণ হৈছে আৰু এই পাম্প হাউছটোৱে আৰ জি বৰুৱা পথ আৰু ইয়াৰ সংযোগী অঞ্চলসমূহত বানপানী সমস্যাৰ উপশম ঘটাব।

৩২৩. মহোদয়, গুৱাহাটী মহানগৰীত নগৰাঞ্চল বানপানী (Urban Flooding) প্ৰশমিত কৰাৰ অন্য এক পদক্ষেপ হিচাপে GMDAয়ে পামহি নৈ, শিলসাঁকো, বৰচলা, বোন্দাজান আৰু সৰুচলা বিল আৰু নুনমাটিত গেদ আঁতৰোৱা আৰু পৰিষ্কৰণৰ কাম হাতত লৈছে।

৩২৪. মহোদয়, যোৱা এবছৰত এই বিভাগে নেহৰু পাৰ্ক, শ্ৰদ্ধাঞ্জলী কানন, শংকৰদেৱ উদ্যান, তৰুণৰাম ফুকন উদ্যান, জয়ন্ত হাজৰিকা স্মাৰক উদ্যান আদিৰ উন্নীতকৰণৰ লগতে আদাবাৰী আৰু হেঙেৰাবাৰীত নতুন উদ্যান নিৰ্মাণৰ পৰিকল্পনা আদি বিভিন্ন পদক্ষেপ লৈছে।

৩২৫. যান-জঁটৰ সমস্যাৰ উপশম ঘটাবলৈ GMDAয়ে মহানগৰীখনত কাৰ্ পাৰ্কিঙৰ সুবিধাৰ উন্নয়ন আৰু নিৰ্মাণৰ বাবে কেবাটাও পদক্ষেপ লৈছে। গণেশগুৰি আৰু পাণবজাৰৰ বহুখলপীয়া কাৰ্ পাৰ্কিঙৰ সা-সুবিধাৰ বাবে কাম অব্যাহত আছে। ইয়াৰ উপৰি মহানগৰীখনৰ যান-জঁট হোৱা অঞ্চলবোৰত, বিশেষকৈ ফাঁচীবজাৰ, পাণবজাৰ আৰু জি এছ ৰোড আদিত ক্ষুদ্ৰাকৃতিৰ স্বয়ংক্ৰিয় পাৰ্কিং নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

৩২৬. মই জনাবলৈ পাই সুখী হৈছো যে গুৱাহাটী মেট্ৰ'প'লিটান খোৱাপানী আৰু পয়ঃপ্ৰণালী পৰিষদে (GMDW&SB) দক্ষিণ, কেন্দ্ৰীয় আৰু উত্তৰ গুৱাহাটীক সামৰি JICAৰ সাহায্যত 'গুৱাহাটী পানী যোগান প্ৰকল্প' হাতত লৈছে। এই প্ৰকল্পটো ২০২২ বৰ্ষৰ জুলাই মাহত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। অৱশ্যে প্ৰকল্পটো আংশিকভাৱে আৰম্ভ কৰা হৈছে আৰু

এই বৰ্ষতে ২৫,০০০ পৰিয়ালক সাঙুৰি লোৱাৰ লক্ষ্যৰে বৰ্তমান ১,২০০ পৰিয়ালক ঘৰুৱা সেৱা সংযোগ (House Service Connection)ৰ আওতালৈ অনা হৈছে।

৩২৭. ২০২০-২১ বৰ্ষৰ বাবে মই বিভাগটোলৈ ৭৮৩ কোটি টকাৰ বাজেট আবণ্টনৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## XIV. হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগ

৩২৮. বিশ্ব বেংকৰ অৰ্থসাহায্যপ্ৰাপ্ত অসম কৃষি আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প (APART)ৰ অধীনত অসমৰ ৭খন জিলাৰ ১৯টা উন্নয়ন খণ্ডত আমি বিভিন্ন কাৰ্যব্যৱস্থা ৰূপায়ণ কৰিছোঁ। ৰেচম পালকসকলক (Seri Farmers) অনুপ্ৰাণিত কৰিবলৈ বিভাগে ৰাজ্যত 'ৰেচম কৃষক/শিপিনী সমাৰোহ' নামৰ এলানি মত বিনিময় মঞ্চৰ প্ৰস্তাৱ কৰিছে। দীৰ্ঘস্থায়ী নিয়োগ সৃষ্টি তথা উন্নত মানৰ জীৱিকাৰ বাবে দক্ষতা আৰু বজাৰমুখী উৎপাদনৰ জৰিয়তে মহিলাসকলক সবলীকৰণ কৰি 'আদৰ্শ হস্ততাঁত গাঁও' গঢ়ি তুলিবলৈ আমি পদক্ষেপ হাতত ল'ম। ইয়াৰ বাবে বাজেটত আমি প্ৰয়োজনীয় ধন আবণ্টন দিম।

৩২৯. অধ্যক্ষ মহোদয়, ২০২০-২১ বৰ্ষৰ বাজেটত মই হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ বাবে মুঠ ২৮৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## XV. স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

৩৩০. অধ্যক্ষ মহোদয়, মই ভাষণৰ আৰম্ভণিতে ইতিমধ্যে অসম কৰ্কট চিকিৎসা ফাউণ্ডেছনৰ ধ্বজাবাহী আঁচনিখনৰ বিষয়ে উল্লেখ কৰিছিলোঁ। মই এতিয়া স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অন্যান্য উল্লেখনীয় পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰিবলৈ ওলাইছোঁ।

৩৩১. মই ঘোষণা কৰিবলৈ পাই অত্যন্ত সুখী হৈছোঁ যে ডিফু চিকিৎসা মহাবিদ্যালয়ত ৰোগী চিকিৎসা সেৱা আৰম্ভ কৰা হৈছে। ২০২০ শৈক্ষিক বৰ্ষৰ পৰা এম বি বি এছ শ্ৰেণীসমূহ আৰম্ভ কৰাৰ বাবে আমি পৰিকল্পনা কৰিছোঁ। আগন্তুক বিত্তীয় বৰ্ষত উত্তৰ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়খন কাৰ্যক্ষম কৰি তোলা হ'ব। ২০২১-২২ বিত্তীয় বৰ্ষত ধুবুৰী আৰু নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিব। একেদৰে ২০২১-২২ বিত্তীয় বৰ্ষত নলবাৰী, তিনিচুকীয়া আৰু কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্যও সম্পূৰ্ণ হৈ উঠিব। অসমত চিকিৎসা শিক্ষাৰ আসনৰ সংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত আমি গ্ৰহণ কৰা অভিলাষী কাৰ্যসূচী অব্যাহত ৰাখি মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে চৰাইদেউ, গোৱালপাৰা আৰু বিশ্বনাথত তিনিখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা

লোৱা হৈছে। কৰিমগঞ্জ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে উপযুক্ত স্থান বাছনিৰ প্ৰক্ৰিয়াও চলাই থকা হৈছে।

৩৩২. মহোদয়, মই আন এক আশাব্যঞ্জক কথা জনাবলৈ পাই সুখী হৈছোঁ যে প্ৰধানমন্ত্ৰীৰ স্বাস্থ্য সুৰক্ষা যোজনাৰ অধীনত অহা কেইমাহমানৰ ভিতৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীনত এখন ছুপাৰ স্পেচিয়েলিটী হাস্পতাল কাৰ্যক্ষম কৰি তোলা হ'ব। এই হাস্পতালে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ৬টা ছুপাৰ স্পেচিয়েলিটী বিভাগৰ ক্ষমতা আৰু সা-সুবিধা বৃদ্ধি কৰিব। হৃদৰোগ আৰু স্নায়ুৰোগ চিকিৎসাৰ বাবে আন এক ছুপাৰ স্পেচিয়েলিটী ব্লক নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পথত। মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে পৰৱৰ্তী বিত্তীয় বৰ্ষৰ পৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কৰ্মৰত চিকিৎসক সকলক ব্যক্তিগতভাৱে চিকিৎসা সেৱা (Private Practice) আগবঢ়োৱাৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰা নহ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ফেকাল্টী সদস্যসকলৰ বাবে নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (AIIMS)ৰ আৰ্হিত সংশোধিত দৰমহা গাঁথনি প্ৰৱৰ্তন কৰা হ'ব। যথাসময়ত এই ব্যৱস্থা অসম চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়তো প্ৰযোজ্য হ'ব। কেন্দ্ৰীয় চৰকাৰৰ সক্ৰিয় সহযোগত গুৱাহাটীৰ ওচৰত নতুনকৈ স্থাপন হৈ থকা সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান(AIIMS)খন ২০২০-২১ বৰ্ষত কাৰ্যক্ষম হৈ উঠিব। এই নতুন প্ৰতিষ্ঠানখনে অসমৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰখনক এক অভিনৱ মাত্ৰা প্ৰদান কৰিব।

৩৩৩. অসাধু আৰু অনৈতিক উপায়েৰে চিকিৎসা সেৱাৰ নামত উচ্চ হাৰত মাচুল আদায় কৰি নাগৰিকক জুৰুলা কৰা ব্যক্তিগত নাৰ্ছিং হ'মবিলাকক নিয়ন্ত্ৰণ কৰিবলৈ এটা নিয়ামক ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে অসম চৰকাৰে এখন সমিতি গঠন কৰিব।

৩৩৪. তদুপৰি, তেজস্বী নৰধিতমস্তু এডু ইনফ্ৰা ফাণ্ডছ (TNEIF) আঁচনিৰ অধীনত অসামৰিক আন্তঃগাঁথনি আৰু সা-সঁজুলি সংযোজনৰ ক্ষেত্ৰত বৰ্তমানৰ চিকিৎসা মহাবিদ্যালয়সমূহে উল্লেখনীয় উন্নয়ন সাধন কৰিবলৈ সক্ষম হৈছে।

৩৩৫. মাধ্যমিক পৰ্যায়ৰ স্বাস্থ্যসেৱা খণ্ডত যোৱা বাজেটত ঘোষণা কৰা সকলোবোৰ কাম আগবাঢ়িছে, যিবিলাকৰ ভিতৰত আছে —

১। সোণাৰি মহকুমা অসামৰিক চিকিৎসালয়খন জিলা চিকিৎসালয়লৈ (চৰাইদেউ) উন্নীতকৰণ ঃ ইয়াৰ কাম ৬০%ৰো অধিক সম্পূৰ্ণ হৈছে।

২। মাজুলীৰ গড়মূৰৰ ১০০খন বিছনাযুক্ত জিলা চিকিৎসালয়ৰ উন্নীতকৰণ ঃ ইয়াৰ ৪০%ৰো অধিক কাম সম্পূৰ্ণ হৈছে।

৩। হামৰেণ মহকুমা অসামৰিক চিকিৎসালয়খনক জিলা চিকিৎসালয়লৈ উন্নীতকৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

৪। বিশ্বনাথ চাৰিআলিৰ মহকুমা অসামৰিক চিকিৎসালয়ক জিলা চিকিৎসালয়লৈ উন্নীতকৰণঃ ইয়াৰ ২৫%তকৈও অধিক কাম সম্পূৰ্ণ হৈছে।

৫। হাটশিঙিমাৰী মহকুমা অসামৰিক চিকিৎসালয়ক জিলা চিকিৎসালয়লৈ উন্নীতকৰণঃ ইয়াৰ প্ৰায় ২৫% কাম সম্পূৰ্ণ হৈছে। আনহাতে, হোজাইৰ নতুন জিলা চিকিৎসালয়ৰ কামৰো প্ৰায় ৫০% অগ্ৰগতি হৈছে।

৩৩৬. জন্মগত হৃদৰোগ চিকিৎসা কাৰ্যসূচীৰ জৰিয়তে যোৱা বৰ্ষত ৭,৪০০জনতকৈও অধিক শিশুক উপকৃত কৰাটো হৈছে বিভাগটোৰ আন এক গুৰুত্বপূৰ্ণ সফলতা। এই বছৰত আমি 'সমাহাৰ' আঁচনিৰ জৰিয়তে গৰ্ভৱতী মহিলাসকলক অতিৰিক্ত পুষ্টি যোগান ধৰাৰ প্ৰস্তাৱ লৈছো। চিকিৎসালয়ত থকা সকলোবোৰ ৰোগীক যোগান ধৰা সুষম পথ্যৰ উপৰি সদ্যপ্ৰসূতি মাতৃসকলক মিশ্ৰিত আৰু সন্তুলিত আহাৰ যোগান ধৰাৰ বাবে আমাৰ চৰকাৰে ব্ৰেণ্ডেড পেকেটত শুকান, নষ্ট নোহোৱা অথচ ততালিকে খাব পৰা খাদ্য সামগ্ৰী যোগান ধৰাৰ মনস্থ কৰিছে।

৩৩৭. অসমৰ প্ৰায়বোৰ জিলাতে মহামাৰীৰ ৰূপ ধাৰণ কৰা জাপানীজ এনকেফেলাইটিচ হ'ল এটা অতি মাৰাত্মক ভাইৰাছ সংক্ৰমিত ৰোগ। সতৰ্কতামূলক ব্যৱস্থাৰ বাহিৰে জাপানীজ এনকেফেলাইটিচৰ কোনো বিশেষ চিকিৎসা ব্যৱস্থা নাই। অৱশ্যে প্ৰতিষেধক চিটাৰ জৰিয়তে জাপানীজ এনকেফেলাইটিচৰ সংক্ৰমণ ফলপ্ৰসূভাৱে ৰোধ কৰিব পাৰি। তদুপৰি এইটো দেখা গৈছে যে প্ৰাপ্তবয়স্কসকল এই ৰোগত বেছিকৈ আক্ৰান্ত হোৱাৰ লগতে মৃত্যুমুখতো পৰে। কাৰণ, তেওঁলোকে এই ৰোগৰ প্ৰতিৰোধৰ বাবে কোনো প্ৰতিষেধক গ্ৰহণ কৰা দেখা নাযায়।

৩৩৮. আমাৰ চৰকাৰে ইতিমধ্যে অসমৰ তিনিখন জিলা, ক্ৰমে গোৱালপাৰা, কোকৰাঝাৰ আৰু দক্ষিণ শালমাৰাত জাপানীজ এনকেফেলাইটিচৰ প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰিছে। আনহাতে, এই বিত্তীয় বৰ্ষত আন পাঁচখন জিলাত প্ৰাপ্তবয়স্কসকলৰ বাবে জাপানীজ এনকেফেলাইটিচৰ প্ৰতিষেধক প্ৰদানৰ পদক্ষেপ লোৱা হ'ব আৰু ইয়াৰ বাবে ৩৫ কোটি টকাৰ প্ৰস্তাৱ লোৱা হৈছে। সকলোৰে বাবে ব্যয়সাধ্য আৰু সহজসাধ্য স্বাস্থ্যসেৱা প্ৰদানৰ এই যাত্ৰা আমি অব্যাহত ৰাখিম। ইয়াৰ বাবে মই পৰ্যাপ্ত পৰিমাণৰ পুঁজিৰ ব্যৱস্থা কৰিছোঁ।

৩৩৯. অধ্যক্ষ মহোদয়, ২০২০-২১ বিত্তীয় বৰ্ষত এই বিভাগটোৰ বাবে মই মুঠ ৬১২৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## XVI. উচ্চ শিক্ষা বিভাগ

৩৪০. মাননীয় অধ্যক্ষ মহোদয়, প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মাচুল ৰেহাই, হোষ্টেলত থকা ছাত্ৰ-ছাত্ৰীৰ বাবে আৱাস মাচুলৰ ওপৰত ৰাজসাহায্য প্ৰদান, বিনামূলীয়া পাঠ্যপুথি যোগান ইত্যাদিৰ লেখীয়া আমাৰ বিভিন্ন পদক্ষেপৰ বিষয়ে মই ইতিমধ্যে উল্লেখ কৰিছোঁ।

৩৪১. আমি ৩০২খন মহাবিদ্যালয়ৰ প্ৰতিখনলৈ ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণ অনুদান হিচাপে ১ লাখ টকাকৈ আগবঢ়োৱাৰ উপৰি ৩০২খন চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয়ৰ প্ৰতিখনলৈ ছাত্ৰীৰ জিৰণি কোঠাৰ সা-সুবিধাৰ বাবে ১ লাখ টকাকৈ মুঠ ৩.০২ কোটি টকা মুকলি কৰি দিছো। ২০২০-২১ বৰ্ষতো ইয়াক অব্যাহত ৰখা হ'ব।

৩৪২. আমি ২০২০-২১ বৰ্ষৰ ভিতৰত সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰীসকলৰ বাবে জলপানি প্ৰদানৰ ব্যৱস্থা কৰিম আৰু ইয়াৰ দ্বাৰা ৮,০০০ ছাত্ৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে।

৩৪৩. দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়সমূহত শ্ৰীমন্ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠা কৰিবলৈ মই ৫ কোটি টকা ধাৰ্য কৰিছোঁ।

৩৪৪. বৰ্তমানে থকা ৰাজ্যৰ বিশ্ববিদ্যালয়, নতুনকৈ স্থাপন হোৱা বিশ্ববিদ্যালয়, চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহলৈ আন্তঃগাঁথনি উন্নয়ন অনুদান প্ৰদানৰ ব্যৱস্থা আমি অব্যাহত ৰাখিম। অলপতে নতুনকৈ নিৰ্মাণ কৰা চাৰিখন বিশ্ববিদ্যালয় ক্ৰমে — মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় আৰু মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলৰ সৈতে হোৱা মোৰ এক আলোচনা মৰ্মে এই সিদ্ধান্ত লোৱা হয় যে — এই বিশ্ববিদ্যালয়সমূহত আৱশ্যকীয় অধ্যাপকৰ পদসমূহ অহা দুই তিনিমাহৰ ভিতৰতে সৃষ্টি কৰা হ'ব যাতে তেওঁলোকে প্ৰয়োজনীয় স্বীকৃতি আহৰণ কৰিব পাৰে।

৩৪৫. মহাশয়, এই লক্ষ্য আগত ৰাখি ২০২০-২১ বৰ্ষত উচ্চ শিক্ষাৰ বাবে মই ২৫১২ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিছো।

## XVII. পাৰ্বত্য অঞ্চল বিভাগ

৩৪৬. পাৰ্বত্য অঞ্চল বিভাগটো হ'ল কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ (KAAC) আৰু ডিমা হাছাও স্বায়ত্তশাসিত জিলা পৰিষদ (DHADC)ৰ উভয়ৰে কাম-কাজসমূহ পৰিচালনা কৰা প্ৰাথমিক বিভাগ। মই এই পৱিত্ৰ সদনৰ সদস্যসকলক অৱগত কৰিবলৈ বিচাৰিছোঁ যে

হাফলঙত নিৰ্মাণ হ'বলগীয়া এটা বহুমহলীয়া পাৰ্কিং আৰু এটা সাংস্কৃতিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহৰ প্ৰাৰম্ভিক কাম-কাজসমূহ সঠিকভাৱে আগবাঢ়ি আছে। তদুপৰি মাঞ্জা ঔদ্যোগিক চৌহদত এটা গ্ৰাম্য বজাৰগৃহ (KANCH) আৰু অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম (AHSIDC) পৰিসীমিতৰ অধীনত ডেইথৰ্, মাঞ্জা আৰু হাফলঙত তিনিটা পানী বটলিং ইউনিটৰ কাম সম্পূৰ্ণ কৰা হৈছে।

৩৪৭. কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু ডিমা হাছাও স্বায়ত্তশাসিত জিলা পৰিষদে তেওঁলোকৰ প্ৰশাসনিক এক্তিয়াৰৰ অধীনত থকা অঞ্চলত বাস কৰা লোকৰ আৰ্থ-সামাজিক অৱস্থাৰ বিকাশৰ বাবে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৫৬৬ কোটি টকা নিয়মীয়া SOPD আবণ্টনৰ বাদেও কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু ডিমা হাছাও স্বায়ত্তশাসিত জিলা পৰিষদলৈ ক্ৰমে ১০০ কোটি আৰু ৬৫.৫ কোটি টকাৰ অতিৰিক্ত সাহায্য প্ৰদান কৰা হ'ব। পাৰ্বত্য অঞ্চল পৰিষদ দুখনৰ বাবে মুঠ বাজেট আবণ্টন হ'ল ৭৩১ কোটি টকা।

৩৪৮. ২০২০-২১ বৰ্ষৰ বাবে এই বিভাগটোলৈ মই ২১৫৫ কোটি টকা আবণ্টন কৰিছোঁ।

## XVIII. অসম চুক্তি ৰূপায়ণ বিভাগ

৩৪৯. মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়ণ বিভাগৰ লক্ষ্য হ'ল অসম চুক্তি আখৰে আখৰে ৰূপায়ণ কৰাৰ জৰিয়তে অসমৰ জনসাধাৰণক সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনিক সুৰক্ষা প্ৰদান কৰা আৰু অসমৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয়ৰ প্ৰসাৰ সাধন কৰা।

৩৫০. অসম আন্দোলন (১৯৭৯-৮৫)ৰ সময়ছোৱাত আমাৰ অধিকাৰৰ বাবে যুঁজ দিয়া বীৰসকললৈ আগবঢ়োৱা স্বীকৃতিৰ চিনস্বৰূপে পূৰ্বৰ এককালীন সাহায্য আগবঢ়োৱা অনুষ্ঠানত বাদ পৰি যোৱা এই আন্দোলনত বন্দুকৰ গুলীৰ দ্বাৰা আঘাতপ্ৰাপ্ত লোকসকললৈ ২ লাখ টকাৰ এককালীন সাহায্য প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

৩৫১. অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই ২০১৯ চনৰ ১০ ডিচেম্বৰত পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ তথা উদ্যানৰ আধাৰশিলা স্থাপন কৰে। এই পদক্ষেপৰ অংশ হিচাপে আমাৰ চৰকাৰে শ্বহীদ স্মাৰক উদ্যানখনৰ ভিতৰত এটা ঐতিহ্য কেন্দ্ৰ গঢ়ি তোলাৰ পৰিকল্পনা কৰিছে, য'ত প্ৰাক্-ঐতিহাসিক কালৰে পৰা এতিয়ালৈকে ৰাজ্যখনৰ চহকী ঐতিহ্যৰ উল্লেখযোগ্য আখ্যানসমূহ 'লাইট এণ্ড চাউণ্ড শ্ব'ৰ জৰিয়তে প্ৰতিফলিত কৰা হ'ব। ইয়াৰ উপৰিও ইয়াত বিভিন্ন সম্প্ৰদায়ৰ বিশিষ্ট

ব্যক্তিসকলৰ প্ৰতিমূৰ্তিও স্থাপন কৰা হ'ব। বিত্ত বিভাগে এই প্ৰকল্পটোলৈ সম্পূৰ্ণ সমৰ্থন সাহায্য আগবঢ়াই নিৰ্দ্দিষ্ট সময়ত এই প্ৰকল্প সম্পূৰ্ণ কৰিবলৈ সকলোধৰণৰ বিত্তীয় সাহায্য আগবঢ়াব।

## XIX. উদ্যোগ আৰু বাণিজ্য বিভাগ

৩৫২. উদ্যোগ আৰু বাণিজ্য বিভাগটোৱে ৰাজ্যখনত ঔদ্যোগিক পৰিৱেশ গঢ়ি তুলি ইয়াক বৰ্তাই ৰাখি আমাৰ যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ বাবে দায়বদ্ধ।

৩৫৩. এইক্ষেত্ৰত ৰাজ্যখনক এক আকৰ্ষণীয় বিনিয়োগস্থলী হিচাপে গঢ়ি তুলিবলৈ আমি বিভিন্ন পদক্ষেপ, যেনে "Ease of Doing Business", বিত্তীয় আৰু অন্যান্য উদগনিমূলক আঁচনি ৰূপায়ণ, ঔদ্যোগিক লেণ্ড বেংক স্থাপন আদি ব্যৱস্থা লৈছোঁ।

৩৫৪. এই পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক মই জনাবলৈ পাই সুখী হৈছোঁ যে ২০১৬-১৭ বৰ্ষৰ পৰা ২০১৯-২০ বৰ্ষলৈ এই সময়ছোৱাত ১১,৯০০ কোটি টকাতকৈ অধিক মূলধন বিনিয়োগেৰে আমাৰ ৰাজ্যখনত মুঠ ২০,৯৭১টা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (MSME) আৰু ১০৫টা বৃহৎ ঔদ্যোগিক গোটে তেওঁলোকৰ ব্যৱসায় আৰম্ভ কৰিছে।

৩৫৫. এই বিভাগে অসম ঔদ্যোগিক আৰু বিনিয়োগ নীতি, ২০১৯ আৰু অসম ৰপ্তানি আৰু ল'জিষ্টিক প'লিচী, ২০১৯ৰ অধীনত বিনিয়োগকাৰীসকলৰ বাবে বিত্তীয় উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনত বাঁহৰ মূল্যমান শৃংখলৰ সমগ্ৰ ব্যৱস্থাটোৰ বিকাশ সাধনৰ অৰ্থে বিভাগে অসম বাঁহ-বেত নীতি, ২০১৯ৰ অধীনত বিত্তীয় উদগনিমূলক ব্যৱস্থা হাতত লৈছে।

৩৫৬. মাননীয় প্ৰধানমন্ত্ৰীৰ সপোনৰ লগত সংগতি ৰাখি জিলাসমূহক বহিৰ্বাণিজ্যৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে উদ্যোগ আৰু বাণিজ্য বিভাগে বিশেষ আঁচনি প্ৰস্তুত কৰিছে। ৰপ্তানিৰ ক্ষেত্ৰত ৰাজ্যখনত থকা তুলনামূলক সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিভাগে 'ৰপ্তানি কোষ' গঠন কৰি ৰপ্তানিৰ সম্ভাৱনীয়তা থকা উৎপাদিত সামগ্ৰীসমূহ চিনাক্ত কৰিবলৈ 'District Export Promotion Committee' গঠন কৰিছে।

৩৫৭. তদুপৰি গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সোণালী জয়ন্তী উদযাপন উপলক্ষে তথা অসমৰ চাহৰ প্ৰসাৰৰ বাবে আমি এটা চাহ সংগ্ৰহালয় স্থাপনৰ সিদ্ধান্ত লৈছোঁ।

৩৫৮. ২০২০-২১ বৰ্ষৰ বাজেটত উদ্যোগ আৰু বাণিজ্য বিভাগৰ বাবে মই ২১৯ কোটি টকা ধাৰ্য কৰিছোঁ।

## XX. তথ্য আৰু প্ৰযুক্তি বিভাগ

৩৫৯. মাননীয় অধ্যক্ষ মহোদয়, তথ্য আৰু প্ৰযুক্তি বিভাগৰ লক্ষ্য হৈছে সকলো প্ৰযুক্তি সম্পৰ্কীয় বিষয়ত চৰকাৰক তথ্য আৰু নীতি-নিৰ্দেশনা প্ৰদান কৰা, যাতে জনসেৱাৰ স্বাৰ্থত সেইবোৰ সঠিকভাৱে ব্যৱহাৰ কৰিব পৰা যায়।

৩৬০. পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক মই জনাবলৈ পাই সুখী হৈছোঁ যে 'ই-জিলা প্ৰকল্প'ৰ জৰিয়তে ১৭টা চৰকাৰী সেৱাক ইতিমধ্যে অনলাইনত উপলব্ধ কৰা হৈছে। এই সেৱাৰ সুবিধা অৰ্জন কৰিবলৈ এতিয়ালৈকে ২৬ লাখতকৈ অধিক আৱেদনপত্ৰ লাভ কৰা হৈছে আৰু ২০২০-২১ বিত্তীয় বৰ্ষত আমি আৰু অধিক সেৱা সংযোজন কৰিবলৈ সক্ষম হ'ম। এই প্ৰকল্পই ৰাজ্যখনৰ জনসেৱা প্ৰদান ব্যৱস্থাটোত পৰিৱৰ্তন সাধন কৰিব।

৩৬১. মাননীয় অধ্যক্ষ মহোদয়, মই জনাবলৈ পাই সুখী হৈছো যে প্ৰায় ১.২ লাখ বৰ্গফুট ফ্ল'ৰ এলেকাৰ "Start-up World of Innovation in Future Technologies" (SWIFT) Centre নামেৰে দ্বৈত ব্লক নিৰ্মাণ কৰিবলৈ লোৱা হৈছে, যিটো এই বৰ্ষতে সাজু হৈ উঠিব। IT/ITeS/BPO/ESDM খণ্ডসমূহত বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ আমি বিভিন্ন পদক্ষেপ হাতত লৈছোঁ আৰু ইয়াৰ বাবে ২০২০-২১ বৰ্ষৰ বাজেটত পৰ্যাপ্ত পুঁজি ধাৰ্য কৰা হৈছে।

৩৬২. মহোদয়, Machine Leraning, Artificial Intelligence, Robotics, Virtual Reality, 3D Printing, Data Analytics ইত্যাদিৰ লেখীয়া বিভাজনমূলক প্ৰযুক্তিসমূহ হৈছে সমগ্ৰ বিশ্বতে পুনৰগঠনমূলক উদ্যোগ আৰু মূল্য শৃংখল। আমাৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী আৰু যুৱ পেচাদাৰীসকল যাতে এই নতুন বিশ্বখনৰ সন্মুখীন হোৱাৰ বাবে প্ৰস্তুত হৈ থাকে সেইটো আমি নিশ্চিত কৰিব লাগিব। এনে ধৰণৰ প্ৰযুক্তিৰ বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু যুৱ পেচাদাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ আমি ভাৰত চৰকাৰৰ নিটি আয়োগৰ সৈতে সমন্বয় ৰক্ষা কৰিম আৰু এই ক্ষেত্ৰত তেওঁলোকক চাকৰিৰ সুবিধা গ্ৰহণ কৰিবলৈ সাজু কৰি তোলা হ'ব।

৩৬৩. মহাশয়, ২০২০-২১ বৰ্ষত তথ্য প্ৰযুক্তি বিভাগৰ বাবে মই ৪৯ কোটি টকা ধাৰ্য কৰিছোঁ।

## XXI জলসিঞ্চন বিভাগ

৩৬৪. বছৰজুৰি পানী যোগানৰ দ্বাৰা কেবাতৰপীয়া শস্য উৎপাদনৰ ক্ষেত্ৰত কৃষকক অনুপ্ৰাণিত কৰি জলসিঞ্চনৰ প্ৰবলতা বৃদ্ধি কৰাই জলসিঞ্চন বিভাগৰ প্ৰধান লক্ষ্য। ইয়াৰ কাম-

কাজসমূহৰ গুৰুত্ব বিবেচনা কৰি জলসিঞ্চন বিভাগে গোটেই ৰাজ্যতে ১০.০৭ লাখ হেক্টৰ (AIA) জলসিঞ্চনৰ সামৰ্থ্য সৃষ্টি কৰিছে।

৩৬৫. মই জনাবলৈ পাই সুখী হৈছোঁ যে ২০২১ চনৰ মাৰ্চৰ ভিতৰত ধনশিৰি জলসিঞ্চন প্ৰকল্পটো সম্পূৰ্ণ হ'ব। ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ ভিতৰত ত্বৰান্বিত জলসিঞ্চন সুবিধা কাৰ্যসূচী (AIBP)ৰ অধীনত বৰ্তমান ১৯১খন আঁচনিৰ কাম-কাজ ৰাজ্যিক অৰ্থসাহায্যৰ জৰিয়তে চলি আছে। তদুপৰি, SOPDৰ অধীনত ৬,৫৭০ হেক্টৰ অতিৰিক্ত জলসিঞ্চন সামৰ্থ্য সৃষ্টিৰ লক্ষ্যৰে ২০২০-২১ বিত্তীয় বৰ্ষত ২১খন নতুন জলসিঞ্চন আঁচনি লোৱা হ'ব।

৩৬৬. অধ্যক্ষ মহোদয়, Irrigation Potential Created (IPC) আৰু Irrigation Potential Utilised (IPU)ৰ মাজৰ ব্যৱধান দূৰ কৰিবলৈ ৩০,৩৬৫ হেক্টৰ অঞ্চল সামৰি ধনশিৰি CAD প্ৰকল্প, পহুমাৰা CAD প্ৰকল্প, বৰডিকৰাই CAD প্ৰকল্প, আৰু মালৈবাৰী ELIS CAD প্ৰকল্প নামৰ ৪টা প্ৰকল্পৰ কাম চলি আছে আৰু অতিশীঘ্ৰে এই প্ৰকল্পসমূহৰ কাম সম্পূৰ্ণ হ'ব।

৩৬৭. গ্ৰাম্য আন্তঃগাথঁনি উন্নয়ন পুঁজি (RIDF)ৰ অধীনত ওদালগুৰি জিলাত অৱস্থিত ধনশিৰি প্ৰকল্পত এক দীৰ্ঘকালীন জলসিঞ্চন ব্যৱস্থাৰ বাবে ১১৬ কোটি টকাৰ প্ৰস্তাৱ লোৱা হৈছে।

৩৬৮. প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা (PMKSY-HKKP)ৰ অধীনত আমাৰ চৰকাৰে ৬০,৬০০ হেক্টৰ ভূমিত অতিৰিক্ত জলসিঞ্চন সম্ভাৱনীয়তা সৃষ্টিৰ বাবে সৌৰশক্তি আৰু বৈদ্যুতিক শক্তিচালিত ১৫,১৫০ টা 3HP টিউবৱেল প্ৰদানৰ প্ৰস্তাৱ লৈছে।

৩৬৯. এই বিভাগৰ প্ৰচেষ্টাসমূহক আগুৱাই নিবলৈ মই ২০২০-২১ বৰ্ষৰ বাজেটত ১৫৯২ কোটি টকা আবণ্টন কৰিছোঁ।

## XXII. ন্যায়িক বিভাগ

৩৭০. মাননীয় অধ্যক্ষ মহোদয়, ন্যায় প্ৰদানত বিলম্ব হোৱা মানেই হ'ল— ন্যায় প্ৰদানক অস্বীকাৰ কৰা। আমাৰ ৰাজ্যখনৰ কোনো নাগৰিকেই যাতে আইনৰ শাসনৰ পৰা বঞ্চিত নহয়, তাক সুনিশ্চিত কৰাৰ অৰ্থে ন্যায়িক বিভাগে সহজলভ্য আৰু সময়মতে ন্যায় প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

৩৭১. আমি শেহতীয়াকৈ বৰপেটা, ধুবুৰী, গোলাঘাট, কামৰূপ (মহানগৰ), কামৰূপ (আমিনগাঁও), লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, নগাঁও আৰু তিনিচুকীয়া জিলাত Protection of Children

From Sexual Offences (POCSO) আইনৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা বিশেষ ন্যায়াধীশৰ ১০খন আদালত স্থাপনৰ বাবে অনুমোদন জনাইছোঁ আৰু অহা বছৰত এই আদালতসমূহ কাৰ্যক্ষম হৈ উঠিব।

৩৭২. চলিত বৰ্ষত মঞ্জুৰিকৃত ৪.৩৫ কোটি টকা অনুদানেৰে অসম ন্যায়িক একাডেমীয়ে অসম ন্যায়িক সেৱাৰ নৱনিযুক্ত ন্যায়িক বিষয়াসকলৰ লগতে কৰ্মৰত ন্যায়িক বিষয়াৰ উপৰি লোক অভিযোক্তা, আইন সাহায্য পৰামৰ্শদাতা, আৰক্ষী বিষয়া আৰু অসমৰ বাৰ কাউন্সিলত যোগ দিব বিচৰা নতুন আইন স্নাতকসকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে।

৩৭৩. মহোদয়, বিশ্বমানৰ শিক্ষা সুচল কৰিবলৈ ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমী, অসমলৈ ৪৬.২২ কোটি টকাৰ এটা প্ৰকল্পৰ বাবে ইতিমধ্যে মঞ্জুৰি প্ৰদান কৰা হৈছে।

৩৭৪. তদুপৰি, আদালতসমূহৰ আন্তঃগাঁথনি উন্নীতকৰণৰ লগতে ন্যায়িক বিষয়াসকলৰ আৱাসগৃহৰ প্ৰয়োজন পূৰণৰ লক্ষ্যৰে আমাৰ চৰকাৰে 'গ্ৰাম ন্যায়ালয়সমূহ'ৰ লগতে ন্যায়পালিকাৰ আন্তঃগাঁথনি সুবিধাসমূহৰ বিকাশৰ বাবে এখন আঁচনি গ্ৰহণ কৰিছে।

৩৭৫. মহোদয়, ২০২০-২১ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই ৫৫৬ কোটি টকা আবণ্টন কৰিছোঁ।

## XXIII. শ্ৰমিক কল্যাণ বিভাগ

৩৭৬. নিয়োগৰ সুযোগ বৃদ্ধি তথা উন্নীতকৰণ আৰু ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশ সাধনেই হৈছে শ্ৰমিক কল্যাণ বিভাগৰ প্ৰধান লক্ষ্য।

৩৭৭. অধ্যক্ষ মহোদয়, এই বিভাগে ২৭খন কল্যাণ বিধি আৰু সমসংখ্যক নিয়মাৱলীৰ ৰূপায়ণেৰে অভীষ্ট লক্ষ্য সাধনত অক্লান্তভাৱে কাম কৰি আহিছে।

৩৭৮. অধ্যক্ষ মহোদয়, ২০২০-২১ বৰ্ষৰ বাবে মই বিভাগটোলৈ ৯৫ কোটি টকা আবণ্টনৰ বাবে প্ৰস্তাৱ কৰিছোঁ।

## XXIV. খনি আৰু খনিজ সম্পদ বিভাগ

৩৭৯. খনি আৰু খনিজ সম্পদ বিভাগৰ লক্ষ্য হৈছে পৰিৱেশ আৰু জনসাধাৰণৰ অনুকূল নীতি নিৰ্ধাৰণৰ জৰিয়তে বৈজ্ঞানিক পদ্ধতিৰে খনিজ সম্পদৰ অন্বেষণ, যথোচিত সংৰক্ষণ আৰু সৰ্বাধিক ৰাজহ সংগ্ৰহ কৰা।

৩৮০. খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা আৰু চূণশিলৰ উৎপাদনৰ পৰা ৰাজ্যখনে ৰয়েল্টীৰ আকাৰত লাভ কৰা ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত এই বিভাগটোৰ গুৰুত্বপূৰ্ণ অৱদান আছে।

চহকী খনিজ সম্পদৰ পৰা ৰাজহ সংগ্ৰহ বৃদ্ধিৰ লক্ষ্যৰে ২০২০-২১ বিত্তীয় বৰ্ষত ৰাজ্যখনত এক ৰাজহ বৃদ্ধি কৰ্ম পৰিকল্পনা গ্ৰহণ কৰাৰ বাবে দেশৰ খ্যাতনামা পৰামৰ্শদাতাক আমন্ত্ৰণ কৰিবলৈ বিভাগটোৱে প্ৰস্তাৱ আগবঢ়াইছে।

৩৮১. মহোদয়, খনিৰ অবৈধ খনন, পৰিবহণ আৰু মজুতকৰণ প্ৰতিৰোধৰ লগতে পৰিৱেশ বিনষ্টকৰণ ৰোধ কৰাৰ উদ্দেশ্যে এই বিভাগে অসম খনিজ সম্পদ ব্যৱসায়ীৰ নিয়মাৱলী, ২০১৯ (Assam Minerals Dealers' Rules, 2019) প্ৰৱৰ্তন কৰিছে আৰু শীঘ্ৰে এই নিয়মাৱলী ৰূপায়ণ কৰা হ'ব।

৩৮২. মই আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে ভূতত্ব আৰু খনি সঞ্চালকালয়ে বালি, শিল, পলসুৱা মাটি, সাধাৰণ বোকা, সাধাৰণ মাটি আদি খননৰ বাবে মুঠ ৫৮টা খনন প্ৰকল্পত অনুমোদন জনাইছে। তদুপৰি Central Mine Planning and Design Institute (CMPDI) য়ে আগবঢ়োৱা পুঁজিৰ জৰিয়তে দুটা কয়লা ব্লকৰ অন্বেষণৰ বাবে বিভাগটোৱে Mineral Expolration Corporation Limited (MECL)ৰ সৈতে এখন বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰিছে।

## XXV. পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

৩৮৩. অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে জীৱিকাৰ সুবিধা বৃদ্ধি, দাৰিদ্ৰ্য বিমোচন, সামাজিক নিৰাপত্তা প্ৰদান আৰু গ্ৰামাঞ্চলৰ পৰিয়ালসমূহৰ অৰ্থনৈতিক অন্তৰ্ভুক্তকৰণ নিশ্চিত কৰাৰ উদ্দেশ্যে কাম কৰে।

৩৮৪. মহোদয়, মই ভাষণৰ আৰম্ভণিতে কিছুমান নিৰ্দিষ্ট আঁচনিৰ অধীনত আমি গ্ৰহণ কৰা কেতবোৰ গুৰুত্বপূৰ্ণ কামৰ বিষয়ে উল্লেখ কৰিছিলোঁ।

৩৮৫. মই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছোঁ যে এম জি এনৰেগা (MGNREGA) আঁচনিত মহিলা অংশগ্ৰহণকাৰীৰ সংখ্যা ৪১.২৩ শতাংশলৈ বৃদ্ধি পাইছে আৰু মুঠ ২.৪৭ লাখ সম্পদ সৃষ্টিৰে ISRO ৰ সহায়ত Geo-tagged কৰা হৈছে। এই আঁচনিৰ অধীনত ইতিমধ্যে ৯৫৫ কোটি টকা ব্যৱহাৰ কৰা হৈছে।

৩৮৬. মহোদয়, মই ইতিমধ্যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনি আৰু কাৰ্যসূচীৰ অধীনত লাভ কৰা সফলতাৰ বিষয়ে উল্লেখ কৰিছোঁ। যোৱা ৪ বছৰত লাভ কৰা সফলতাৰ ধাৰা আমি অব্যাহত ৰাখি আগন্তুক বছৰত প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত ৩ লাখটা নতুন গৃহ নিৰ্মাণ কৰা হ'ব। তদুপৰি ২০২০-২১ বিত্তীয় বৰ্ষত এম জি এনৰেগা আঁচনিৰ অধীনত ৬.৫০ কোটি কৰ্মদিন সৃষ্টিৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

৩৮৭. মই জনাবলৈ পাই সুখী হৈছোঁ যে ২০২০ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ পঞ্চদশ বিত্তীয় আয়োগৰ অনুমোদন অনুসৰি জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তসমূহে অনুদান লাভ কৰিব।

৩৮৮. মহোদয়, ২০২০-২১ বৰ্ষৰ বাজেটত মই এই বিভাগৰ বাবে ৫৬৭৭কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## XXVI. কৰ্মচাৰী বিভাগ

৩৮৯. সু-প্ৰশাসন তথা সৰ্বোৎকৃষ্ট শাসন ব্যৱস্থা প্ৰদান কৰিবৰ বাবে চৰকাৰী কাৰ্যালয়সমূহত পৰ্যাপ্ত বিষয়া-কৰ্মচাৰীৰ উপলব্ধতা নিশ্চিত কৰাৰ প্ৰতি কৰ্মচাৰী বিভাগটো দায়বদ্ধ।

৩৯০. বিগত বৰ্ষটোত আমি অসম অসামৰিক সেৱা (পৰিচালনা) নিয়মাৱলীত "Rule 24B Small Family Norms" অন্তৰ্ভুক্তকৰণৰ জৰিয়তে এই নিয়মাৱলী সংশোধন কৰিছোঁ। ইয়াৰ অধীনত এগৰাকী বা ততোধিক সংগীৰ ফালৰ পৰা দুটাতকৈ অধিক জীৱিত সন্তান থকা ব্যক্তিক ৰাজ্য চৰকাৰৰ অধীনস্থ যিকোনো সেৱা বা পদত নিযুক্তিৰ ক্ষেত্ৰত বাধা প্ৰদান কৰা হৈছে। তদুপৰি, দিব্যাংগ ব্যক্তিৰ অধিকাৰ আইন, ২০১৬ অনুসৰি কিছুমান নিৰ্দিষ্ট পদৰ বিপৰীতে নিযুক্তি আৰু পদোন্নতিৰ ক্ষেত্ৰত দিব্যাংগসকলৰ বাবে চাৰি শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। লগতে চৰকাৰী চাকৰি আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহত অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে ১০% সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

## XXVII. শক্তি বিভাগ

৩৯১. माननीয় অধ্যক্ষ মহোদয়, শক্তি বিভাগে তিনিটা পৰিসীমিত প্ৰতিষ্ঠান, যেনে— অসম শক্তি বিতৰণ নিগম পৰিসীমিত (APDCL), অসম বিদ্যুৎ গ্ৰিড নিগম পৰিসীমিত (AEGCL) আৰু অসম শক্তি উৎপাদন নিগম পৰিসীমিত (APGCL)ৰ জৰিয়তে ৰাজ্যখনৰ জনসাধাৰণৰ বাবে বিদ্যুৎ উৎপাদন কৰি ইয়াক সৰবৰাহ আৰু বিতৰণ কৰে।

৩৯২. সম্প্ৰতি এ পি জি চি এল-ৰ মুঠ সংস্থাপিত সামৰ্থ্য হৈছে ৩৮০ মেগাৱাট। পৰৱৰ্তী বৰ্ষত ১০০ মেগাৱাট শক্তিসম্পন্ন নামৰূপ প্ৰতিষ্ঠাপন শক্তি প্ৰকল্প আৰু ১৩.৫ মেগাৱাট শক্তিসম্পন্ন মিনট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পক কাৰ্যক্ষম কৰি আমি অতিৰিক্ত ১১৩.৫ মেগাৱাট শক্তি সংযোজন কৰিবলৈ প্ৰস্তাৱ লৈছোঁ। আমি নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কামো হাতত লৈছোঁ। এই প্ৰকল্পটোৱে ১২০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব। এইসমূহৰ উপৰি আমগুৰিত ৭০ মেগাৱাট শক্তিশম্পন্ন এটা সৌৰশক্তি প্ৰকল্পৰ কাম ২০২১ বৰ্ষৰ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

৩৯৩. গুৱাহাটী মহানগৰত বিদ্যুৎ যোগান ব্যাহত হোৱা অৱস্থাটো হ্ৰাস কৰিবলৈ এটা Supervisory Control and Data Acquisition (SCADA) ব্যৱস্থা ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। বিদ্যুৎ ব্যৱহাৰৰ দক্ষতা বৃদ্ধি কৰিবলৈ প্ৰাৰম্ভিক অৱস্থাত পৰীক্ষামূলকভাৱে ডিব্ৰুগড় চহৰ আৰু গুৱাহাটীৰ জালুকবাৰী অঞ্চলত আমি ৭০,০০০টা স্মাৰ্ট মিটাৰ স্থাপন কৰিবলৈ লৈছোঁ।

৩৯৪. ২০২০-২১ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই ২৪৯৮ কোটি টকা আবণ্টন দিছোঁ।

## XXVIII. ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ

৩৯৫. অধ্যক্ষ মহোদয়, ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ বাণিজ্যিক আৰু পৰিচালনা সম্বন্ধীয় দিশবোৰ তদাৰক আৰু নিয়ন্ত্ৰণ কৰে।

৩৯৬. মই এই পৱিত্ৰ সদনৰ সদস্যসকলক জনাবলৈ পাই সুখী হৈছোঁ যে এই বিভাগে ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ বাবে ‘Public Enterprises Policy’ নামেৰে এটা সামূহিক নীতি যুগুত কৰিছে। এই নীতিৰ জৰিয়তে ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক এক ফলপ্ৰসূ প্ৰশাসন, পৰিচালনা আৰু নিয়ন্ত্ৰণৰ বাবে এক উমৈহতীয়া গাথঁনিৰ অধীনলৈ আনিব পৰা যাব।

৩৯৭. মহোদয়, অসমৰ ৰাজ্যিক ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ সামৰ্থ্য বৃদ্ধি কাৰ্যসূচীৰ অধীনত এই বিভাগে বিত্ত আৰু হিচাপৰক্ষণ (Finance & Accounting), ৰূপান্তৰকাৰী নেতৃত্ব (Transformational Leadership), কৰ্পʼৰেট গৱাৰ্নেন্স (Corporate Governance) আদি বিভিন্ন বিষয়ত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰিছে আৰু ২০২০-২১ বৰ্ষতো অনুৰূপ কাৰ্যসূচী অব্যাহত থাকিব।

## XXIX. জনস্বাস্থ্য কাৰিকৰী বিভাগ

৩৯৮. মাননীয় অধ্যক্ষ মহোদয়, স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ)ৰ অধীনত ৩২ লাখতকৈ অধিক ব্যক্তিগত পৰিয়ালৰ শৌচাগাৰ (IHHL) নিৰ্মাণ কৰা হৈছে আৰু প্ৰায় ৪ লাখ অকাৰ্যক্ষম হৈ থকা শৌচাগাৰক কাৰ্যক্ষম শৌচাগাৰলৈ ৰূপান্তৰ কৰা হৈছে। বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত নীৰ নিৰ্মল পৰিযোজনা আঁচনিৰ অংশ হিচাপে কামৰূপ (মহানগৰ), যোৰহাট আৰু হাইলাকান্দি জিলাত ১.১৬ লাখ পৰিয়ালক সামৰি মুঠ ৬৩ খন গাঁও পঞ্চায়তত পানী যোগানৰ ব্যৱস্থা প্ৰদান কৰা হৈছে। এই বিভাগে ‘জল জীৱন মিছন’ (JJM) নামেৰে ভাৰত চৰকাৰৰ এখন নতুন ধ্বজ্জাবাহী আঁচনি ৰূপায়ণৰ কাম হাতত লৈছে। গ্ৰামাঞ্চলৰ সকলো পৰিয়াললৈ ২০২৪ চনৰ ভিতৰত ঘৰতে কাৰ্যক্ষম টেপ সংযোগ (FHTC) প্ৰদান কৰাৰ উদ্দেশ্যেৰে এই আঁচনি ৰূপায়ণ কৰা হৈছে।

৩৯৯. স্বচ্ছ ভাৰত আৰু প্ৰকৃতি সংৰক্ষণ বিশেষকৈ জল সংৰক্ষণৰ মানসিকতাৰে শিশুসকলক চক্ৰীয় অৰ্থব্যৱস্থা (Circular Economy), স্বাস্থ্যসন্মত আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশত সজাগ কৰাৰ বাবে আমি বিদ্যালয়সমূহত পাৰিপাৰ্শ্বিক ক্লাব (Eco Club) আৰম্ভ কৰিম। বিদ্যালয় আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহত পৰ্যাপ্ত বৈদ্যুতিক শক্তি প্ৰদানৰ বাবে আমি সৌৰ পেনেল (Solar Panel) স্থাপন কৰিবলৈও পদক্ষেপ ল'ম। প্ৰতিখন শিক্ষানুষ্ঠানে কম শক্তি ব্যয় কৰাৰ বাবে স্বীকৃত সেউজ গৃহ (Green Building Accredited) আৰু শক্তি সংৰক্ষণ কৰিবলৈও চেষ্টা চলাব।

৪০০. ২০২০-২১ বৰ্ষৰ বাবে এই বিভাগটোলৈ মই মুঠ ২৬৮১ কোটি টকা আৱণ্ট দিবলৈ প্ৰস্তাৱ কৰিছো।

## XXX. গড়কাপ্তানী (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ

৪০১. মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগে মূলতঃ ৰাজ্যখনৰ ৰাজহুৱা আন্তঃগাঁথনি উন্নয়ন তথা নিৰ্মাণ আৰু ৰাজহুৱা গৃহসমূহ পৰিচালনাৰ দায়িত্ব পালন কৰে।

৪০২. মই জনাবলৈ পাই সুখী হৈছোঁ যে ২০১৯-২০ বিত্তীয় বৰ্ষত ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথত নতুন প্ৰযুক্তি ব্যৱহাৰ কৰি subgrade শক্তিশালীকৰণৰ কাম আমি আৰম্ভ কৰিছোঁ। ২০২০-২১ বিত্তীয় বৰ্ষত তেজপুৰ জিলাৰ মিছন চাৰিআলিত এখন উৰণীয়া সেতু নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

৪০৩. ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে (NHAI) গুৱাহাটী বাইপাছৰ বশিষ্ঠ চাৰিআলি, লখৰা, গড়চুক আৰু বৰাগাঁৱত ১৪খন ফ্লাইঅ'ভাৰ তথা বাইহাটা চাৰিআলিৰ বাইহাটা বাইপাছৰ উভয় দিশত দুখন ফ্লাইঅ'ভাৰ নিৰ্মাণৰ প্ৰস্তাৱ আগবঢ়াইছে। তদুপৰি পাঠশালা, বৰপেটা ৰোডৰ ওচৰৰ শিমলাগুৰি, বঙাইগাঁৱৰ চাপাগুৰি, বি আৰ পি এল ৰিফাইনেৰী, ৰহা, ডিমৌ, নগাঁৱৰ ওচৰত বৰঘাট আৰু ডবকাৰ ওচৰৰ কঠীয়াতলীত ফ্লাইঅ'ভাৰ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰ উপৰি জাগীৰোডত এখন ৰেল অ'ভাৰব্ৰীজ নিৰ্মাণৰো প্ৰস্তাৱ লোৱা হৈছে।

৪০৪. হোটেল ব্ৰহ্মপুত্ৰ অশোকৰ লীজৰ ম্যাদ উকলি যোৱাৰ বাবে এটা ৰাজ্যিক সন্মিলন কেন্দ্ৰ (State Convention Center)ৰ অত্যন্ত প্ৰয়োজন হৈছিল। সেয়েহে চৰকাৰে এটা অত্যাধুনিক সন্মিলন কেন্দ্ৰ তথা সভাগৃহৰ সৈতে অতিথিশালা নিৰ্মাণৰ সিদ্ধান্ত লৈছে। এই অতিথিশালাত ২,৮০০গৰাকী লোক থকাৰ সুবিধা, ২৪টা ছ্যুটছ (Suites), ৯৫টা আৱাসিক কক্ষ ইত্যাদি থাকিব। ২০১৯ চনৰ ৮ মাৰ্চত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই

প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল আৰু ইয়াৰ নিৰ্মাণকাৰ্য ইতিমধ্যে আৰম্ভ কৰা হৈছে। ২৫৯.৪৬ কোটি টকা ব্যয়েৰে সম্পন্ন কৰিবলগীয়া এই কাম ২০২১ চনৰ জুলাইৰ ভিতৰত সম্পূৰ্ণ হ'ব।

৪০৫. অধ্যক্ষ মহোদয়, চলিত বিত্তীয় বৰ্ষত ব্ৰহ্মপুত্ৰৰ ওপৰত তলত উল্লেখিত নামেৰে ৪খন দলং নিৰ্মাণৰ প্ৰাথমিক কাম-কাজ আৰম্ভ কৰা হৈছে —

(ক) ধুবুৰী-ফুলবাৰী দলং

(খ) গহপুৰ-নুমলীগড় দলং

(গ) কমলাবাৰী-নিমাতীঘাট দলং

(ঘ) মৰিগাঁও-কৌপাটী দলং

৪০৬. ২০২০-২১ বিত্তীয় বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই ৮৪৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## XXXI. গড়কাপ্তানী (পথ) বিভাগ

৪০৭. মাননীয় অধ্যক্ষ মহোদয়, এক শক্তিশালী আৰু নিৰ্ভৰযোগ্য পথ ব্যৱস্থা হৈছে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক ৰূপান্তৰৰ এক চালিকা শক্তি। ৰাজ্যিক পথ আন্তঃগাঁথনি উন্নয়ন আৰু পৰিচালনা কৰিবলৈ গড়কাপ্তানী পথ বিভাগক (PWRD) দায়িত্ব অৰ্পণ কৰা হৈছে।

৪০৮. মই ইতিমধ্যে বাজেট ভাষণৰ আৰম্ভণিতে "অসম মালা"ৰ অধীনত আমি হাতত লোৱা ব্যাপক কাম-কাজ সম্পৰ্কে আৰু কাঠৰ দলংসমূহ পকী দলঙলৈ সলনি কৰাৰ বাবে চলাই থকা প্ৰচেষ্টাসমূহৰ বিষয়ে উল্লেখ কৰিছো। আমি দৃঢ়ভাৱে বিশ্বাস কৰো যে ৰাজ্যখনৰ অৰ্থনৈতিক ৰূপান্তৰৰ বাবে এক শক্তিশালী আৰু নিৰ্ভৰযোগ্য পথ ব্যৱস্থাৰ প্ৰয়োজন। অসমৰ ৰাস্তা-ঘাটৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে আমি দিয়া প্ৰতিশ্ৰুতি আমাৰ কাম-কাজৰ জৰিয়তে প্ৰতিপন্ন হৈছে।

৪০৯. মহাশয়, গুৱাহাটী মহানগৰত যান-জঁটৰ সমস্যা হ্ৰাস কৰাৰ বাবে গণেশগুৰিত এখন আৰু ছুপাৰমাৰ্কেট সংযোগী পথত আন এখন ফ্লাইঅ'ভাৰ নিৰ্মাণৰ কাম অভিযান আকাৰে হাতত লোৱা হৈছে। যান-জঁটৰ সমস্যা লাঘৱ কৰিবলৈ মালিগাঁও চাৰিআলিত এখন নতুন উৰণীয়া সেতু নিৰ্মাণ কৰা হ'ব। ২০২০-২১ বিত্তীয় বৰ্ষত কামাখ্যা মন্দিৰলৈ যোৱা বিকল্প পথ এটা সাজু কৰি তোলা হ'ব।

৪১০. ভৱিষ্যতৰ বাবে অসমৰ এক সু-যোগাযোগ ব্যৱস্থাৰ লক্ষ্য আগত ৰাখি আমাৰ বিভাগে যাতে এক প্ৰগতিশীল প্ৰশাসনীয় মান তথা কাৰ্যব্যৱস্থাৰে এই লক্ষ্যত উপনীত হ'ব পাৰে, সেয়া আমি সুনিশ্চিত কৰিব লাগিব। এই লক্ষ্য লৈ ২০১৯-২০ বৰ্ষত গড়কাপ্তানি পথ বিভাগটোৰ ক্ষেত্ৰীয় কাৰ্যালয়সমূহ আৰু মাণ্ডলিক কাৰ্যক্ষেত্ৰসমূহৰ সম্পূৰ্ণভাৱে পুনৰ্গঠন কৰা হৈছে। সংমণ্ডল আৰু উপ-সংমণ্ডলসমূহৰ পুনৰ্গঠিত কাৰ্যক্ষেত্ৰসমূহ অসম বিধানসভা সমষ্টিসমূহৰ সৈতে সংলগ্ন কৰা হৈছে। ইয়াৰ জৰিয়তে মাননীয় বিধায়কসকলৰ সৈতে আলোচনামৰ্মে বিভাগীয় আঁচনিসমূহৰ উন্নত পৰিকল্পনা আৰু ৰূপায়ণ কৰাত সহায়ক হ'ব। ইয়াৰ দ্বাৰা বিভাগটোৰ কাম-কাজত অধিক স্বচ্ছতা তথা সততাৰ সূচনা হ'ব বুলি আমি দৃঢ়ভাৱে বিশ্বাস কৰোঁ। বিভাগটোৱে চলাই থকা প্ৰচেষ্টাক উৎসাহ যোগাবলৈ ২০২০-২১ বৰ্ষৰ বাজেটত গড়কাপ্টানী পথ বিভাগৰ বাবে মই ৮৯০১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## XXXII. ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

৪১১. মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই ৰাজহ বিভাগৰ বিভিন্ন কাম-কাজ আৰু সাফল্যসমূহৰ বিষয়ে উল্লেখ কৰিবলৈ ওলাইছোঁ। এই বিভাগে ৰাজহ প্ৰশাসনৰ সকলোবোৰ ক্ষেত্ৰ, যেনে— চৰকাৰী ভূমি বন্দৰস্তি নীতিৰ প্ৰস্তুতকৰণ, ভূমি সংস্কাৰ প্ৰশাসন, ভূমি খতিয়ান তত্বাৱধান, ভূমি অধিগ্ৰহণ, ভূমি প্ৰশাসন, ভূমি ৰাজহ আৰু স্থানীয় মূল্য, অসম জৰীপ সংস্থাৰ প্ৰশাসন, প্ৰাকৃতিক দুৰ্যোগৰ সময়ত প্ৰস্তুতি আৰু সাহায্য অভিযান সংগঠিতকৰণ ইত্যাদি চোৱাচিতা কৰে।

৪১২. মাননীয় অধ্যক্ষ মহোদয়, ভূমি ৰাজহ ব্যৱস্থাপনা উন্নীত কৰিবলৈ সংহত ভূমি খতিয়ান ব্যৱস্থাপনা (ILRMS) পদ্ধতিটো সালসলনি কৰা হৈছে, যাতে বিষয়াসকলে অনলাইন ব্যৱস্থাৰ জৰিয়তে ৰাজহ সম্পৰ্কীয় দাবীসমূহ প্ৰস্তুত কৰিব পাৰে আৰু নাগৰিকসকলে ডিজিটেল পদ্ধতিৰে ৰাজহ পৰিশোধ কৰাৰ সুবিধা গ্ৰহণ কৰিব পাৰে। নাগৰিকসকলে কাৰ্যালয়লৈ সঘনে আহি থাকিবলগীয়া সমস্যা ইয়াৰ জৰিয়তে লাঘৱ হৈছে। ৰাজ্যখনৰ পঞ্জীয়ন কাৰ্যালয়সমূহৰ দক্ষতা বৃদ্ধি কৰিবলৈ আমি ৩০খন জিলা আৰু ৭৭টা উপ-পঞ্জীয়ক কাৰ্যালয়ত ই-ষ্টেম্পিঙৰ সুবিধাও আৰম্ভ কৰিছোঁ। তদুপৰি অসম জৰীপ আৰু বন্দৰস্তি প্ৰশিক্ষণ কেন্দ্ৰক এটা সৰ্বোৎকৃষ্ট প্ৰেক্ষাগৃহ আৰু পৰীক্ষাগাৰসহ এটা উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। একে সময়তে আধুনিক সঁজুলি আৰু ETS, DGPS ইত্যাদিৰ লেখীয়া উন্নত প্ৰযুক্তিৰে আমি ভূমি জৰীপ ব্যৱস্থা উন্নীত কৰিছোঁ, যিটোৱে ক্ষিপ্ৰ আৰু নিখুঁত ভূমি জৰীপ ব্যৱস্থা নিশ্চিত কৰিব।

৪১৩. মই ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বাবে ২০২০-২১ বৰ্ষত ২৭৫৭ কোটি টকা আবণ্টন কৰিছো।

## XXXIII. বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ

৪১৪. বিজ্ঞান, প্ৰযুক্তি আৰু পাৰিপাৰ্শ্বিক ক্ষেত্ৰৰ বিভিন্ন দিশসমূহ সম্বন্ধে আঁচনি/কাৰ্যসূচী যুগুত আৰু ৰূপায়ণ কৰাৰ দায়িত্ব বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ওপৰত অৰ্পিত।

৪১৫. মাননীয় অধ্যক্ষ মহোদয়, শিশু আৰু জনসাধাৰণৰ মাজত বিজ্ঞান আৰু প্ৰযুক্তি জনপ্ৰিয় কৰি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰাখি আমাৰ চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বাবে গুৱাহাটী তাৰকাগৃহত এটা Multi Activity Centre স্থাপনৰ বাবে ১২.৪২ কোটি টকাৰ এক পুঁজিৰ বাবে প্ৰশাসনিক অনুমোদন দিছে। এই কেন্দ্ৰটোৱে শিক্ষাৰ্থীসকলক জ্যোতিৰ্বিজ্ঞান আৰু মহাকাশ বিজ্ঞান সম্বন্ধীয় বিভিন্ন দিশৰ জ্ঞান লাভত সহায় কৰিব। এই পৱিত্ৰ সদনক জনাবলৈ পাই মই সুখী হৈছোঁ যে গুৱাহাটী তাৰকাগৃহত আমি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো জ্যোতিৰ্বিদ্যা বীথিকা স্থাপন কৰিছোঁ। আই আই টি- গুৱাহাটীৰ সহযোগত স্থাপিত 'ভাৰ্চুৱেল ৰিয়েলিটী জ'ন' এই বীথিকাৰ এক গুৰুত্বপূৰ্ণ অংশ।

৪১৬. ইয়াৰ উপৰি শিলচৰ, কলিয়াবৰ, ডিফু, আমিনগাঁও, বঙাইগাঁও আৰু মাজুলীত ৬টা নতুন 'তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰ' নিৰ্মাণ কৰা হ'ব। ২০২০ বৰ্ষৰ ১০ ফেব্ৰুৱাৰীত মাননীয় মুখ্যমন্ত্ৰীয়ে মাজুলীত তাৰকাগৃহৰ আধাৰশিলা স্থাপন কৰে। আপোনালোকে জানে যে কোকৰাঝাৰ 'তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰ'ৰ কাম-কাজ সম্পূৰ্ণ হৈ উঠিছে আৰু অলপতে কেন্দ্ৰটো উদ্বোধন কৰা হৈছে। উত্তৰ লখিমপুৰ আৰু নলবাৰীৰ 'তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰ' দুটাৰ নিৰ্মাণকাৰ্যও সম্পূৰ্ণ হোৱাৰ পথত আৰু এই কেন্দ্ৰ দুটা সোনকালেই মুকলি কৰা হ'ব।

৪১৭. বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে গুৱাহাটীৰ সমীপৰ সোণাপুৰত এখন বিজ্ঞান নগৰী (Science City) স্থাপনৰ প্ৰাথমিক কাম-কাজ আৰম্ভ কৰিছে। ইয়াৰ মূল ভৱন নিৰ্মাণৰ বাবে ১১০ কোটি টকা ধাৰ্য কৰা হৈছে। ইয়াৰ নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতহে কামৰ আদেশ (Work Order) জাৰি কৰা হৈছে আৰু এই ভৱনৰ আধাৰশিলা শীঘ্ৰেই স্থাপন কৰা হ'ব। আনহাতে, ১৭খন জিলাত বিজ্ঞান কেন্দ্ৰ স্থাপনৰ বাবে অনুমোদন প্ৰক্ৰিয়া চলি আছে আৰু ইয়াৰ বাবে নিবিদা প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত।

৪১৮. অধ্যক্ষ মহোদয়, বৰ্তমান চলি থকা এই কাম-কাজবোৰৰ বাবে ২০২০-২১ বৰ্ষৰ বাবে মই বিভাগটোলৈ ৬৫ কোটি টকা আবণ্টন দিছোঁ।

## XXXIV. মাধ্যমিক শিক্ষা বিভাগ

৪১৯. অধ্যক্ষ মহোদয়, বেঞ্জামিন ফ্ৰেংকলিনে এসময়ত কৈছিল যে 'জ্ঞানৰ ক্ষেত্ৰত কৰা বিনিয়োগে সৰ্বোত্তম লাভ আদায় দিয়ে'। মাধ্যমিক শিক্ষাই শৈক্ষিকতন্ত্ৰত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। এই পৰ্যায়টোৱে বয়ঃসন্ধি কালৰ ছাত্ৰ-ছাত্ৰীসকলৰ চৰিত্ৰ গঠন কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়ৰ উচ্চ শিক্ষা আৰু বৃত্তি বাছনিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক প্ৰস্তুত কৰে।

৪২০. শিক্ষা বিভাগৰ অধীনস্থ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে কোমলমতীয়া ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানান্বেষণক সমৃদ্ধ কৰাৰ লগতে তেওঁলোকৰ ভৱিষ্যতৰ এক দৃঢ় বুনিয়াদ গঠন কৰাত সহায় কৰি আহিছে।

৪২১. 'আনন্দৰাম বৰুৱা বঁটা আঁচনি'ৰ অধীনত আমি মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ মেধাৰ স্বীকৃতি আৰু বঁটা হিচাপে বিনামূলীয়া লেপটপ (কম্পিউটাৰ) প্ৰদান কৰি আহিছোঁ।

৪২২. ৮১টা শৈক্ষিকভাৱে অনগ্ৰসৰ খণ্ডত (EBB) 'কস্তুৰবা গান্ধী বালিকা বিদ্যালয়-৪ৰ্থ'ৰ অধীনত বিদ্যালয় নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

৪২৩. শৈক্ষিকভাৱে অনগ্ৰসৰ (EBB) ৪৬টা খণ্ডত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত আদৰ্শ বিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হৈছে আৰু ইয়াৰে ২০খন আদৰ্শ বিদ্যালয় বৰ্তমানে কাৰ্যক্ষম হৈ উঠিছে। তদুপৰি ১৫খন আদৰ্শ বিদ্যালয় আৰু ৬৮খন মাধ্যমিক বিদ্যালয়ত ১০২টা স্মাৰ্ট (SMART) শ্ৰেণীকোঠা প্ৰৱৰ্তন কৰা হৈছে।

ৰাজ্যখনৰ বিভিন্ন হাইস্কুলত ২০,০০০ টকাৰ নিৰ্ধাৰিত দৰমহাত ৫৩০০ গৰাকী অতিৰিক্ত শিক্ষকে কাম কৰি আছে। অসম চৰকাৰে তেওঁলোকক সমগ্ৰ চাকৰিৰ কালছোৱাৰ বাবে অন্যান্য সুবিধাৰ সৈতে নিয়মীয়া দৰমহা গাথঁনি প্ৰদান কৰিব।

সৰ্বশিক্ষা অভিযানৰ অধীনত কাম কৰি থকা ১২,০০০ গৰাকী ৰাজ্যিক পুল শিক্ষক আৰু এই অভিযানৰ অধীনত কাম কৰি থকা ৪২,০০০ ঠিকাভিত্তিক শিক্ষকক একেই সুবিধা প্ৰদান কৰা হ'ব।

মই আশা কৰো যে এই পদক্ষেপে তেওঁলোকৰ ভৱিষ্যৎ সম্পৰ্কে থকা শংকা দূৰীকৰণত সহায় কৰিব আৰু ইয়ে শিক্ষাৰ গুণগত মান উন্নতকৰণত আত্মনিয়োগ কৰি যাবলৈ তেওঁলোকক অনুপ্ৰেৰণা যোগাব।

৪২৪. শেহতীয়াভাৱে মাধ্যমিক শিক্ষা বিভাগে মাধ্যমিক শিক্ষকৰ বাবে শিক্ষকৰ যোগ্যতা নিৰ্ণায়ক পৰীক্ষা (TET) অনুষ্ঠিত কৰিছে আৰু আমি আশা ৰাখিছোঁ যে খালী হৈ থকা

শিক্ষকৰ সকলো পদ ২০২০-২১ বিত্তীয় বৰ্ষৰ ভিতৰত পূৰণ কৰিব পৰা যাব। চৰকাৰে আমাৰ ৰাজ্যখনৰ মাদ্ৰাছা আৰু সংস্কৃত শিক্ষাৰ সংস্কাৰৰ বাবেও সক্ৰিয়ভাৱে বিবেচনা কৰি আছে। আমাৰ ৰাজ্যৰ ব্যক্তিগত মাদ্ৰাছাসমূহত ধৰ্মৰ বাহিৰে অন্ততঃ কেইটামান সাধাৰণ বিষয়ো যাতে পঢ়োৱা হয়, তাৰ বাবে এখন আইন অনা হ'ব। মই ২০২০-২১ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে ৫০৮১কোটি টকা ধাৰ্য কৰিছোঁ।

## XXXV. দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ

৪২৫. মাননীয় অধ্যক্ষ মহোদয়, যদি অসমে ইয়াৰ জনগাঁথনিগত দিশটোক কামত খটুৱাবলৈ বিচাৰে, তেন্তে ৰাজ্যখনৰ প্ৰতিগৰাকী যুৱক-যুৱতীয়েই উৎপাদনমুখী হ'ব লাগিব আৰু ৰাষ্ট্ৰ গঠনত বৰঙণি আগবঢ়াব লাগিব। আমাৰ চৰকাৰে দক্ষতাসম্পন্ন যুৱক-যুৱতী গঢ়ি তোলাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছে আৰু এই লক্ষ্যৰে অসমৰ যুৱক-যুৱতীসকললৈ সুনিশ্চিত গুণগত দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰিবলৈ আমি দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ (SEED) গঠন কৰিছোঁ। ভাৰত চৰকাৰৰ দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ অধীনৰ কেইবাখনো আঁচনি ৰূপায়ণৰ লক্ষ্যৰে অসমৰ যুৱক-যুৱতীসকললৈ গুণগত মানৰ দক্ষতা প্ৰশিক্ষণ প্ৰদান কৰাৰ অৰ্থে এই বিভাগটো গঠন কৰা হৈছে।

৪২৬. অধ্যক্ষ মহোদয়, বিগত বছৰটোত এই বিভাগে Apprenticeship & Training, National Career Service, Skill Development Mission ইত্যাদিৰ লেখীয়া বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। সকলো খণ্ডতে বিভিন্ন নিয়োগৰ সুবিধাৰ বিপৰীতে আমি ১ লাখ নিবনুৱা যুৱক-যুৱতীলৈ দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰিছোঁ আৰু ৫ বছৰত কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি PMKVY ৩.০ৰ অধীনত ৭,৭৪,২৯৫ গৰাকী যুৱক-যুৱতীক দক্ষ কৰি তোলাৰ পদক্ষেপ লোৱা হৈছে।

৪২৭. তদুপৰি, ভাৰতীয় যুৱক-যুৱতীক জাপানত সন্মানজনক নিয়োগৰ সুবিধা প্ৰদানকাৰী Technical Intern Training Program শীৰ্ষক এক প্ৰশিক্ষণ কাৰ্যসূচী ইতিমধ্যে আৰম্ভ কৰা হৈছে। অসম দক্ষতা বিকাশ মিছনে জাপানত সন্মানজনক নিয়োগৰ সুবিধা লাভ কৰাৰ বাবে ১৮০গৰাকী এনে প্ৰাৰ্থীক জাপানী ভাষাৰ প্ৰশিক্ষণ প্ৰদান কৰি আছে। Food & Beverage Service, Housekeeping, Beauty & Wellness আৰু Retail Salesৰ লেখীয়া চাৰিটা বৃত্তিত যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ অৰ্থে আমি এটা সৰ্বোৎকৃষ্ট দক্ষতা কেন্দ্ৰ স্থাপন কৰিছোঁ। ITE ছিংগাপুৰে এই কেন্দ্ৰলৈ কাৰিকৰী সাহায্য আগবঢ়াইছে। ই গুণগত মানৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে ১০০%

নিয়োগৰ নিশ্চয়তা প্ৰদান কৰিছে। তদুপৰি চীনা, ফৰাচী, পৰ্তুগীজ, স্পেনিচ, জাৰ্মান আৰু ইটালীৰ দৰে বিদেশী ভাষাত আমাৰ যুৱকসকলৰ দক্ষতা বৃদ্ধিৰ ওপৰতো আমি গুৰুত্ব আৰোপ কৰিছো।

৪২৮. দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ বাবে ২০২০-২১ বৰ্ষৰ বাজেটত মই ১৫৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## XXXVI. সমাজ কল্যাণ বিভাগ

৪২৯. মাননীয় অধ্যক্ষ মহোদয়, মহিলা, শিশু, দিব্যাংগ ব্যক্তি, জ্যেষ্ঠ নাগৰিক আৰু প্ৰান্তীয় লোকসকলৰ সৰ্বাংগীন সামাজিক সুৰক্ষা নিশ্চিত কৰি বিকাশৰ পথ প্ৰশস্ত কৰিবলৈ সমাজ কল্যাণ বিভাগে কেন্দ্ৰীয় সংস্থা হিচাপে কাম কৰে। অধ্যক্ষ মহোদয়, আমাৰ সাৰ্বজনীন সামাজিক সুৰক্ষাৰ মূল উদ্দেশ্য আগত লৈ সমাজ কল্যাণ বিভাগটো আমাৰ সমাজৰ মহিলা, শিশু, দিব্যাংগ ব্যক্তি, জ্যেষ্ঠ নাগৰিক আৰু অথৰ্ব লোকসকলৰ সামগ্ৰিক বিকাশ আৰু তেওঁলোকৰ সমস্যা সম্বন্ধে সামাজিক সচেতনতা সৃষ্টি কৰাৰ বাবেও দায়বদ্ধ।

৪৩০. ইতিপূৰ্বে মোৰ বাজেট ভাষণত উল্লেখ কৰাৰ দৰে 'দীনদয়াল দিব্যাংগজন সাহায্য আঁচনি'ৰ জৰিয়তে সমাজ কল্যাণ বিভাগে প্ৰতিজন দিব্যাংগ ব্যক্তিৰ স্বাস্থ্যৰ যতন ল'বলৈ ১,০০০ টকাকৈ পেঞ্চন আগবঢ়াই আহিছে।

৪৩১. মহোদয়, মই জনাবলৈ পাই সুখী হৈছো যে আমাৰ চৰকাৰে মহিলা সবলীকৰণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা আঁচনি, বেটি বাচাও বেটি পঢ়াও আঁচনি, কিশোৰীসকলৰ সন্তানৰ কল্যাণমূলক আঁচনি, গাৰ্হস্থ্য হিংসাৰ পৰা মহিলাক সুৰক্ষা প্ৰদান, ভৰসা আঁচনি, মহিলাৰ সুৰক্ষাৰ বাবে হেল্পলাইন, কৰ্মৰত মহিলাৰ বাবে নিৰাস ইত্যাদি। ভাৰত চৰকাৰৰ প্ৰতিবেদন অনুসৰি চলিত বৰ্ষত PMMVY আঁচনিৰ সফলতা ১০১ শতাংশ হৈছে। এতিয়ালৈকে প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে ৪,৬৯,৫১৮গৰাকী হিতাধিকাৰীক মুঠ ১৮৪.৪৯ কোটি টকা যোগান ধৰা হৈছে। মহিলাসকলৰ মাজত এক ব্যাপক সচেতনতা সৃষ্টি কৰিবলৈ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত আত্মৰক্ষাৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হৈছে আৰু ব্যাপক সজাগতামূলক অভিযানো আৰম্ভ কৰা হৈছে।

৪৩২. পোষন অভিযানৰ অধীনত মহিলা আৰু শিশু স্বাস্থ্য, পুষ্টি আৰু অনাময় সম্পৰ্কীয় বিভিন্ন বিষয়ত ৬ লাখতকৈও অধিক *কমিউনিটী বেচ ইভেন্টৰ* আয়োজন কৰা হৈছে। ICDS-CAS আঁচনিক গতিশীল কৰি তোলাৰ বাবে অংগনবাড়ী কেন্দ্ৰসমূহৰ ভিতৰত ৮৪%

কেন্দ্ৰকেই স্মাৰ্ট ফোনৰ যোগান ধৰা হৈছে আৰু ২০২০ চনৰ এপ্ৰিলৰ ভিতৰত সকলোবোৰ অংগনবাড়ী কেন্দ্ৰকেই সামৰি লোৱা হ'ব। এই অভিযানৰ অংশ হিচাপে আমি লোৱা পদক্ষেপৰ ফলত আমি সুফল লাভ কৰিবলৈ সক্ষম হৈছো। ৰাজ্যখনত *ষ্টান্টিং লেভেলৰ* পৰিমাণ ৩৬.৪%ৰ পৰা ৩২.৪%লৈ হ্ৰাস কৰিবলৈ সক্ষম হৈছো। আনহাতে ৰক্তহীনতাত আক্ৰান্ত ৬-৫৯ মাহৰ ভিতৰৰ শিশুৰ সংখ্যা ৩৫.৭%ৰ পৰা ৩৩.৭%লৈ হ্ৰাস পাইছে।

অহা কেইবছৰত আমি সকলোবোৰ অংগবাড়ী কেন্দ্ৰলৈ বিদ্যুৎ যোগান ধৰিম আৰু লগতে শিশুসকলক পুষ্টিকৰ খাদ্য যোগান ধৰাটো নিশ্চিত কৰিবলৈ এই কেন্দ্ৰবোৰৰ প্ৰতিটোতে গেছ সংযোগৰ ব্যৱস্থা কৰা হ'ব।

লগতে ৬ মাহ বয়সৰ পৰা আৰম্ভ কৰি নাবালক শিশুসকলৰ যতন ল'বলৈ আমি চাহ বাগিচাত থকা অংগনবাড়ী কেন্দ্ৰসমূহক ওমলাঘৰ (Creche)লৈ পৰিৱৰ্তন কৰিম। ই মাতৃ আৰু শিশু উভয়ৰে স্বাস্থ্যৰ মান উন্নয়নত প্ৰভূত প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি।

৪৩৩. ২০২০-২১ বৰ্ষৰ বাবে মই বিভাগটোলৈ ২১৫১ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।

## XXXVII. ভূমি সংৰক্ষণ বিভাগ

৪৩৪. অধ্যক্ষ মহোদয়, ভূমি সংৰক্ষণ বিভাগৰ মূল লক্ষ্য হৈছে— ভূমিৰ ক্ষয় হ্ৰাস কৰা, ভূমিৰ আৰ্দ্ৰতা বৃদ্ধি কৰা, কৃষি উৎপাদন বৃদ্ধিৰ বাবে বৰষুণৰ পানী সংৰক্ষণ কৰা আৰু কৃষিভূমিৰ সম্প্ৰসাৰণৰ লগতে খেতিয়কসকলক বছৰি দুটা কৃষিকাৰ্য অৱলম্বনৰ প্ৰতি আকৰ্ষিত কৰি উৎপাদন বৃদ্ধি কৰা।

৪৩৫. মহোদয়, জলশক্তি অভিযান আঁচনিৰ অধীনত পানী সংৰক্ষণৰ লগতে ভূমিৰ আৰ্দ্ৰতা ৰক্ষা আৰু ১৭,৩৯৩ হেক্টৰ বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰশীল কৃষিভূমিৰ বিকাশ সাধন কৰা হৈছে। তদুপৰি প্ৰায় ১,৬৬৬ হেক্টৰ নৈ-কাষৰীয়া ভূমি গৰাখহনীয়াৰ পৰা ৰক্ষা কৰা হৈছে।

৪৩৬. মই জনাবলৈ পাই সুখী হৈছো যে ভাৰত চৰকাৰে ৪,৪৮২ হেক্টৰ বৰষুণ নিৰ্ভৰশীল কৃষিভূমিৰ উন্নয়ন সাধনৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীৰ কৃষি সিঞ্চাই যোজনা (PMKSY) কাৰ্যসূচীৰ অধীনত মুঠ ৬৭ কোটি টকা আবণ্টন দিছে। এই আঁচনিয়ে কৃষকক বছৰি দুটা কৃষিকৰ্মলৈ উৎসাহিত কৰিব।

৪৩৭. বিভাগৰ প্ৰচেষ্টাসমূহক আগুৱাই নিবলৈ ২০২০-২১ বৰ্ষৰ বাজেটত মই ১৮৫ কোটি টকা আবণ্টন কৰিছোঁ।

## XXXVIII. ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ

৪৩৮. ৰাজ্যখনৰ ক্ৰীড়া আৰু ক্ৰীড়া ক্ষেত্ৰৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে কাম কৰি আহিছে। খেলুৱৈ তথা যুৱক-যুৱতীৰ কল্যাণ আৰু অসমৰ জনসাধাৰণৰ সৰ্বাংগীণ বিকাশৰ বাবেও বিভাগটো দায়বদ্ধ।

৪৩৯. মাননীয় অধ্যক্ষ মহোদয়, অসমক ভাৰতবৰ্ষৰ ভিতৰতে ক্ৰীড়াক্ষেত্ৰৰ কেন্দ্ৰস্থল হিচাপে গঢ়ি তুলি গুৱাহাটীক দেশৰ ক্ৰীড়াৰ ৰাজধানী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰীয়ে যি সপোন দেখিছে, সেই সপোনক সাকাৰ ৰূপ দিয়াৰ বাবে আমাৰ চৰকাৰে বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত কৰিছে। 'তৃতীয় খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া ২০২০' অলপতে গুৱাহাটীত সফলতাৰে অনুষ্ঠিত হয়। জানুৱাৰী মাহত সম্পন্ন হোৱা এই প্ৰতিযোগিতাত ১২,০০০তকৈ অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। অসমে এই প্ৰতিযোগিতাত ২০টা সোণ, ২২টা ৰূপ আৰু ৩৪টা ব্ৰঞ্জকে ধৰি মুঠ ৭৬টা পদক অৰ্জন কৰিছিল। সমগ্ৰ ৰাজ্যখনৰ হৈ মই এই খেলুৱৈসকলক অভিনন্দন জ্ঞাপন কৰিছোঁ।

৪৪০. মেগা মিছন ছ'চাইটী 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' শীৰ্ষক (CMSGUY) আঁচনিৰ অধীনত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ৫০০খন খেলপথাৰ (প্ৰতিটো উন্নয়ন খণ্ডত দুখনকৈ খেলপথাৰ) উন্নয়নৰ কাম হাতত লোৱা হৈছে। ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে ডিব্ৰুগড় জিলাৰ চাবুৱাত ৰাজ্যখনৰ ভিতৰতে প্ৰথম পদক্ষেপ হিচাপে অনিৰুদ্ধদেৱ ৰাজ্যিক ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। এই বিশ্ববিদ্যালয়ে স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত প্ৰদান কৰিবলগীয়া পাঠ্যক্ৰমসমূহ হ'ল —

(১) শাৰীৰিক শিক্ষা

(২) ক্ৰীড়া বিজ্ঞান

(৩) ক্ৰীড়া প্ৰযুক্তি

(৪) ক্ৰীড়া ঔষধ

(৫) ক্ৰীড়া পৰিচালনা ইত্যাদি।

৪৪১. ৰাজ্যখনৰ তৃণমূল পৰ্যায়ত ক্ৰীড়া প্ৰতিভাক উৎসাহিত কৰিবলৈ আমি পৰ্যায়ক্ৰমে সকলো জিলা আৰু মহকুমাৰ মুখ্য কাৰ্যালয়ত ছুইমিং পুলৰ সৈতে মিনি জীমনেছিয়াম নিৰ্মাণ কৰিবলৈও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। তদুপৰি অলিম্পিক ক্ৰীড়া শিতানত আমাৰ যুৱ এথলীটসকলক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ বিভিন্ন ক্ৰীড়া শিতানত প্ৰশিক্ষকৰ পদ সৃষ্টি কৰাৰ বাবে আমি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিম।

৪৪২. আনহাতে, মোৰ পূৰ্বৰ বাজেটত ঘোষণা কৰা অনুসৰি ডিব্ৰুগড়, উত্তৰ লখিমপুৰ আৰু শুৱালকুছিত ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে আৰু এই বৃহৎ প্ৰকল্পসমূহলৈ আমি বিত্তীয় যোগান অব্যাহত ৰাখিম। মই এইটো জনাবলৈ পাই সুখী হৈছো যে উত্তৰণ আঁচনিৰ অধীনত এই পৱিত্ৰ সদনৰ প্ৰায় ৩৩গৰাকী সদস্যই তেওঁলোকৰ বিধানসভা সমষ্টিসমূহত ষ্টেডিয়াম নিৰ্মাণৰ পৰামৰ্শ আগবঢ়াইছে। গড়কাপ্তানী বিভাগে ৩০০ কোটি টকা ব্যয় সাপেক্ষে এই ষ্টেডিয়ামকেইখনৰ নিৰ্মাণৰ কাম হাতত লৈছে। ৰাজ্যখনৰ ক্ৰীড়াৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত এই পদক্ষেপ মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব বুলি আশা কৰিব পাৰি।

৪৪৩. বিগত বৰ্ষৰ বাজেটত ৰাজ্যখনৰ ১,০০০গৰাকী বিশিষ্ট ক্ৰীড়াবিদলৈ গাইপতি ৫০,০০০ টকাকৈ এককালীন অনুদান আগবঢ়োৱাৰ কথা মই ঘোষণা কৰিছিলোঁ। ২০২০-২১ বিত্তীয় বৰ্ষত এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব।

৪৪৪. অধ্যক্ষ মহোদয়, ২০২০-২১ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই ১৭৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## XXXIX. কাৰিকৰী শিক্ষা বিভাগ

৪৪৫. মাননীয় অধ্যক্ষ মহোদয়, আমি বিশ্বাস কৰো যে 'জ্ঞানেই শক্তি'। ২০১১-১২ বৰ্ষত প্ৰস্তাৱ কৰা হৈছিল যে অসমৰ বিভিন্ন জিলাত ২১খন নতুন প'লিটেকনিক স্থাপন কৰা হ'ব। অধ্যক্ষ মহাশয়, অত্যন্ত সন্তুষ্টিৰে আজি মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে সমগ্ৰ ৰাজ্যখনতে ২১খন প'লিটেকনিক স্থাপন কৰিম বুলি থকা পূৰ্বৰ চৰকাৰৰ দীৰ্ঘদিনীয়া প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ ওলাইছো। আমি ১১খন প'লিটেকনিকৰ কাম-কাজ আৰম্ভ কৰিছোঁ আৰু আন ৫খন প'লিটেকনিক শৈক্ষিক পাঠ্যক্ৰম ২০২০-২১ বৰ্ষৰ পৰা আৰম্ভ কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

৪৪৬. মহাশয়, আমাৰ চৰকাৰে অলপতে কৰিমগঞ্জ আৰু গোলাঘাটত দুখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ কাম-কাজ আৰম্ভ কৰিছে। ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ শৈক্ষিক বৰ্ষ ২০২০-২১ বৰ্ষৰ পৰা আৰম্ভ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। বঙাইগাঁও, বিহালী আৰু শুৱালকুছিত আৰু তিনিখন অভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণ কৰিবলৈ লোৱা হৈছে আৰু হাজো, মাজুলী আৰু টিংখঙত আন তিনিখন নতুন প'লিটেকনিকৰ নিৰ্মাণকাৰ্য অতি সোনকালে আৰম্ভ কৰা হ'ব।

৪৪৭. এইবছৰ আৰম্ভ কৰা Overseas Internship Programeৰ অধীনত শীতকালীন বন্ধত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউ কে (UK)ৰ আগশাৰীৰ বিশ্ববিদ্যালয়সমূহত স্নাতক পৰ্যায়ৰ তলৰ ২৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল।

৪৪৮. মহাশয়, এই উন্নয়নমূলক কাম-কাজসমূহ অব্যাহত ৰাখিবলৈ SOPD বাজেটৰ অধীনত এই বিভাগলৈ মই ৩৯২ কোটি টকা আবণ্টন দিছোঁ।

## XL. পৰ্যটন বিভাগ

৪৪৯. মাননীয় অধ্যক্ষ মহোদয়, অসমৰ পৰ্যটনৰ নীতি নিৰ্ধাৰণ আৰু কাৰ্যপন্থা যুগুতকৰণৰ ক্ষেত্ৰত পৰ্যটন বিভাগে কেন্দ্ৰীয় সংস্থা হিচাপে কাম কৰে। শেহতীয়াকৈ অসম আৰু ইয়াৰ নৈসৰ্গিক সৌন্দৰ্যই দেশী-বিদেশী পৰ্যটকসকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

৪৫০. মহাশয়, আপুনি নিশ্চয় অৱগত যে ৬৫তম ফিল্মফেয়াৰ এৱাৰ্ড অনুষ্ঠান অলপতে গুৱাহাটীত অনুষ্ঠিত হৈ যায়। ফিল্মফেয়াৰ এৱাৰ্ডৰ ঐতিহ্যময় ইতিহাসত প্ৰথমবাৰৰ বাবে মুম্বাইৰ বাহিৰত এই অনুষ্ঠান অনুষ্ঠিত হয়, য'ত এই অনুষ্ঠানৰ অংশীদাৰ হিচাপে অসম পৰ্যটনে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। এই অনুষ্ঠান সমগ্ৰ বিশ্বৰ কোটি কোটি দৰ্শকে উপভোগ কৰিছিল।

৪৫১. তদুপৰি পৰ্যটন বিভাগে ২০২০-২১ বিত্তীয় বৰ্ষত নিম্নোক্ত আন্তঃগাঁথনিগত উন্নয়নৰ আঁচনিসমূহ হাতত লোৱাৰ প্ৰস্তাৱ লৈছে।

- দিব্যাংগসকলৰ বাবে বিভিন্ন সা-সুবিধাসহ বৰ্তমানে থকা পৰ্যটন আন্তঃগাঁথনিৰ উন্নীতকৰণ।
- নতুন পৰ্যটনস্থলীসমূহত পৰ্যটকৰ বাবে সা-সুবিধা।
- মাজুলীত হোটেল নিৰ্মাণ।
- ৰাজ্যিক হোটেল মেনেজমেণ্ট প্ৰতিষ্ঠান, যোৰহাট (হোষ্টেল, অধ্যক্ষ আৰু কৰ্মচাৰীৰ বাসগৃহ, অভ্যন্তৰীণ পথ, স্থানৰ উন্নয়ন সাধন, লেণ্ডস্কেপিং, অঞ্চলটোত লাইটৰ ব্যৱস্থা ইত্যাদি)
- কামাখ্যাত ৰ'পৱে।
- দীঘলীপুখুৰীৰ পানীৰ গুণগত মানৰ উন্নয়ন সাধন।
- আমিনগাঁওস্থিত শৰাইঘাট লে'কৰ অৱসৰ-বিনোদনৰ ব্যৱস্থা।
- নগাঁৱত ট্যুৰিষ্ট ল'জৰ আধৰুৱা কাম।

৪৫২. আমাৰ চৰকাৰে দেশৰ, আনকি বিদেশৰো বিভিন্ন আগশাৰীৰ চহৰত অনুষ্ঠিত হোৱা বিভিন্ন মহোৎসৱত ৰাজ্যখনৰ চহকী সাংস্কৃতিক তথা প্ৰাকৃতিক ঐতিহ্য প্ৰদৰ্শনৰ ক্ষেত্ৰত

উদ্ভাৱনীমূলক পদক্ষেপ গ্ৰহণ কৰিছে। "Awesome Assam" হিচাপে অসমৰ উজ্জ্বল ভাবমূৰ্তি অটুট ৰাখিবলৈ দূৰদৰ্শনত বাণিজ্যিক বিজ্ঞাপন, ছপা মাধ্যমত দিয়া বিজ্ঞাপন আৰু বহিঃ বিজ্ঞাপনৰ জৰিয়তে এক বহল পৰিসৰৰ বহুমুখী অভিযানৰ পদক্ষেপ লৈছে।

৪৫৩. বিভাগে পৰ্যায়ক্ৰমে সমগ্ৰ ৰাজ্যখনৰে বিভিন্ন পৰ্যটনস্থলীত ৰাজহুৱা সুখ-স্বাচ্ছন্দ্যৰ সা-সুবিধা সৃষ্টিৰ বাবে পদক্ষেপ হাতত লৈছে আৰু পৰিৱেশ পৰ্যটন তথা আৱৰ্জনা নিষ্কাশন ব্যৱস্থা সম্পৰ্কে সজাগতা বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে।

৪৫৪. পুণ্যধাম যাত্ৰা আঁচনিৰ অধীনত জ্যেষ্ঠ নাগৰিকসকলৰ বাবে আমি তীৰ্থযাত্ৰাৰ আয়োজন কৰিছো। এই আঁচনিৰ অধীনত এতিয়ালৈকে প্ৰায় ৪,৯৫০গৰাকী তীৰ্থযাত্ৰী উপকৃত হৈছে।

৪৫৫. অধ্যক্ষ মহোদয়, এই বিভাগে গ্ৰহণ কৰা আঁচনিসমূহৰ বাবে বাজেটত মই ১২৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## XLI. ৰূপান্তৰ আৰু উন্নয়ন বিভাগ

৪৫৬. অধ্যক্ষ মহোদয়, এই বিভাগে ৰাজ্যিক পৰিকল্পনাৰ অন্তৰ্গত আঁচনি আৰু বিকাশমূলক নীতিৰ পৰিকাঠামোসমূহ যুগুত কৰে। আমাৰ নীতি আৰু পৰিকল্পনাসমূহে যাতে অসমৰ বাবে এক সৰ্বাত্মক, সন্তুলিত আৰু বহনক্ষম উন্নয়নৰ কাৰ্যসূচী প্ৰতিফলিত কৰে, তাক নিশ্চিত কৰাৰ বাবেও এই বিভাগ সদায় দায়বদ্ধ।

৪৫৭. প্ৰত্যাশী জিলা (Aspirational District) সমূহত মানৰ উন্নয়নৰ মানৰ উন্নয়ন সুনিশ্চিত কৰিবলৈ বিভাগ বদ্ধপৰিকৰ। এইক্ষেত্ৰত ২০১৯-২০ বৰ্ষত আমাৰ চৰকাৰে এই জিলাবোৰত বিকাশমূলক কাম-কাজৰ জোৰা মাৰিবলৈ ২৮ কোটি টকা আগবঢ়াইছে। ২০২০-২১ বিত্তীয় বৰ্ষতো বিত্তীয় ৰাশিৰ জোৰা মাৰিবলৈ পুঁজি আগবঢ়োৱা হ'ব। 'আসাম এজেণ্ডা-২০৩০' (Assam Agenda-2030)ৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে বিশ্ব বেংকৰ সাহায্যত এক তথ্য আৰু যোগাযোগ প্ৰযুক্তি (ICT) ভিত্তিক SDG Monitoring Dashboard প্ৰস্তুত কৰি থকা হৈছে। এই পৱিত্ৰ সদনক জনাবলৈ পাই মই সুখী হৈছো যে উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয় (Ministry of Development of North Eastern Region– DoNER)ৰ সাহায্যপ্ৰাপ্ত উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি আঁচনি (NESIDS)ৰ অধীনত মন্ত্ৰালয়ে ৮টা প্ৰকল্পৰ প্ৰস্তাৱত অনুমোদন জনাইছে আৰু ৭৩ কোটি টকাৰ পুঁজি মুকলি কৰি দিছে।

৪৫৮. অধ্যক্ষ মহোদয়, ২০২০-২১ বৰ্ষৰ বাবে মই বিভাগটোলৈ ২৫৯৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## XLII. পৰিবহণ বিভাগ

৪৫৯. মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ পৰিবহণ বিভাগটো এক অন্যতম ৰাজহ উপাৰ্জনকাৰী বিভাগ। পৰিবহণ বিভাগে ৰাজ্যখনৰ পথ যোগাযোগ ব্যৱস্থা ব্যৱহাৰ কৰা নাগৰিকসকলৰ পথ সুৰক্ষাৰ পৰা আৰম্ভ কৰি ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ অভ্যন্তৰীণ জলপথত ফেৰী সেৱা ব্যৱহাৰ কৰা যাত্ৰীসকলৰ নিৰাপত্তাৰ লগতে মালবাহী নৌবাহনসমূহৰ নিৰাপদ যাতায়াত সুনিশ্চিত কৰে।

৪৬০. পৱিত্ৰ সদনৰ সদস্যসকলক জনাবলৈ পাই মই সুখী হৈছোঁ যে এই বিভাগে বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত এক 'অসম অভ্যন্তৰীণ জল পৰিবহণ প্ৰকল্প' ৰূপায়ণ কৰি আছে। এই প্ৰকল্পৰ জৰিয়তে ব্ৰহ্মপুত্ৰত চলাচল কৰা নাও/জলযানসমূহক প্ৰতিটো মুহূৰ্ততে পৰ্যবেক্ষণ কৰিবলৈ 'ৰিয়েল টাইম মনিটৰিং' (Real Time Monitoring)ৰ বাবে এটা সংহত নিয়ন্ত্ৰণ কক্ষ (Integrated Command Control Centre– ICCC)ৰ সৈতে এক বিস্তৃত 'ৰিভাৰ ইনফৰ্মেছন ছীষ্টেম্' (River Information System) স্থাপন কৰা হ'ব। ইয়াৰ উপৰি National Technology Centre for Ports, Waterways and Coasts (NTCWPC) কেন্দ্ৰটোৱে ব্ৰহ্মপুত্ৰত নিশাৰ ভাগত চলিবলগীয়া নৌ-পৰিবহণ ব্যৱস্থা ৰূপায়িত কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়াই আহিছে।

৪৬১. অধ্যক্ষ মহোদয়, ৰাজ্যখনত এক সুচল আৰু বহনক্ষম ফেৰী সেৱা স্থাপন কৰাৰ বাবে অভ্যন্তৰীণ জল পৰিবহণ (IWT)ৰ 'জীৱনডিঙা' (Jibondinga) নামৰ এক উদগনিমূলক (Incentive based) আঁচনি ৰূপায়ণ কৰি থকা হৈছে।

৪৬২. মহোদয়, উবেৰাইজেছন্ (Uberization) আঁচনিৰ অধীনত আমাৰ চৰকাৰে উদ্যমী যুৱক, ক্ষুদ্ৰ ব্যৱসায় আৰু আত্মসহায়ক গোট (SHG)বোৰক পৰিবহণ উদ্যোগ আৰু ASTCত অংশগ্ৰহণ কৰাৰ বাবে উৎসাহ যোগাই আহিছে আৰু Faster Adoption and Manufaturing of Hybrid & Electric Vehicle (FAME-I) আঁচনিৰ অধীনত প্ৰদূষণমুক্ত ইলেক্ট্ৰিক্ বাছৰ চলাচলো আৰম্ভ কৰিছে।

৪৬৩. অধ্যক্ষ মহোদয়, ২০২০-২১ বিত্তীয় বৰ্ষৰ বাবে মই বিভাগটোলৈ ৫৪০ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ দিছো।

## XLIII. নগৰ উন্নয়ন বিভাগ

৪৬৪. মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নগৰ আৰু চহৰ অঞ্চলসমূহৰ বিকাশ আৰু উন্নয়ন সাধনৰ জৰিয়তে নগৰসমূহক অৰ্থনৈতিক বিকাশৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাটোৱেই হ'ল

নগৰ উন্নয়ন বিভাগৰ লক্ষ্য। বিভাগটোৱে আন্তঃগাঁথনিৰ উন্নয়নৰ জৰিয়তে নগৰীয়া সেৱাৰ মান সুনিশ্চিত কৰে, য'ত সুনিশ্চিত সেৱা প্ৰদান কৰা হয় আৰু অনিয়ন্ত্ৰিত নগৰীকৰণৰ নামত সু-প্ৰশাসন ব্যৱস্থাক আপোচ কৰা নহয়।

৪৬৫. এই বিভাগে ৰূপায়ণ কৰা ভিন্ন ভিন্ন আঁচনিসমূহ হ'ল—

(১) নগৰীয়া আন্তঃগাঁথনি উন্নয়ন প্ৰকল্প

(২) জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নৱীকৰণ অভিযান (JNNURM)

(৩) ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযান (NLUM)

(৪) প্ৰধানমন্ত্ৰী আৱাস যোজনা - নগৰীয়া

(৫) নগৰীয়া পুনৰুজ্জীৱিতকৰণ অভিযান-AMRUT

(৬) স্বচ্ছ ভাৰত অভিযান (নগৰীয়া) ইত্যাদি।

৪৬৬. আমাৰ নাগৰিকসকল, বিশেষকৈ মহিলাসকলৰ সুৰক্ষাৰ কথা বিবেচনা কৰি নগৰ অঞ্চলৰ স্থানীয় নিকায়সমূহত সৌৰশক্তিচালিত ষ্ট্ৰীট লাইট স্থাপনৰ বাবে আমাৰ চৰকাৰে এখন আঁচনিৰ প্ৰস্তাৱ কৰিছে, যিখন ২০২০-২১ বৰ্ষত ৰূপায়ণ কৰা হ'ব। প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰীয়া) ৰূপায়ণৰ বাবে ৭৬৬ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ দ্বাৰা আমাৰ সমাজৰ অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ ৯০,৩০৬টা পৰিয়ালৰ বাবে এটাকৈ আৱাস গৃহৰ ব্যৱস্থা কৰিব পৰা যাব।

৪৬৭. ২০২০-২১ বৰ্ষৰ বাজেটত নগৰ উন্নয়ন বিভাগৰ বাবে মই ১৭৫৪ কোটি টকা ধাৰ্য কৰিছো।

## XLIV. জলসম্পদ (বান নিয়ন্ত্ৰণ) বিভাগ

৪৬৮. মাননীয় অধ্যক্ষ মহোদয়, জলসম্পদ বিভাগে বানপানী নিয়ন্ত্ৰণৰ সৰ্বোত্তম ব্যৱস্থাপনা সুনিশ্চিত কৰে আৰু বানৰ কবলত পৰা ৰাজ্যখনৰ নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰাৰ বাবে দায়বদ্ধ হোৱাৰ লগতে নদীৰ গৰাখহনীয়া প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে সক্ৰিয়ভাৱে কাম কৰে। জলসম্পদ বিভাগৰ লক্ষ্য হ'ল— গৰাখহনীয়া আৰু বানপানীৰ পৰা অসমক সঠিকভাৱে সুৰক্ষা প্ৰদান কৰাৰ লগতে ৰাজ্যৰ বান নিষ্কাশনৰ পৰ্যাপ্ত সুবিধা নথকা অঞ্চলসমূহত বান নিষ্কাশনৰ সুব্যৱস্থা ৰূপায়ণ কৰা।

৪৬৯. ২০১৯ বৰ্ষত প্ৰলয়ংকৰী বানপানীৰ সময়ত ব্ৰহ্মপুত্ৰ, বৰাক আৰু তাৰ উপনৈসমূহৰ বিভিন্ন মথাউৰি ৩৮টা স্থানত ভাগিছিল তথা বিচ্ছিন্ন হৈছিল। সন্মানীয় সদস্যসকলৰ নিশ্চয় মনত আছে যে ২০১৯ বৰ্ষৰ জুলাই মাহৰ বানপানীত ভগা সকলোবোৰ অংশ মেৰামতিৰ বাবে

আমি দীৰ্ঘম্যাদী পদক্ষেপ ল'ম বুলি মই এই পৱিত্ৰ সদনৰ আগত ঘোষণা কৰিছিলোঁ। এই কামসমূহৰ বাবে ৩৫০ কোটি টকা মঞ্জুৰি দিয়া হৈছে।

৪৭০. লগতে এই সদনৰ মজিয়াত মই জনাবলৈ পাই অতিকৈ সুখী হৈছোঁ যে কলং নদীৰ পুনৰুজ্জীৱিতকৰণ নামৰ বিশেষ প্ৰকল্পৰ অধীনত WAPCOSৰ দ্বাৰা ১৩৫.৪০ কোটি টকা মূল্যৰ এক বিশদ প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ আৰ্থিক অনুমোদনৰ প্ৰক্ৰিয়া বৰ্তমান চলি আছে।

৪৭১. ২০২০-২১ বৰ্ষৰ বাবে মই এই বিভাগলৈ মুঠ ৯৪৮ কোটি টকা আবণ্টন কৰিছো।

## XLV. সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ

৪৭২. সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মূল লক্ষ্য হ'ল সংখ্যালঘু সম্প্ৰদায়ৰ সবলীকৰণ তথা বিভিন্নতাৰে পৰিপূৰ্ণ সাংস্কৃতিক, ভাষিক আৰু ধৰ্মীয় বৈচিত্ৰ্যৰ ভেটিক অধিক সুদৃঢ় কৰাৰ বাবে এক অনুকুল বাতাৱৰণ সৃষ্টি কৰা।

৪৭৩. এই পৱিত্ৰ সদনত সদস্যসকলক জনাবলৈ পাই মই সুখী হৈছোঁ যে অধিসূচিত সম্প্ৰদায়সমূহৰ কল্যাণৰ কাৰণে এই বিভাগে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে— প্ৰেক্ষাগৃহৰ সৈতে মুকলি ৰংগমঞ্চ নিৰ্মাণ, হাজী মুছাফিৰখানা ভৱনৰ নৱীকৰণ আৰু জৈন, খ্ৰীষ্টিয়ান আৰু শিখ সম্প্ৰদায়ৰ বাবে সমূহীয়া সভাঘৰ আৰু প্ৰেক্ষাগৃহ নিৰ্মাণ ইত্যাদি। অধিসূচিত সম্প্ৰদায়সমূহৰ মহিলা, যুৱক-যুৱতীসমূহৰ সবলীকৰণৰ লগতে নিয়োগ সৃষ্টিৰ বাবে এ এন্ এম্, জি এন্ এম্, বি এছ্ চি নাৰ্ছিং প্ৰশিক্ষণ কাৰ্যসূচী, ফাৰ্মাচী কাৰ্যসূচী, ফিজিঅ'থেৰাপী আদি বিভিন্ন পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে।

৪৭৪. মহোদয়, সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন জলপানি আঁচনি গ্ৰহণ কৰা হৈছে। প্ৰৱেশিকোত্তৰ জলপানি, মেধাভিত্তিক জলপানি, প্ৰাক্ প্ৰৱেশিকা জলপানি আদি আঁচনিৰ অধীনত সংখ্যালঘু সম্প্ৰদায়ৰ ১.৮ লাখতকৈ অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।

৪৭৫. মহোদয়, বিভাগে এই সম্প্ৰদায়সমূহক উৎসাহ যোগোৱাৰ প্ৰচেষ্টাক অব্যাহত ৰাখি ২০২০-২১ বিত্তীয় বৰ্ষত তেওঁলোকৰ মাজত চাইকেল, চিলাই মেচিন, কৃষিৰ বাবে প্ৰয়োজনীয় সামগ্ৰী, ই-ৰিক্সা, সৌৰ ষ্ট্ৰীট্ লাইট, হেণ্ড স্প্ৰেয়াৰ মেচিন, তিনিচকীয়া পিক্ আপ্ ভেন/অট'ৰিক্সা, হুইল চেয়াৰ আদি বিতৰণৰ বাবে কেবাখনো আঁচনি হাতত লোৱাৰ পৰিকল্পনা লৈছে।

৪৭৬. এই বিভাগটোলৈ মই ২০২০-২১ বৰ্ষৰ বাজেটত ২০৯ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## XLVI. ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী বিভাগ

৪৭৭. ৰাজ্যখনৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ আৰু বিকাশৰ উদ্দেশ্যে ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী বিভাগে আঁচনি যুগুতকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰত মূল ভূমিকা পালন কৰে। অনুসূচিত জাতি/অনুসূচিত জনজাতি/অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ উন্নয়নৰ বাবে আমি লোৱা বিকাশমূলক কাৰ্যসূচীৰ অংশ হিচাপে এই শ্ৰেণীবোৰৰ ৬,১৯,৯১৮সংখ্যক হিতাধিকাৰীয়ে এককালীন বিশেষ অনুদান লাভ কৰিছে আৰু ৫৪,৫৫৯সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে জলপানি লাভ কৰিছে।

৪৭৮. অনুসূচিত জনজাতিৰ ভাতৃ-ভগ্নীসকলৰ বাবে একলব্য আদৰ্শ আৱাসিক বিদ্যালয় (EMRS) নিৰ্মাণৰ লগতে প্ৰধানমন্ত্ৰী বনবন্ধু যোজনা (PMVBY) আঁচনিখনৰো ৰূপায়ণৰ ব্যৱস্থা লোৱা হৈছে।

৪৭৯. মই ২০২০-২১ বৰ্ষৰ বাবে এই বিভাগটোলৈ ৪৭৪৮ কোটি টকা আবণ্টন দিছোঁ।

## খণ্ড-II

মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া এই পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলৰ বোধগম্য হোৱাকৈ কেতবোৰ প্ৰধান বিত্তীয় স্থিৰাংক (parameter)ৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিত্তীয় অৱস্থাৰ এখন ছবি দাঙি ধৰিব বিচাৰিছো।

মহাশয়, মই আলোকপাত কৰিব বিচাৰিছো যে ২০১৯-২০ বৰ্ষত বিশ্ব অৰ্থনীতিৰ অৱস্থা খুব এটা আশানুৰূপ নাছিল, যিটোৱে ভাৰতীয় অৰ্থনীতিকো প্ৰভাৱান্বিত কৰিছিল। তৎসত্বেও আমাৰ ৰাজ্যৰ অৰ্থনীতি সেই বৰ্ষটোত প্ৰধানতঃ সুস্থিৰ আছিল আৰু আমাৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ পৰিমাণ পূৰ্বৰ বৰ্ষটোতকৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। মহাশয়, এনে প্ৰেক্ষাপতত মই জনাব বিচাৰো যে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত প্ৰযুক্তি সমৰ্থ স্বয়ংক্ৰিয়কৰণৰ যোগেদি ৰাজ্যৰ ৰাজহ বৃদ্ধিত আমি গ্ৰহণ কৰা অবিৰত প্ৰচেষ্টাৰ জৰিয়তে সুফল লাভ কৰা হৈছে। ইয়াৰ ফলস্বৰূপে নিয়মীয়া আৰু উন্নয়নমূলক আঁচনিৰ বাবে হোৱা ব্যয় বৃদ্ধি পোৱা সত্বেও ২০১৫-১৬ বৰ্ষৰ পিছত ২০১৮-১৯ বৰ্ষত পোনপ্ৰথমবাৰৰ বাবে আমি ৰাজহ ৰাহি কৰিবলৈ সক্ষম হৈছিলো আৰু ২০১৯-২০ বৰ্ষতো এই ধাৰা অটুট আছিল। ফলস্বৰূপে মহাগাণনিকে দাখিল কৰা প্ৰাক্ প্ৰকৃত হিচাপ অনুসৰি আমাৰ বিত্তীয় ঘাটিৰ পৰিমাণ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ এফ আৰ বি এমৰ নিৰ্দ্ধাৰিত ৩% লক্ষ্যৰ বিপৰীতে ২০১৮-১৯ বৰ্ষত তাৎপৰ্যপূৰ্ণভাৱে ১.৪৭% জি এছ ডি পি লৈ হ্ৰাস পাইছে। ২০১৯-২০ বৰ্ষত কেন্দ্ৰীয় হস্তান্তৰ পুঁজি হ্ৰাস পোৱাৰ এক পৰিস্থিতিত মূলধনী ব্যয়সহ নিয়মীয়া আৰু উন্নয়নমূলক কামৰ বাবে হোৱা ব্যয় বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত বিত্তীয় ঘাটি বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

মহাশয়, শেহতীয়াকৈ আমাৰ ৰাজ্যখনৰ বিত্তীয় ঘাটিৰ জোৰা মৰাৰ ক্ষেত্ৰত বজাৰ ঋণ হৈছে এক প্ৰধান উৎস আৰু সেই অনুসৰি ২০১৯-২০ বৰ্ষত মুকলি বজাৰৰ পৰা গ্ৰহণ কৰা ঋণৰ পৰিমাণ কিছু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। অৱশ্যে আমাৰ ঋণ ব্যৱস্থাপনাৰ ইতিবাচক দিশটো হ'ল উন্নয়নমূলক ব্যয়ৰ জোৰা মাৰিবলৈ তথা ৰাজ্যখনত আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ উচ্চ ঋণ ল'ব লগা পৰিস্থিতি হোৱা স্বত্বেও আমাৰ পৰিশোধ কৰিবলৈ বাকী থকা ঋণৰ পৰিমাণ পৰিশোধ কৰিব পৰা সীমাৰ ভিতৰতে আছে, কিয়নো মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন আৰু ঋণৰ অনুপাত

তথা সুত পৰিশোধ আৰু ৰাজহ প্ৰাপ্তিৰ অনুপাত চতুৰ্দশ বিত্ত আয়োগে নিৰ্দ্ধাৰণ কৰি দিয়া নিৰিখতকৈ যথেষ্ট কম।

মই উল্লেখ কৰিব বিচাৰিছো যে কেগে (CAG) তেওঁলোকৰ ৰাজ্যিক বিত্ত সম্পৰ্কীয় প্ৰতিবেদনত ২০১৬-১৭ বৰ্ষতকৈ ২০১৭-১৮ বৰ্ষত মূলধনী ব্যয়ৰ ক্ষেত্ৰত হোৱা ৪০% বৃদ্ধিক উচ্চ প্ৰশংসা কৰিছে। মোৰ বিশ্বাস যে পৰৱৰ্তী বৰ্ষসমূহতো কেগৰ প্ৰতিবেদনত মূলধনী ব্যয়ৰ ক্ষেত্ৰত হোৱা বৃদ্ধিৰ দিশটো প্ৰতিফলিত হ'ব।

আমি এই কথাও উল্লেখ কৰিব বিচাৰো যে ৰাজ্যখনত মূলধনী ব্যয় যথেষ্ট বৃদ্ধি পোৱাৰ বিপৰীতে ৰাজহ ব্যয়ৰ পৰিমানো বৃদ্ধি পাইছে, যিটোৱে নিয়মীয়া ব্যয়কো সামৰি লৈছে। ২০২০-২১ বিত্তীয় বৰ্ষত ওপৰা ওপৰিকৈ হাতত লোৱাৰ সম্ভাৱনা থকা আঁচনিসমূহ এৰাই চলিবলৈ এই আঁচনিসমূহ পৰ্যালোচনা তথা যুক্তিসংগত কৰাৰ বাবে আমি পদক্ষেপ হাতত লম, যাতে "Outcome & Impact oriented design তথা আঁচনিৰ ৰূপায়ণলৈ আমি আগবাঢ়িব পাৰো, আৰু লগতে 'টকাৰ মূল্য'ও (value for money) সুনিশ্চিত কৰিব পাৰো। মোৰ বিশ্বাস যে আমাৰ লক্ষ্য "সঠিক ভাবে খৰছ কৰা, ভালকৈ খৰছ কৰা আৰু কমকৈ খছৰ কৰা (spend right, spend well and spend less)" ত উপনীত হোৱাৰ ক্ষেত্ৰত ই হ'ব এক সঠিক পদক্ষেপ।

মহাশয়, আমি হাতত লোৱা বিভিন্ন ৰাজহুৱা বিত্তীয় সংস্কাৰমূলক পদক্ষেপ তথা অনাগত দিনবোৰৰ বাবে আমি হাতত ল'বলৈ বিচৰা প্ৰস্তাৱিত সংস্কাৰমূলক পদক্ষেপ সম্পৰ্কে এই পৱিত্ৰ সদনৰ সদস্যসকলক অৱগত কৰিব বিচাৰিছো।

## ৰাজহুৱা বিত্তৰ সংস্কাৰ

অধ্যক্ষ মহোদয়, আমাৰ কাৰ্যকালত ৰাজহ বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ কৰি, আভ্যন্তৰীণ প্ৰক্ৰিয়াত সংস্কাৰ সাধনৰ জৰিয়তে আমাৰ বিভাগসমূহৰ দক্ষতা তথা সামৰ্থ বৃদ্ধি, চৰকাৰৰ সৈতে কৰা মত বিনিময়ত নাগৰিকক সুবিধা প্ৰদান তথা চৰকাৰৰ কাম-কাজত স্বচ্ছতা সুনিশ্চিতকৰণৰ দ্বাৰা আস্থা বৃদ্ধি আদিৰ জৰিয়তে আমাৰ চৰকাৰে ৰাজ্যৰ বিত্তীয় অৱস্থা সবল কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এইটো আমাৰ বাবে এক কষ্টকৰ যাত্ৰা, যিটো আমি অতিক্ৰম কৰি আহিছো আৰু মই এই সুযোগতে আমি বিভিন্ন ক্ষেত্ৰত সম্পাদন কৰা কাম-কাজ সম্পৰ্কে এই পৱিত্ৰ সদনক অৱগত কৰিবলৈ বিচাৰিছো।

মহাশয়, আমাৰ আভ্যন্তৰীণ ৰাজহ অৰ্জন বৃদ্ধি কৰিবলৈ পোনতে আমি হাতত লোৱা পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰি মই সেইসমূহৰ বিষয়ে অৱগত কৰিব বিচাৰিছো।

i) বিশ্ব বেংক, এছীয় উন্নয়নী বেংক, জাইকা ইত্যাদিৰ পৰা বহিঃ সাহায্য আহৰণত গুৰুত্ব প্ৰদান কৰিবলৈ ২০১৭ চনত বিত্ত বিভাগত Lead Externally Aided Project Cell (LEAP Cell) গঠন কৰা হৈছিল। মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে পথ, দলং, শক্তি ব্যৱস্থা, স্বাস্থ্য ইত্যাদি খণ্ডসমূহত অনুমোদিত ১৮, ৮৬২ কোটি টকাৰ ৭ টা নতুন বহিঃসাহায্য প্ৰকল্প আৰু জল সম্পদ, নগৰীয়া আন্তঃগাঁথনি, দক্ষতা বিকাশ আদি খণ্ডসমূহত নীতিগতভাৱে অনুমোদিত ১০,০৬৪ কোটি টকাৰ আন ৪ টা বহিঃসাহায্য প্ৰকল্প প্ৰাপ্তিত LEAP Cell টো হ'ল এক আহিলা স্বৰূপ। ইয়াৰ উপৰি বান আৰু গৰাখহনীয়া ব্যৱস্থাপনা, জলাহ ঠাই সংৰক্ষণ, মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত নিয়ন্ত্ৰণ, পৰ্যটন আদি খণ্ডত ১০,০০০ কোটি টকাতকৈ অধিক টকাৰ আন ৮ টা প্ৰকল্প অনুমোদনৰ বিভিন্ন পৰ্যায়ত আছে। এই প্ৰকল্পকেইটা ৰূপায়িত হ'লে ৰাজ্যখনৰ মানৱ আৰু অৰ্থনৈতিক উন্নয়নৰ ওপৰত ইয়াৰ এটা নাটকীয় প্ৰভাৱ পৰিব।

ii) তথ্য বিশ্লেষণৰ বাবে এটা উৎকৰ্ষতাৰ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি ২০১৯-২০ বৰ্ষৰ বাজেটত আমি কৰা ঘোষণামৰ্মে বিত্ত বিভাগত এই কেন্দ্ৰ স্থাপনৰ বাবে আমি কাম কৰি আছো। ইয়াৰ দ্বাৰা বিভিন্ন বিভাগৰ ডাটাবেচৰ পৰা লেনদেন সম্পৰ্কীয় তথ্য Cross-referencing কৰি তথ্য পৰিচালিত সিদ্ধান্ত গ্ৰহণ তথা বিভিন্ন বিভাগৰ দ্বাৰা ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত থকা সাম্ভাব্য সুৰুঙাসমূহ বন্ধ কৰিব পৰা যাব। ২০২০-২১ বৰ্ষত আমি এই গোটটো স্থাপন কৰিম আৰু মোৰ বিশ্বাস যে অনাগত বৰ্ষসমূহত কৰ ফাঁকি আৰু কৰ পৰিশোধ এৰাই চলা ঘটনাসমূহক বাধা প্ৰদান কৰাত ই আমাক যথেষ্ট সমৰ্থবান কৰি তুলিব।

iii) তদুপৰি, পৰিবহন, ৰাজহ আৰু বন বিভাগৰ বাবে এই বিভাগসমূহৰ মাজত বুজাবুজিৰে এক কৌশলগত ৰাজহ বৃদ্ধি কৰ্ম আঁচনি যুগুতকৰণৰ দিশত আমি কাম কৰি আছো। ইয়াৰ দ্বাৰা এই বিভাগসমূহৰ বাবে নতুন আৰু পৰিপূৰক ৰাজহ ক্ষেত্ৰসমূহ চিনাক্তকৰণত সহায়ক হ'ব।

এতিয়া মই আন এটা গুৰুত্বপূৰ্ণ পদক্ষেপলৈ মনোযোগ দিব বিচাৰিছো। সেইটো হ'ল— অবিৰত আভ্যন্তৰীণ প্ৰক্ৰিয়া সংস্কাৰ (Internal Process Reform), য'ত আমি ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা পদ্ধতিটোক আৰু অধিক সহজলভ্য, দক্ষ আৰু স্মাৰ্ট হিচাপে গঢ়ি তুলিবলৈ বিচাৰিছোঁ।

(১) মহাশয়, বিল দাখিল প্ৰক্ৰিয়াটোক স্বয়ংক্ৰিয় কৰাৰ বাবে Fin Assam (Financial Management Information System)ৰ পৰিসৰ প্ৰতিবছৰে Cutting down layers

in the process of Accessing the fixation of ceiling, generating online Administrative Approvals, Financial Sanctionৰ লেখীয়া ক্ষেত্ৰসমূহলৈ আমি সম্প্ৰসাৰণ কৰিছোঁ। মহাশয়, ৰাজ্যখনত সকলোবোৰ ৰাজহুৱা বিত্তীয় প্ৰক্ৰিয়াৰ সম্পূৰ্ণ স্বয়ংক্ৰিয়কৰণ কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ আৰু ইয়াৰ বাবে আমি কাম কৰি আছো। পেঞ্চন, নগদ ধন আৰু ঋণ ব্যৱস্থাপনা ইত্যাদিৰ লেখীয়া তথ্য প্ৰযুক্তিগত পদক্ষেপৰ জৰিয়তে আমি বৰ্তমান সংস্কাৰৰ দিশত কাম কৰি আছোঁ, যিটোৱে শাসনৰ ক্ষেত্ৰত স্বচ্ছতা আৰু দক্ষতা অনাত এক নতুন যুগৰ সূচনা কৰিব। ২০২০-২১ বৰ্ষত আমি নিম্নোক্ত পদক্ষেপসমূহ ল'বলৈ বিচাৰিছোঁ।

(ক) অনলাইনযোগে দিয়া কাৰিকৰী মঞ্জুৰি, কামৰ অগ্ৰগতিৰ সন্ধান ইত্যাদি।

(খ) চিলিং প্ৰক্ৰিয়াটোক অধিক শৃংখলাবদ্ধ কৰি তুলিবলৈ ব্যৱস্থা গ্ৰহণ

(গ) বন আৰু কাৰ্য গণনা প্ৰক্ৰিয়া (Forest works Accounts process)ৰ স্বয়ংক্ৰিয়কৰণ।

এতিয়া মই তৃতীয়টো ক্ষেত্ৰৰ বিষয়ে ব্যাখ্যা আগবঢ়াব খুজিছো যাৰ যোগেদি ৰাজহুৱা বিত্ত ব্যৱস্থাটো জনসাধাৰণৰ বাবে সহজলভ্য কৰাৰ হেতু আমি চেষ্টা অব্যাহত ৰাখিছো

১) চৰকাৰী জমা আৰু হিচাপৰক্ষণ পদ্ধতি (Govt. Receipt & Accounting System (GRAS)) গ্ৰহণৰ দ্বাৰা সমগ্ৰ অসমৰ বাবে একীভূত চালান প্ৰ-পত্ৰৰ লগতে বিভিন্ন বিভাগৰ বাবে ৰাজহ সংগ্ৰহৰ এক উমৈহতীয়া মঞ্চ সম্ভৱ হৈ উঠিছে। বেংক বা কোষাগাৰত দীঘলীয়া শাৰীত থিয় দিয়াৰ সলনি নিজৰ ঘৰৰ পৰাই দিবলগীয়া ধন জমা কৰিবলৈ GRAS- এ সুবিধা প্ৰদান কৰিব। মই জনাবলৈ পাই সুখী হৈছো যে বাণিজ্যিক কৰ, আবকাৰী, বন, অসম লোকসেৱা আয়োগ, স্বাস্থ্য, ভূতত্ব আৰু খনি বিভাগ আদি প্ৰতিষ্ঠানে ৰাজহ সংগ্ৰহৰ মাধ্যমৰূপে এই পদ্ধতি (GRAS) গ্ৰহণ কৰিছে আৰু আমি পৰিবহন, ৰাজহ আদি অন্যান্য বিভাগকো ইয়াৰ অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা কৰি আছো। ইয়াৰ দ্বাৰা জনসাধাৰণৰ অধিক সুবিধা হোৱাৰ লগতে ৰাজহ সংগ্ৰহৰ পৰিমাণো বৃদ্ধি পাব।

iv) অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় মন কৰিছে যে এই বাজেটত ঘোষণা কৰা প্ৰায় সকলো প্ৰয়াস এডাল ডোলেৰেই বন্ধা যাৰ উদ্দেশ্য হৈছে কল্যাণমূলক চৰকাৰী সাহায্যসমূহ প্ৰত্যক্ষভাবে প্ৰাপকলৈ হস্তান্তৰকৰণ।

অভিনন্দন (শিক্ষা ঋণত ৰাজসাহায্য), ছাত্ৰাবাসৰ ৰাজসাহায্য আদি আঁচনি এনেধৰণে

কাগজবিহীন, কায়িক দৰ্শনহীন আৰু সুষমভাবে ৰূপায়িত হোৱাত নাগৰিকসকলৰ লগত প্ৰত্যক্ষ সংযোগ স্থাপনৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত আমাৰ মনোবল বৃদ্ধি পাইছে। ২০১৯-২০ৰ বাজেটত ঘোষণা কৰা অনুসাৰে এই দিশত আমি ভালেখিনি অগ্ৰসৰ হৈ “পোনপটীয়াকৈ লাভালাভ হস্তান্তৰ” (Direct Benefit Transfer) আঁচনিসমূহৰ বাবে প্ৰয়োজনীয় এক ডিজিটেল পৰিগাঁথনি প্ৰস্তুতিৰ কামত ৰত হৈ আছো আৰু আমি দৃঢ়তাৰে ভাবো যে অৱশেষত ২০২০-২১ বৰ্ষত এই ডিজিটেল প্লেটফৰ্ম মুকলি হোৱাৰ পিছত DBT আঁচনিসমূহৰ ৰূপায়ণ ক্ষিপ্ৰতৰ হোৱাৰ লগতে সক্ৰিয় প্ৰশাসন ব্যৱস্থা আৰু আঁচনিৰ লাভ গ্ৰহণত নাগৰিকসকললৈ সুচলতা প্ৰদান উন্নতৰ হৈ পৰিব।

v) আমাৰ প্ৰশাসনত “স্বচ্ছতা”ক উৎসাহিত কৰিবলৈ আমি গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ কথা কৈ এতিয়া মই বক্তৃতাৰ এই অংশ সামৰিব খুজিছো

(ক) মই পৱিত্ৰ সদনৰ সদস্যসকলক এই কথা জনাবলৈ পাই আনন্দিত হৈছো যে Transparency International য়ে চলোৱা এক জৰীপত বাজেট প্ৰস্তুতিত গ্ৰহণ কৰা অনুশীলনৰ ক্ষেত্ৰত অসম শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত হৈছে। এই জৰীপ চাৰিটা ক্ষেত্ৰত চলোৱা হৈছিল। এই ক্ষেত্ৰসমূহ হ’ল— ৰাজহুৱা জাননী, বাজেট প্ৰক্ৰিয়া, বাজেট প্ৰস্তুতিৰ পাছৰ ব্যৱস্থাপনা আৰু স্বচ্ছ তথা নাগৰিকমুখী বাজেটৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টা। মহাশয়, আমি আমাৰ ওপৰত থকা দায়িত্ব সম্পৰ্কে সচেতন আৰু আমি লাভ কৰা স্থিতি অক্ষুণ্ণ ৰাখিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিম। প্ৰশাসনত ৰাইজৰ অংশগ্ৰহণ আৰু বাজেটৰ স্বচ্ছতা সম্পৰ্কে অনুকূল বাতাৱৰণ সৃষ্টি কৰাৰ দিশত আমি আমাৰ প্ৰচেষ্টা চলাই যাম।

(খ) আমি কিছুসংখ্যক বৃহৎ আঁচনি ৰূপায়ণৰ প্ৰভাৱ মূল্যায়ন স্বাধীন অধ্যয়নৰ বাবেও মনস্থ কৰিছো। যাৰ জৰিয়তে আঁচনি প্ৰস্তুতি, তাৰ ৰূপদান আৰু প্ৰয়োজন সাপেক্ষে শুধৰণীমূলক ব্যৱস্থাৰ দিশত মূল্যবান অন্তৰ্দৃষ্টি প্ৰদান কৰিব।

## ৰাজহ সৃষ্টিৰ ব্যৱস্থাসমূহ-

## বাণিজ্যিক কৰ সংগ্ৰহ আৰু পাৰ্শ্বজ্যোতি

২০১৭-১৮ (জুলাই ২০১৭-মাৰ্চ ২০১৮)ৰ বিপৰীতে ২০১৮-১৯ (জুলাই ২০১৮-মাৰ্চ ২০১৯)ৰ সময়চোৱাত সৰ্বভাৰতীয় ৬% বৃদ্ধিৰ তুলনাত সামগ্ৰী আৰু সেৱা কৰ (GST) অসমত ৩১% বৃদ্ধি হৈছে আৰু এই ক্ষেত্ৰত অসম অবিৰত ভাবে উৰ্দ্ধমুখী পথত আগুৱাইছে। তদুপৰি, ২০১৮-১৯ বৰ্ষৰ সেই সময়চোৱাৰ বিপৰীতে ২০১৯-২০ বৰ্ষত এই ক্ষেত্ৰত অসমৰ হাৰ হ’ল ১৭% (ফেব্ৰুৱাৰী ২০২০ পৰ্যন্ত)। যি ক্ষেত্ৰত GST বৃদ্ধিৰ সৰ্বভাৰতীয় হাৰ হ’ল ৪% মাত্ৰ। ইয়ে

দেখুৱায় যে ৰাষ্ট্ৰীয় বিকাশৰ হাৰৰ তুলনাত অসমৰ বিকাশৰ হাৰ ৪ গুণৰো অধিক। বাণিজ্যিক কৰ বিভাগে বৰ্তমান অনা সামগ্ৰী আৰু সেৱাকৰ(non GST)ৰ বাবে এটা e-governance software মুকলি কৰাৰ বাবে আগবাঢ়িছে, যাৰ ফলত ৰাজ্যখনত অতিৰিক্ত ২০০-৩০০ কোটি টকাৰ ৰাজহ বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

**আবকাৰী সংস্কাৰ আৰু ৰাজহ সংগ্ৰহ ঃ** অধ্যক্ষ মহোদয়, আবকাৰী বিভাগত ৰাজহ সংগ্ৰহৰ কাৰণে আমাৰ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে মই চমুকৈ ক'ব বিচাৰিছো আৰু আগন্তুক বৰ্ষৰ বাবে গ্ৰহণ কৰা কাম-কাজসমূহৰ বিষয়ে আভাস দিব বিচাৰিছো।

(ক) ২০১৫-১৬ বৰ্ষৰ পৰা আবকাৰী বিভাগৰ ৰাজহ প্ৰায় দুগুণ হৈছে। সেই সময়ত বিভাগটোৰ ৰাজহ সংগ্ৰহ আছিল ৮২০ কোটি টকা। আনহাতে, ২০১৯-২০ বৰ্ষত বিভাগটোৱে ১৮০০ কোটি টকা সংগ্ৰহৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

এয়া হৈছে আমাৰ নিৰ্ভৰশীলতাৰ লক্ষণৰ পৰা মুক্ত হোৱাৰ লগতে সংস্কাৰ সাধন আৰু ত্ৰুটি-বিচ্যুতি হ্ৰাস কৰাৰ বাবে আমি গ্ৰহণ কৰা নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰ প্ৰতিশ্ৰুতিৰ প্ৰমাণ।

(খ) আমি এই সফলতাখিনিতে থমকি নৰৈ অন্যান্য কিছুমান সংস্কাৰৰ বাবেও প্ৰচেষ্টা অব্যাহত ৰাখিম। যেনে— কৰফাঁকি আৰু ৰাজহ হ্ৰাসৰ সুৰুঙা ৰোধ কৰাৰ বাবে পাইকাৰী আৰু খুচুৰা বিক্ৰীৰ ক্ষেত্ৰত প্ৰযোজ্য সুৰা প্ৰস্তুতকৰণ, মজুত আৰু বিপণনৰ অনুজ্ঞাপত্ৰ থকা চৌহদসমূহৰ নিয়ন্ত্ৰণ আৰু বিধি-বিধানৰ বাবে থকা অনুজ্ঞাপত্ৰ প্ৰদান পদ্ধতিৰ সংশোধন সাধন।

(গ) ৰাজ্যখনৰ ভিতৰত খণ্ডভিত্তিক উপভোক্তাৰ ধৰণ আৰু বজাৰৰ সম্ভাৱনীয়তা পৰীক্ষা কৰি তথা ওচৰচুবুৰীয়া ৰাজ্যসমূহৰ শুল্ক গাঁথনিৰ ভিত্তিত আবকাৰী শুল্ক গাঁথনিক যুক্তিসংগত কৰাৰ চেষ্টা কৰা হৈছে যাতে ৰাজ্য চৰকাৰে ৰাজহ সংগ্ৰহ সৰ্বোচ্চ পৰ্যায়লৈ নিব পাৰে।

**পৰিবেশ আৰু বন বিভাগ ঃ** মহোদয়, পৰিবেশ আৰু বন বিভাগে বন্যপ্ৰাণী আৰু প্ৰকৃতি সংৰক্ষণৰ লগতে ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈও যৎপৰোনাস্তি চেষ্টা চলাই আহিছে।

আমি বিভাগটোৰ ৰাজহ সংগ্ৰহৰ ব্যৱস্থাটো অধিক উন্নত কৰিবলৈ তলত দিয়া ধৰণে এলানি পদক্ষেপ লোৱাৰ মনস্থ কৰিছোঁ ঃ

